UG CM S4-01
(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ, এন ই পি ২০২০ অনুসৰি)

চতুৰ্থ ষাণ্মাসিক

নিগম নিকায়ৰ হিচাপবিদ্যা

বাণিজ্য

মণিৰাম দেৱান স্কুল অৰ মেনেজমেন্ট

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক হেমচন্দ্র গৌতম, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নয়ন বৰুৱা, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
সন্তোষ কুমাৰ মহাপাত্র, সহযোগী অধ্যাপক, বাণিজ্য বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৱক্ষী ঃ ড° দেৱজিৎ গোস্বামী, ড° দিপাংকৰ মালাকাৰ আৰু সঞ্জীৱ ঘিমিৰে, বাণিজ্য বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১-৩	ড° অমৰ গৌতম, হোজাই কলেজ	**শ্রীচেনীৰাম বৈদ্য**, অৱসৱপ্রাপ্ত অধ্যাপক, নগাঁও মহাবিদ্যালয় (অধ্যায় ১-৩, ৫, ৭-১৫)
৪	শ্রীনাৰায়ণ কাফলে, জাগীৰোড কলেজ	শ্রীসঞ্জীৱ ঘিমিৰে, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিদ্যালয় আৰু ৱঞ্জনা শর্মা, বিশ্বনাথ কলেজ (অধ্যায় ৪ আৰু ৬)
৫,৭,৮ আৰু ৯	ড° ৱমেন বর্মন, গুৱাহাটী কমার্চ কলেজ	
৬	শ্রীসঞ্জীৱ ঘিমিৰে, কৃ. কা. স. ৱা. মু. বি.	
১০-১৪	অধ্যাপক বি বি ডাম, অৱসৱপ্রাপ্ত অধ্যাপক গুৱাহাটী কমার্চ কলেজ	
১৫	অধ্যাপক বি বি ডাম, অৱসৱপ্রাপ্ত অধ্যাপক গুৱাহাটী কমার্চ কলেজ আৰু শ্রীসঞ্জীৱ ঘিমিৰে, কৃ. কা. স. ৱা. মু. বি.	

সম্পাদনা ঃ

বিষয়ৱস্তু আৰু ভাষা সম্পাদনা ঃ অধ্যাপক হেমচন্দ্র গৌতম, গুৱাহাটী বিশ্ববিদ্যালয়
গাঁথনি সম্পাদনা ঃ সঞ্জীৱ ঘিমিৰে, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিদ্যালয়

প্রথম প্রকাশ ঃ মা , ২০২৫

ISBN: 978-93-89123-84-5

© কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

 This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৱাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web: www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ অংশৰ বিলিকৰণ আৰু ক্রয় সন্মতি ৭-৪১

(ক) অংশ আৰু অংশপত্রিক মূলধনৰ অর্থ, অংশ আৰু অংশপত্রিক মূলধনৰ প্রকাৰ, অংশপত্রিক মূলধনৰ উপবিভাজন; অংশ বিলিকৰণ; অংশ বিলিকৰণৰ লগত জড়িত পদক্ষেপসমূহ ; অংশ বিলিকৰণৰ বাবে হিচাপসম্পর্কীয় ব্যৱস্থাৱলী।
(খ) অংশ ক্রয় সন্মতিৰ অর্থ; অংশৰ সম্পূর্ণ ক্রয় সন্মতি বা আবেদন সংগ্রহ ; অংশৰ স্বল্পক্রয় সন্মতি বা কম আবেদন সংগ্রহ; অংশৰ অধিক্রয় সন্মতি বা অধিক আবেদন সংগ্রহ; অংশৰ অধিক্রয় সন্মতিৰ ক্ষেত্রত ভাৰতীয় প্রতিভূতি আৰু বিনিময় বোর্ডৰ নির্দেশাৱলী, অংশৰ অধিক্রয় সন্মতিৰ হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী।

অধ্যায় ২ ঃ অংশৰ বাজেয়াপ্তকৰণ আৰুপুনৰ বিলিকৰণ ৪২-৫৯

(ক) অংশ বাজেয়াপ্তকৰণৰ অর্থ ,অংশ বাজেয়াপ্তকৰণৰ ফল; অংশ বাজেয়াপ্তকৰণৰ হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী; (খ) বাজেয়াপ্ত কৰা অংশৰ পুনৰ বিলিকৰণ; বাজেয়াপ্ত কৰা অংশৰ পুনৰ বিলিকৰণৰ ক্ষেত্রত হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী।

অধ্যায় ৩ ঃ বোনাচ অংশ আৰু অধিকাৰ সাপেক্ষ অংশৰ বিলিকৰণ ৬০-৭৭

(ক) বোনাচ অংশৰ অর্থ; বোনাচ অংশ বিলিকৰণৰ উদ্দেশ্য, সুবিধা আৰু অসুবিধাসমূহ; বোনাচ অংশ বিলিকৰণৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলী, (খ) অধিকাৰ সাপেক্ষ অংশৰ অর্থ, অধিকাৰ সাপেক্ষ অংশৰ বিলিকৰণৰ উদ্দেশ্য, সুবিধা আৰু অসুবিধাসমূহ, অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলী।

অধ্যায় ৪ ঃ অগ্রাধিকাৰযুক্ত অংশপত্রৰ পৰিশোধ ৭৮-৯২

অগ্রাধিকাৰযুক্ত অংশপত্রৰ পৰিশোধৰ অর্থ; অগ্রাধিকাৰযুক্ত অংশপত্রৰ পৰিশোধৰ বাবে বিধি সম্বন্ধীয় চর্তাৱলী; অগ্রাধিকাযুক্ত অংশপত্রৰ পৰিশোধৰ পদ্ধতিসমূহ; অগ্রাধিকাৰযুক্ত অংশপত্রৰ পৰিশোধৰ বাবে হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী।

অধ্যায় ৫ ঃ ঋণপত্রৰ বিলিকৰণ ৯৩-১১১

ঋণপত্রৰ অর্থ আৰু বৈশিষ্ট্যসমূহ; ঋণপত্রৰ প্রকাৰ, অংশ আৰু ঋণপত্রৰ মাজৰ পার্থক্যসমূহ; ঋণপত্র বিলিকৰণৰ পদ্ধতিসমূহ; ঋণপত্র বিলিকৰণৰ হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী যেতিয়া প্রতিদান নগদ টকাত পোৱা যায়, নগদ ধনৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত ঋণপত্রৰ বিলিকৰণ।

অধ্যায় ৬ ঃ ঋণপত্রৰ পৰিশোধ **১১২-১২০**

ঋণপত্রৰ পৰিশোধৰ অর্থ; ঋণপত্রৰ পৰিশোধৰ পদ্ধতি; যিটো মূল্যত ঋণপত্র পৰিশোধ কৰিব পাৰি; ঋণপত্র পৰিশোধৰ বাবে বিত্তৰ উৎস; ঋণপত্রৰ পৰিশোধৰ বাবে বিধি সম্বন্ধীয় ব্যৱস্থাৱলী; ঋণপত্রৰ পৰিশোধৰ বাবে হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী।

অধ্যায় ৭ ঃ অংশ ফিৰৎ ক্রয় **১২১-১৩৪**

অংশ ফিৰৎ ক্রয়ৰ অর্থ; অংশ ফিৰৎ ক্রয়ৰ সুবিধা আৰু অসুবিধাসমূহ; অংশ ফিৰৎ ক্রয়ৰ আইনগত ব্যৱস্থাৱলী আৰু পুঁজিৰ উৎসসমূহ; অংশ ফিৰৎ ক্রয়ৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলী।

অধ্যায় ৮ ঃ সুনামৰ মূল্যায়ন **১৩৫-১৪৫**

সুনামৰ অর্থ আৰু বৈশিষ্ট্য, সম্পত্তি হিচাপে সুনাম, সুনাম মূল্যায়নৰ পদ্ধতিসমূহ; গড় লাভ পদ্ধতি আৰু ভাৰশোধিত গড় লাভ পদ্ধতি

অধ্যায় ৯ ঃ অংশপত্রৰ মূল্যায়ন **১৪৬-১৫৯**

অংশপত্রৰ মূল্যৰ অর্থ, অংশপত্রৰ মূল্যৰ প্রকাৰ, অংশপত্রৰ মূল্যায়নৰ গুৰুত্ব, অংশপত্রৰ মূল্যত প্রভাৱ পেলোৱা কাৰকসমূহ, অংশপত্র মূল্যায়নৰ পদ্ধতিসমূহ

অধ্যায় ১০ ঃ ব্যৱসায় ক্রয় **১৬০-১৭৯**

'ব্যৱসায় ক্রয়', 'ব্যৱসায়ৰ কতৃত্ব গ্রহণ', 'সম্পত্তিৰ কতৃত্ব গ্রহণ', 'সম্পত্তি আৰু দেনাৰ কতৃত্ব গ্রহণ'ৰ অর্থ, ক্রয় প্রতিদান, ক্রয় প্রতিদান গণনা কৰা পদ্ধতিসমূহ, ক্রয় প্রতিদান নিষ্পত্তি কৰাৰ ধৰণ, হিচাপ সম্পর্কীয় প্রৰিষ্টিসমূহ

অধ্যায় ১১ ঃ কোম্পানীসমূহৰ একত্রীকৰণ **১৮০-১৯৫**

কোম্পানীসমূহৰ একত্রীকৰণৰ অর্থ আৰু উদ্দেশ্যসমূহ, একত্রীকৰণত ব্যৱহাৰ কৰা বিভিন্ন পদৰ অর্থ, হিচাপ বিদ্যাৰ মান অনুসৰি কোম্পানীৰ একত্রীকৰণৰ ব্যৱস্থাৱলী, ক্রয় প্রতিদান নির্ণয় কৰাৰ ভিত্তি, স্থানান্তৰকাৰী কোম্পানীৰ বহীত হিচাপ সম্পর্কীয় প্রৰিষ্টিসমূহ।

অধ্যায় ১২ ঃ কোম্পানীসমূহৰ আভ্যন্তৰীণ পুনৰ গঠন **১৯৬-২২০**

বাহ্যিক পুনৰ গঠন আৰু আভ্যন্তৰীণ পুনৰ গঠনৰ অর্থ, এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰ গঠন প্রয়োজন হোৱা পৰিস্থিতিসমূহ, আভ্যন্তৰীণ পুনৰ গঠনৰ প্রকাৰসমূহ, একত্রিত বিত্তীয় প্রতিবেদনৰ অর্থ আৰু সুবিধাসমূহ, একত্রীকৰণত আইন সম্বন্ধীয় প্রয়োজনীয়তাসমূহ, সংখ্যালঘু অংশপত্রবিলাকৰ স্বার্থৰ অর্থ আৰু ইয়াৰ পৰিমাণ গণনা

অধ্যায় ১৩ঃ নিয়ন্ত্রক কোম্পানীসমূহৰ হিচাপসমূহ ২২১-২৩০

নিয়ন্ত্রক আৰু অধীন কোম্পানীৰ অর্থ, নিয়ন্ত্রক আৰু অধীন কোম্পানীৰ প্রকাৰসমূহ, একত্রিত বিত্তীয় প্রতিবেদনৰ অর্থ আৰু সুবিধাসমূহ, একত্রীকৰণত আইন সম্বন্ধীয় প্রয়োজনীয়তাসমূহ, সংখ্যালঘু অংশপত্রধাৰকৰ স্বার্থৰ অর্থ আৰু ইয়াৰ পৰিমাণ গণনা

অধ্যায় ১৪ঃ কোম্পানীসমূহৰ অৱসায়ন ২৩১-২৩৯

অৱসায়নৰ অর্থ, এটা কোম্পানীৰ অৱসায়নৰ ধৰণ; বাধ্যতামূলক অৱসায়ন, ইচ্ছাধীন অৱসায়ন, সাহায্য দায়কৰ অর্থ, অৱসায়নৰ অর্থ, অগ্রাধিকাৰযুক্ত পৰিশোধসমূহ

অধ্যায় ১৫ঃ যৌথ কাৰবাৰ কোম্পানীৰ চূড়ান্ত হিচাপসমূহ ২৪০-২৫৫

চূড়ান্ত হিচাপসমূহৰ অর্থ আৰু উপাদানসমূহ, কোম্পানী আইনৰ প্রাসঙ্গিক ব্যৱস্থাৱলী, চূড়ান্ত হিচাপৰ গঠন প্রণালী, লাভ-লোকচান হিচাপ, এটা কোম্পানীৰ চূড়ান্ত হিচাপসমূহ কৰোঁতে বিশেষভাৱে মনোযোগ দিবলগীয়া কিছুমান পদ

পাঠ্যবিষয়ৰ পৰিচয় ঃ

নিগম নিয়কৰ উচ্চ হিচাপবিদ্যা পাঠ্যবিষয়টিয়ে শিক্ষার্থীসকলক যৌথ কাৰবাৰ কোম্পানীৰ হিচাপৰক্ষণ পদ্ধতিৰ বিষয়ে জনাত সহায় কৰিব। ব্যৱসায়িক কার্যসমূহৰ বাবে প্রয়োজন হোৱা বিত্ত কোম্পানীয়ে অংশ বিলি কৰি সংগ্রহ কৰে। এই ক্ষেত্রত বহুতো দিশ অন্তর্ভুক্ত হৈ থাকে যেনে বিনিয়োগকাৰীয়ে অংশ ক্রয় কৰা, কোনো বিনিয়োগকাৰী অংশৰ নির্দিষ্ট ধন পৰিশোধ কৰাত অপাৰগ হোৱা চূড়ান্ত হিচাপৰ প্রস্তুতকৰণ আদি। সেয়েহে সঠিকভাৱে হিচাপৰ বহী সংৰক্ষণ কৰাটো আইনৰ আধাৰত যৌথ কাৰবাৰ কোম্পানী এটা সৃষ্টি কৰা হয় আৰু ইয়াৰ সকলো কাম-কাজ এই আইনৰ আধাৰত পৰিচালিত হয়। হিচাপৰক্ষণৰ ক্ষেত্রতো যৌথ কাৰবাৰ কোম্পানী এটাই এই আইনৰ ধাৰাসমূহ মানি চলিব লাগিব। এই পাঠ্যক্রমত শিক্ষার্থীসকলে হিচাপৰক্ষণৰ ব্যৱহাৰিক দিশসমূহৰ বিষয়ে জানিব পাৰিব। প্রয়োজন সাপেক্ষে কোম্পানী আইনৰ ধাৰাসমূহো ইয়াত সন্নিৱিষ্ট কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ঃ অংশৰ বিলিকৰণ আৰু ক্রয় সন্মতি (ISSUE AND SUBSCRIPTION OF SHARES)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য (Learning Objectives)

১.২ পৰিচয় (Introduction)

১.৩ অংশ আৰু অংশপত্রিক মূলধনৰ অর্থ (Meaning of Share and Share Capital)

১.৪ অংশ আৰু অংশপত্রিক মূলধনৰ প্রকাৰ (Kinds of Shares and Share Capital)

১.৫ অংশপত্রিক মূলধনৰ উপবিভাজন (Sub- division of Share Capital)

১.৬ অংশ বিলিকৰণ (Issue of Share)

- ১.৬.১ অংশ বিলিকৰণৰ লগত জড়িত পদক্ষেপসমূহ (Steps involved in Issue of Shares)
- ১.৬.২ অংশ বিলিকৰণৰ বাবে হিচাপসম্পকীয় ব্যৱস্থাৱলী (Accounting Treatment for Issue of Share)

১.৭ অংশ ক্রয় সন্মতি (Subscription of shares)

- ১.৭.১ অংশৰ সম্পূর্ণ ক্রয় সন্মতি বা আবেদন সংগ্রহ (Full subscription of shares)
- ১.৭.২ অংশৰ স্বল্পক্রয় সন্মতি বা কম আবেদন সংগ্রহ (Under subscription of shares)
- ১.৭.৩ অংশৰ অধিক্রয় সন্মতি বা অধিক আবেদন সংগ্রহ (Over-subscription of shares)
- ১.৭.৪ অংশৰ অধিক্রয় সন্মতিৰ ক্ষেত্রত ভাৰতীয় প্রতিভূতি আৰু বিনিময় বোর্ডৰ নির্দেশাৱলী (SEBI Guidelines on over- subscription of shares)
- ১.৭.৫ অংশৰ অধিক্রয় সন্মতিৰ হিচাপ সম্পকীয় ব্যৱস্থাৱলী (Accounting treatment on over– subscription of shares)

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

১.৯ অধিক জানিবলৈ (Further Reading)

১.১০ অগ্রগতিৰ খতিয়ান (Answers to Check Your Progress)

১.১১ আৰ্হি প্রশ্ন (Model Questions)

১.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অংশ আৰু অংশপত্ৰিক মূলধনৰ অৰ্থৰ সংজ্ঞা দিবলৈ সক্ষম হ'ব
- বিভিন্ন প্ৰকাৰৰ অংশ বিষয়ে ব্যাখ্যা দাঙি ধৰিবলৈ সক্ষম হ'ব
- এটা কোম্পানীৰ বিভিন্ন প্ৰকাৰৰ অংশপত্ৰিক মূলধনৰ বিষয়ে ব্যাখ্যা দাঙি ধৰিব পাৰিব
- অংশ বিলিকৰণৰ বিভিন্ন পদ্ধতি আৰু পদক্ষেপসমূহৰ বিষয়ে বিশদ বিৱৰণ দিব পাৰিব
- অংশ বিলিকৰণৰ বাবে প্ৰয়োজন হোৱা হিচাপ সম্পৰ্কীয় ব্যৱস্থাৱলীৰ বিষয়ে উদাহৰণসহ ব্যাখ্যা দাঙি ধৰিব পাৰিব
- অংশৰ ক্ৰয় সন্মতিৰ অৰ্থ ব্যাখ্যা কৰিব পাৰিব
- অংশৰ অধিক্ৰয় সন্মতিৰ সংজ্ঞা দিব পাৰিব
- অংশৰ স্বল্প ক্ৰয় সন্মতিৰ সংজ্ঞা দিব পাৰিব
- অংশৰ অধিক্ৰয় সন্মতিৰ ক্ষেত্ৰত ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ নিৰ্দেশাৱলী বৰ্ণনা কৰিব পাৰিব
- অংশৰ অধিক্ৰয় সন্মতিৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী উদাহৰণ দি ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয় (INTRODUCTION)

আপুনি এই বিষয়ে অৱগত যে বিত্ত যেনে অৰ্থ বা টকা পইচা আদি ব্যৱসায়ৰ এক জীৱনী শক্তি স্বৰূপ। ব্যৱসায় আৰম্ভণি, পৰিচালনা আৰু ইয়াৰ উন্নয়নৰ বাবে বিত্তৰ প্ৰয়োজন, যিহেতু ইয়াৰ দ্বাৰা স্থায়ী আৰু কাৰ্য্যকৰী মূলধনৰ যোগান সম্ভৱপৰ হয়। বিত্তৰ অবিহনে ব্যৱসায় প্ৰতিষ্ঠানে এখোজো আগবাঢ়িব নোৱাৰে। উৎপাদনৰ আন আহিলাসমূহৰ প্ৰাপ্তি সাধ্যতাও বিত্তৰ প্ৰাপ্তি সাধ্যতাৰ ওপৰতে নিৰ্ভৰ কৰে। যেতিয়া এজন ব্যৱসায়ীয়ে ব্যৱসায়ৰ বাবে আঁচনি প্ৰস্তুত কৰে তেতিয়া তেওঁ প্ৰয়োজনীয় বিত্তৰ বিষয়েও আঁচনি প্ৰস্তুত কৰিব লাগে।বিত্তৰ প্ৰয়োজনীয়তাৰ বিষয়ে পূৰ্বনুমান কৰাৰ পিছত ব্যৱসায়ীজনে কোনবোৰ উৎসৰ পৰা এই প্ৰয়োজনীয়তা সমূহ পূৰণ কৰা হ'ব সেইটো নিৰ্ধাৰণ কৰিবলৈ চেষ্টা কৰে। কোম্পানীৰ ক্ষেত্ৰত প্ৰাথমিকভাৱে অংশ বিলিকৰণৰ জড়িয়তে বিত্ত সংগ্ৰহ কৰা হয়। আপুনি জানিব পাৰিছে যে কোম্পানী হৈছে উমৈহতীয়া পৰিচয় প্ৰতীক (চিলমোহৰ) আৰু চিৰন্তন অনুক্ৰম থকা আইনৰ অধীনত কৃত্ৰিম ব্যক্তি হিচাপে পৰিগনিত এক নিবন্ধীকৃত সংঘ। ন্যায়াধীশ লিণ্ডলে (Lord Justice Lindley) আগবঢ়োৱা সংজ্ঞামতে কোম্পানী হৈছে উমৈহতীয়া পুঁজিত নগদ বা নগদ ধনৰ মূল্যৰে বৰঙণি আগবঢ়োৱা আৰু এই পুঁজি কিছুমান সাধাৰণ (অৰ্থাৎ উমৈহতীয়া উদ্দেশ্যৰ) বেহাবেপাৰ বা বাণিজ্যত বিনিয়োগ কৰি আৰু ইয়াৰ লাভ বা লোকচান (যিয়ে হয়) ভগাই লোৱা অনেক ব্যক্তিৰ এক সংঘ। জনসাধাৰণে নগদ টকাৰে উমৈহতীয়া পুঁজিলৈ আগবঢ়োৱা ধনখিনিয়েই হৈছে

কোম্পানীৰ মূলধন। এনেদৰে বৰঙণি আগবঢ়োৱা ব্যক্তিসকলক সদস্য বোলা হয়। প্ৰতিজন সদস্যই দাবী কৰিব পৰা মূলধনৰ সমানুপাতিক ভাগক তেওঁৰ অংশ বুলি গণ্য কৰা হয়। অংশসমূহ হস্তান্তৰযোগ্য যদিও, সেই ক্ষমতা কম বেছি পৰিমাণে সীমাবদ্ধ ("An association of many persons who contribute money or money's worth to a common stock, and employ it in some common trade or businesss (i.e. for a common purpose) and who share the profit or loss (as the case may be) arising therefrom. The common stock so contributed is denoted in money and is the Capital of the company. The persons who contribute are the members. The proportion of Capital to which each member is entiled is his share. Shares are always transferable, although the right to transfer them is often more or less restricted").

এই অধ্যায়টোত আমি অংশ আৰু অংশপত্ৰিক মূলধনৰ অৰ্থ ব্যাখ্যা কৰা, বিভিন্ন প্ৰকাৰৰ অংশৰ বিলিকৰণৰ পদ্ধতি আৰু পদক্ষেপসমূহ আৰু অংশ বিলিকৰণত আৱশ্যক হোৱা হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলীতে আলোচনা সীমাবদ্ধ ৰাখিম।

১.৩ অংশ আৰু অংশপত্ৰিক মূলধনৰ অৰ্থ (MEANING OF SHARE AND SHARE CAPITAL)

অংশীদাৰী হিচাপত আপুনি অংশীদাৰসকলৰ মাজত লাভ বণ্টন কৰোতে উদ্ভৱ হোৱা অংশ বোলা পদটোৰ কথা নিশ্চয় জানিব পাৰিছে। অংশৰ সাধাৰণ অৰ্থ হৈছে মুঠ বস্তুৰ এটা অংশ তথা ভাগ। এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত অৰ্জন কৰা লাভ অংশীদাৰসকলৰ মাজত ভগাই দিয়া হয় বা আন কথাত ক'বলৈ গ'লে অংশীদাৰসকলে মুঠ লাভৰ এটা অংশ পায়। আপুনি এইটোও জানে যে টকাৰ অবিহনে ব্যৱসায় আৰম্ভ কৰিব নোৱাৰি। মূলধন পদটোৱে ব্যৱসায় আৰম্ভ কৰোতে প্ৰয়োজন হোৱা বিশেষভাৱে নিৰ্দিষ্ট পৰিমাণৰ ধনকে বুজায়। কোম্পানী আৰ্হিৰ ব্যৱসায়ৰ ক্ষেত্ৰত মূলধন বুলিলে অংশপত্ৰিক মূলধনক বুজোৱা হয় আৰু অংশ (share) হ'ল এই অংশপত্ৰিক মূলধনৰ খণ্ড। ২০১৩ চনৰ কোম্পানী আইনৰ ২ (৮৪) ধাৰা অনুসৰি অংশৰ সংজ্ঞা এনেদৰে দিয়া হৈছে - "অংশ হৈছে কোম্পানীৰ অংশপত্ৰিক মূলধনৰ এক অংশ আৰু যিক্ষেত্ৰত ষ্টক আৰু অংশৰ মাজত প্ৰকাশ্য ভাৱে বা অপ্ৰকাশ্যভাৱে পাৰ্থক্য দেখুৱা হয় সেইক্ষেত্ৰত ইয়াত ষ্টকত সামৰি লোৱা হয় (A share in the share capital of the company and includes stock)।

ন্যায়াধীশ ফাৰৱেলৰ (Justice Farwel) মতে "কোম্পানীত থকা অংশধাৰকসকলৰ স্বাৰ্থ হ'ল অংশ যাক প্ৰথম ক্ষেত্ৰত দেনা আৰু দ্বিতীয় ক্ষেত্ৰত স্বাৰ্থ নিৰ্ণয়ৰ বাবে মুদ্ৰাৰে পৰিমাপ কৰা হয়; কিন্তু আইন আৰু আভ্যন্তৰীণ নিয়মাৱলীৰ চৰ্ত অনুসৰি সকলোবোৰ অংশধাৰকে আবদ্ধ হোৱাত পাৰস্পৰিক চুক্তিও ইয়াৰ ভিতৰত অন্তৰ্ভুক্ত হৈ থাকে (A share is the interest

of a shareholder in the company measured by a sum of money, for the purpose of liability in the first place and of interest in the second, but also consisting of mutual covenants entered into by all the shareholders in terms of the Act and the Articles)

অংশপত্ৰিক মূলধন হৈছে কোম্পীনৰ প্ৰবৰ্তক আৰু সদ্যসসকলে কোম্পানীৰ অংশত বিনিয়োগ কৰা পৰিমাণ। বিশেষকৈ মুঠ অংশপত্ৰিক মূলধনৰ বাবে আৰু বিভিন্ন বিত্তীয় দলিলৰ বাবে হিচাপৰ একক হৈছে অংশ। সৰল অৰ্থত অংশ হৈছে এটা কোম্পানীৰ মুঠ অংশপত্ৰিক মূলধনৰ একোটা ক্ষুদ্ৰ ভাগ । এটা কোম্পানীৰ মূলধন এক বৃহৎ সংখ্যক সমান ভাগ বা ক্ষুদ্ৰ শ্ৰেণীৰ গোটত (Unit) বিভক্ত কৰা হয়। প্ৰতিটো ভাগ বা একক একোটা অংশ বোলা হয়। উদাহৰণস্বৰূপে, এটা কোম্পানীৰ মুঠ মূলধন ২০,০০,০০০ টকা আৰু ইয়াক ১০ টকীয়া ২০০,০০০ টা সমানভাগ বা গোটত বিভক্ত কৰা হৈছে। প্ৰতিটো গোট বা ভাগক ১০ টকীয়া একোটা অংশ বুলি জনা যায়।

যিহেতু কোম্পানীৰ মুঠ মূলধন অংশসমূহত বিভক্ত কৰা হয়, সেয়ে কোম্পানীৰ মূলধনক অংশপত্ৰিক মূলধন হিচাপে আখ্যা দিয়া হয়। সাধাৰণ অৰ্থত অংশপত্ৰিক মূলধন বুলিলে কোম্পানীয়ে অংশ বিলি কৰি সংগ্ৰহ কৰা মূলধনকে বুজোৱা হয়।

এটা কোম্পানীয়ে অংশ বিলি কৰি ইয়াৰ মূলধন সংগ্ৰহ কৰে। যেতিয়া কোম্পানীয়ে এজন ব্যক্তিক অংশ বিলি আৰু আবণ্টন কৰে তেতিয়া কোম্পানীয়ে ব্যক্তিজনক কোম্পানীৰ এজন মালিক হিচাপে অভিহিত কৰিবলৈ এখন দলিল প্ৰদান কৰে। যিজন ব্যক্তিক অংশ আবণ্টন কৰা হয় তেওঁক অংশ ধাৰক বোলা হয়। অংশ কোম্পানীয়ে বিলি কৰে বা অংশ বিনিময় বজাৰৰ পৰাও কিনিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ অংশ আৰু অংশপত্ৰিক মূলধনৰ অৰ্থ কি ?

.....

.....

.....

.....

১.৪ অংশ আৰু অংশপত্ৰিক মূলধনৰ প্ৰকাৰ (KINDS OF SHARES AND SHARE CAPITAL)

সাধাৰণতে, অংশ দুই প্ৰকাৰৰ ঃ সমাংশ অংশ (Equity share) আৰু অগ্ৰাধিকাৰযুক্ত অংশ (Preference Share)।

সমাংশঅংশক সাধাৰণ অংশ (Ordinary share) বা নামিক অংশ (Nominal share)

বা উমৈহতীয়া অংশও (Common share) বোলা হয়। এই অংশৰ ধাৰকসকলেই হৈছে কোম্পানীৰ প্ৰকৃত মালিক, দায়বহনকাৰী, তত্ত্বাৱধায়ক, কোম্পানীৰ কামকাজৰ নিয়ন্ত্ৰণৰ অধিকাৰী আৰু লগতে ভোটদানৰো অধিকাৰী।

অগ্ৰাধিকাৰযুক্ত অংশ হৈছে এক প্ৰকাৰৰ অংশ যি সমাংশতকৈ কিছুমান ক্ষেত্ৰত অগ্ৰাধিকাৰ স্বত্ব পায়। এই অগ্ৰাধিকাৰযুক্ত স্বত্ব দুটা ক্ষেত্ৰত আগবঢ়োৱা হয়- (ক) এক স্থিৰ পৰিমাণৰ বা এটা স্থিৰ হাৰত লাভাংশ প্ৰদানৰ সন্দৰ্ভত আৰু (খ) আদায়ীকৃত মূলধন পৰিশোধ কৰাৰ বিষয়ত।

এই ক্ষেত্ৰত ২০১৩ চনৰ কোম্পানী আইনৰ ব্যৱস্থাৱলী উল্লেখনীয়। ২০১৩ চনৰ কোম্পানী আইনৰ ৪৩ ধাৰা অনুসৰি অংশৰ দ্বাৰা সীমিত এটা কোম্পানীয়ে নতুনকৈ দুই ধৰণৰ অংশপত্ৰিক মূলধনহে বিলি কৰিব পাৰিব। সেই কেইবিধ হ'ল

(ক) সমাংশপত্ৰিক মূলধন (Equity Share Capital) ঃ

১। ভোট দিয়া ক্ষমতা থকা; বা

২। নিৰ্দিষ্ট কৰা চৰ্তসাপেক্ষে আৰু তেনে নিয়ম অনুসৰি লাভাংশ, ভোটদান ক্ষমতা বা অন্যান্য পাৰ্থক্যজনিত ক্ষমতা থকা।

(খ) অগ্ৰাধিকাৰযুক্ত অংশপত্ৰিক মূলধন (Preference share Capital) ঃ

তথাপি এই ধাৰাৰ ব্যৱস্থাটো ৰাজহুৱা কোম্পানীৰ অধীনস্থ (subsidiary) নোহোৱা ব্যক্তিগত সীমিত কোম্পানীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

ইয়াৰ অৰ্থ হৈছে ব্যক্তিগত কোম্পানীৰ অগ্ৰাধিকাৰযুক্ত অংশ আৰু সমাংশৰ উপৰিও আন আন ধৰণৰ অংশ যেনে- বিলম্বিত অংশ বা প্ৰতিষ্ঠাতা (Founder) অংশ থাকিব পাৰে।



জানি থোৱা ভাল

অংশৰ বিষয়ে অধ্যয়ন কৰোতে আপুনি ষ্টক (Stock) পদটোৰ সন্মুখীন হ'ব পাৰে। ষ্টক হৈছে সম্পূৰ্ণকৈ আদায়ীকৃত অংশৰ এক সংহতি (Set)। অংশৰ দ্বাৰা সীমিত এটা কোম্পানীয়ে ইয়াৰ সম্পূৰ্ণকৈ আদায়ীকৃত অংশ ষ্টকলৈ ৰূপান্তৰিত কৰিব পাৰে। অংশ আৰু ষ্টকৰ মাজত থকা পাৰ্থক্য সমূহ হ'লঃ

- অংশৰ অভিহিত মূল্য (Nominal value) থাকে; কিন্তু ষ্টকৰ কোনো অভিহিত মূল্য নাথাকে।
- এটা অংশ সম্পূৰ্ণকৈ আদায়ীকৃত নহবও পাৰে; কিন্তু ষ্টক সদায়ে সম্পূৰ্ণকৈ আদায়ীকৃত হয়।
- অংশ জনসাধাৰণলৈ পোণপতীয়াকৈ বিলি কৰিব পাৰে; কিন্তু ষ্টক জনসাধাৰণলৈ প্ৰত্যক্ষভাৱে বিলি কৰিব নোৱাৰি।
- অংশৰ স্বতন্ত্ৰ সংখ্যা থাকে; কিন্তু ষ্টকসমূহ হৈছে অংশপত্ৰিক মূলধনৰ একত্ৰিকৃত মূল্যহে।



অংশৰ দ্বাৰা সীমিত কোম্পানী (Companies limited by shares) ঃ এনে কোম্পানীৰ অংশ ধাৰক সকলৰ দেনা অংশৰ মূল্যলৈকে সীমিত হৈ থাকে।



বিলম্বিত অংশ (Deferred shares) ঃ কোম্পানীৰ অৱসানত আন অংশ ধাৰকক তেওঁলোকৰ অংশৰ মূল্য পৰিশোধ নকৰালৈকে কোম্পানীৰ সম্পত্তিৰ ওপৰত কোনো স্বত্ব নথকা অংশকে বিলম্বিত অংশপত্ৰ বোলা হয়।

১.৫ অংশপত্ৰিক মূলধনৰ উপবিভাজন(SUB-DIVISION OF SHARE CAPITAL)

মূলধন পদটোৱে এটা ব্যৱসায় আৰম্ভ কৰোতে প্ৰয়োজন হোৱা এক নিৰ্দিষ্ট পৰিমাণৰ ধনক বুজায়। কোম্পানী ব্যৱসায়ৰ ক্ষেত্ৰত মূলধন হৈছে অংশপত্ৰিক মূলধন। ২০১৩ চনৰ কোম্পানী আইনৰ তৃতীয় সূচী অনুসৰি এটা কোম্পানীৰ অংশপত্ৰিক মূলধন নিম্নলিখিত শ্ৰেণীত বিভক্ত কৰা হয়।

১। অনুমোদিত বা নামিক বা পঞ্জীভুক্ত মূলধন (Authorised or Nominal or Registered Capital),

২। বিলিকৃত মূলধন (Issued Capital),

৩। প্ৰতিশ্ৰুত মূলধন (Subscribed Capital)।

৪। তলবী মূলধন (Called-up Capital)।

৫। আদায়ীকৃত মূলধন (Paid-up Capital)।

৬। সঞ্চিত মূলধন (Reserve Capital)।

৭। অনাদায়ী তলবীধন (Calls-in arrear)।

৮। অগ্ৰিম তলবীধন (Calls-in advance)।

মূলধনৰ এই শ্ৰেণীসমূহৰ বিষয়ে তলত ব্যাখ্যা দাঙি ধৰা হ'ল।

১। **অনুমোদিত বা নামিক বা পঞ্জীভূক্ত মূলধন (Authorised or Nominal or Registered Capital) ঃ**- অনুমোদিত মূলধন হৈছে সেই পৰিমাণৰ মূলধন যি মূলধন লৈ এটা কোম্পানী পঞ্জীয়ন কৰা হয়। এই মূলধনৰ পৰিমাণ স্পষ্টভাৱে কোম্পানীৰ স্মাৰকলিপিৰ মূলধন দফাত উল্লেখ কৰা থাকে। গতিকে কোম্পানীৰ স্মাৰকলিপিত উল্লেখ থকা মূলধনৰ পৰিমানেই হৈছে অনুমোদিত মূলধন। অনুমোদিত মূলধনৰ পৰিমাণেই হৈছে সৰ্বাধিক অংশপত্ৰিক মূলধনৰ পৰিমাণ যিখিনি কোম্পানীক বিলি কৰিবৰ বাবে ক্ষমতা দিয়া হয়। উদাহৰণ স্বৰূপে, H লিমিটেড ১০ টকীয়া অংশৰ ৮,০০,০০০ টকা মূলধন লৈ পঞ্জীয়ন হ'ল। ইয়াত কোম্পানীৰ অনুমোদিত বা নামিক বা পঞ্জীভুক্ত মূলধনৰ পৰিমাণ হ'ব ৮,০০,০০০ টকা। এটা কোম্পানীয়ে নামিক বা অনুমোদিত মূলধনৰ পৰিমাণতকৈ বেছি অংশ বিলি কৰিব নোৱাৰে। কিন্তু কোম্পানীয়ে এই সীমা প্ৰয়োজনীয় বিধিবদ্ধ ব্যৱস্থাৱলী অনুসৰণ কৰি সলনি কৰিব পাৰে।

২। **বিলিকৃত মূলধন (Issued Capital) ঃ**- অনুমোদিত অংশপত্ৰিক মূলধনৰ যি অংশ জনসাধাৰণলৈ কিনিবৰ বাবে আগবঢ়োৱা হয় সেই মূলধনৰ পৰিমাণকে বিলিকৃত মূলধন বোলা হয়। আন কথাত কবলৈ গ'লে, ই জনসাধাৰণে কিনিবৰ বাবে আগবঢ়োৱা অংশৰ অভিহিত মূল্য (nominal value)। অনুমোদিত মূলধনৰ যি অংশ জনসাধাৰণে কিনিবৰ বাবে আগবঢ়োৱা নহয় সেই মূলধনৰ পৰিমাণক অবিলিকৃত অংশপত্ৰিক মূলধন (Unissued Share Capital) বোলা হয়। উদাহৰণস্বৰূপে, H লিমিটেডৰ অনুমোদিত মূলধন ১০ টকীয়া অংশৰ ৮,০০,০০০ টকা। ইয়াৰ ৫০,০০০ টা ১০ টকীয়া অংশ

স্মাৰকলিপি **(Memorandum of Association) ঃ** কোম্পানীৰ বিভিন্ন তথ্য থকা কোম্পানী পঞ্জীয়ন কৰোতে প্ৰয়োজন হোৱা এখন অতি আৱশ্যকীয় দলিল।

বিলিৰ বাবে আবেদন বিচৰা হৈছে। এইক্ষেত্রত বিলিকৃত মূলধন হ'ব ৫,০০,০০০ টকা (৫০,০০০×১০ টকা) আৰু বাকী থকা ৩০,০০০ অংশ হ'ব অবিলিকৃত অংশপত্রিক মূলধন। বিলিকৃত মূলধনৰ ভিতৰত নগদ ধনৰ বাহিৰে আন কোনো প্রতিদানৰ বিনিময়ত বিলি কৰা অংশও অন্তর্ভুক্ত হয়। বিলিকৃত মূলধনৰ পৰিমাণ কোম্পানীৰ অনুমোদিত মূলধনৰ পৰিমাণতকৈ কেতিয়াও বেছি হ'ব নোৱাৰে।

৩। **প্রতিশ্রুত মূলধন (Subscribed Capital) ঃ-** বিলিকৃত মূলধনৰ যি অংশৰ বাবে জনসাধাৰণে আবেদন কৰিছিল আৰু তেওঁলোকক আবণ্টন দিয়া হৈছিল সেই অংশকে প্রতিশ্রুত মূলধন বোলে। উদাহৰণ স্বৰূপে, ওপৰত উল্লেখ কৰা ৫০,০০০ টা দহটকীয়া অংশৰ ভিতৰত ৪৮,০০০ টা অংশৰ বাবে কোম্পানীয়ে আবেদন পাইছে আৰু সেইখিনি কোম্পানীয়ে আবণ্টন কৰিছে। এই ক্ষেত্রত প্রতিশ্রুত মূলধনৰ পৰিমাণ হ'ব ৪,৮০,০০০ টকা, আকৌ, যদি গোটেই ৫০,০০০ টা অংশৰ বাবে আবেদন পোৱা হয় আৰু কোম্পানীয়ে গোটেইখিনি অংশ আবণ্টন কৰে তেতিয়া প্রতিশ্রুত মূলধনৰ পৰিমাণ হ'ব ৫,০০,০০০ টকা। এইটো মনত ৰাখিব লাগে যে প্রতিশ্রুত মূলধনৰ পৰিমান বিলিকৃত মূলধনৰ পৰিমাণৰ সমান বা কম হ'ব পাৰে, কিন্তু ই বিলিকৃত মূলধনৰ পৰিমাণতকৈ বেছি হ'ব নোৱাৰে।

৪। **তলবী মূলধন (Called-up Capital) ঃ-** অংশধাৰকসকলৰ প্রতিশ্রুত মূলধনৰ যি মূল্য কোম্পানীয়ে প্রকৃততে দাবী কৰে তাকে তলবী মূলধন বোলে। প্রতিশ্রুত মূলধনৰ পৰিমাণ আৰু তলবী মূলধনৰ পৰিমাণ পৃথক হ'ব পাৰে যেতিয়া অংশৰ ধন কিস্তিত আদায় কৰা হয় আৰু সকলোবোৰ কিস্তিৰ ধন কোম্পানীয়ে তলব তথা দাবী কৰা নাই। উদাহৰণ স্বৰূপে, এটা দহটকীয়া অংশৰ বাবে কোম্পানীয়ে ৮ টকাকৈ ৫০,০০০ অংশৰ বাবে তলব কৰিলে, তেতিয়া তলবীমূলধন হ'ব ৪,০০,০০০ টকা আৰু যদি গোটেই দহ টকাই তলব কৰা হৈছে তেনেক্ষেত্রত তলবী মূলধন হ'ব ৫,০০,০০০ টকা। তলবী মূলধন প্রতিশ্রুত মূলধনৰ পৰিমাণতকৈ কেতিয়াও বেছি হ'ব নোৱাৰে। মূলধনৰ যি অংশ তলব কৰা নাই সেই অংশক অতলবী মূলধন (Uncalled Capital) বোলা হয়।

৫। **আদায়ীকৃত মূলধন (Paid-up Capital) ঃ-** প্রতিশ্রুত মূলধনৰ যি অংশ অংশধাৰক সকলে প্রকৃততে আদায় দিছে সেই মূলধনৰ পৰিমাণকে আদায়ীকৃত মূলধন বোলা হয়। কেতিয়াবা কিছুমান অংশধাৰকে তলব কৰা দেয়ধন আদায় দিয়াত অপাৰগ হ'ব পাৰে। আদায়ীকৃত মূলধন তলবী মূলধনৰ পৰিমাণৰ সমান হ'ব পাৰে বা কম হ'ব পাৰে। অংশধাৰকে আদায় নিদিয়া তলবীধনক অনাদায়ী তলবীধন (Calls in arrear) বোলা হয়।

৬। **সঞ্চিত মূলধন (Reserve Capital) ঃ-** সঞ্চিত মূলধন হৈছে প্রতিশ্রুত মূলধনৰ এক বিশেষ অংশ যিখিনি সাধাৰণ অৱস্থাত তলব কৰা নহয়। এটা কোম্পানীয়ে বিশেষ প্রস্তাৱৰ যোগেদি স্থিৰ কৰিব পাৰে যে প্রতিশ্রুত মূলধনৰ এক নির্দিষ্ট অংশ কোম্পানী অৱসানৰ সময়তহে তলব কৰিব পাৰিব। কোম্পানীয়ে অংশধাৰকসকলক অৱসানৰ বাহিৰে আন সময়ত এই মূলধন পৰিশোধ তথা আদায় দিবলৈ কব নোৱাৰে। সঞ্চিত মূলধনৰ লক্ষ্য হৈছে কোম্পানীৰ পাওনাদাৰসকলৰ স্বার্থ সুৰক্ষা কৰা।

৭। **অনাদায়ী তলবীধন (Calls in arrear) ঃ-** কোম্পানীয়ে তলব কৰা পৰিমাণৰ ভিতৰত অংশধাৰকে আদায় নিদিয়া পৰিমাণকে অনাদায়ী তলবী ধন বোলে। আন কথাত কবলৈ গ'লে, ই হৈছে আবণ্টন কৰা অংশৰ অনাদায়ী পৰিমাণ, যদিও ইয়াক আদায় দিবৰ বাবে তলব কৰা হৈছে।

৮। **অগ্রিম তলবীধন (Calls in Advance) ঃ-** কেতিয়াবা কিছুমান অংশধাৰকে তলব কৰাৰ আগতে অংশৰ বাবে দেয় হৈ থকা ধনৰ গোটেইখিনি বা একাংশ অগ্রিমভাৱে আদায় দিব পাৰে। এনে আগতীয়াকৈ পোৱা পৰিমাণকে অগ্রিম তলবীধন বোলা হয়।

কোম্পানীৰ উদ্বৃত্তপত্রত অংশ মূলধনৰ উপস্থাপন (Disclosure of Share Capital in Company's Balance sheet)

Disclosure of Share Capital in Company's Balance Sheet

২০১৩ চনৰ কোম্পানী আইনৰ তৃতীয় সূচী অনুসৰি, অকল আদায়ীকৃত মূলধন তাৰ মানে, অংশীদাৰসকলে প্রতিশ্রুতি কৰা বিলিকৃত মূলধন যিটো কোম্পানীৰ উদ্বৃত্তপত্রৰ দেনা ফালৰ মূঠ পৰিমান হিচাপ কৰিবৰ বাবে লোৱা হয়। অনুমোদিত, বিলিকৃত আৰু প্রতিশ্রুত মূলধন বিৱৰণী 'Notes to Accounts' ভাগত দেখোৱা হয় কিন্তু হিচাপত লোৱা নহয়।

In the books of .....

Balance sheet of.....

Particulars	Notes No.	Rs.
EQUITY AND LIABILITIES		
Shareholder's Funds		
Share Capital	1	xxxxxxxxx
Total		

Particulars	Amount (Rs.)	Amount (Rs.)
1. Share Capital		
Authorised share capital		
..... equity shares of Rs. 10 each		xxxxxxxxxxx
Issued capital		
..... equity shares of Rs. 100 each		xxxxxxxxxxx
Subscribed share capital		
..... equity shares of Rs. 100 each		xxxxxxxxxxx
Called up and Paid up share capital		
..... equity shares of Rs. 100 each.....called up	xxxxxxxxxx	
Less: Calls unpaid on ..... shares @ Rs. .... per share	(xxxxxxxxx)	
	xxxxxxxxxx	
Add: Share forfeiture A/c (..... shares × Rs. .....)	xxxxxxxxxx	xxxxxxxxx
		xxxxxxxxx

উদাহৰণ ১

দহটকীয়া সমাংশ অংশৰ ১০,০০,০০০ টকা অনুমোদিত মূলধন লৈ অমৰ লিমিটেড নিবন্ধিত হ'ল। কোম্পানীটোৱে ৮০,০০০ অংশ জনসাধাৰণলৈ বিক্ৰীৰ বাবে আগবঢ়ালে। প্ৰতি অংশৰ ২ টকা আবেদনৰ লগত, ৩ টকা আবণ্টনত, ২ টকা দুমাহৰ পিছত আৰু বাকীধন যেতিয়া প্ৰয়োজন হ'ব তেতিয়া তলব কৰা হ'ব। ৭৬,০০০ অংশৰ বাবে আবেদন পোৱা হ'ল আৰু অংশ সম্পূৰ্কৈ আবণ্টন কৰা হ'ল। ১,০০০ অংশৰ প্ৰথম তলবৰ বাহিৰে বাকী তলব কৰা সকলো ধন সম্পূৰ্ণকৈ আদায় পোৱা হ'ল। কোম্পানীয়ে চূড়ান্ত তলবটো কৰা নাই।

কোম্পানীৰ বিভিন্ন ধৰণৰ অংশপত্ৰিক মূলধনৰ পৰিমাণ গণনা কৰক আৰু সিহঁতক কোম্পানীৰ উদ্বৃত্তপত্ৰত কেনেকৈ উপস্থাপন কৰা হ'ব তাকো দেখুৱাওক।

সমাধান ঃ

Balance sheet of Amar Ltd.....

as at .....(Liability side showing Capital only)

Figures for the previons year (Rs.)	Liabilities		Figures for the Current year (Rs.)
	Authorised :1,00,000 Equity shares of Rs.10 each		10,00,000
	Issued: 80,000 Equity shares of Rs10 each		8,00,000
	Subscribed:76,000 Equity shares of Rs10each		7,60,000
	Called-up: 76,000 Equity shares of Rs10 each		7,60,000
	Paid -up:76,000 Equity shares of Rs.10 each		
	Rs 7 per share called up	5,32,000	
	Less : Calls-in- Arrear	2,000	5,30,000
	Add: Forfeited shares	nil	

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ সীমিত দেনাৰ ৰাজহুৱা কোম্পানীৰ উদ্বৃত্ত পত্ৰত দেখুৱা অংশপত্ৰিক মূলধনৰ শ্ৰেণী বিভাগ দেখুৱাওক ঃ

(১) .....

(২) .....

(৩) .....

(৪) .....

(৫) .....

১.৬ অংশৰ বিলিকৰণ (ISSUE OF SHARES)

ইতিমধ্যে আলোচনা কৰা হৈছে যে সীমিত দেনাৰ ৰাজহুৱা কোম্পানীয়ে জনসাধাৰণক অংশ বিলি কৰি মূলধন সংগ্রহ কৰে। অংশ বিলিকৰণ বুলিলে কোম্পানীৰ উদ্দেশ্য সম্পাদন কৰিবৰ বাবে প্রয়োজন হোৱা মূলধন সংগ্রহ বা আদায় কৰা প্রক্রিয়াকে বুজায়। ৰাজহুৱা কোম্পানীৰ অংশপত্রিক মূলধন (১) সমাংশ অংশ, বা (২) সমাংশ অংশ আৰু অগ্রাধিকাৰযুক্ত অংশ দুয়োবিধ বিলি কৰি সংগ্রহ কৰা হয়।

ভাৰতবর্ষৰ প্রতিভূতি আৰু বিনিময় বোর্ডৰ (SEBI) ধাৰা (clause) 3(da) ৰ অধীনত বিলিকৰণৰ সংজ্ঞা এনেদৰে দিছে - "কোনো নিগমকৃত সংস্থা বা আন যিকোনো ব্যক্তি অথবা ব্যক্তি সমষ্টিয়ে তেওঁলোকৰ হৈ (যিটোৱেই হয়) ৰাইজ বা এনে নিগমকৃত সংস্থা, প্রতিভূতিধাৰক বা ব্যক্তি বা ব্যক্তিসমষ্টিক বা তেওঁলোকৰ পৰা প্রতিভূতি কিনা বা বেচাৰ প্রস্তাৱ দিয়ে সেই প্রস্থাবকে বিলি বোলা হয়। (Issue means an offer of sale or purchase of securities by any body corporate or by any other person or group of persons on his or its or their behalf, as the case may be, to or from the public, or the holders of securities of such body corporate or person or group of persons)"

অংশ বিলিকৰণৰ বিভিন্ন পদ্ধতি আছে। এই পদ্ধতিসমূহক দুটা বেলেগ বেলেগ দৃষ্টিভঙ্গীৰ পৰা আলোচনা কৰা হয়।

(ক) মূল্যৰ দৃষ্টিভঙ্গীৰ পৰা (From the point of view of price) আৰু

(খ) প্রতিদানৰ দৃষ্টিভঙ্গিৰ পৰা (From the point of view of consideration)।

(ক) বিলিকৰণৰ মূল্যৰ দৃষ্টিভঙ্গীৰ পৰা (From the point of view of price of Issue)ঃ এই দৃষ্টিভঙ্গীৰ পৰা কোম্পানীয়ে অংশসমূহ সমহাৰত (at par), অধিহাৰত (at a premium) বা ঊণহাৰ তথা বাট্টাত (at a discount) বিলি কৰিব পাৰে।

১। **সমহাৰত বিলিকৰণ (Issued at par)** ঃ সমহাৰত অংশ বিলিকৰণ বুলিলে অংশসমূহ লিখিত মূল্যত (face value) বিলি কৰা বুজায়। আন কথাত ক'বলৈ গ'লে, যেতিয়া অংশধাৰকসকলক অংশৰ বাবদ অভিহিত মূল্য (nominal value) বা লিখিত মূল্যৰ (face value) সমান পৰিমাণ আদায় দিবলৈ নির্দেশ দিয়া হয়, তেতিয়া তেনে বিলিক সমহাৰত বিলি কৰা বুলি কোৱা হয়। উদাহৰণ স্বৰূপে যদি এটা অংশৰ লিখিত মূল্য দহ টকা হয় আৰু দহ টকাতে তাক বিলি কৰা হয়, ইয়াৰ অর্থ হৈছে অংশটো সমহাৰত বিলি কৰা হৈছে।

২। **অধিহাৰত বিলিকৰণ (Issued at a premium)** ঃ অংশ অধিহাৰত বিলিকৰণ বুলিলে অংশ লিখিত মূল্যতকৈ অধিক দামত বিলি কৰাকে বুজায়। উদাহৰণস্বৰূপে যদি অংশৰ লিখিত মূল্য ১০ টকা হয় আৰু ইয়াক ১১টকাত বিলি কৰা হয়, তেতিয়া অংশ অধিহাৰত বিলি কৰা বুজায়। ইয়াত অধিহাৰৰ পৰিমাণ হ'ব ১ টকা। গতিকে, অধিহাৰত বিলিকৰণৰ ক্ষেত্রত অংশ কিনোতাই অংশৰ লিখিত মূল্যৰ লগত অধিহাৰৰ পৰিমাণো পৰিশোধ কৰিব লাগে।

৩। **ঊণহাৰ বা বাট্টাত বিলিকৰণ (Issued at a discount) ঃ** অংশ ঊণহাৰ বা বাট্টাত বিলিকৰণ বুলিলে অংশ লিখিত মূল্যতকৈ কম মূল্যত বিলি কৰাকে বুজায়। উদাহৰণস্বৰূপে, যদি অংশৰ লিখিত মূল্য ১০ টকা হয় আৰু ইয়াক ৯ টকাত বিলি কৰা হয়, তেনেহ'লে অংশটো ঊণহাৰত বিলি কৰা বোলা হয়। ঊনহাৰ বা বাট্টাৰ পৰিমাণ হ'ব ১ টকা আৰু ই হৈছে অংশৰ লিখিত মূল্য আৰু বিলিকৰণ মূল্যৰ পাৰ্থক্য। এইখনিতে উল্লেখ কৰিব পাৰি যে ঊণহাৰত বা বাট্টাত অংশ বিলিকৰণৰ ক্ষেত্ৰত ২০১৩ৰ কোম্পানী আইনৰ ৫৩ ধাৰাত কিছুমান আইনগত বাধ্যবাধকতা আৰোপ কৰা হৈছে। ২০১৩ৰ কোম্পানী আইনৰ ধাৰা ৫৩ৰ অনুসৰি, এটা কোম্পানীয়ে অংশপত্ৰ বাট্ৰাত বিলি কৰিব নোৱাৰে নিমিত্তে Sweat Equity Shareৰ ক্ষেত্ৰত আৰু সেই কাৰনে কোম্পানীয়ে বাট্টাত বিলি কৰা অংশপত্ৰসমূহ অবৈধ আৰু কোম্পানীক জৰিমনা সৈতে দণ্ডনীয় কৰিব পাৰে।

(খ) **প্ৰতিদানৰ দৃষ্টিভঙ্গীৰ পৰা বিলিকৰণ (Issue from the point of view of Consideration) ঃ** প্ৰতিদানৰ দৃষ্টিভঙ্গীৰ পৰা অংশসমূহ (১) নগদ টকাত আৰু (২) নগদ টকাৰ বাহিৰে আন প্ৰতিদানৰ বিনিময়ত বিলি কৰা হয়।

১। **নগদ টকাত বিলিকৰণ (Issue for cash) ঃ** নগদ টকাত অংশ বিলিকৰণ বুলিলে অংশ বিলি কৰাৰ বিপৰীতে মুঠ আকাৰত (lump sum) বা কিস্তিত নগদ টকা আদায় তথা সংগ্ৰহ কৰাকে বুজায়।

২। **নগদ টকাৰ বহিৰে আন প্ৰতিদানত বিলিকৰণ (Issued for consideration other than cash) ঃ** কেতিয়াবা অংশ নগদ টকাৰ বাহিৰে আন প্ৰতিদানৰ বিনিময়তো বিলি কৰা হয়। ইয়াৰ অৰ্থ হৈছে কোম্পানীয়ে নগদ টকাৰ সলনি কোনো অনুৰূপ সুবিধা বা সেৱা গ্ৰহণ কৰিছে আৰু উক্ত সুবিধাৰ বিপৰীতে অংশ বিলি কৰিছে। উদাহৰণস্বৰূপে, এটা কোম্পানীয়ে বিক্ৰেতাৰ পৰা কিছুমান সম্পত্তি কিনিছে আৰু ইয়াৰ বাবে বিক্ৰেতাক নগদ টকা পৰিশোধ কৰাৰ পৰিবৰ্তে কোম্পানীয়ে ক্ৰয় প্ৰতিদান নিষ্পত্তিৰ বাবে অংশ বিলি কৰিব পাৰে। এইদৰে বিক্ৰেতাক বিলি কৰা অংশক নগদ ধনৰ বাহিৰে আন প্ৰতিদানৰ বিনিময়ত অংশ বিলিকৰণ বোলা হয়। কোম্পানীয়ে বৰ্ত্তমানৰ অংশধাৰকসকললৈ বিলি কৰা বোনাচ অংশ এই ধৰণৰ অংশ বিলি কৰা আন এটা উদাহৰণ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ ব্যাখ্যা কৰক ঃ সম মূল্যত অংশ বিলি আৰু অধিহাৰত অংশ বিলি।

.....

.....

১.৬.১ অংশৰ বিলিকৰণৰ লগত জড়িত পদক্ষেপসমূহ (STEPS INVOLVED IN ISSUE OF SHARES)

অংশ বিলিকৰণ প্ৰণালীত নিম্নলিখিত পদক্ষেপসমূহ জড়িত হয়-

১। অংশ বিলিকৰণৰ বাবে ভাৰতবৰ্ষৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ (SEBI) অনুমতি লোৱা;

২। বিলিকৰণৰ বাবে সদাগৰীবেংক (Merchant Banker) নিৰ্বাচন কৰা;

৩। অনুষ্ঠান পত্ৰৰ বিলিকৰণ;

৪। অংশৰ বাবে কোম্পানীয়ে আবেদন গ্ৰহণ কৰা;

৫। আবেদনকাৰীক অংশ আবণ্টন কৰা; আৰু

৬। অংশ প্ৰমাণপত্ৰ বিলিকৰণ।

এই পদক্ষেপসমূহ তলত বহলাই আলোচনা কৰা হ'ল—

১। অংশ বিলিকৰণৰ বাবে ভাৰতবৰ্ষৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ অনুমতি লোৱা (Permission from SEBI for the Issue of Shares) ঃ ভাৰতবৰ্ষৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডে (SEBI) অংশৰ ৰাজহুৱাভাৱে বিলিকৰণৰ ক্ষেত্ৰত কিছুমান নিয়ম আৰু নিৰ্দেশাৱলী প্ৰস্তুত কৰিছে। প্ৰস্তাৱিত দলিলৰ (Offer document) জৰিয়তে প্ৰতিভূতি (Securities) বিক্ৰী কৰিবৰ বাবে আগবঢ়োৱা কোম্পানীবিলাকে ভাৰতবৰ্ষৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ সমীপত প্ৰস্তাবিত দলিলৰ খচৰা দাখিল কৰাৰ সময়ত কিছুমান চৰ্ত মানি চলিব লাগে আৰু কোম্পানীসমূহৰ পঞ্জীয়ক মনোনীত ষ্টক বিনিময় বজাৰত চূড়ান্ত প্ৰস্তাৱিত দলিল দাখিল কৰা সময়তো কিছুমান চৰ্ত মানি চলিব লাগে। কোম্পানীসমূহৰ পঞ্জীয়কৰ ওচৰত অনুষ্ঠান পত্ৰ দাখিল কৰাৰ অন্ততঃ ৩০ দিনৰ আগতে সদাগৰী বেংকাৰৰ (Merchant Banker) যোগেদি খচৰা অনুষ্ঠান পত্ৰ বোৰ্ডৰ ওচৰত দাখিল নকৰিলে প্ৰতিভূতি বিলি কৰা কোম্পানীয়ে কোনো ৰাজহুৱা প্ৰতিভূতি বিলি কৰিব নোৱাৰে।

২। সদাগৰী বেংকাৰ নিৰ্বাচন (Selection of Merchant Banker) ঃ অংশ বিলি কৰা কোম্পানীৰ পৰবৰ্তী পদক্ষেপ হৈছে ইয়াৰ অংশ বিলি পৰিচালনা কৰিবৰ বাবে সদাগৰী বেংকাৰ নিৰ্বাচন কৰা। সদাগৰী বেংকাৰ হৈছে অংশ বিলিৰ বাবে উপদেশ দিয়া আৰু বিলিৰ ব্যৱস্থা কৰিবৰ বাবে বিত্তীয় সেৱা আগবঢ়োৱা এক বিত্তীয় প্ৰতিষ্ঠান। সদাগৰী বেংকাৰ অংশ বিলিৰ শীৰ্ষ পৰিচালক (Lead Manager) হয়।

৩। অনুষ্ঠানপত্ৰ বিলি (Issue of Prospectus) ঃ সীমিত দেনাৰ ৰাজহুৱা কোম্পানীৰ অংশপত্ৰিক মূলধনৰ একাংশ সাধাৰণতে প্ৰবৰ্তক সঞ্চালক (Promoter Director) আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহে আগবঢ়ায়। কিন্তু অংশৰ এক বুজন পৰিমাণ জনসাধাৰণৰ পৰা সংগ্ৰহ কৰা হয়। এই কাম অনুষ্ঠানপত্ৰ বিলিৰ

যোগেদি জনসাধাৰণৰ পৰা অংশ পত্ৰ কিনিবৰ বাবে বা সংগ্ৰহ কৰিবৰ বাবে প্ৰস্তাৱ আহ্বান কৰা হয়। জনসাধাৰণলৈ ইয়াক বিলি কৰাৰ আগতে ইয়াত (১) তাৰিখ দিব লাগে (২) প্ৰতিজন সঞ্চালক বা প্ৰস্তাৱিত সঞ্চালক বা তেওঁৰ কৰ্তৃত্বশীল প্ৰতিনিধিয়ে স্বাক্ষৰ কৰিব লাগে আৰু কোম্পানীসমূহৰ পঞ্জীয়কৰ ওচৰত নথিভূক্ত কৰিব লাগে। সম্ভাব্য বিনিয়োগকাৰীসকললৈ কোম্পানীৰ বিষয়ে প্ৰয়োজনীয় তথ্য পাতি অনুষ্ঠানপত্ৰত সন্নিৱিষ্ট কৰা হয় আৰু তেওঁলোকক অংশ কিনিবৰ বাবে উৎসাহিত কৰা হয়। অনুষ্ঠানপত্ৰই অংশৰ প্ৰকাৰ অনুসৰি অংশপত্ৰিক মূলধনৰ প্ৰকৃতিৰ আৰু আবেদনকাৰীলৈ বিলি অংশৰ প্ৰকৃত চৰ্তাৱলী, বিক্ৰীৰ তালিকা (Subscription list) আৰম্ভ আৰু সামৰা তাৰিখ, অংশ আবেদনৰ লগত আৰু আবণ্টনত যথাক্ৰমে আদায় দিবলগীয়া ধন আৰু বাকী কিস্তিসমূহ, যদি থাকে, দিবলগীয়া তাৰিখৰ উল্লেখ বা সঞ্চালকসকলে কেতিয়া তলব কৰিব তাৰ বিষয়ে সবিশেষ বিৱৰণৰ যোগান ধৰে। ২০১৩ৰ কোম্পানী আইনৰ ধাৰা ৩৯ৰ অনুসৰি, আবেদনৰ ধন অংশপত্ৰৰ নামিক মূল্য কমেও ৫ শতাংশ হ'ব লাগিব। এটা কোম্পানীয়ে অংশপত্ৰৰ আবন্টনৰ বাবে অগ্ৰসৰ হ'ব নোৱাৰে যেতিয়ালৈকে কোম্পানীয়ে ন্যূনতম ক্ৰয় সন্মতি প্ৰাপ্ত নকৰে।

৪। **কোম্পানীৰ দ্বাৰা অংশৰ বাবে কৰা আবেদন প্ৰাপ্তি (Receipt of Application for shares by the company)** ঃ চতুৰ্থ পদক্ষেপটো হৈছে জনসাধাৰণৰ পৰা তেওঁলোকে অংশৰ বাবে কৰা আবেদন গ্ৰহণ। অনুষ্ঠানপত্ৰ প্ৰকাশ কৰাৰ পিছত এজন সম্ভাব্য অংশধাৰকে ছপা কৰা আবেদনপত্ৰ সম্বলিত এখন অনুষ্ঠানপত্ৰ সংগ্ৰহ কৰিব লাগে। সম্পূৰ্ণকৈ পৰিপূৰ্ণ কৰা আবেদন পত্ৰখন প্ৰয়োজনীয় আবেদন ধনসহ কোম্পানীলৈ বা অংশ বিলিৰ লগত জড়িত বেংকলৈ প্ৰেৰণ কৰিব লাগে। আবেদনপত্ৰ সংগ্ৰহ কৰা অন্তিম তাৰিখৰ ভিতৰত আবেদনপত্ৰখন দাখিল কৰিব লাগে। আবেদন গ্ৰহণ কৰা অন্তিম তাৰিখৰ পিছত সদাগৰীবেংকে তেওঁলোকে সংগ্ৰহ কৰা আবেদনৰ ধনৰ ড্ৰাফ্টসহ সকলোবোৰ আবেদনপত্ৰ কোম্পানীলৈ প্ৰেৰণ কৰে। কোম্পানীয়ে সকলোবোৰ বেংক ড্ৰাফ্ট এটা তালিকাভুক্ত বেংকত (Scheduled Comercial Bank) এই উদ্দেশ্যেৰে পৃথকে বেংক হিচাপ খুলি তাত জমা দিব লাগিব। ২০১৩ৰ কোম্পানী আইনৰ ধাৰা ৩৯ৰ অনুসৰি, আবেদনৰ ধন অংশপত্ৰৰ নামিক মূল্য কমেও ৫ শতাংশ হ'ব লাগিব। এটা কোম্পানীয়ে অংশপত্ৰৰ আবন্টনৰ বাবে অগ্ৰসৰ হ'ব নোৱাৰে যেতিয়ালৈকে কোম্পানীয়ে ন্যূনতম ক্ৰয় সন্মতি প্ৰাপ্ত নকৰে।

৫। **আবেদনকাৰীলৈ অংশ আবণ্টন (Allotment of shares to Applicants)ঃ** অংশ আবণ্টন বুলিলে অংশৰ বাবে আবেদন কৰা আবেদনকাৰীৰ প্ৰস্তাৱ কোম্পানীয়ে গ্ৰহণ কৰাকে বুজায়। অংশ আবণ্টন নকৰালৈকে আবেদনৰ ধন কোম্পানীয়ে দৈনন্দিন কাম কাজত ব্যৱহাৰ কৰিব নোৱাৰে। আবেদনকৰা অংশৰ

সংখ্যাৰ ভিত্তিত বিভিন্ন দলত প্ৰাপ্ত আবেদন সমূহ ভাগ কৰা হয়। সকলোবোৰ চৰ্ত আৰু আনুষ্ঠানিকতা সম্পূৰ্ণ কৰাৰ পিছত ষ্টক বিনিময় বজাৰৰ অনুমতি পোৱাৰ পিছত সঞ্চালকমণ্ডলীয়ে ভাৰতবৰ্ষৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ (SEBI) নিৰ্দেশাৱলী অনুসৰি অংশ আবণ্টন কৰিবৰ বাবে আগবাঢ়ে। এইদৰে কোম্পানী আৰু আবেদনকাৰী এটা চুক্তিত আবদ্ধ হৈ পৰে। যিসকল আবেদনকাৰীলৈ কোনো অংশ আবণ্টন কৰা নহ'ল তেওঁলোকলৈ অনুশোচনা পত্ৰ (Letter of Regret) পঠোৱা হয় আৰু অনুশোচনাপত্ৰৰ লগত তেওঁলোকে পৰিশোধ কৰা আবেদনৰ ধন ফিৰৎ দিয়া হয়।

৬। **অংশ প্ৰমাণ পত্ৰ বিলি (Issue of share Certificate) ঃ** অংশ প্ৰমাণ পত্ৰ হৈছে এখন দলিল যিখনে সীমিত দেনাৰ কোম্পানীৰ অংশৰ মালিকীস্বত্বৰ প্ৰমাণ সাব্যস্ত কৰে। এই প্ৰমাণ পত্ৰখনত অংশধাৰকজনৰ নাম আৰু তেওঁ গৰাকী হোৱা অংশৰ সংখ্যা আৰু শ্ৰেণীৰ বিষয়ে উল্লেখ থাকে। ইয়াক ক্ৰমিকভাৱে নম্বৰ দিয়া হয়। ইয়াত কোম্পানীৰ সাধাৰণ চিলমোহৰ (Common seal) মৰা হয় আৰু কৰ্তৃত্বশীল স্বাক্ষৰকাৰীয়ে ইয়াত স্বাক্ষৰ দিয়ে। কৰ্তৃত্বশীল স্বাক্ষৰকাৰী কোম্পানীৰ অতিকমেও এজন সঞ্চালক আৰু কোম্পানীৰ সচীবজন হ'ব লাগে। এই অংশ প্ৰমাণপত্ৰখন হস্তান্তৰযোগ্য দলিল নহয়। অংশ আবণ্টন কৰোতে অংশ প্ৰমাণপত্ৰ কেৱল সফল আবেদনকাৰীকহে বিলি কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ আবণ্টন পত্ৰ আৰু অনুশোচনা পত্ৰ কাক বোলে?

.....

.....

.....

১.৬.২ অংশৰ বিলিকৰণৰ বাবে হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (ACCOUNTING TREATMENT FOR ISSUE OF SHARES)

সাধাৰণতে অংশসমূহ নগদ টকা সংগ্ৰহৰ বাবেই বিলি কৰা হয়। এইক্ষেত্ৰত নিম্নলিখিত দুটা পৰিস্থিতিৰ উদ্ভৱ হয়।

১। যেতিয়া অংশৰ সম্পূৰ্ণ মূল্য আবেদনৰ লগতে আদায় দিবলগীয়া হয়; আৰু

২। যেতিয়া অংশৰ সম্পূৰ্ণ মূল্য কিস্তি হিচাপে পৰিশোধ কৰিব লগীয়া হয়।

আকৌ, অংশ সমমূল্যত আৰু অধিহাৰত বিলি কৰিব পাৰে। গতিকে, হিচাপৰক্ষণৰ দৃষ্টি কোণৰ পৰা অংশৰ বিলিকৰণ নিম্নলিখিত ধৰণেৰে তালিকাভূক্ত কৰিব পৰা যায়।

অংশ বিলিকৰণ		
১। যেতিয়া আবেদনৰ লগত সম্পূৰ্ণ ধন পৰিশোধ কৰিব লাগে (where full consideration in cash is payable on Application.)	(ক) সমমূল্যত	(খ) অধিহাৰত
২। যেতিয়া কিস্তিহিচাপে সম্পূৰ্ণ ধন আদায় দিব লাগে (where full consideration in cash is payable in instalments.)	(ক) সমমূল্যত	(খ) অধিহাৰত

উক্ত প্ৰতিটো ক্ষেত্ৰত উদ্ভৱ হোৱা হিচাপসম্পৰ্কীয় প্ৰবিষ্টিসমূহ তলত দেখুৱা হ'ল—

১। **(ক) যেতিয়া অংশৰ সম্পূৰ্ণ ধন আবেদনৰ লগত পৰিশোধ কৰিব লাগে আৰু অংশসমূহ সমমূল্যত বিলি কৰা হয়** (where full consideration in cash is payable on application and shares are issued at par) ঃ

এই ক্ষেত্ৰত নিম্নলিখিত হিচাপসম্পৰ্কীয় প্ৰণালী অনুসৰণ কৰা হয় ঃ

আবেদনৰ ধন আদায় পাওঁতে (On receipt of application money) ঃ

Particulars	Debit	Credit
Bank Dr.	(Money received on application) আবেদনৰ লগত পোৱা ধন	
To.....Share Application and Allotment A/c		(Money received on application) আবেদনৰ লগত পোৱা ধন

অংশ আবণ্টন কৰোতে (On allotment of shares)

Particulars	Debit	Credit
Share Application and Allotment A/c Dr.	আবণ্টন কৰা অংশৰ বাবে পোৱা ধনৰ পৰিমাণ (Money received on the number of shares allotted)	
To..... Share Capital A/c		আবণ্টন কৰা অংশৰ বাবে পোৱা ধনৰ পৰিমাণ (Money received on the number of share allotted)

টোকা ঃ

(১) যদি কোম্পানীয়ে সমাংশ অংশ বিলি কৰে তেনেহ'লে share শব্দটোৰ আগত Equity আৰু অগ্ৰাধিকাৰযুক্ত অংশ বিলি কৰে তেনেহ'লে share শব্দটোৰ আগত Preference

শব্দটো লিখিব লাগে।

(২) কি শ্রেণীৰ অংশ হ'ব সেই বিষয়ে একো উল্লেখ নাথাকিলে, তেতিয়া অংশ বুলিলে সমাংশ অংশ (Equity share) বুলি ধৰা হয়। এই ক্ষেত্রত share শব্দটোৰ আগত Equity শব্দটো লিখিব লাগে।



উদাহৰণ ২

হিন্দুস্তান লিমিটেড ৫০,০০০ টা দহটকীয়া সমাংশ অংশৰ ৫,০০,০০০ টকা অনুমোদিত মূলধন লৈ নিবন্ধন হ'ল। কোম্পানীটোৱে ৩৫,০০০ টা সমাংশঅংশৰ বাবে জনসাধাৰণৰ পৰা আবেদন আ হ্বান কৰিলে। অংশৰ সম্পূর্ণ অভিহিত মূল্য আবেদনৰ লগত পৰিশোধ কৰিব লাগে। জনসাধাৰণে গোটেইখিনি অংশ কিনিলে। অংশসমূহ সম্পূর্ণকৈ আবণ্টন কৰা হ'ল।

কোম্পানীৰ হিচাপ বহীত প্রয়োজনীয় জাবেদা প্রৰিষ্টি সমূহ প্রৰিষ্ট কৰক।

সমাধান ঃ

এই ক্ষেত্রত নিম্নলিখিত হিচাপসম্পর্কীয় প্রণালী অনুসৰণ কৰা হয়।

আবেদনৰ ধন আদায় পাওতে (On receipt of application money)

Date	Particulars	Debit	Credit
Last date of receipt of Application	Bank Dr. To Equity Share Application and Allotment A/c (Being the share money received on 35000 Equity shares of Rs 10 each along with application.)	3,50,000	3,50,000

অংশ আবণ্টন কৰোতে (On allotment of shares) ঃ

Date	Particulars	Debit(Rs.)	Credit(Rs.)
Date of Allotment	Equity Share Application and Allotment A/c Dr. To Equity Share Capital A/c (Being the transfer of share application money on 35000 shares of Rs 10 each to Share Capital Account on allotment as per Board Resolution No... dt.....)	3.50.000	3.50.000

১। **(খ) যেতিয়া অংশৰ সম্পূর্ণ মূল্য আবেদনৰ লগত দিব লাগে আৰু অংশসমূহ অধিহাৰত বিলি কৰিলে (where full consideration in cash payable on application and shares are issued at premium)ঃ**

আবেদনৰ ধন আদায় পাওতে (on receipt of application money)

Date	Particulars	Debit (Rs)	Credit(Rs)
Last date of receipt of application	Bank Dr. To ..... Share Application and Allotment A/c To Securities Premium A/c	Money received on application	 Face value of shares Premium on shares

অংশ আবণ্টন কৰোতে (On allotment of shares)

Date	Particulars	Debit (Rs)	Credit(Rs)
Date of allotment	...Share Application and Allotment A/c Dr. To ... Share Capital A/c	Face value of share received on the number of shares allotted	 Face value of shares received on the number of shares allotted



উদাহৰণ ৩

হিন্দুস্তান লিমিটেড ১০ টকীয়া ৫০,০০০ সমাংশ অংশ মুঠ ৫,০০,০০০ টকা অনুমোদিত মূলধন লৈ নিবন্ধন হ'ল। কোম্পানীয়ে প্ৰতিটো অংশ ১০ টকা অধিহাৰত ৩৫,০০০ সমাংশ অংশৰ বাবে জনসাধাৰণৰ পৰা আবেদন আহ্বান কৰিলে। অংশৰ সমুদায় ধন আবেদনৰ লগত পৰিশোধ কৰিব লাগে। জনসাধাৰণে গোটেইখিনি অংশ অধিগ্ৰহণ কৰিলে। অংশসমূহ যথাযথভাৱে আবণ্টন কৰা হ'ল।

কোম্পানীৰ হিচাপৰ বহীত জাবেদা প্ৰৱিষ্টিসমূহ লিপিবদ্ধ কৰক।

সমাধান ঃ

এই ক্ষেত্ৰত প্ৰতি অংশৰ বাবে মুঠতে দিবলগীয়া টকাৰ পৰিমাণ হ'ব = প্ৰতি অংশৰ লিখিত মূল্য (১০ টকা) + প্ৰতি অংশৰ অধিহাৰ (১০ টকা) = ২০ টকা

হিচাপসম্পৰ্কীয় প্ৰৱিষ্টিসমূহ তলত দেখুৱা হ'ল।

আবেদনৰ ধন পাওঁতে (On receipt of application money)

Date	Particulars	Debit(Rs)	Credit(Rs)
Last date of receipt of application	Bank Dr. To Equity Share Application and Allotment A/c (Being the share money received on 35000 equity shares of Rs 10 each @ Rs 20 per share, Rs 10 being premium, along with application.)	7,00,000	 7,00,000

অংশ আবণ্টন কৰোঁতে (on allotment of shares)

Date	Particulars	Debit(Rs)	Credit(Rs)
Date of allotment	Equity Share Application and Allotment A/c Dr. To Equity Share Capital A/c To Securities Premium A/c (Being the transfer of share money on 35,000 shares of Rs 10 each to Share Capital Account and Rs 10 each to Securities Premium Account on allotment as per Board's Resolution No..... dt.....)	7,00,000	 3,50,000 3,50,000

(খ) **যেতিয়া অংশৰ সম্পূর্ণ মূল্য কিস্তিৰ জড়িয়তে নগদত পৰিশোধ কৰিব লাগে** (where full consideration in cash is payable by instalments) ঃ

কেতিয়াবা অংশৰ বাবে আদায় দিবলগীয়া ধন কিস্তিৰ দ্বাৰাও পৰিশোধ কৰিব পাৰি। এনে কিস্তিৰ সংখ্যা দুই, তিনি, চাৰি বা পাঁচটা হ'ব পাৰে। এই ক্ষেত্রত বিভিন্ন কিস্তিসমূহৰ নাম নিম্নলিখিত ধৰণেৰে কৰা হয়।

(১) প্রথম কিস্তিটো আবেদনৰ লগত পৰিশোধ কৰিব লাগে বাবে ইয়াক আবেদন ধন (Application money) বোলা হয়।

(২) দ্বিতীয় কিস্তিৰ ধনক আবণ্টনৰ ধন (Allotment money) বোলা হয়।

(৩) তৃতীয় কিস্তিৰ ধনক প্রথম তলব ধন (First call money) বোলা হয়। যদি আদায় দিব লগীয়া কিস্তিৰ ধন এই কিস্তিতে শেষ হয় তেনেহলে ইয়াক প্রথম আৰু চূড়ান্ত তলব ধন (First and Final call money) বোলা হয়।

(৪) চতুৰ্থ কিস্তিৰ ধনক দ্বিতীয় তলব ধন (second call money) বোলা হয়। যদি আদায় দিবলগীয়া কিস্তিৰ ধন এই কিস্তিতে শেষ হয় তেনেহ'লে ইয়াক দ্বিতীয় আৰু চূড়ান্ত তলব ধন (Second and Final call money) বোলা হয়,ইত্যাদি।

হিচাপসম্পৰ্কীয় প্ৰৰিষ্টিসমূহ তলত দেখুওৱা হ'ল ঃ

২। (ক) যেতিয়া অংশৰ সম্পূৰ্ণ ধন চাৰিটা কিস্তিত আদায় দিব লাগে আৰু অংশসমূহ সমমূল্যত বিলি কৰা হয় (Where full consideration in cash is payable in four instalments and shares are issued at par)ঃ

১। আবেদনৰ ধন আদায় পাওঁতে (on receipt of application money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr.	Amout received with application	
	To Equity Share Application A/c		Amout received with application

২। অংশপত্ৰিক মূলধন হিচাপলৈ ধন স্থানান্তৰ কৰোঁতে (Transfer of application money to Share Capital Account)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Equity Share Application A/c Dr.	Amount received with application	
	To Equity Share Capital A/c		Amount received with application

৩। বেছিকৈ পোৱা আবেদনৰ ধন ফিৰৎ দিওঁতে (Refund of excess application money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Equity share Application A/c Dr.	With excess money refunded	
	To Bank		With excess money refunded

৪। অংশ আবণ্টন কৰোঁতে (On allotment of share)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Equity Share Allotment A/c Dr. To Equity Share Capital A/c	With Allotment money	With Allotment money

৫। আবণ্টনৰ ধন আদায় পাওঁতে **(On receipt of allotment money)**

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Equity Share Allotment A/c	With Allotment money received	With Allotment money received

৬। প্রথম তলবত (On first call)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Equity Share First Call A/c Dr. To Equity Share Capital A/c	With First call money	With First call money

৭। প্রথম তলবৰ ধন আদায় পাওঁতে (On receipt of first call money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Equity Share First Call A/C	With First call money received	With First call money received

৮। দ্বিতীয় আৰু চূড়ান্ত তলব কৰোঁতে (On second and final call)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Equity Share Second and Final Call A/c Dr. To Equity Share Capital A/c	With second call money	With second call money

৯। দ্বিতীয় আৰু চূড়ান্ত তলবৰ ধন আদায় পাওঁতে (On receipt of second and final call)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr.	With second call money received	
	To Equity Share Second and Final Call A/c		With second call money received

যেতিয়া অংশসমূহ অধিহাৰত বিলি কৰা হয় তেতিয়া নিম্নলিখিত প্ৰৱিষ্টিটো হিচাপৰ বহীত প্ৰৱিষ্টি কৰা হয়। সাধাৰণতে অধিহাৰ, আবণ্টনৰ ধনৰ লগত পৰিশোধ কৰিব লাগে। গতিকে এই প্ৰৱিষ্টিটো আবণ্টনৰ লগতে দেখুওৱা হয়।

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr.	Total money received on Allotment	
	To .....Share Capital A/c		Face value of shares
	To Securities Premium A/c		Premium on shares.

উদাহৰণ ৫

অসম ষ্টীল কোম্পানী লিমিটেডে ১০ টকীয়া ৩০,০০০ সমাংশ অংশ প্ৰতি অংশত ২ টকা অধিহাৰত বিলি কৰিলে। অংশৰ ধন ২ টকা আবেদনৰ লগত, ৫ টকা আবণ্টনত (অধিহাৰ সহ) ৩ টকা প্ৰথম তলবত আৰু বাকী ২ টকা দ্বিতীয় আৰু চূড়ান্ত তলবত আদায় দিব লাগে। ৩৫,০০০ অংশৰ বাবে আবেদন পোৱা হ'ল। সঞ্চালকমণ্ডলীয়ে ৩০,০০০ অংশ আবণ্টন কৰিলে আৰু বাকী ৫,০০০ অংশৰ আবেদনৰ ধন ফিৰৎ দিলে।

প্ৰয়োজনীয় জাবেদা প্ৰৱিষ্টিসমূহ দেখুৱাওক।

সমাধান ঃ

In the Books of

Assam Steel Compay Ltd.

Journal Entries

১। আবেদনৰ ধন আদায় পাওঁতে (On receipt of application money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Equity Share Application A/c (Being the Share application money received on 35,000 equity shares of Rs 10 each @ Rs 2 per share along with application)	70,000	 70,000

২। আবেদনৰ ধন অংশপত্রিক মূলধন হিচাপলৈ স্থানান্তৰ কৰোঁতে

(Transfer of application money to Share Capital Account)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Equity Share Application A/c Dr. To Equity Share Capital A/c (Being transfer of share application money received on 30,000 equity shares of Rs 10 each @ Rs.2 per share along with Share Capital Account as per Boards Resolution No..... dated.....)	60,000	 60,000

৩। বেছিকৈ পোৱা আবেদনৰ ধন ফিৰৎ দিওঁতে (Refund of Excess Application money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Equity Share Application A/c Dr. To Bank (Being refund of excess application money received on 5,000 equity shsres @ Rs 2 per share as per Board's Resolution No..... dated.....)	10,000	 10,000

৪। অংশ আবণ্টন দিওঁতে (On allotment of shares)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Equity Share Application A/c Dr. To Equity Share Capital A/c (Being allotment of 30,000 Equity shares money due @ Rs 3 per shareas per Board's Resolution No..... dated.....)	90,000	 90,000

৫। আবণ্টন ধন আদায় পাওঁতে (On receipt of Allotment Money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr.	1,50,000	
	To Equity Share Allotment A/C		90,000
	To Securities Premium A/C		60,000
	(Being allotment of 30,000 Equity shares of Rs. 10 each @ Rs 5 per share, Rs 2 per share being premium, received.)		

৬। প্রথম তলৰত **(On First call)**

Date	Particulars	Debit (Rs.)	Credit(Rs.)
	Equity Share First Call A/c Dr.	90,000	
	To Equity Share Capital A/c		90,000
	(Being first call money due on 30,000 equity shares of Rs 10 each @ Rs. 3 per share as per Board's Resolution No..... dated.....)		

৭। প্রথম তলবৰ ধন আদায় পাওঁতে **(On receipt of First Call Money)**

Date	Particulars	Debit (Rs.)	Credit(Rs.)
	Bank Dr.	90,000	
	To Equity Share First Call A/c		90,000
	(Being first call money on 30,000 equity shares of Rs 10 each @ Rs. 3 per share received.)		

৮। দ্বিতীয় আৰু চূড়ান্ত তলব কৰোঁতে **(On Second and Final Call)**

Date	Particulars	Debit (Rs.)	Credit(Rs.)
	Equity Share Second and Final Call A/c Dr.	60,000	
	To Equity Share Capital A/c		60,000
	(Being Second and Final Call money due on 30,000 equity shares of Rs 10 each @ Rs.2 per share as Board's Resolution No..... dated.....)		

৯। দ্বিতীয় আৰু চূড়ান্ত তলবৰ টকা আদায় পাওঁতে (On receipt of Second and Final Call)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Equity Share Second and Final Call A/c (Being Second and Final Call money on 30,000 Equity shares of Rs 10 each @ Rs.2 per share received.)	60,000	 60,000

১.৭ অংশ ক্ৰয় সন্মতি (SUBSCRIPTION OF SHARES)

সীমিত দেনাৰ ৰাজহুৱা কোম্পানী এটাই অনুষ্ঠান পত্ৰ বিলি কৰে আৰু ইয়াৰ জৰিয়তে জনসাধাৰণক ইয়াৰ অংশ কিনিবৰ বাবে আহ্বান কৰে। সেয়ে অংশ ক্ৰয় সন্মতি বুলিলে জনসাধাৰণলৈ অনুষ্ঠানপত্ৰৰ যোগেদি কোম্পানীয়ে আগবঢ়োৱা অংশৰ বিপৰীতে জনসাধাৰণৰ পৰা অংশৰ বাবে কোম্পানীয়ে সংগ্ৰহ কৰা আবেদনকে বুজায়। এই আবেদনসমূহ গোটেই দেশ ব্যাপি "বিলিকৰণৰ বাবে বেংকাৰৰ (Banker to the Issue)" যোগেদি সংগ্ৰহ কৰা হয়। অংশ কিনাৰ সামৰণী তাৰিখৰ পিছত সকলোবোৰ আবেদন কোম্পানীৰ পঞ্জীয়ন কাৰ্য্যলয়লৈ পঠোৱা হয়। কোম্পানীৰ পঞ্জীয়ন কাৰ্য্যলয়ৰ কৰ্মচাৰীসকলক অংশ বিলি সম্পৰ্কীয় কামকাজ কৰিবৰ বাবে দায়িত্ব দিয়া হয় আৰু জনসাধাৰণে কিমান সংখ্যক অংশৰ বাবে আবেদন কৰিছে তাক নিৰ্ধাৰণ কৰিবলৈ তেওঁলোকে আবেদন পত্ৰসমূহ পুংখানুপুংখভাৱে পৰীক্ষা কৰে। এই ক্ষেত্ৰত নিম্নলিখিত তিনিটা পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে-

১। সম্পূৰ্ণ ক্ৰয় সন্মতি প্ৰাপ্তি বা আবেদন সংগ্ৰহ (Full subscription)
২। স্বল্প ক্ৰয় সন্মতি প্ৰাপ্তি বা আবেদন সংগ্ৰহ (Under subscription) আৰু
৩। অধিক্ৰয় সন্মতি প্ৰাপ্তি বা আবেদন সংগ্ৰহ (Over subscription)।

বিলিকৰণৰ বাবে বেংকাৰ **(Banker to the Issue)ঃ** কোম্পানীৰ অংশপত্ৰ বিলিকৰণৰ লগত জড়িত কামকাজবোৰ চলাই নিবৰ বাবে কোম্পানীয়ে নিযুক্তি দিয়া বেংক।

১.৭.১ অংশৰ সম্পূৰ্ণ ক্ৰয় সন্মতি বা আবেদন সংগ্ৰহ (FULL SUBSCRIPTION OF SHARES)

যদি জনসাধাৰণে আবেদন কৰা মুঠ অংশৰ সংখ্যা কোম্পানীয়ে আগবঢ়োৱা মুঠ অংশৰ সংখ্যাৰ সমান হয় তেনেহ'লে ইয়াক অংশৰ সম্পূৰ্ণ ক্ৰয় সন্মতি প্ৰাপ্তি বা আবেদন সংগ্ৰহ বোলা হয়।

উদাহৰণ ঃ যদি ১০ টকীয়া ২০,০০০ অংশ জনসাধাৰণলৈ কিনিবৰ বাবে আগবঢ়োৱা হয় আৰু কোম্পানীয়ে জনসাধাৰণৰ পৰা ২০,০০০ অংশৰ বাবে আবেদন সংগ্ৰহ

কৰে তেতিয়া অংশ বিলিকৰণৰ বাবে সম্পূৰ্ণকৈ ক্ৰয় সন্মতি পোৱা হৈছে বুলি কোৱা হয়।

সম্পূৰ্ণকৈ পোৱা ক্ৰয় সন্মতিৰ ক্ষেত্ৰত কোম্পানীয়ে অংশ আবণ্টন কৰাত কোনো অসুবিধাৰ সন্মুখীন হ'ব নালাগে। প্ৰয়োজনীয় নীতি নিয়ম অনুসৰণ কৰাৰ পিছত কোম্পানীয়ে অংশ আবণ্টন কৰিবলৈ আগবাঢ়িব পাৰে।

১.৭.২ অংশৰ স্বল্পক্ৰয় সন্মতি বা কম আবেদন সংগ্ৰহ (Under Subscription of Shares)

যেতিয়া জনসাধাৰণে আবেদন কৰা মুঠ অংশৰ সংখ্যা কোম্পানীয়ে আগবঢ়োৱা মুঠ অংশৰ সংখ্যাতকৈ কম হয় তেতিয়া ইয়াক অংশৰ বাবে স্বল্পক্ৰয় সন্মতি প্ৰাপ্তি বা কম আবেদন সংগ্ৰহ (Under subscription of shares) বোলা হয়।

উদাহৰণ ঃ যদি জনসাধাৰণে কিনিবৰ বাবে ২০,০০০ টা ১০ টকীয়া অংশ আগবঢ়োৱা হয় আৰু কোম্পানীয়ে ১৯,৬০০ অংশৰ বাবে আবেদন সংগ্ৰহ কৰে তেতিয়া অংশৰ বাবে স্বল্পক্ৰয় সন্মতি প্ৰাপ্তি বা কম আবেদন সংগ্ৰহ বোলা হয়।

কম অংশৰ বাবে সংগ্ৰহ কৰা আবেদনৰ ক্ষেত্ৰত অংশ কিনাৰ শতকৰা হাৰ নিৰ্ধাৰণ কৰিব লাগে। ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ (SEBI) নিৰ্দেশাৱলী অনুসৰি, জনসাধাৰণলৈ আগবঢ়োৱা মুঠ অংশৰ সংখ্যাৰ অতিকমেও ৯০ শতাংশ অংশৰ বাবে কোম্পানীয়ে আবেদন সংগ্ৰহ কৰিব লাগে। যদি আবেদন সংগ্ৰহ ৯০ শতাংশতকৈ কম হয় তেতিয়া কোম্পানীয়ে অংশ আবণ্টনৰ বাবে আগবাঢ়িব নোৱাৰিব আৰু আবেদনৰ লগত সংগ্ৰহ কৰা ধন ফিৰৎ দিব লাগিব। আবেদন পত্ৰ সংগ্ৰহ কৰা সামৰণি তাৰিখৰ পৰা আবেদনৰ ধন ফিৰৎ দিয়া ১৫ দিনতকৈ বেছি দেৰি কৰিলে কোম্পানীয়ে সুত পৰিশোধ কৰিবলৈ দায়ী থাকিব।

১.৭.৩ অংশৰ অধিক্ৰয় সন্মতি বা অধিক আবেদন সংগ্ৰহ (Over Subscription of Shares)

যদি জনসাধাৰণে কিনিবৰ বাবে আবেদন কৰা অংশৰ মুঠ সংখ্যা কোম্পানীয়ে জনসাধাৰণলৈ কিনিবৰ বাবে আগবঢ়োৱা মুঠ অংশৰ সংখ্যাতকৈ বেছি হয় তেতিয়া ইয়াক অংশৰ বাবে অধিক্ৰয় সন্মতি প্ৰাপ্তি বা অধিক আবেদন সংগ্ৰহ বোলা হয়।

উদাহৰণ ঃ যদি জনসাধাৰণে কিনিবৰ বাবে ২০,০০০ টা ১০ টকীয়া অংশ আগবঢ়োৱা হয় আৰু কোম্পানীয়ে জনসাধাৰণৰ পৰা ২১,০০০ টা অংশৰ বাবে আবেদন সংগ্ৰহ কৰে তেনেহ'লে ইয়াক অংশৰ বাবে অধিক্ৰয় সন্মতি প্ৰাপ্তি বা অধিক আবেদন সংগ্ৰহ বোলা হয়।

যেতিয়া অংশ বিলিকৰণৰ বাবে অধিক আবেদন সংগ্ৰহ কৰা হয় তেতিয়া অংশ আবণ্টনত ১৯৫৬ চনৰ কোম্পানী আইনৰ ব্যৱস্থাৱলী আৰু ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ড (প্ৰকাশ্য আৰু বিনিয়োগকাৰী প্ৰতিৰক্ষা (SEBI (Disclosure and Investors protection)ৰ নিয়মাৱলী বিবেচনাতলৈ সঞ্চালক মণ্ডলীয়ে বেছি কৈ সংগ্ৰহ কৰা ধন কি ধৰণেৰে ব্যৱস্থা কৰিব তাক স্থিৰ কৰে। তথাপি, কোম্পানীয়ে যিহেতু বিক্ৰীৰ বাবে আবেদনেৰা অংশৰ সংখ্যাতকৈ বেছি অংশ আবণ্টন কৰিব নোৱাৰে, সেয়ে সঞ্চালক মণ্ডলীয়ে ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ (SEBI) নিৰ্দেশাৱলী অনুসৰি সমানুপাতিক ভিত্তিত (Pro- rata basis) অংশ আবণ্টন কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ অংশৰ আবেদন সংগ্ৰহ বা ক্ৰয় সন্মতি প্ৰাপ্তিৰ অৰ্থ কি?

.....

.....

.....

.....

প্ৰশ্ন নং ৬ঃ অংশৰ অধিক্ৰয় সন্মতি প্ৰাপ্তি বা অধিক আবেদন সংগ্ৰহ কি?

.....

.....

.....

.....

১.৭.৪ অংশৰ অধিক্ৰয় সন্মতি ক্ষেত্ৰত ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ নিৰ্দেশাৱলী (SEBI Guidelines on over- subscription of shares)

এই পৰ্য্যায়ত আপুনি অধিক্ৰয় সন্মতি তথা আবেদন সংগ্ৰহৰ লগত জড়িত ভাৰতীয় প্ৰতিভুতি আৰু বিনিময় বোৰ্ডৰ (SEBI) নিৰ্দেশাৱলীসমূহৰ বিষয়ে জানিব পাৰিব। SEBI য়ে অধিক আবেদন সংগ্ৰহ কৰা ক্ষেত্ৰত ধাৰ্য্য কৰা নিয়মবোৰ তলত দিয়া হ'ল-

(ক) আবেদন কৰা অংশৰ সংখ্যাৰ ভিত্তিত সকলোবোৰ আবেদন পত্ৰৰ শ্ৰেণী বিভক্ত কৰিব লাগে। এনে শ্ৰেণীবিভক্ত ১০০, ৫০০, ১,০০০ টা অংশৰ বাবে কৰা আবেদনৰ ভিত্তিত স্থিৰ কৰিব পাৰে।

(খ) অংশ সমানুপাতিক ভিত্তিত বিক্ৰয়যোগ্য অংশত (marketable lot) আবণ্টন কৰিব লাগে।

(গ) ক্ষুদ্ৰ ব্যক্তিগত আবেদনকাৰীৰ বাবে ৰখা সংৰক্ষণ সাপেক্ষেহে বিলি সম্পন্ন কৰা হয়।

ন্যূনতম ব্যৱসায়যোগ্য তথা বিক্ৰয়যোগ্য অংশ(Minimum Tradable/ Marketable Lot) ঃ

ন্যূনতম ব্যৱসায়যোগ্য তথা বিক্ৰয়যোগ্য অংশই ইঙ্গিত দিয়ে যে অংশ আবণ্টনৰ উদ্দেশ্যে অংশৰ আবণ্টনৰ প্ৰাপকক ব্যৱসায়যোগ্য অংশ তকৈ কম সংখ্যক অংশ আবণ্টন কৰিব নোৱাৰিব। এই ন্যূনতম ব্যৱসায়যোগ্য তথা বিক্ৰয়যোগ্য অংশ বিক্ৰী কৰা মূল্যৰ (offer price) ভিত্তিত স্থিৰ কৰা হয়।

প্ৰতি অংশৰ বিক্ৰীকৰা মূল্য	**ন্যূনতম ব্যৱসায়যোগ্য অংশ**
(Offer price per share)	(Minimum tradable Lot)
১০০ টকালৈকে	১০০ অংশ
১০১ টকাৰ পৰা ৪০০ টকালৈকে	৫০ অংশ
৪০১ টকাৰ বা ইয়াৰ ওপৰঞ্চি	১০ অংশ

অংশৰ আবণ্টন ব্যৱসায়যোগ্য তথা বিক্ৰয়যোগ্য অংশৰ গুণিতকত কৰিব লাগে।

ক্ষুদ্ৰ স্বতন্ত্ৰ আবেদনকাৰীৰ বাবে সংৰক্ষণ (Reservation for Small Individual Applicants)

ক্ষুদ্ৰ স্বতন্ত্ৰ আবেদনকাৰীৰ সংৰক্ষণৰ ক্ষেত্ৰত নিৰ্দেশাৱলীত উল্লেখ আছে যে-

(১) যি সকল স্বতন্ত্ৰ আবেদনকাৰীয়ে ১০ টা বা ১০ টাতকৈ কম বিক্ৰয়যোগ্য অংশৰ বাবে আবেদন কৰে তেওঁলোকৰ বাবে প্ৰকৃততে আগবঢ়োৱা প্ৰতিভূতি (security) সংখ্যাৰ ন্যূনতম ৫০ শতাংশ মুক্তভাবে ৰাখিব লাগে।

(২) বাকী থকা প্ৰতিভূতিসমূহ আবণ্টনৰ বাবে তলত দিয়া ধৰণে মুকলি কৰিব লাগে-

(ক) স্বতন্ত্ৰ আবেদনকাৰীসকললৈ যি ১০ টাতকৈ অধিক অংশ বা ঋণপত্ৰ বা প্ৰতিভূতিৰ বিক্ৰয়যোগ্য অংশৰ বাবে আবেদন কৰিছে।

(খ) যিকোনো সংখ্যক অংশৰ বাবে আবেদন কৰা কোম্পানী, নিগম, নিগমকৃত সংস্থা আৰু প্ৰতিষ্ঠানসমূহ আদি সহ অন্যান্য বিনিয়োগকাৰীসকললৈ।

(৩) প্ৰকৃততে আগবঢ়োৱা অংশৰ নিকিনা অংশ ওপৰত উল্লেখ কৰা যিকোনো আৱেদনকাৰীৰ শ্ৰেণীলৈ প্ৰয়োজন সাপেক্ষে আগবঢ়াব পাৰে।

গতিকে আবণ্টন প্ৰক্ৰিয়াত যদি অংশৰ বাবে অধিক আবেদন সংগ্ৰহ কৰা হয় তেতিয়া হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলীত নিম্নলিখিত পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে।

(ক) কিছুমান আবেদন সম্পূৰ্ণকৈ অগ্ৰাহ্য কৰি আৰু বাকী থকা আবেদনকাৰীক সম্পূৰ্ণকৈ অংশ আবণ্টন কৰিব পাৰে।

(খ) আবেদনকাৰীৰ মাজত সমানুপাতিকভাৱে অংশ আবণ্টন কৰিব পাৰে ; আৰু

(গ) কিছুমান আবেদনকাৰীক আবণ্টন নামঞ্জুৰ কৰি বাকী থকা আবেদনকাৰীৰ মাজত সমানুপাতিক হাৰত অংশ আবণ্টন কৰিব পাৰে।



অনুশীলনী ১

নিম্নলিখিত বিষয়সমূহৰ পৰিস্থিতি নিৰ্ণয় কৰক-

(ক) XY কোম্পানী লিমিটেডে প্ৰয়োজনীয় মূলধন সংগ্ৰহ কৰিবলৈ প্ৰতি অংশত ২০ টকা দৰে ৩০,০০০ অংশ বিলি কৰিলে। কোম্পানীয়ে ২৫,০০০ অংশৰ বাবে আৱেদন সংগ্ৰহ কৰিলে। কোম্পানীয়ে পৰবৰ্তী কি পদক্ষেপ গ্ৰহণ কৰা উচিত হ'ব?

.....

.....

.....

(খ) M N কোম্পানী লিমিটেডে বিক্ৰীৰ বাবে ১০,০০০ অংশ প্ৰতি অংশত ১০ টকা হিচাপে আগবঢ়ালে। কোম্পানীয়ে ১৫,০০০ অংশৰ বাবে আবেদন পালে। অংশ আবণ্টন কৰিবলৈ কোম্পানী অগ্ৰসৰ হোৱা উচিত হ'বনে?

.....

.....

.....

১.৭.৫ অংশৰ অধিক্ৰয় সন্মতিৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (Accounting treatment on Over- subscription of shares)

Journal Entries

(i) আবেদনৰ ধন আদায় পাওঁতে (On receipt of application money)

Date	Particulars	Debit (Rs.)	Credit(Rs.)
Last date of receipt of Application	Bank Dr. To ... Share Application A/c (Being share application money received on .... shares of Rs..... each @ Rs. .... per share along with application)	70,000	 70,000

(ii) অংশ মূলধন হিচাপলৈ স্থানান্তৰ (Transfer to Share Capital Account)

Date	Particulars	Debit(Rs.)	Credit(Rs.)
Date of Allotment	... Share Application A/c Dr. To ... Share Capital A/c (Being transfer of share application money on... shares of Rs... each @ Rs. .. per share to Share Capital Account as per Board's Resolution No.... dated....)	60,000	60,000

(iii) অতিৰিক্ত আবেদন ধনৰ ফিৰৎ (Refund of Excess Application Money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of refund	... Share Application A/c Dr. To Bank (Being refund of application moeny to unsuccessful applicants received on ... shares @ Rs. .. per share as per Board's Resolution No... dated...)	6,000	6,000

(iv) আবেদনৰ ধন আবণ্টন স্থানান্তৰ (Transfer of application money to allotment)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of allotment	... Share Application A/c Dr. To ... Share Allotment A/c (Being the surplus application money on... share @ Rs.. .. per share transferred to Share Allotment Account as per Board's Resolution No....dated....)	4,000	4,000



জানি থোৱা ভাল

এইটো মনত ৰাখিব লাগে যে কেতিয়াবা ওপৰঞ্চি আবেদনৰ ধন আবণ্টনত দেয় হোৱা ধনৰ পৰিমাণকৈ বেছি হয়। তেনে ওপৰঞ্চি পৰিমাণ ফিৰৎ দিব লাগে। তথাপি, কোম্পানীয়ে এই ধন ভৱিষ্যতৰ তলবত সংযোজন কৰিবৰ বাবে ৰাখি থ'ব পাৰে যদিহে কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে কোম্পানীক কৰ্তৃত্ব দিয়ে। সাধাৰণতে এই সংক্ৰান্তত অনুষ্ঠানপত্ৰৰ এটা দফা সন্নিবিষ্ট থাকিব

লাগে। যদি ওপৰঞ্চি ধনখিনি ৰাখি থোৱা হয় তেনেহ'লে উক্ত ধনখিনি অগ্রিম তলবী হিচাপলৈ (Calls in Advance A/c) নিম্নলিখিত জাবেদা প্রৰিষ্টিৰ সহায়ত স্থানান্তৰ কৰিব লাগে।

Share Application A/c Dr.

To Calls in Advance A/c

যদি কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে আবণ্টন ধনতকৈ ওপৰঞ্চি হোৱা আবেদনৰ ধন ৰাখি থোৱাত কর্তৃত্ব নিদিয়ে তেতিয়া তেনে ওপৰঞ্চি ধন ফিৰৎ দিব লাগিব।

(v) অংশ আবণ্টন কৰোঁতে (On allotment of shares)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of allotment	... Share Allotment A/c Dr. To ... Share Capital A/c (Being allotment of .... shares and money due @ Rs.. .. per share credited to Share Capital Account as per Board's Resolution No....dated....)	90,000	90,000

(vi) আবণ্টনৰ ধন আদায় পাওঁতে (On receipt of Allotment Money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of receipt of allotment money	Bank Dr. To ... Share Allotment A/c (Being allotment moeny on ..... shares received @ Rs.. .. per share)	86,000	86,000

(vii) প্রথম তলবত (On First Call)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of First Call	... Share First Call A/c Dr. To ... Share Capital A/c (Being First Call moeny due on ... shares @ Rs.. .. per share credited to share Capital Account as per Board's Resolution No....dated....)	90,000	90,000

(viii) প্রথম তলবৰ ধন পাওঁতে (On receipt of First Call Money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of receipt of First Call Money	Bank Dr. To ... Share First Call A/c (Being First Call money received @ Rs.. .. per share on.... shares)	90,000	 90,000

(ix) দ্বিতীয় আৰু চূড়ান্ত তলবত (On Second and Final Call)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Equity Share Second and Final Call A/c Dr. To Equity Share Capital A/c (Being Second and Final Call money due on 30,000 Equity Shares of Rs. 10 each @ Rs. 2 per share as per Board's Resolution No.....Dated.....)	60,000	 60,000

(x) দ্বিতীয় আৰু চূড়ান্ত তলবৰ ধন আদায় পাওঁতে (On receipt of Second and Final Call Money)

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Equity Share Second and Final Call A/c (Being Second and Final Call money due on 30,000 Equity Shares of Rs. 10 each @ Rs. 2 per share received)	60,000	 60,000



অনুশীলনী- ২

ক'ল ইণ্ডিয়া লিমিটেডে ১০০ টকীয়া ৫,০০০ সমাংশ অংশ বিলিকৰণৰ বাবে আবেদন আহ্বান কৰিলে। অংশৰ ধন এনেদৰে আদায় দিব লাগেঃ আবেদনৰ লগত ২০ টকা, আবণ্টনত ৫০ টকা, বাকীধন যেতিয়াই বিচৰা হয়।

আবেদন সংগ্রহ কৰা সামৰণি তাৰিখ ২০০৭ চনৰ জুলাই ১ তাৰিখত কোম্পানীয়ে

৭,০০০ অংশৰ বাবে আবেদন সংগ্ৰহ কৰিলে। ৫,০০০ অংশৰ আবেদন গ্ৰহণ কৰা হ'ল আৰু নামঞ্জুৰ কৰা ২০০০ অংশৰ আবেদনৰ ধন ফিৰৎ দিয়া হ'ল। ২০০৭ চনৰ ২৫ জুলাইত কোম্পানীয়ে অংশসমূহ আবণ্টন কৰিলে আৰু ২০০৭ চনৰ ১০ আগষ্টত ৪,৯০০ অংশৰ আবণ্টনৰ ধন সম্পূৰ্ণকৈ আদায় পালে।

কোম্পানীৰ হিচাপৰ বহীত উক্ত লেনদেনসমূহ লিপিবদ্ধ কৰিবৰ বাবে প্ৰয়োজন হোৱা জাবেদা প্ৰৰিষ্টিসমূহ দেখুৱাওক।



১.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো ঃ

- কোম্পানীৰ মুঠ মূলধন বহু সংখ্যক সমান ভাগত ভাগ কৰা হয়। কোম্পানীৰ মুঠ মূলধনক অংশপত্ৰিক মূলধন বোলা হয়।
- কোম্পানীৰ অংশপত্ৰিক মূলধনৰ সমান ভাগসমূহক অংশ বোলা হয়।
- এটা কোম্পানীয়ে ইয়াৰ প্ৰয়োজনীয় পুঁজি অংশ বিলি কৰি সংগ্ৰহ কৰে।
- যিসকল ব্যক্তিয়ে কোম্পানীৰ অংশ কিনে তেওঁলোকক অংশধাৰক বোলা হয়। তেওঁলোক কোম্পানীৰ মালিক বা স্বত্বাধিকাৰী (owner) হয়।
- অংশ সমূহ দুই প্ৰকাৰৰ-

  সমাংশ অংশ ঃ- এই অংশৰ ধাৰক সকলে কোম্পানীৰ কামকাজৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ আৰোপ কৰিব পাৰে।

  অগ্ৰাধিকাৰযুক্ত অংশ ঃ- এই অংশধাৰক সকলৰ সমাংশ অংশৰ ধাৰক সকলতকৈ লাভাংশ পৰিশোধ আৰু মূলধন ঘুৰাই দিয়াৰ ক্ষেত্ৰতহে অগ্ৰাধিকাৰ আছে।
- কোম্পানীৰ অংশপত্ৰিক মূলধন এই ধৰণেৰে বিভক্ত কৰা হয়- অনুমোদিত মূলধন, বিলি মূলধন, প্ৰতিশ্ৰুতি মূলধন, তলবী মূলধন, আদায়ীকৃত মূলধন, সঞ্চিত মূলধন,অনাদায়ী তলবী ধন, অগ্ৰিম তলবীধন।
- অংশ বিলি কৰিব পাৰি-

  সমমূল্যত ঃ অংশৰ লিখিত মূল্যতে অংশ বিলি কৰিলে।

  অধিহাৰত ঃ অংশ লিখিত মূল্যতকৈ অধিক দামত বিলি কৰিলে।
- অংশ নগদ টকাত আৰু নগদ টকাৰ বাহিৰে আন প্ৰতিদানৰ বিনিময়ত বিলি কৰিব পাৰি।
- অংশ বিলি কৰোঁতে বিভিন্ন পদক্ষেপ জড়িত হয়।
- যিসকল আবেদনকাৰীক কোনো অংশ আবণ্টন কৰা নহ'ল তেওঁলোকলৈ অনুশোচনা পত্ৰ (Letter of Regret) প্ৰেৰণ কৰা হয় আৰু আবেদনৰ ধন ফিৰৎ দিয়া হয়।
- অংশ বিলিৰ ক্ষেত্ৰত হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী। যেতিয়া অংশৰ সম্পূৰ্ণ মূল্য আবেদনৰ লগতে নগদ টকাত আদায় দিব লাগে আৰু যেতিয়া অংশৰ সম্পূৰ্ণ মূল্য বিভিন্ন কিস্তিত নগদ টকাত আদায় দিব লাগে।



১.৯ অধিক জানিবলৈ (FURTHER READING)

১) Dam, B. B & Gautam H. C. (2008). Corporate Accounting : for B. Com part II (new course) of Gauhati University. Guwahati, Capital Publishing Company.

২) Maheshwari, S. N. & Maheshwari, S. K (2009). Corporate accounting. New Delhi, Vikas Publishing House Pvt. Ltd.



১.১০ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ অংশ হৈছে এটা কোম্পানীৰ মুঠ অংশপত্ৰিক মূলধনৰ এটা ক্ষুদ্ৰ অংশ। অংশপত্ৰিক মূলধন হৈছে প্ৰৰ্বতকসকল আৰু কোম্পানীৰ সদস্যসকলে কোম্পানীৰ অংশত বিনিয়োগ কৰা ধনৰ পৰিমাণ।

২ নং প্ৰশ্নৰ উত্তৰঃ (১) অনুমোদিত বা নামিক বা পঞ্জীয়ন মূলধন (Authorised or Nominal or Registered Capital)

(২) বিলিকৃত মূলধন (Issued Capital)

(৩) প্ৰতিশ্ৰুতি মূলধন (Subscribed Capital)

(৪) তলবী মূলধন (Called -up Capital)

(৫) আদায়ীকৃত মূলধন (Paid-up Capital)

৩ নং প্ৰশ্নৰ উত্তৰঃ সমমূল্যত ঃ লিখিত মূল্যত অংশ বিলিৰ অৰ্থ হৈছে অংশধাৰকসকলক অংশৰ অভিহিত মূল্য (Nominal value) বা লিখিত মূল্যৰ (Face value) সম পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

অধিহাৰত ঃ অংশৰ লিখিত মূল্যতকৈ অধিক দামত অংশ বিলি কৰা আৰু অংশ কিনোতাই অংশৰ লিখিত মূল্যৰ লগতে অধিহাৰৰ পৰিমাণো আদায় দিবলৈ নিৰ্দেশ দিয়া হয়।

৪ নং প্ৰশ্নৰ উত্তৰঃ যিসকল অংশৰ আবেদনকাৰীক অংশ আবণ্টন কৰা হয় তেওঁলোকলৈ আবণ্টন পত্ৰ আৰু যিসকল অংশৰ আবেদনকাৰীক কোনো অংশ আবণ্টন কৰা নহ'ল তেওঁলোকলৈ অনুশোচনা পত্ৰ প্ৰেৰণ কৰা হয়।

৫ নং প্ৰশ্নৰ উত্তৰঃ অংশ ক্ৰয় সন্মতি বুলিলে জনসাধাৰণলৈ অনুষ্ঠান পত্ৰৰ যোগেদি কোম্পানীয়ে আগবঢ়োৱা অংশৰ বিপৰীতে জনসাধাৰণৰ পৰা অংশৰ বাবে কোম্পানীয়ে সংগ্ৰহ কৰা আবেদনক বুজায়।

৬ নং প্ৰশ্নৰ উত্তৰঃ যদি জনসাধাৰণে কিনিবৰ বাবে আবেদন কৰা অংশৰ মুঠ সংখ্যা কোম্পানীয়ে জনসাধাৰণলৈ কিনিবৰ বাবে আগবঢ়োৱা মুঠ অংশৰ সংখ্যাতকৈ বেছি হয় তেতিয়া ইয়াক অংশৰ বাবে অধিক্ৰয় সন্মতি প্ৰাপ্ত বোলা হয়।



১.১১ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ তলত দিয়া বিবৃতি সমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) অংশৰ বিলিকৰণ বুলিলে কোম্পানীয়ে তেওঁলোকৰ কৰ্মচাৰীসকলৰ মাজত অংশ বিতৰণ কৰাকে বুজায়।

(খ) অংশৰ আবণ্টন সঞ্চালকমণ্ডলীৰ দ্বাৰা অনুমোদিত হ'ব লাগে।

(গ) অগ্ৰাধিকাৰ যুক্ত অংশধাৰকসকলৰ অংশ আবণ্টনত অগ্ৰাধিকাৰ পোৱা অধিকাৰ আছে।

(ঘ) অধিহাৰত অংশ বিলি কৰা বুলিলে অংশৰ কিনোতাই অতিৰিক্ত ধন পৰিশোধ কৰাকে বুজায়।

প্ৰশ্ন ২ঃ উপযুক্ত শব্দ বহুৱাই খালি ঠাই পূৰণ কৰক ঃ

(ক) ..... ত অংশ বিলি কৰা বুলিলে অংশৰ ক্ৰেতাই অংশৰ বাবদ বেছি ধন পৰিশোধ কৰা বুজায়।

(খ) ..... পত্ৰ অংশ আবণ্টন কৰা ব্যক্তিসকললৈ পঠোৱা হয়।

(গ) অংশৰ বিলি ..... দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়।

প্ৰশ্ন ৩ঃ অংশৰ আবণ্টন কি ? এটা কোম্পানীৰ অংশ আবণ্টন কৰা প্ৰক্ৰিয়া আলোচনা কৰক।

প্ৰশ্ন ৪ঃ অংশৰ আবেদনৰ ধন প্ৰাপ্তি আৰু অংশৰ আবণ্টন কৰা অৰ্থ আৰু হিচাপ সম্পৰ্কীয় ব্যৱস্থাৱলী ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ঃ বৰুৱা লিমিটেড ১০ টকীয়া অংশৰ ১০,০০,০০০ টকা মূলধনলৈ নিবন্ধিত হ'ল আৰু ইয়াৰ ৪০,০০০ অংশ প্ৰতি অংশত ২ টকা অধিহাৰত বিলি কৰিলে। অংশৰ ধনৰ ৩ টকা আবেদনৰ লগত, ৪ টকা অধিহাৰসহ আবণ্টনৰ লগত, আৰু ২ টকা তিনি মাহৰ পিছত কৰা প্ৰথম তলবত আদায় দিব লাগে। আবেদন আৰু আবণ্টনত পৰিশোধ কৰিবলগীয়া সকলোখিনি ধন আদায় পোৱা হ'ল, কিন্তু যেতিয়া প্ৰথম তলব কৰা হ'ল তেতিয়া এজন অংশধাৰকে তেওঁৰ ৬০০টা অংশৰ বাবদ বাকী থকা সমুদায় ধন আদায় দিয়ে আৰু আন এজন অংশধাৰকে তেওঁ কিনা ২,০০০ টা অংশৰ প্ৰথম তলবৰ ধন আদায় দিব নোৱাৰিলে।

উক্ত লেনদেনসমূহ লিপিবদ্ধ কৰিবৰ বাবে জাবেদা প্ৰৰিষ্টি দিয়ক আৰু কোম্পানীৰ উদ্বৃত্তপত্ৰত ইহঁতক কেনেকৈ উপস্থাপন কৰা হ'ব তাকো দেখুৱাওক ।

(টোকা ঃ প্রশ্নমতে দ্বিতীয় তলব কৰা হোৱা নাই। সেয়ে জাবেদা প্রবিষ্টিসমূহ প্রথম তলবলৈকেহে প্রবিষ্ট কৰিব লাগে।)

প্রশ্ন ৬ঃ সব্নম লিমিটেডে দহটকীয়া ৪০,০০০ অংশৰ বাবে আবেদন আহ্বান কৰিছে। অংশৰ ধন এনেদৰে পৰিশোধ কৰিব লাগে- আবেদনৰ লগত ২.৫০ টকা (২০০৪ চনৰ ১ ফ্রেব্রুৱাৰীত) আবণ্টনত ২.৫০ টকা (২০০৪ চনৰ ১ মার্চত), প্রথম তলবত ২ টকা (২০০৪ চনৰ ১ আগষ্টত)আৰু দ্বিতীয় তলবত ৩ টকা (২০০৪ চনৰ ১ নবেম্বৰত)। সকলোখিনি অংশৰ বাবে আবেদন পোৱা হ'ল আৰু সিহঁতক আবণ্টন কৰা হ'ল। B. Bora ই তেওঁ কিনা ৩০০ অংশৰ বাবদ দিবলগীয়া সমুদায় ধন আবণ্টনৰ ধনৰ লগতে আদায় দিলে।

উক্তলেনদেনসমূহ কোম্পানীৰ বহীত লিপিবদ্ধ কৰিবৰ বাবে জাবেদা প্রবিষ্টিসমূহ দেখুৱাওক।

প্রশ্ন ৭ঃ ২০০৭ চনৰ ১ জানুৱাৰীত তেজপুৰ ইণ্ডাষ্ট্রিজ লিমিটেডে ১০ টকীয়া ১০,০০০ টা সমাংশ অংশ বিলি কৰিলে। অংশৰ ধন আবেদনৰ লগত ২ টকা, আবণ্টনত ৩ টকা, প্রথম আৰু চূড়ান্ত তলবত ৫ টকা (আবণ্টনৰ তিনিমাহৰ পিছত) আদায় দিব লাগে। ১২,০০০ অংশৰ বাবে আবেদন পোৱা হ'ল আৰু সঞ্চালকসকলে অতিৰিক্ত আবেদনৰ ধন ফিৰৎ দিলে আৰু ১০,০০০ অংশ আবণ্টন কৰিলে।

কোম্পানীৰ বহীত জাবেদা প্রবিষ্টিসমূহ প্রস্তুত কৰক।

*** ***** ***

অধ্যায় ২ ঃ অংশৰ বাজেয়াপ্তকৰণ আৰু পুনৰ বিলিকৰণ (FORFEITURE AND REISSUE OF SHARES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

২.১ উদ্দেশ্য (Learning Objectives)

২.২ পৰিচয় (Introduction)

২.৩ অংশ বাজেয়াপ্তকৰণৰ অর্থ (Meaning of Forfeiture of Shares)

২.৪ অংশ বাজেয়াপ্তকৰণৰ ফল (Effect of Forfeiture of Shares)

২.৫ অংশ বাজেয়াপ্তকৰণৰ হিচাপ সম্পৰ্কীয় ব্যৱস্থাৱলী (Accounting Treatment on Forfeiture of Shares)

২.৬ বাজেয়াপ্ত কৰা অংশৰ পুনৰ বিলিকৰণ (Reissue of Forfeited Shares)

২.৭ বাজেয়াপ্ত কৰা অংশৰ পুনৰ বিলিকৰণৰ ক্ষেত্ৰত হিচাপ সম্পৰ্কীয় ব্যৱস্থাৱলী (Accounting Treatment on Reissue of Forfeited Shares)

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

২.৯ অধিক জানিবলৈ (Further Reading)

২.১০ অগ্ৰগতিৰ খতিয়ান (Answer To Check Your Progress)

২.১১ আৰ্হি প্ৰশ্ন (Model Questions)

২.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অংশৰ বাজেয়াপ্তকৰণৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- অংশৰ বাজেয়াপ্তকৰণৰ প্ৰণালী ব্যাখ্যা কৰিব পাৰিব
- অংশৰ বাজেয়াপ্তকৰণৰ হিচাপ সম্পৰ্কীয় ব্যৱস্থাৱলীৰ উদাহৰণ দি ব্যাখ্যা কৰিব পাৰিব
- বাজেয়াপ্ত অংশৰ পুনৰ বিলিকৰণৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- বাজেয়াপ্ত অংশৰ পুনৰ বিলিকৰণৰ হিচাপ সম্পৰ্কীয় ব্যৱস্থাৱলীৰ উদাহৰণ দি ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয় (INTRODUCTION)

পূৰ্ববৰ্তী অধ্যায়ত আপুনি জানিব পাৰিছিল যে কোম্পানীয়ে বিলি কৰা অনুষ্ঠান পুংখানুপুংখভাৱে অধ্যয়ন কৰাৰ পিছত সম্ভাব্য অংশধাৰকসকলে অংশৰ বাবে আবেদন কৰে। কোম্পানীয়ে এই আবেদনসমূহ পৰীক্ষা কৰে আৰু আইনগত আৰু অন্যান্য ব্যৱস্থাৱলী পর্য্যবেক্ষণ কৰি অংশ আবণ্টন কৰিবলৈ আগবাঢ়ে। এজন আবেদনকাৰীক এবাৰ অংশ আবণ্টন কৰিলে

কোম্পানী আৰু অংশধাৰকজনৰ মাজত এটা চুক্তি সম্পাদিত হয়। যদি অংশধাৰকজনে চুক্তি অনুসৰি চৰ্তাৱলী মানি চলাত ব্যৰ্থ হয় তেতিয়া তেওঁক আবণ্টন কৰা অংশসমূহ কোম্পানীয়ে বাজেয়াপ্ত কৰিব পাৰে।

এই অধ্যায়টোত আমি অংশৰ বাজেয়াপ্তকৰণ, বাজেয়াপ্ত কৰা অংশৰ পুনৰ বিলিকৰণৰ অৰ্থ ব্যাখ্যা কৰিম; লগতে অংশ বাজেয়াপ্তকৰণ আৰু বাজেয়াপ্ত অংশৰ পুনৰ বিলিকৰণৰ লগত জড়িত বিষয় আৰু হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰিম।

২.৩ অংশ বাজেয়াপ্তকৰণৰ অৰ্থ (MEANING OF FORFEITURE OF SHARES)

প্ৰথমে আমি বাজেয়াপ্তকৰণ আৰু অংশৰ বাজেয়াপ্তকৰণৰ অৰ্থ আলোচনা কৰো আহক। সৰল অৰ্থত বাজেয়াপ্তকৰণ (Forfeiture) বুলিলে আইনগত বাধ্যবাধকতা পূৰণত অপাৰগ হোৱা ফলস্বৰূপে কোনো স্বত্ব, দাবী বা সম্পত্তিৰ পৰা বঞ্চিত হোৱাকে বুজায়। অংশৰ হিচাপৰক্ষণত ই বিশেষ অৰ্থ ধাৰণ কৰে। অংশৰ বাজেয়াপ্তকৰণ বুলিলে কোম্পানীৰ অংশৰ মূল্য পৰিশোধত অক্ষম (defaulting) হোৱা সদস্যৰ দখলত থকা অংশ বাতিল কৰাকে বুজায়।

এজন আবেদনকাৰীক অংশ আবণ্টন কৰাৰ পিছত কোম্পানী আৰু অংশধাৰকজনৰ মাজত এটা চুক্তি সম্পাদিত হয়। অংশধাৰকজনে তেওঁ কিনা অংশৰ বাবদ দেয়ধন কোম্পানীক পৰিশোধ কৰিবলৈ বাধ্য থাকে। যেতিয়া অংশৰ মূল্য কিস্তিত পৰিশোধ কৰা হয়, তেতিয়া অংশধাৰকজন কোম্পানীয়ে যেতিয়াই কিস্তিৰ টকা পৰিশোধ কৰিবলৈ কয়, তেতিয়াই উক্ত ধন পৰিশোধ কৰিবলৈ দায়বদ্ধ হৈ থাকে। যদি তেওঁ আবণ্টন তথা তলবী ধন নিৰ্ধাৰিত সময়ৰ ভিতৰত পৰিশোধ কৰিবলৈ অপাৰগ হয় তেতিয়া কোম্পানীৰ নিয়মাৱলীয়ে অনুমোদন কৰিলে তেওঁৰ অংশসমূহ কোম্পানীৰ সঞ্চালকমণ্ডলীয়ে বাজেয়াপ্ত কৰিব পাৰে।

২.৪ অংশৰ বাজেয়াপ্তকৰণৰ ফল (EFFECT OF FORFEITURE OF SHARES)

এতিয়া আমি বাজেয়াপ্তকৰণৰ ফল কি হ'ব সেই বিষয়ে আলোচনা কৰিম। প্ৰথমতে সঞ্চালকমণ্ডলীয়ে অংশ বাজেয়াপ্ত কৰাৰ আগতে আভ্যন্তৰীণ নিয়মাৱলী অনুসৰি সকলোবোৰ আইনগত নিয়মাৱলী যথাযথভাৱে মানি চলিব লাগে। সঞ্চালকমণ্ডলীয়ে অংশ বাজেয়াপ্ত কৰিলে অংশধাৰকজনে কোম্পানীৰ সদস্য পদ হেৰুৱায়। ইয়াৰ উপৰিও তেওঁ ইতিমধ্যে পৰিশোধ কৰা ধনখিনিও বাজেয়াপ্ত কৰা হয়। গতিকে অংশ বাজেয়াপ্ত কৰোঁতে সদস্যজনৰ নাম সদস্যসকলৰ তালিকা বহীৰ (Register of Members) পৰা কৰ্তন কৰা হয়। সদস্যজনক আবণ্টন কৰা অংশ বাতিল কৰি কোম্পানীৰ হিচাপৰ বহীসমূহত প্ৰয়োজনীয় প্ৰৰিষ্টি লিপিবদ্ধ কৰিব লাগে। বাকীদাৰ (defaulting) সদস্যজনক ইতিমধ্যে পৰিশোধ কৰা ধনখিনি ওভতাই দিয়া নহয়

আৰু ইয়াক উপযুক্ত হিচাপলৈ স্থানান্তৰ কৰা হয়।

অংশ বাজেয়াপ্তকৰণৰ ফলসমূহ সংক্ষিপ্তভাৱে তলত উল্লেখ কৰা হ'ল-

(ক) অংশধাৰকজনৰ সদস্যপদ বাতিল কৰা হয়।

(খ) অংশধাৰকজনে পৰিশোধ কৰা ধনখিনি বাজেয়াপ্ত কৰা হয়।

(গ) বাজেয়াপ্ত কৰা অংশসমূহৰ মালিকীস্বত্ব কোম্পানীটোৰ ওচৰত ন্যস্ত হয়।

(ঘ) বাজেয়াপ্ত কৰা অংশসমূহৰ বাবে পোৱা ধনখিনি কোম্পানীৰ সম্পত্তি হিচাপে বিবেচিত হয়।

(ঙ) বাজেয়াপ্ত হোৱা অংশ কেইটাৰ বাবদ কোম্পানীয়ে সম্পূৰ্ণ টকা আদায় নোপোৱালৈকে বাকীদাৰ অংশধাৰকজন তেওঁৰ অংশসমূহৰ বাবে ধন পৰিশোধ কৰিবলৈ দায়ী হৈ থাকে।

(চ) অংশ বাজেয়াপ্তকৰণত বাজেয়াপ্ত কৰা অংশ কেইটা পুনৰ বিলি নকৰালৈকে অংশপত্রিক মূলধনৰ তলবী পৰিমাণ উক্ত অংশ কেইটাৰ বাবদ তলব কৰা ধনৰ পৰিমাণেৰে কমাই দেখুওৱা হয়।

বাজেয়াপ্ত অংশ হিচাপৰ (Forfeited Shares Account) উদ্বৃত্ত জমা কোম্পানীৰ মুঠ আদায়ীকৃত মূলধনৰ লগত যোগ কৰি "Share Capital" ৰ অধিনত উদ্বৃত্ত পত্রৰ "Equity and Liabilities"ত দেখুওৱা হয়, যেতিয়ালৈকে বাজেয়াপ্ত কৰা অংশকেইটা পুনৰ বিলি কৰা নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ অংশৰ বাজেয়াপ্তকৰণৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন নং ২ঃ অংশ বাজেয়াপ্তকৰণৰ দুটা ফল উল্লেখ কৰক।

১) .....

২) .....

২.৫ অংশ বাজেয়াপ্তকৰণ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (ACCOUNTING TREATMENT ON FORFEITURE OF SHARES)

অংশ বাজেয়াপ্তকৰণত হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী নিম্নলিখিত শিতানত আলোচনা কৰা হয়-

(i) সমমূল্যত বিলি কৰা অংশৰ বাজেয়াপ্তকৰণ (Forfeiture of Shares issued at par)

(ii) ঊন মূল্য বা বাট্টাত বিলি কৰা অংশৰ বাজেয়াপ্তকৰণ (Forfeiture of Shares issued at a discount)

(iii) অধিহাৰত বিলি কৰা অংশৰ বাজেয়াপ্তকৰণ (Forfeiture of Shares issued at a premium)

এই শিতানসমূহৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল-

(i) সমমূল্যত বিলি কৰা অংশৰ বাজেয়াপ্তকৰণ (Forfeiture of Shares originally issued at par)

যদি অনাদায়ী ধনৰ পৰিমাণ অনাদায়ী তলবী ধন (Calls in Arrear) হিচাপলৈ স্থানান্তৰ কৰা হৈছে।

Date	**Particulars**	**Debit (Rs.)**	**Credit (Rs.)**
Date of Forfeiture	Share Capital A/c Dr.	(Amount called up per share x no. of forfeited shares)	
	To Calls in Arrear A/c		(Amount unpaid)
	To Forfeited Shares A/c		(Amount received)

টোকা ঃ বাজেয়াপ্ত অংশ হিচাপৰ (Forfeited Shares Account) সলনি অংশ বাজেয়াপ্ত হিচাপ (Share Forfeited Account) বা অংশ বাজেয়াপ্তকৰণ হিচাপ (Share Forfeiture Account) ব্যৱহাৰ কৰিব পাৰিব।

যদি অনাদায়ী ধনৰ পৰিমাণ অনাদায়ী তলবী ধন হিচাপলৈ স্থানান্তৰ কৰা হোৱা নাই ঃ

Date	**Particulars**	**Debit (Rs.)**	**Credit (Rs.)**
Date of Forfeiture	Share Capital A/c Dr.	(Amount called up per share x no. of forfeited shares)	
	To Respective Calls A/c		(Amount unpaid)
	To Forfeited Shares A/c		(Amount received)

টোকা ঃ সংশ্লিষ্ট তলব (Respective calls) বুলিলে যদি অনাদায়ী ধন আবণ্টনৰ হয় তেনেহ'লে আবণ্টন হিচাপ ক্রেডিট কৰিব লাগে। যদি অনাদায়ী ধন আবণ্টন আৰু প্ৰথম তলবৰ হয় তেতিয়া আবণ্টন হিচাপ আৰু প্ৰথম তলব হিচাপ দুয়োটাকে সংশ্লিষ্ট অনাদায়ী ধনৰ পৰিমাণেৰে ক্রেডিট কৰিব লাগে। সেইদৰে অনাদায়ী ধন যদি আবণ্টন, প্ৰথম তলব আৰু দ্বিতীয় তলব হয় তেতিয়া সংশ্লিষ্ট অনাদায়ী পৰিমাণেৰে আবণ্টন হিচাপ, প্ৰথম তলব হিচাপ, দ্বিতীয় তলব হিচাপ ক্রেডিট কৰিব লাগে, ইত্যাদি।

(ii) বাট্টাত বিলি কৰা অংশৰ বাজেয়াপ্তকৰণ (Forfeiture of Shares issued at a discount)

বাজেয়াপ্ত কৰিব লগীয়া অংশ কেইটা প্ৰাৰম্ভিকতে বাট্টাত বিলি কৰা থাকিলে এনে অংশ কেইটাত প্ৰযোজ্য হোৱা বাট্টাৰ পৰিমাণ উক্ত অংশকেইটা বাজেয়াপ্ত কৰা সময়ত বাতিল কৰিব লাগে।

এই ক্ষেত্ৰত লিপিবদ্ধ কৰিবলগীয়া জাবেদা প্ৰৱিষ্টি হ'ব ঃ

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of Forfeiture	Share Capital A/c Dr.	(Amount called up + Discount)	
	To Discount on Issue of Shares A/c		(Amount of Discount)
	To Respective Calls A/c		(Amount unpaid)
	or		
	To Calls - in- Arrear A/c		
	To Forfeited Shares A/c		(Amount received)

(iii) অধিহাৰত বিলি কৰা অংশৰ বাজেয়াপ্তকৰণ (Forfeiture of Shares issued at a premium)

এই ক্ষেত্ৰত প্ৰৱিষ্ট কৰিবলগীয়া জাবেদা প্ৰৱিষ্টিসমূহ হ'ল—

(ক) **যেতিয়া অধিহাৰ প্ৰাপ্ত হয়** (In case the premium money has been received)ঃ

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of Forfeiture	Share Capital A/c Dr.	(Amount called up...	
	To Respective Calls A/c		(Amount unpaid)
	or		
	To Calls in Arrear A/c		
	To Forfeited Shares A/c		(Amount received)

(খ) **যেতিয়া অধিহাৰ প্ৰাপ্ত নহয়** (In case the premium money has not been received) ঃ

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of Forfeiture	Share Capital A/c Dr. Securities Premium A/c Dr. To Respective Calls A/c or To Calls - in- Arrear A/c To Forfeited Shares A/c	(Amount of capital called up.) (Amount of Premi -um not received)	 (Amount unpaid) (Amount received)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ ঊনহাৰ তথা বাট্টাত বিলি কৰা অংশ বাজেয়াপ্ত কৰা ক্ষেত্রত বাট্টাৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী কি হ'ব?

.....

.....

.....

প্রশ্ন নং ৪ঃ নিম্নলিখিত বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(১) যেতিয়া অংশ বাজেয়াপ্ত কৰা হয় তেতিয়া অনাদায়ী তলবী ধন হিচাপ ডেবিট কৰা হয়।

(২) অংশৰ বাজেয়াপ্তকৰণৰ ফলস্বৰূপে বাকীদাৰ অংশধাৰকজনৰ সদস্যপদ বাতিল নহয়।

(৩) যিবিলাক অংশ অধিহাৰত বিলি কৰা হয় সেই অংশসমূহ বাজেয়াপ্ত কৰিব নোৱাৰিব যদিও আবেদনকাৰীয়ে আবণ্টন ধন পৰিশোধ কৰাত অপাৰগ হয়।

(৪) অংশ বাজেয়াপ্তকৰণত অংশপত্রিক মূলধন হিচাপ ডেবিট কৰা হয়।



উদাহৰণ ১

বিকাশ লিমিটেডে দহটকীয়া ২০০ সমাংশ অংশ সমমূল্যত আকাশক বিলি কৰিলে। আকশে প্রথম তলবত প্রতি অংশত ৩ টকাকৈআৰু চূড়ান্ত তলবত প্রতি অংশত ৪ টকাকৈ আদায় দিব নোৱাৰিলে। উল্লেখিত ধনসমূহ পৰিশোধ নকৰাৰ বাবে উক্ত অংশসমূহ বাজেয়াপ্ত কৰা হ'ল।

অংশ বাজেয়াপ্ত কৰা জাবেদা প্রৰিষ্টিসমূহ দেখুওৱাক, ধৰি লোৱা হওক যে (i) অনাদায়ী ধনসমূহ অনাদায়ী তলবী ধন হিচাপলৈ স্থানান্তৰ কৰা হৈছে, আৰু (ii) অনাদায়ী ধনসমূহ অনাদায়ী তলবী ধন হিচাপলৈ স্থানান্তৰ কৰা হোৱা নাই।

সমাধান ঃ

In the Books of Vikash Ltd.

Journal Entry

(i) অনাদায়ী ধনসমূহ অনাদায়ী তলবী ধন হিচাপলৈ স্থানান্তৰ কৰা হৈছে (The unpaid amount was transferred to Calls in Arrear Account) **:**

Date	**Particulars**	**Debit (Rs.)**	**Credit (Rs.)**
Date of Forfeiture	Equity Share Capital A/c Dr.	2,000	
	To Calls in Arrear A/c		1,400
	To Forfeited Shares A/c		600
	(Being 200 equity shares of Rs. 10 each are forfeited for non-payment of the first call of Rs. 3 per share and the final call of Rs. 4 per share as per Board's Resolution No. .....dated.....)		

(ii) অনাদায়ী ধনসমূহ অনাদায়ী তলবী ধন হিচাপলৈ স্থানান্তৰ কৰা হোৱা নাই (The unpaid amount was not transferred to Calls in Arrear Account) :

Date	**Particulars**	**Debit (Rs.)**	**Credit (Rs.)**
Date of Forfeiture	Equity Share Capital A/c Dr.	2,000	
	To Equity Share First Call A/c		600
	To Equity Share Final Call A/c		800
	To Forfeited Shares A/c		600
	(Being 200 equity shares of Rs. 10 each are forfeited for non-payment of the first call of Rs. 3 per share and the final call of Rs. 4 per share as per Board's Resolution No. .....dated.....)		

টোকা ঃ যিহেতু অংশকেইটাৰ বাবদ সম্পূৰ্ণকৈ তলব কৰা হৈছে সেয়ে অংশপত্রিক মূলধন হিচাপ তলব কৰা ধনৰ সমান অভিহিত মূল্যৰে ডেবিট কৰা হয়।



অনুশীলনী ১

সীমা লিমিটেডে ১০ টকীয়া সমাংশপত্ৰ বিলি কৰিছিল। অংশৰ ধন প্ৰতি অংশত আবেদনৰ লগত ২ টকা, আবণ্টনত ৫ টকা আৰু প্ৰথম আৰু চূড়ান্ত তলবত ৩ টকাকৈ আদায় দিব লাগে। ১০০ টা অংশৰ বাবে আবেদন কৰা অংশধাৰক এজনে আবণ্টনৰ ধন আদায় দিব নোৱাৰিলে। পিছত সেই অংশ কেইটা বাজেয়াপ্ত কৰা হ'ল। বাজেয়াপ্তকৰণৰ লগত জড়িত জাবেদা প্ৰৰিষ্টি প্ৰৰিষ্ট কৰক।

২.৬ বাজেয়াপ্ত কৰা অংশৰ পুনৰ বিলিকৰণ (REISSUE OF FORFEITED SHARES)

আপুনি জানে যে অংশ বাজেয়াপ্ত কৰিবৰ বাবে কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে সঞ্চালকসকলক কৰ্ত্তৃত্ব দিয়ে। এনে বাজেয়াপ্ত কৰা অংশ পুনৰ বিলি কৰিবৰ বাবেও তেওঁলোকে কৰ্ত্তত্ব পায়। বাজেয়াপ্ত কৰা অংশ পুনৰ বিলি নকৰালৈকে বাজেয়াপ্ত অংশ হিচাপৰ (Forfeited Shares Account) উদ্বৃত্ত হিচাপৰ বহীত ৰৈ যায়। বাজেয়াপ্ত অংশ হিচাপ কোম্পানীৰ মুঠ আদায়ীকৃত মূলধনৰ (Paid-up-Capital) লগত যোগ কৰি উদ্বৃত্ত পত্ৰৰ দেনাদিশত "অংশপত্ৰিক মূলধন (Share Capital)" শিতানত সমাংশপত্ৰ আৰু দেনাসমূহ "Equity and Liabilities"ৰ অধীনত দেখুৱা হয়। সঞ্চালকমণ্ডলীয়ে এনে বাজেয়াপ্ত কৰা অংশ বাট্টাতো বিলি কৰিব পাৰে। কিন্তু এনে বাট্টাৰ পৰিমাণ কোনো কাৰণতেই এনে বাজেয়াপ্ত কৰা অংশৰ বাবদ ইতিমধ্যে সংগ্ৰহ কৰা অংশৰ মূলধনী মূল্যতকৈ (Captial Value of Shares) বেছি হ'ব নোৱাৰিব। বাজেয়াপ্ত কৰা অংশৰ একাংশ পুনৰ বিলি কৰিলে এনে বিলিকৰণত হোৱা বাট্টাৰ পৰিমাণ আৰু বাজেয়াপ্ত অংশৰ বাবে বাজেয়াপ্ত কৰা ধনৰ পৰিমাণ সমানুপাতিক হ'ব লাগে।

A তালিকাৰ (Table A) ৩২ (**i**) প্ৰবিধানে সঞ্চালকমণ্ডলীক বাজেয়াপ্ত অংশ পুনৰ বিলিকৰণৰ ক্ষেত্ৰত পূৰ্ণ স্বাধীনতা প্ৰদান কৰিছে। কোম্পানী আইনৰ A তালিকাৰ ৩২(**i**) প্ৰবিধান মতে বাজেয়াপ্ত কৰা অংশ সঞ্চালকমণ্ডলীয়ে উচিত বুলি ভবা যিকোনো চর্ত আৰু যিকোনো ধৰণেৰে বিক্ৰী বা আন ধৰণেৰে হস্তান্তৰ কৰিব পাৰে।

অংশ পুনৰ বিলিকৰণত হোৱা বাট্টাৰ ব্যৱস্থাৱলী (Treatment of discount or reissue of shares)ঃ

অংশ পুনৰ বিলিকৰণত সাধাৰণতে বাট্টা অনুমোদন কৰা হয়। অংশ পুনৰ বিলিকৰণত অনুমোদন কৰা বাট্টা কোম্পানীৰ বাবে লোকচান হয়। অংশ পুনৰ বিলিকৰণত বাট্টাৰ বাবদ হোৱা লোকচান বাজেয়াপ্ত অংশ হিচাপৰ (Forfeited shares) পৰা সংযোজন কৰা হয়।



জানি থোৱা ভাল

অংশৰ দ্বাৰা সীমিত কোম্পানীৰ পৰিচালনাৰ বাবে প্ৰয়োজন হোৱা প্ৰবিধান সমূহ - A তালিকাত সন্নিৱিষ্ট কৰা হৈছে। নিবন্ধনৰ সময়ত অংশৰ দ্বাৰা সীমিত সকলোবোৰ কোম্পানীয়েই আভ্যন্তৰীণ নিয়মাৱলী গ্ৰহণ কৰিব লাগে। যদি কোনো এটা বিশেষ কোম্পানীয়ে তেওঁলোকৰ নিজা আভ্যন্তৰীণ নিয়মাবলী পঞ্জীয়ন নকৰে তেতিয়া তেওঁলোকে A তালিকা গ্ৰহণ কৰিব পাৰে। ইয়াক মানবিশিষ্ট নমুনা আভ্যন্তৰীণ নিয়মাৱলী (Standardised Model Article) হিচাপে গণ্য কৰা হয়। ইয়াক কোম্পানীয়ে তেওঁলোকৰ নিজা আভ্যন্তৰীণ নিয়মাৱলীৰ ভিত্তি হিচাপে ব্যৱহাৰ কৰিব পাৰে।

২০০৭ চনৰ ১ অক্টোবৰৰ বা তাৰ পিছত নিবন্ধন হোৱা নতুন কোম্পানীসমূহৰ যিবোৰে নিবন্ধনৰ বাবে আবেদন কৰোতে তেওঁলোকৰ নিজা আভ্যন্তৰীণ নিয়মাৱলী পঞ্জীয়ন কৰা নাই, তেনে কোম্পানীৰ বাবে নতুন A তালিকা প্ৰযোজ্য হয়। A তালিকা ব্যৱহাৰ কৰাটো কোম্পানীসমূহৰ বাবে বাধ্যতামূলক নহয় আৰু তেওঁলোকে A তালিকাৰ ভিত্তিত নিজা আভ্যন্তৰীণ নিয়মাৱলী প্ৰস্তুত কৰি ল'ব পাৰে।

২.৭ বাজেয়াপ্ত কৰা অংশৰ পুনৰ বিলিকৰণৰ ক্ষেত্ৰত হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (ACCOUNTING TREATMENT ON REISSUE OF FORFEITED SHARES)

বাজেয়াপ্ত অংশ পুনৰ বিলি কৰোতে হোৱা হিচাপসম্পৰ্কীয় প্ৰৱিষ্টিসমূহ বাজেয়াপ্ত কৰা অংশসমূহ বিলি কৰোঁতে আৰোপ কৰা চৰ্তৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে বাজেয়াপ্ত অংশৰ পুনৰ বিলিকৰণৰ প্ৰৱিষ্টিসমূহ নিম্নলিখিত শিতানৰ অধীনত আলোচনা কৰা হৈছে-

(ক) যেতিয়া বাজেয়াপ্ত কৰা অংশ প্ৰথমতে সমমূল্যত বিলি কৰা হৈছিল আৰু পুনৰ বিলিকৰণো সমমূল্যতে কৰা হয় (When forfeited shares which were originally issued at par are also reissued at par) ঃ

(i) অংশ পুনৰ বিলিকৰণত (On reissue of shares):

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of reissue	Bank Dr. To.....Share Capital A/c	(Amount received on reissue)	 (Amount received on reissue)

(ii) পুনৰ বিলিকৰণত হোৱা লাভ স্থানান্তৰ কৰোঁতে (On transfer of profit on reissue):

Date	Particulars	Debit (Rs.)	Credit (Rs.)
Date of reissue	Forfeited Shares Dr. To Capital Reserve A/c	(Amount trasferred)	 (Amount transferred)

টোকা ঃ যেতিয়া সকলোখিনি বাজেয়াপ্ত কৰা অংশ সমমূল্যত পুনৰ বিলি কৰা হয় তেতিয়া বাজেয়াপ্ত অংশ হিচাপত থকা গোটেইখিনি উদ্বৃত্তই পুনৰ বিলিকৰণত হোৱা লাভ সূচাব আৰু মূলধনী প্ৰকৃতিৰ এই লাভ মূলধনী পুঁজি হিচাপলৈ (Capital Reserve Account) স্থানান্তৰ কৰা হয়।

(খ) যেতিয়া বাজেয়াপ্ত কৰা অংশ প্ৰথমতে সমমূল্যত বিলি কৰা হৈছিল আৰু এতিয়া বাট্টাত পুনৰ বিলি কৰা হয় (When forfeited shares which were originally issued at par are now reissued at discount) ঃ

(i) অংশ পুনৰ বিলিকৰণত (On reissue of shares) :

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr.	(Amount received on reissue)	
	Forfeited Shares A/c Dr.	(Discount allowed on reissue)	
	To.....Share Capital A/c		(Paid up amount of Nominal Value of Shares)

(ii) পুনৰ বিলিকৰণত হোৱা লাভ, যদি থাকে, স্থানান্তৰ কৰোঁতে (On transfer of profit on reissue, if any) **:**

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Forfeited Shares A/c Dr.	(Amount transferred)	
	To Capital Reserve A/c		(Amount transferred)

(গ) **যেতিয়া বাজেয়াপ্ত কৰা অংশ প্ৰথমতে সমমূল্যত বিলি কৰা হৈছিল আৰু এতিয়া অধিহাৰত পুনৰ বিলি কৰা হয় (When forfeited shares which were originally issued at par are now reissued at premium) ঃ**

(i) অংশ পুনৰ বিলিকৰণত (On reissue of shares) :

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr.	(Amount received on reissue)	
	To.....Share Capital A/c		(Paid up amount of Nominal Value of Shares
	To Securities Premium A/c		(Amount of Premium)

(ii) পুনৰ বিলিকৰণত হোৱা লাভ, যদি থাকে, স্থানান্তৰ কৰোঁতে (On transfer of profit on reissue, if any) :

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Forfeited Shares A/c Dr.	(Amount transferred)	
	To Capital Reserve A/c		(Amount transferred)

(ঘ) প্ৰথমতে অধিহাৰত বিলিকৰা বাজেয়াপ্ত অংশৰ পুনৰ বিলিকৰণ **(Reissue of forfeited shares which were originally issued at premium) ঃ**

(i) অংশ পুনৰ বিলিকৰণত (On reissue of shares) :

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bank Dr.	(Amount received on reissue)	
	Forfeited Shares A/c Dr.	(discount allowed on reissue)	
	To Share Capital A/c		(called up amount of Nominal value of shares)

(ii) পুনৰ বিলিকৰণত হোৱা লাভ, যদি থাকে, স্থানান্তৰ কৰোঁতে (On transfer of profit on reissue, if any) :

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Forfeited Shares A/c Dr.	(Amount transferred)	
	To Capital Reserve A/c		(Amount transferred)



উদাহৰণ ২

প্রতি অংশত ৯ টকাকৈ তলব কৰা কিন্তু প্রথম তলবৰ ধন ৩ টকাকৈ আদায় নিদিয়াৰ বাবে বৰুৱা লিমিটেডে ১০ টকীয়া ২০০ অংশ বাজেয়াপ্ত কৰিলে। পিছত, কোম্পানীয়ে ১৪০ টা অংশ ৯ টকাকৈ আদায়ীকৃত হিচাপে ধৰি ৭ টকাত পুনৰ বিলি কৰিলে।

অংশ বাজেয়াপ্তকৰণ আৰু পুনৰ বিলি সংক্রান্ত জাবেদা প্রৱিষ্টিসমূহ দিয়ক।

সমাধান ঃ

In the Books of Baruah Limited

Journal Entries

(i) অংশ বাজেয়াপ্তকৰণত (On forfeiture of Shares)

Date	Particulars		Debit (Rs.)	Credit (Rs.)
	Share Capital A/c (200xRs. 9)	Dr.	1,800	
	To.....Share First Call A/c (200xRs.3)			600
	To Forfeited Shares A/c (200x Rs. 6)			1,200
	(Being the forfeiture of 200 shares of Rs. 10 each Rs. 9 per share called up for non- payment of first call money of Rs. 3 per share as per Board's Resolution No. .....dated.....)			

(ii) অংশ পুনৰ বিলিকৰণত (On reissue of shares) :

Date	Particulars		Debit (Rs.)	Credit (Rs.)
	Bank (140xRs.7)	Dr.	980	
	Forfeited Share A/c(140xRs. 2)	Dr.	280	
	To....Share Capital A/c (140xRs.9)			1,260
	(Being the reissue of 140 forfeited shares of Rs. 10 each as Rs. 9 per share called and paid up for Rs. 7 per share as per General meeting Resolution No.....date.....)			

(iii) পুনৰ বিলিকৰণত হোৱা লাভৰ স্থানান্তৰ (On transfer of profit on reissue):

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Forfeited Shares A/c (see note) Dr.	560	
	To Capital Reserve A/c Dr.		560
	(Being the transfer of balance of forfeited shares, being the profit on reissue to Capital Reserve Account)		

টোকা ঃ যিহেতু বাজেয়াপ্ত কৰা মুঠ অংশৰ একাংশহে পুনৰ বিলি কৰা হৈছে, সেয়ে বাজেয়াপ্ত অংশৰ পুনৰ বিলিত হোৱা লাভ সমানুপাতিক ভিত্তিত নিম্ন লিখিত ধৰণেৰে গণনা কৰা হয়।

পুনৰ বিলিকৰণত হোৱা লাভৰ পৰিমাণ গণনা (Calculation of profit on reissue) ঃ


পুনৰ বিলি কৰা ২০০টা অংশত অনুমোদনযোগ্য বাট্টা (200 x Rs.6)=Rs 1,200

গতিকে পুনৰ বিলি কৰা ১৪০ টা অংশত অনুমোদনযোগ্য বাট্টা

1,200 x 140 ÷ 200 = 840

বাদ ঃ পুনৰ বিলিকৰণত প্ৰকৃততে অনুমোদন কৰা বাট্টা (140 x Rs.2)= Rs. 280

এতেকে পুনৰ বিলিকৰণত হোৱা লাভ (মূলধনী সঞ্চিত পুঁজিলৈ স্থানান্তৰ কৰা হ'ল)= 560



অনুশীলনী ২

প্ৰতি অংশত প্ৰথম তলবৰ ধন ৩ টকাকৈ পৰিশোধ নকৰা বাবে ৮ টকাকৈ তলব কৰা ১০ টকীয়া ৪০০ অংশ স্বস্তিক লিমিটেডে বাজেয়াপ্ত কৰিলে। এই অংশসমূহ পিছত কোম্পানীয়ে ৮ টকাকৈ আদায়ীকৃত ধৰি সমমূল্যত পুনৰ বিলি কৰিলে।

অংশ বাজেয়াপ্তকৰণ আৰু পুনৰ বিলিকৰণৰ বাবে প্ৰয়োজন হোৱা জাবেদা প্ৰৰিষ্টি সমূহ লিপিবদ্ধ কৰক।



উদাহৰণ ৩

চন্দনৰ হাতত ১০ টকীয়া ৩০০ অংশ আছে। এই অংশৰ বাবে তেওঁ আবেদনৰ লগত ১টকা, আবণ্টনত ২ টকা আদায় দিলে। বাদলৰ হাতত ১০ টকীয়া ৩০০ অংশ আছে আৰু ইয়াৰ বাবে তেওঁ আবেদনৰ লগত ১ টকা, আবণ্টনত ২ টকা আৰু প্ৰথম তলবত ৩ টকা আদায় দিলে। অনাদায়ী ধনসমূহ অনাদায়ী তলবী ধন হিচাপলৈ স্থানান্তৰ কৰা হ'ল।

তেওঁলোক দুয়োজনে অনাদায়ী ধন আৰু প্ৰতি অংশত ৪ টকাকৈ চূড়ান্ত তলবৰ ধনো আদায় দিব নোৱাৰিলে আৰু সঞ্চালকমণ্ডলীয়ে সেয়ে তেওঁলোকৰ অংশসমূহ বাজেয়াপ্ত কৰিলে। পিছত এই অংশসমূহ প্ৰতি অংশত ৮ টকাকৈ সম্পূৰ্ণকৈ আদায়ী হিচাপে পুনৰ বিলি কৰিলে।

কোম্পানীৰ হিচাপৰ বহীত অংশ বাজেয়াপ্তকৰণ আৰু পুনৰ বিলিকৰণ সংক্ৰান্তত জাবেদা প্ৰৱিষ্টিসমূহ দেখুৱাওক।

সমাধান ঃ In the Books of the Company

Journal Entries

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	..Share Capital A/c [(300+300)x10] Dr.	6,000	
	To Calls-in-Arrear A/c [(300xRs.7)+(300xRs.4)]		3,300
	To Forfeited Shares A/c [(300xRs.3)+(300xRs.6)]		2,700
	(Being the forfeiture of 600 shares of Rs. 10 each fully called up for non-payment of call money as per Board's Resolution No.....dated.....)		
	Bank [(300+300)xRs. 8] Dr.	4,800	
	Forfeited Shares A/c [(300+300)xRs.2] Dr.	1,200	
	To.....Share Capital A/c (600 x Rs. 10)		6,000
	(Being 600 forfeited shares of Rs. 10 each reissued at Rs. 8 each as fully paid as per General Meeting Resolution No.....dated.....)		
	Forfeited Shares A/c (Rs. 2,700-Rs. 1,200) Dr.	1,500	
	To Capital Reserve A/c		1,500
	(Being the balance of forfeited shares account transferred to Capital Reserve Account)		

টোকা ঃ যিহেতু বাজেয়াপ্ত কৰা সকলোখিনি অংশ পুনৰ বিলি কৰা হৈছে, সেয়ে বাজেয়াপ্ত অংশ হিচাপৰ (Forfeited Shares Account) উদ্বৃত্তই পুনৰ বিলিকৰণত হোৱা লাভ সূচাব।



অনুশীলনী- ৩

স্বস্তিক লিমিটেড ৮ টকাকৈ তলব কৰা প্ৰথম তলবত ৩ টকাকৈ আদায় নিদিয়াৰ বাবে ১০টকীয়া ৪০০ অংশ বাজেয়াপ্ত কৰিলে। এই অংশসমূহ পিছত ৮ টকাকৈ আদায়ী হিচাপে কোম্পানীয়ে পুনৰ বিলি কৰিলে।

অংশ বাজেয়াপ্ত আৰু পুনৰ বিলিকৰণৰ লগত জড়িত জাবেদা প্ৰৱিষ্টিসমূহ দেখুওৱাক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ নিম্নলিখিত বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰকঃ

(১) এটা কোম্পানীৰ সঞ্চালক সকলে বাজেয়াপ্ত কৰা অংশ পুনৰ বিলি কৰাৰ অধিকাৰ নাই।

.....

(২) বাজেয়াপ্ত কৰা অংশ পুনৰ বিলিকৰোঁতে অনুমোদন কৰা বাট্টা কোম্পানীৰ বাবে লোকচান নহয়।

.....

(৩) প্রথমতে সমহাৰত বিলি কৰা বাজেয়াপ্ত অংশ পুনৰ বিলি সমহাৰতকৰিব পৰা নাযায়।

.....

(৪) বাজেয়াপ্ত কৰা অংশ পুনৰ বিলিৰ ক্ষেত্রত "অংশপত্রিক মূলধন হিচাপ" ডেবিট কৰা হয়।

.....



২.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয় সমূহ আলোচনা কৰিলো-

- এজন অংশধাৰকে যেতিয়া তেওঁ কিনা অংশৰ বাবদ আবণ্টন আৰু তলবৰ দেয় ধন আদায় দিব নোৱাৰে তেতিয়া তেওঁৰ অংশসমূহ বাজেয়াপ্ত কৰা হয়।
- কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে সঞ্চালকসকলক অংশ বাজেয়াপ্ত কৰিবৰ বাবে কর্ত্তৃত্ব দিব লাগে।
- অংশ বাজেয়াপ্তকৰণৰ ফলস্বৰূপে কোম্পানী আৰু বাকীদাৰ (defaulting) অংশধাৰক জনৰ মাজত থকা চুক্তি সমাপ্ত হয়। ইয়াৰ ফলত বাকীদাৰ অংশধাৰকজনৰ নাম কোম্পানীৰ সদস্যসকলৰ তালিকা বহীৰ (Register of Members) পৰা কর্তন কৰা হয়।
- অংশ বাজেয়াপ্তকৰণৰ ক্ষেত্রত বাজেয়াপ্ত কৰা অংশ কেইটাৰ বাবদ ইতিমধ্যে আদায় পোৱা ধনখিনি বাজেয়াপ্ত অংশ হিচাপত (Forfeited Shares Account) ক্রেডিট কৰা হয়।
- বাজেয়াপ্ত কৰা অংশ পুনৰ বিলি কৰিবৰ বাবে কোম্পানীৰ সঞ্চালকসকলৰ ক্ষমতা আছে।
- বাজেয়াপ্ত অংশ পুনৰ বিলিকৰণৰ লগত জড়িত হিচাপ সম্পর্কীয় প্রৰিষ্টিসমূহ।
- বাজেয়াপ্ত অংশ পুনৰ বিলিকৰণত হোৱা লাভ "মূলধনী পুঁজি হিচাপলৈ" স্থানান্তৰ কৰা হয়।



২.৯ অধিক জানিবলৈ (FURTHER READING)

1) Dam, B. B & Gautam H. C. (2008). Corporate Accounting : for B. Com part II(new course) of Gauhati University. Guwahati, CapitalPublishing Company.

2)) Maheshwari, S. N. & Maheshwari, S. K (2009). Corporate accounting. New Delhi, Vikas Publishing House Pvt. Ltd.

3) Mukherjee A. & Hanif M (2006). Corporate accounting. New Delhi,Tata McGraw- Hill Publishing Company.



২.১০ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ অংশ বাজেয়াপ্ত বুলিলে বাকীদাৰ অংশধাৰকৰ হাতত থকা অংশসমূহ বাতিল কৰাকে বুজায়।

২ নং প্রশ্নৰ উত্তৰঃ (১) অংশধাৰকৰ সদস্যপদ বাতিল।

(২) অংশধাৰকজনে আদায় দিয়া ধন বাজেয়াপ্ত কৰা।

৩ নং প্রশ্নৰ উত্তৰঃ (ক) বাজেয়াপ্ত কৰিবলগীয়া অংশ বাট্টাত বিলি কৰা থাকিলে, তেনে অংশৰ লগত প্রযোজ্য হোৱা বাট্টা উক্ত অংশ বাজেয়াপ্ত কৰা সময়ত বাতিল কৰা হয়।

৪ নং প্রশ্নৰ উত্তৰঃ (১) অশুদ্ধ (২) অশুদ্ধ (৩) অশুদ্ধ (৪) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰঃ (১) অশুদ্ধ (২) অশুদ্ধ (৩) অশুদ্ধ (৪) অশুদ্ধ



২.১১ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ তলত দিয়া বিবৃতি সমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) অগ্রাধিকাৰযুক্ত অংশ বাজেয়াপ্ত কৰিব নোৱাৰি।

(খ) বাজেয়াপ্ত কৰা অংশ অধিহাৰত পুনৰ বিলি কৰিব নোৱাৰি।

(গ) অংশ পুনৰ বিলিকৰণত হোৱা লাভ মূলধনী সঞ্চিত পুঁজি হিচাপলৈ স্থানান্তৰ কৰা হয়।

প্রশ্ন ২ঃ চমুটোকা লিখক ঃ

(ক) অংশ বাজেয়াপ্তকৰণ;

(খ) বাজেয়াপ্ত কৰা অংশ পুনৰ বিলিকৰণত হোৱা লাভ;

(গ) মূলধনী সঞ্চিত পুঁজি

প্রশ্ন ৩ঃ অংশৰ বাজেয়াপ্তকৰণৰ অর্থ আৰু হিচাপসম্পর্কীয় ব্যৱস্থাৱলী ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ A লিমিটেডে সমহাৰত বিলিকৰা প্রতি অংশত ৮ টকাকৈ তলব কৰা ১০ টকীয়া ১০০টা সমাংশ অংশ প্রতি অংশত ৩ টকাকৈ প্রথম তলবৰ ধন আদায় নিদিয়াৰ বাবে বাজেয়াপ্ত কৰিলে। অংশ বাজেয়াপ্ত কৰা জাবেদা প্রৰিষ্টি প্রৰিষ্ট কৰক।

প্রশ্ন ৫ঃ D লিমিটেডে ১০% বাট্টাত বিলিকৰা ১০ টকীয়া ১০০ টা অংশ প্রথম তলবত প্রতি অংশত ৩ টকা আৰু চূড়ান্ত তলবত প্রতি অংশত ৪ টকা নিদিয়াৰ বাবে বাজেয়াপ্ত কৰিলে। অংশ বাজেয়াপ্ত কৰা জাবেদা প্রৰিষ্টিটো প্রৰিষ্ট কৰক।

প্রশ্ন ৬ঃ অমল লিমিটেডে সম্পূর্ণকৈ তলব কৰা ১০ টকীয়া ১০০ টা অংশ চূড়ান্ত তলবত প্রতি অংশত ৪ টকাকৈ আদায় নিদিয়াৰ বাবে বাজেয়াপ্ত কৰিলে। এই অংশসমূহ পিছত সম্পূর্ণকৈ আদায়ী হিচাপে সমহাৰত পুনৰ বিলি কৰিলে। অংশ বাজেয়াপ্ত আৰু পুনৰ বিলিকৰনৰ বাবে প্রয়োজন হোৱা জাবেদা প্রৰিষ্টি সমূহ দেখুৱাওক।

প্রশ্ন ৭ঃ অজয় লিমিটেডে সম্পূর্ণকৈ তলব কৰা ১০ টকীয়া ১০০ টা অংশ চূড়ান্ত তলবত প্রতি অংশত ৪ টকাকৈ আদায় নিদিয়াৰ বাবে বাজেয়াপ্ত কৰিলে। ইয়াৰে ৮০ টা অংশ কোম্পানীয়ে পিছত সমমূল্যত সম্পূর্ণকৈ আদায়ী হিচাপে পুনৰ বিলি কৰিলে। অংশ বাজেয়াপ্ত আৰু পুনৰ বিলিকৰণৰ বাবে প্রয়োজন হোৱা জাবেদা প্রৰিষ্টিসমূহ দেখুৱাওক।

প্রশ্ন ৮ঃ কামৰূপ ব্রিক্স লিমিটেডে নিম্নলিখিত ১০ টকীয়া অংশসমূহ তলবৰ ধন আৰু আবণ্টনৰ ধন আদায় নিদিয়াৰ বাবে বাজেয়াপ্ত কৰিলে।

(ক) ষ্টেফীয়ে ধাৰণ কৰা ১০০ টকা অংশৰ বাবে প্রতি অংশত ১ টকাকৈ আবেদনৰ ধনহে আদায় দিলে।

(খ) মার্টিনাই ধাৰণ কৰা ২০০ টা অংশৰ বাবদ প্রতি অংশত যথাক্রমে ১ টকা আৰু ২ টকা আবেদন আৰু আবণ্টনৰ ধনহে আদায় দিলে।

(গ) অর্চনাই ধাৰণ কৰা ৩০০ টা অংশৰ বাবদ প্রতি অংশত যথাক্রমে ১ টকা, ২ টকা আৰু ৩ টকা আবেদন, আবণ্টন আৰু প্রথম তলবৰ ধনহে আদায় দিলে। অংশসমূহ সম্পূর্ণকৈ তলব কৰা হৈছিল। উক্ত অংশ সমূহৰ মার্টিনা আৰু অর্চনাই কিনা ৫০০ অংশ ১০% বাট্টাত সম্পূর্ণকৈ আদায়ী হিচাপে পুনৰ বিলি কৰিলে। পুনৰ বিলিকৰণত খৰচ হয় ৩০০ টকা। কোম্পানীৰ বহীত জাবেদা প্রৰিষ্টি সমূহ দিয়ক।

প্রশ্ন ৯ঃ এটা সীমিত দেনাৰ কোম্পানীয়ে ১০ টকীয়া ৫,০০,০০০ টকাৰ অংশপত্রিক মূলধন লৈ নিবন্ধিত হ'ল আৰু ইয়াৰে ২০,০০০ অংশ প্রতি অংশত ২ টকাকৈ অধিহাৰত বিলি কৰিলে। অংশৰ ধন প্রতি অংশত আবেদনৰ লগত ৩ টকা, আবণ্টনত অধিহাৰ সহ ৪ টকা আৰু তিনিমাহৰ পিছত প্রথম তলবত ২ টকাকৈ আদায় দিব লাগে। আবেদন আৰু

আবণ্টনৰ সকলো ধন সম্পূৰ্ণকৈ আদায় পোৱা হ'ল; কিন্তু যেতিয়া প্ৰথম তলবটো কৰা হৈছিল তেতিয়া এজন অংশধাৰকে তেওঁ কিনা ৩০০ অংশৰ বাকী থকা ধন আদায় সমূদায় দিলে আৰু আন এজন অংশধাৰকে কিনা ১,০০০ অংশৰ প্ৰথম তলবৰ ধন আদায় দিব নোৱাৰিলে।

ওপৰোক্ত লেনদেনসমূহ লিপিবদ্ধ কৰিবৰ বাবে জাবেদা প্ৰৰিষ্টিসমূহ দিয়ক আৰু ইহঁতক কোম্পানীৰ উদ্বৃত্তপত্ৰত কেনেকৈ উপস্থাপন কৰা হ'ব তাকো দেখুৱাওক।

*** ***** ***

অধ্যায় ৩ ঃ বোনাচ অংশ আৰু অধিকাৰ সাপেক্ষ অংশৰ বিলিকৰণ (ISSUE OF BONUS SHARES AND RIGHT SHARES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

৩.১ উদ্দেশ্য (Learning Objectives)

৩.২ পৰিচয় (Introduction)

৩.৩ বোনাচ অংশৰ অর্থ (Meaning of Bonus Shares)

৩.৪ বোনাচ অংশ বিলিকৰণৰ উদ্দেশ্য, সুবিধা আৰু অসুবিধাসমূহ (Objectives, Advantages and Disadvantages of Issue of Bonus Shares)

৩.৫ বোনাচ অংশ বিলিকৰণৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (Accounting Treatment on Issue of Bonus Shares)

৩.৬ বোনাচ অংশ বিলিকৰণ সম্পৰ্কীয় SEBIৰ নির্দেশাৱলী (SEBI guidelines on issue of bonus shares)

৩.৭ অধিকাৰ সাপেক্ষ অংশৰ অর্থ (Meaning of Right Shares)

৩.৮ অধিকাৰ সাপেক্ষ অংশৰ বিলিকৰণৰ উদ্দেশ্য, সুবিধা আৰু অসুবিধাসমূহ (Objectives, Advantages and Disadvantages of Issue of Right Shares)

৩.৯ অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (Accounting Treatment on Issue of Right Shares)

৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

৩.১১ অধিক জানিবলৈ (Further Reading)

৩.১২ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

৩.১৩ আৰ্হি প্রশ্ন (Model Questions)

৩.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বোনাচ অংশৰ সংজ্ঞা দিব পাৰিব
- বোনাচ অংশ বিলিকৰণৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- বোনাচ অংশ বিলিকৰণৰ সুবিধা আৰু অসুবিধাসমূহ বর্ণনা কৰিব পাৰিব
- বোনাচ অংশ বিলিকৰণৰ চর্তসমূহ আলোচনা কৰিব পাৰিব
- বোনাচ অংশ বিলিকৰণৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী ব্যাখ্যা কৰিব পাৰিব
- অধিকাৰ সাপেক্ষ অংশৰ অর্থ আৰু উদ্দেশ্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- অধিকাৰ সাপেক্ষ অংশৰ সুবিধা আৰু অসুবিধাসমূহৰ বিশদ বিৱৰণ দাঙি ধৰিব পাৰিব

- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ চর্তসমূহ আলোচনা কৰিব পাৰিব
- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলী ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয় (INTRODUCTION)

পূর্বৱর্তী অধ্যায়ত আপুনি অংশ আৰু অংশ বিলিকৰণৰ বিষয়ে জানিব পাৰিছে। এই অংশসমূহ সাধাৰণতে কোম্পানীয়ে জনসাধাৰণক এক নির্দিষ্ট দামত বিলি কৰে। অংশসমূহ আবণ্টন কৰাৰ পিছত যিসকল ব্যক্তিয়ে অংশৰ আবণ্টন পায় তেওঁলোকক অংশধাৰক বোলা হয়। এই অংশধাৰকসকলে কোম্পানীৰ পৰা কিছু বছৰৰ পিছত বোনাচ অংশ আৰু অধিকাৰ সাপেক্ষ কিছুমান অতিৰিক্ত অংশ পাব পাৰে।

এই অধ্যায়টোত আপুনি এই বোনাচ অংশ আৰু অধিকাৰ সাপেক্ষ অংশৰ অর্থ, উদ্দেশ্য, সুবিধা আৰু অসুবিধাসমূহ, বিলিকৰণৰ চর্তসমূহ আৰু এই অংশসমূহ বিলিকৰণত হোৱা হিচাপসম্পর্কীয় ব্যৱস্থাৱলীৰ বিষয়ে জানিব পাৰিব।

৩.৩ বোনাচ অংশৰ অর্থ (MEANING OF BONUS SHARES)

যিবিলাক কোম্পানীয়ে বছৰি বছৰি লাভ অর্জন কৰাত কৃতকার্য হয় সেই কোম্পানীসমূহে অর্জন কৰা গোটেইখিনি লাভ অংশধাৰকসকলৰ মাজত লাভাংশ হিচাপে বিতৰণ কৰি নিদিয়ে। কোম্পানীৰ উন্নতি আৰু প্রতি অংশৰ উপার্জন হিচাপে অংশধাৰকসকলৰ সন্তোষৰ মাজত সমতা আনিবলৈ এই প্রচেষ্টা হাতত লোৱা হয়। প্রতি বছৰে লাভৰ এটা অংশ সঞ্চিত পুঁজি (Reserve) বা সাধাৰণ সঞ্চিত পুঁজিলৈ (General Reserve) স্থানান্তৰ কৰা হয়। এই স্থানান্তৰ আইনগত বাধ্যবাধকতাৰ বাবে বাধ্যতামূলকভাৱে বা ইচ্ছাধীনভাৱে কৰিব পাৰে।

বর্তমান বা ভৱিষ্যতৰ প্রয়োজনতকৈ লাভৰ পৰা স্থানান্তৰ কৰি সঞ্চয় কৰা সঞ্চিত পুঁজিৰ পৰিমাণ অধিক হ'লে, কোম্পানীয়ে পূর্বতে লাভ সঞ্চিত পুঁজিলৈ স্থানান্তৰ কৰোঁতে অংশধাৰকসকলে লাভাংশৰ পৰিমাণ কমাই পোৱা বাবদ হোৱা লোকচানৰ ক্ষতিপূৰণ দিয়াৰ কথা চিন্তা কৰিব পাৰে। অংশধাৰকসকলক ক্ষতিপূৰণ দিয়াৰ পদ্ধতিটো হৈছে সঞ্চিত পুঁজিৰ পৰা বোনাচ আকাৰত লাভ প্রদান কৰা। এই বোনাচ সম্পূর্ণকৈ আদায়ী অংশ হিচাপে পৰিশোধ কৰিব পাৰি। সাধাৰণ শব্দত বোনাচ অংশ হৈছে সঞ্চিত লাভ বা সঞ্চিত পুঁজিৰ পৰা বিলি কৰা অংশ। বোনাচ অংশপত্র লাভাংশৰ পৰিৱর্তে বিলি কৰিব নোৱাৰি।

যদি বোনাচ নগদ টকাৰে আদায় দিয়া হয় তেনেহ'লে কোম্পানীৰ তৰল সম্পত্তিসমূহ হ্রাস পায়। গতিকে বিচক্ষণ তথা দূৰদর্শী কোম্পানীৰ সঞ্চালকমণ্ডলীয়ে সাধাৰণতে অংশ ধাৰকসকললৈ ধন নোলোৱাকৈ এনে বোনাচ মুক্তভাৱে অতিৰিক্ত অংশৰ জৰিয়তে বিলি কৰাটো পচন্দ কৰে। এনেদৰে বিলি কৰা অংশসমূহকে বোনাচ অংশ বোলা হয়। আন কথাত ক'বলৈ গ'লে, বোনাচ অংশ হৈছে সেইবোৰ অংশ যিবোৰ বর্তমানৰ অংশধাৰকসকললৈ লাভৰ পৰিবর্তে বিলি কৰা হয়। বোনাচ অংশ বর্তমানৰ অংশধাৰকসকললৈ কোনো প্রতিদান নোলোৱাকৈ বিলি

কৰা হয়। অংশধাৰকসকলে বোনাচ অংশ তেওঁলোকলৈ বিলি কৰা বাবে কোনো ধন পৰিশোধ কৰিব নালাগে।

বোনাচ অংশ বিলি হৈছে লাভ মূলধনীকৰণ কৰা এক প্ৰক্ৰিয়া। লাভ আৰু সঞ্চিত পুঁজিৰ মূলধনীকৰণ বুলিলে লাভ পুনৰ বিনিয়োগ বা কোম্পানীৰ আভ্যন্তৰীণ ব্যৱহাৰৰ বাবে লাভ ব্যৱহাৰ কৰা বুজায় যাতে লাভ লাভাংশ হিচাপে বিতৰণ কৰা নহয়। অৰ্থাৎ পুঁজিসমূহ কোম্পানীৰ পৰা উলিয়াই দিয়া নহয়। এটা কোম্পানীয়ে লাভ বা সঞ্চিত পুঁজি মূলধনীকৰণ কৰিবলৈ হ'লে ইয়াৰ আভ্যন্তৰীণ নিয়মাৱলীত ব্যৱস্থা থাকিব লাগে। এইটো মনত ৰাখিব লাগে যে কোম্পানীয়ে আংশিকভাৱে আদায়ী বোনাচ অংশ বিলি কৰিব নোৱাৰে। তথাপি আইনী ব্যৱস্থা অনুসৰি কোম্পানীয়ে ঘোষণা কৰা বোনাচ আংশিকভাৱে আদায়ী অংশ সম্পূৰ্ণকৈ আদায়ীকৃত অংশলৈ ৰূপান্তৰ কৰাত ব্যৱহাৰ কৰিব পাৰে।

বোনাচ অংশ বিলিকৰণত সম্পূৰ্ণ কৰিবলগীয়া চৰ্তসমূহ (Conditions to be fulfilled for the Issue of Bonus Shares) [ধাৰা ৬৩ (২)]

বোনাচ অংশ বিলি কৰাৰ আগতে এটা কোম্পানীয়ে নিম্নলিখিত চৰ্তসমূহ সম্পূৰ্ণ কৰিব লাগে—

(i) এনে বোনাচ অংশ বিলিত কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে অনুমতি দিব লাগে।

(ii) বোনাচ অংশৰ বিলিকৰণত সঞ্চালকমণ্ডলীয়ে অনুমোদন জনাব লাগিব আৰু অংশধাৰকসকলৰ সাধাৰণ সভাত গৃহীত হ'ব লাগিব।

(iii) কোম্পানীয়ে বিলি কৰা স্থিৰ জমা বা ঋণ প্ৰতিভূতিসমূহৰ সুত আৰু মূলধনৰ পৰিশোধৰ ক্ষেত্ৰত দায়বদ্ধতা প্ৰদৰ্শনৰ ব্যৰ্থতা হোৱা নাই।

(iv) কৰ্মচাৰীসকলৰ পৰিনিয়ত দেয় যেনে ভৱিষ্যনিধি ভাত্তা (Provident Fund) অৱসৰকালীন ভাত্তা (Gratiuty) আৰু বোনাচৰ পৰিশোধৰ ক্ষেত্ৰত কোম্পানী দায়বদ্ধতা প্ৰদৰ্শনৰ ব্যৰ্থতা হোৱা নাই।

(v) বোনাচ অংশ বিলিকৰণৰ ক্ষেত্ৰত কোম্পানী আইনত থকা ব্যৱস্থাৱলী মানি চলিব লাগিব।

(vi) বোনাচ অংশ বিলিকৰণৰ ক্ষেত্ৰত কোম্পানীয়ে ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ (SEBI) নিৰ্দেশাৱলীসমূহ মানি চলিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ অংশধাৰকসকললৈ বোনাচ নগদ টকাৰ পৰিবৰ্তে অংশ আকাৰত কিয় পৰিশোধ কৰা হয় ? ব্যাখ্যা কৰক।

.....

.....

.....

.....

৩.৪ বোনাচ অংশ বিলিকৰণৰ উদ্দেশ্য, সুবিধা আৰু অসুবিধাসমূহ (OBJECTIVES, ADVANTAGES AND DISADVANTAGES OF ISSUE OF BONUS SHARES)

নিম্নলিখিত সমূহেই হৈছে কোম্পানীয়ে বোনাচ অংশ বিলি কৰাৰ উদ্দেশ্যসমূহ ঃ

- কোম্পানীৰ মূলধনৰ ভিত্তি বৃদ্ধি কৰিবৰ বাবে বোনাচ অংশ বিলি কৰা হয়।
- কোম্পানীৰ অংশ বেছিকৈ কিনা-বেচাৰ প্ৰতি আগ্ৰহী কৰিবৰ বাবে বোনাচ অংশ বিলি কৰা হয়।
- বোনাচ অংশ বিলিকৰণে কোম্পানীৰ নগদ ধন সংৰক্ষণত সহায় কৰে।
- অংশপত্ৰিক মূলধন আৰু স্থায়ী সম্পত্তিৰ মাজত সমতা আনিবৰ বাবে বোনাচ অংশ বিলি কৰা হয়। ই বিত্তীয় সুস্থতাৰ ইংগিত দিয়ে।
- কোম্পানীৰ দ্বাৰা নিয়োজিত প্ৰকৃত মূলধনৰ পৰিমাণ বোনাচ অংশ বিলিকৰণৰ দ্বাৰা প্ৰতিফলিত হয়।

বোনাচ অংশ বিলিকৰণৰ সুবিধাসমূহ (Advantages of Issue of Bonus Shares)

বোনাচ অংশ বিলিকৰণৰ সুবিধাসমূহ তলত আলোচনা কৰা হ'ল—

- যিহেতু বোনাচ অংশ সঞ্চিত উপাৰ্জনৰ পৰা বিলি কৰা হয়, সেয়ে ই কোম্পানীৰ তৰল অৱস্থা কোনো ধৰণেৰে প্ৰভাৱিত নকৰে।
- বোনাচ অংশ বিলিকৰণৰ যোগেদি কৰা পুঁজিৰ মূলধনীকৰণে কোম্পানীৰ মূলধনৰ গাঁঠনি অধিক বাস্তৱিক কৰে।
- বোনাচ অংশ বিলিকৰণৰ বাবে অংশধাৰকে ধাৰণ কৰা অংশৰ সংখ্যা নগদ ধন পৰিশোধ নকৰাকৈয়ে বৃদ্ধি পায়। ইয়াৰ ফলত অংশধাৰকসকলৰ ভৱিষ্যতৰ উপাৰ্জন বৃদ্ধি হয়।
- অংশধাৰকসকলে বোনাচ অংশ বিক্ৰী কৰি সহজে নগদ ধন আদায় কৰিব পাৰি।
- বোনাচ অংশৰ বিলিকৰণে কোম্পানীৰ উন্নতিৰ ইংগিত দিয়ে আৰু সেয়ে বোনাচ অংশৰ বিলিকৰণত অংশধাৰকসকলে সন্তুষ্টি প্ৰকাশ কৰে।
- বোনাচ অংশৰ বিলি অংশধাৰকসকলৰ বাবে লাভাংশ আয় হিচাপে গণ্য কৰা নহয়, যিহেতু ইয়াত কোনো ধৰণৰ নগদ ধন বিতৰণ নহয়। গতিকে, এজন অংশধাৰকে পোৱা বোনাচ অংশৰ মূল্যৰ ওপৰত কোনো আয়কৰ দিব নালাগে।

বোনাচ অংশ বিলিকৰণৰ অসুবিধাসমূহ (Disadvantages of Issue of Bonus Shares)

নিম্নলিখিতসমূহেই হৈছে বোনাচ অংশ বিলিকৰণৰ অসুবিধা—

- বোনাচ অংশৰ বিলিকৰণে অংশ বজাৰত (Share market) সঙ্কটপূৰ্ণ (Speculation) অৱস্থাৰ সৃষ্টি কৰিব পাৰে।
- বোনাচ অংশ বিলিকৰণৰ বাবে প্ৰতি অংশৰ আৰ্জনৰ হাৰ (rate of return) হ্ৰাস পায়;

কিয়নো লাভাংশখিনি বর্দ্ধিত সৰহ সংখ্যক অংশৰ মাজত বিতৰণ কৰিব লাগে। যদিহে ভৱিষ্যতে আয় বৃদ্ধি নাপায় তেনেহলে ই সম্ভাব্য বিনিয়োগকাৰীসকলৰ মনত প্রতিকূল প্রভাৱ পেলাব।

- বোনাচ অংশ বিলিকৰণৰ লগত প্রণালীগত অসুবিধা জড়িত হৈ থাকে। বোনাচ অংশ বিলিকৰণৰ আগতে ভাৰতীয় প্রতিভূতি আৰু বিনিময় বোর্ডৰ (SEBI) আগতীয়া অনুমোদন লোৱাৰ আৱশ্যক হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ তলৰ বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(১) বোনাচ অংশ বিলিকৰণে কোম্পানীৰ তৰল অৱস্থাত প্রতিকূল প্রভাৱ পেলায়।

.....

(২) বোনাচ অংশ কোম্পানীৰ সঞ্চিত লাভৰ পৰা বিলি কৰা হয়।

.....

(৩) বোনাচ অংশ বিলিকৰণে কোম্পানীৰ নগদ ধন সংৰক্ষণত সহায় কৰে।

.....

(৪) বোনাচ অংশ বিলি কৰিবৰ বাবে ভাৰতীয় প্রতিভূতি আৰু বিনিময় বোর্ডৰ (SEBI) অনুমোদন প্রয়োজন নহয়।

.....

(৫) বোনাচ অংশ বিলিকৰণৰ বাবে অংশধাৰকসকলে ধাৰণ কৰা অংশৰ সংখ্যা হ্রাস পায়।

.....



জানি থোৱা ভাল

বোনাচ অংশ বিলিকৰণৰ বাবে তলত উল্লেখ কৰা ধৰণৰ লাভ তথা সঞ্চিত পুঁজি ব্যৱহাৰ কৰিব পাৰি।

(ক) লাভ লোকচান হিচাপৰ ক্রেডিট উদ্বৃত্ত।

(খ) সাধাৰণ সঞ্চিত পুঁজি আৰু অন্যান্য ৰাজস্ব সঞ্চিত পুঁজি।

(গ) মূলধনী লাভ বা পুঁজি, যেনে-কোম্পানী নিবন্ধনৰ আগৰ লাভ, ব্যৱসায় কিনোতে বা অধিগ্রহণ কৰোতে হোৱা লাভ, স্থায়ী সম্পত্তি বিক্রী কৰোতে হোৱা লাভ আৰু আন আদায়ীকৃত মূলধনী লাভ।

(ঘ) প্রতিভূতি অধিহাৰ হিচাপ (Securities Premium Account)

(ঙ) মূলধন পৰিশোধ সঞ্চিত পুঁজি হিচাপ (Capital Redemption Reserve Account)।

এইটো মনত ৰাখিব লাগে যে প্রতিভূতি অধিহাৰ হিচাপ আৰু মূলধন পৰিশোধ সঞ্চিত পুঁজি হিচাপৰ উদ্বৃত্ত সম্পূর্ণকৈ আদায়ী বোনাচ অংশ বিলিকৰণতহে ব্যৱহাৰ কৰিব পাৰি। আন সঞ্চিত পুঁজি বা লাভৰ উদ্বৃত্ত আংশিকভাৱে আদায়ী অংশ সম্পূর্ণকৈ আদায়ীকৃত অংশলৈ ৰূপান্তৰ কৰাত ব্যৱহাৰ কৰিব পাৰি।

৩.৫ বোনাচ অংশ বিলিকৰণৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (ACCOUNTING TREATMENT ON ISSUE OF BONUS SHARES)

বোনাচ অংশ বিলিকৰণৰ লগত জড়িত হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী নিম্নলিখিত শিতানত আলোচনা কৰিব পাৰি।

(ক) যেতিয়া আংশিকভাৱে আদায়ীকৃত অংশ সম্পূর্ণকৈ আদায়ীকৃত কৰিবৰ বাবে বোনাচ ব্যৱহাৰ কৰা হয়।

(খ) যেতিয়া সম্পূর্ণকৈ আদায়ীকৃত অংশ বিলি কৰিবৰ বাবে বোনাচ ব্যৱহাৰ কৰা হয়।

এই শিতানসমূহ তলত বহলাই আলোচনা কৰা হ'ল।

(ক) যেতিয়া আংশিকভাৱে আদায়ীকৃত অংশ সম্পূর্ণকৈ আদায়ীকৃত কৰিবৰ বাবে বোনাচ ব্যৱহাৰ কৰা হয় (When Bonus is utilised in making partly paid up shares fully paid up) ঃ যেতিয়া আংশিকভাৱে আদায়ীকৃত অংশ সম্পূর্ণকৈ আদায়ীকৃত কৰিবৰ বাবে বোনাচ ব্যৱহাৰ কৰা হয় তেতিয়া নিম্নলিখিত হিচাপসম্পৰ্কীয় পদক্ষেপসমূহ জড়িত হয়।

(i) চূড়ান্ত তলব কৰা;

(ii) বোনাচৰ ঘোষণা কৰা; আৰু

(iii) চূড়ান্ত তলবৰ ধন পৰিশোধৰ বিপৰীতে বোনাচ ব্যৱহাৰ।

ওপৰত উল্লেখ কৰা হিচাপসম্পৰ্কীয় পদক্ষেপসমূহ কার্যকৰী কৰিবৰ বাবে নিম্নলিখিত জাবেদা প্রৱিষ্টিসমূহ লিপিবদ্ধ কৰা হয়।

(i) দেয় চূড়ান্ত তলব কৰা (For making the final call due) :

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	.....Share Final Call A/c Dr. To ..... Share Capital A/c		

(ii) বোনাচ ঘোষণাৰ বাবে (For declaration of bonus) :

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Profit & Loss Account Dr. General Reserve Account Dr. Capital Account Dr. To Bonus to Shareholders Account		

(iii) চূড়ান্ত তলবৰ ধন পৰিশোধৰ বিপৰীতে বোনাচ ব্যৱহাৰ (Utilisation of bonus towards the payment of Final Call) :

Date	Particulars	Debit (Rs.)	Credit (Rs.)
	Bonus to Shareholders Account Dr. To ..... Share Final Call Account		



উদাহৰণ ১

শৰ্মা লিমিটেডৰ আদায়ীকৃত মূলধন 14,00,000 টকা; ইয়াক 10 টকীয়া অংশত বিভক্ত কৰা হৈছিল আৰু প্ৰতি অংশৰ বাবদ 7 টকাকৈ আদায়ীকৃত হৈ আছিল। কোম্পানীৰ হিচাপৰ বহীত নিম্নলিখিত উদ্বৃত্তসমূহ আছিল।

(i) প্ৰতিভূতি অধিহাৰ হিচাপত (Securities Premium Account) 8,00,000 টকা।

(ii) বাৰ্ষিক লাভাংশ ঘোষণা কৰাৰ পিছত লাভ-লোকচান হিচাপত (Profit & Loss Account) 4,80,000 টকা।

(iii) সাধাৰণ সঞ্চিত পুঁজি (General Reserve) 3,60,000 টকা।

কোম্পানীৰ সাধাৰণ সভাত সিদ্ধান্ত লোৱা হ'ল যে ওপৰত উল্লেখ কৰা উদ্বৃত্তসমূহৰ পৰা অংশসমূহ সম্পূৰ্ণকৈ আদায়ীকৃত কৰিবৰ বাবে প্ৰতি অংশত 3 টকাকৈ বোনাচ পৰিশোধ কৰি প্ৰয়োজনীয় পৰিমাণ মূলধনীকৃত কৰিব লাগে।

কোম্পানীৰ হিচাপৰ বহীত উক্ত লেনদেনসমূহ কাৰ্যকৰী কৰিবৰ বাবে প্ৰয়োজনীয় জাবেদা প্ৰৰিষ্টিসমূহ লিপিবদ্ধ কৰক।

সমাধান ঃ

ঘোষণা কৰিবলগীয়া বোনাচৰ পৰিমাণ গণনা (Calculation of amount of bonus to be declared) :

আদায়ীকৃত অংশপত্ৰিক মূলধন (Paid up share capital) 14,00,000 টকা

প্ৰতি অংশৰ আদায়ীকৃত মূল্য (Paid up value per share) 7 টকা

∴ বিলি কৰা অংশৰ সংখ্যা (No. of shares issued) = 14,00,000 টকা ÷ 7 টকা= 2,00,000

প্ৰতি অংশৰ অতলবী পৰিমাণ (Unpaid amount per share) = 10 টকা –7 টকা= 3 টকা। চূড়ান্ত তলবৰ পৰিমাণ (Amount of share final call) = 2,00,000 x 3 টকা = 6,00,000 টকা।

∴ ঘোষণা কৰিবলগীয়া বোনাচৰ পৰিমাণ (Amount of bonus to be declared) যিখিনি চূড়ান্ত তলবৰ ধনৰ পৰিমাণৰ সমান = 6,00,000 টকা।

1956 চনৰ কোম্পানী আইনৰ 78 (2) ধাৰা অনুসৰি প্ৰতিভূতি অধিহাৰ হিচাপৰ (Securities Premium A/c) উদ্বৃত্ত আংশিকভাৱে আদায় কৰা অংশ সম্পূৰ্ণকৈ আদায়ীকৃত অংশলৈ ৰূপান্তৰ কৰা ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰি। গতিকে, প্ৰয়োজনীয় বোনাচৰ পৰিমাণ 6,00,000 টকা লাভ-লোকচান হিচাপ আৰু সাধাৰণ সঞ্চিত পুঁজিৰ উদ্বৃত্তৰ পৰা অংশ চূড়ান্ত তলবৰ ধনৰ সংযোজনৰ বাবে ব্যৱহাৰ কৰা হয়। লাভ-লোকচান হিচাপত থকা উদ্বৃত্ত সম্পূৰ্ণকৈ ব্যৱহাৰ কৰাৰ পিছত বাকীখিনি ধন সাধাৰণ সঞ্চিত পুঁজিৰ পৰা ব্যৱহাৰ কৰা হৈছে।

In the books of Sharma Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Equity Share Final Call A/c Dr.		6,00,000	
	To Equity Share Capital A/c			6,00,000
	(Being the final call money made due on 2,00,000 shares of Rs, 10 each @ Rs. 3 per share as per Board's Resolution No..... dated.....)			
	Profit & Loss A/c Dr.		4,80,000	
	General Reserve A/c Dr.		1,20,000	
	To Bonus to Shareholders A/c			6,00,000
	(Being the amount of bonus declared			

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	as per General meeting's Resolution No. ..... dated.....)			
	Bonus to Shareholders A/c Dr.		6,00,000	
	To Equity Share Final Call A/c			6,00,000

	(Being the amount of bonus utilised towards the payment of final call money to make the partly paid-up shares fully paid-up as per Board's Resolution No. ..... dated .....)			

(খ) যেতিয়া সম্পূৰ্ণকৈ আদায়ীকৃত অংশ বিলি কৰিবৰ বাবে বোনাচ ব্যৱহাৰ কৰা হয় (Where Bonus is utilised in issuing fully paid up shares) ঃ এই ক্ষেত্ৰত বোনাচ অংশ (ক) সমমূল্যত (at par), বা (খ) অধিহাৰত (at premium) বিলি কৰিব পাৰি। গতিকে, অংশ বিলিকৰণৰ বাবে বোনাচ ব্যৱহাৰ কৰা জাবেদা প্ৰৱিষ্টিসমূহ নিম্নলিখিত ধৰণৰ হয়।

ওপৰত উল্লেখ কৰা হিচাপসম্পৰ্কীয় পদক্ষেপসমূহ সম্পন্ন কৰিবৰ বাবে নিম্নলিখিত জাবেদা প্ৰৱিষ্টিসমূহ লিপিবদ্ধ কৰা হয়।

(i) বোনাচ ঘোষণা কৰোঁতে (For declaration of bonus)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Capital Redemption Reserve Account or Dr.			
	Securities Premium Account or Dr.			
	Capital Reserve Account or Dr.			
	Any other Reserve Account or Dr.			
	Profit & Loss Account or Dr.			
	General Reserve Account or Dr.			
	To Bonus to Shareholders Account			

(ii) সম্পূৰ্ণকৈ আদায়ীকৃত বোনাচ অংশ বিলি কৰোঁতে ব্যৱহাৰ কৰা বোনাচৰ বাবে (For utilisation of bonus towards issue of fully paid up bonus shares) ঃ

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bonus to Shareholders A/c Dr.			
	To ..... Share Capital Account			



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ সাধাৰণ সঞ্চিত পুঁজিৰ পৰা 50,000 টকাৰ বোনাচ অংশ বিলি কৰা এটা জাবেদা প্ৰৱিষ্টি দিয়ক।

.....

.....

.....



উদাহৰণ ২

10 টকীয়া অংশৰ 10,00,000 টকা আদায়ীকৃত মূলধন থকা য়ামাহা কোম্পানী লিমিটেডৰ লাভৰ পৰা গঠন কৰা সঞ্চিত পুঁজিত 1,60,000 টকাৰ উদ্বৃত্ত আছিল। সঞ্চিত পুঁজিৰ পৰা 1,00,000 টকা, 10 টকীয়া 10,000 সম্পূৰ্ণকৈ আদায়ীকৃত বোনাচ অংশ বিলি কৰি মূলধনীকৃত কৰিবৰ বাবে কোম্পানীয়ে প্ৰস্তাৱ ল'লে। এজন অংশধাৰকে কোম্পানীত কিনা 10 টা অংশৰ বাবে এটা বোনাচ অংশ পাব। উক্ত বোনাচ অংশ বিলিকৰণত লিপিবদ্ধ কৰিবলগীয়া জাবেদা প্ৰৰিষ্টিসমূহ দিয়ক।

সমাধান ঃ

গণনা (working) :

বৰ্তমানৰ অংশৰ সংখ্যা (No. of existing shares) = 10,00,000 টকা ÷10 টকা = 1,00,000

বোনাচ অংশ বিতৰণৰ অনুপাত (Ratio of Bonus Issue) ঃ

প্ৰতি 10 টা অংশত 1টা বোনাচ অংশ।

∴ 1,00,000 অংশৰ বাবে বোনাচ অংশৰ সংখ্যা হ'ব 1/10 x 1,00,000 = 10,000

In the books of Yamaha Company Limited

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Reserve Account Dr. To Bonus to Shareholders A/c (Being the amount of bonus declared out of Reserve as per Shareholder's Meeting Resolution No..... dated.....)		1,00,000	1,00,000
	Bonus to Shareholders Account Dr. To Equity Share Capital Account (Being the issue of 10,000 fully paid Bonus Shares of Rs. 10 each towards the utilisation of bonus, at the rate of one Bonus share for every ten shares held in the company as per Board's Resolution No..... dated.....)		1,00,000	1,00,000

(খ) যেতিয়া বোনাচ অংশ অধিহাৰত বিলি কৰা হয় (Where the Bonus Shares are issued at a premium) ঃ এই ক্ষেত্ৰত নিম্নলিখিত জাবেদা প্ৰৰিষ্টিসমূহ হিচাপৰ বহীত প্ৰৰিষ্ট কৰা হয়।

(i) বোনাচ ঘোষণা কৰোঁতে (On declaration of Bonus)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Capital Redemption Reserve Account or Dr.			
	Securities Premium Account or Dr.			
	Capital Reserve Account or Dr.			
	Any other Reserve Account or Dr.			
	Profit & Loss Account or Dr.			
	General Reserve Account or Dr.			
	To Bonus to Shareholders Account			

(ii) সম্পূৰ্ণকৈ আদায়ীকৃত বোনাচ অংশ বিলি কৰোঁতে ব্যৱহাৰ কৰা বোনাচৰ বাবে (For utilisation of bonus towards issue of fully paid up bonus shares) ঃ

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bonus to Shareholders Account		Dr.	
	To ..... Share Capital Account			
	To Securities Premium Account			



উদাহৰণ ৩

ডানকান কোম্পানী লিমিটেডৰ 10 টকীয়া সমাংশ অংশৰ 5,00,000 টকাৰ আদায়ীকৃত মূলধন আছিল। কোম্পানীৰ সাধাৰণ সঞ্চিত পুঁজিত সঞ্চিত হৈ থকা 3,50,000 টকাৰ পৰা 1,00,000 টকাৰ 20 টকাকৈ (ইয়াৰে 10 টকা অধিহাৰ) 5,000 বোনাচ অংশ বিতৰণ কৰিলে।

বোনাচ অংশ বিলি কাৰ্যকৰী কৰা দেখুৱাই জাবেদা প্ৰৰিষ্টি দিয়ক।

সমাধান ঃ

In the books of Duncan Co. Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	General Reserve A/c Dr.		1,00,000	
	To Bonus to Shareholders A/c			1,00,000
	(Being the amount of bonus			

	declared out of General Reserve as per Shareholders' Meeting Resolution No..... dated.....)			
	Bonus to Shareholders A/c Dr.		1,00,000	
	To Equity Share Capital A/c			50,000
	To Securities Premium A/c			50,000
	(Being the utilisation of bonus towards issue of 5,000 bonus shares of Rs. 10 each at a premium @ Rs. 10 per share to be distributed among the members in the ratio of 1:10 i.e. one bonus share for every 10 shares held in the company as per Board's Resolution No. ..... dated.....)			

৩.৬ বোনাচ অংশ বিলিকৰণ সম্পৰ্কীয় SEBIৰ নিৰ্দেশাৱলী (SEBI GUIDELINES ON ISSUE OF BONUS SHARES)

যিসমূহ তালিকাভূক্ তথা পঞ্জীকৃত কোম্পানীসমূহে তেওঁলোকৰ ব'নাচ শ্বেয়াৰসমূহ জাৰি কৰিব বিচাৰে তেওঁলোকে SEBI (Issue of Capital & Disclosure requirements), নিয়ন্ত্রণ আইন 2009ৰ অধীনৰ তলত দিয়া চর্তাৱলীসমূহ মানি চলিব লাগে —

১। কোম্পানীসমূহৰ সমিতি নিবন্ধ তথা সংঘ বিধিসমূহত মূলধনৰ এক নির্দিষ্ট পৰিমাণ সংৰক্ষণ তথা জমা ৰখাৰ ব্যৱস্থা থাকিব লাগে।

যদি তেনেধৰণৰ কোনো ব্যৱস্থা সংঘবিধিসমূহত উপস্থিত নাথাকে তেন্তে কোম্পানীসমূহে তেওঁলোকৰ সাধাৰণ সভাসমূহত এনে এক প্রস্তাৱ জাৰি কৰি সংঘবিধিসমূহত মূলধনীকৰণৰ ব্যৱস্থা কৰিব লাগে।

২। কোম্পানীসমূহে তেওঁলোকৰ ওচৰত ৰখা নির্দিষ্ট জমা (Fixed Deposit) তথা ঋণপত্রসমূহৰ ওপৰত দিবলগীয়া মূলৰাশি (Principal) তথা সূত প্রদানৰ ক্ষেত্রত কোনো অনিয়মীয়তা ৰাখিব নালাগে।

৩। কোম্পানীসমূহে তেওঁলোকৰ কর্মচাৰীসকলৰ যি বিধিবদ্ধ প্রাপ্য যেনে ঃ পাৰিতোষিক, প্রভিডেন্ট ফাণ্ড ইত্যাদি প্রদানৰ ক্ষেত্রত কোনো অনিয়মীয়তা ৰাখিব নোৱাৰিব।

৪। যদি কোনো আংশিকভাৱে প্রদান কৰা শ্বেয়াৰ তাৰ আবন্টনৰ দিনত অপৰিশোধিত থাকে তেন্তে তেনে শ্বেয়াৰসমূহ সম্পূর্ণৰূপে পৰিশোধিত কৰাৰ ব্যৱস্থা কৰিব লাগে।

৫। (ক) কোনো কোম্পানীয়ে FCD তথা PCD সমূহৰ ৰূপান্তৰকৰণ স্থগিত ৰাখি বোনাচ অংশ বিলি কৰিব নোৱাৰে যেতিয়ালৈকে সমপৰিমাণৰ সুবিধা তথা লাভ তেওঁলোকে FCD ৰ স্বত্বাধিকাৰীসকলক আগবঢ়াব নোৱাৰে যদিও কোম্পানীসমূহে তেনে ৰূপান্তৰিত FCD তথা PCD সমূহৰ এক নির্দিষ্ট অনুপাতে শ্বেয়াৰৰ এক অংশ নিজৰ লগত জমা ৰাখে।

(খ) কিছুমান নির্দিষ্ট চর্ত যিবোৰ ব'নাচ জাৰি কৰাৰ সময়ত প্রযোজ্য কৰা হৈছিল তাৰ ওপৰত ভিত্তি কৰি কোম্পানীসমূহে জমা ৰখা শ্বোয়ৰসমূহ ঋণপত্রসমূহৰ ৰূপান্তৰকৰণৰ সময়ত জাৰি কৰে।

৬। কোম্পানীসমূহে প্রকৃত লাভ তথা নিৰাপত্তা প্রিমিয়ামৰ জৰিয়তে লাভ কৰা নগদ ধনৰ ওপৰত ভিত্তি কৰি যি পৰিমাণৰ সংৰক্ষিত জমা থাকে তাৰ দ্বাৰাই ব'নাচ জাৰি কৰা হয়।

৭। নির্দিষ্ট তথা স্থায়ী সম্পদসমূহৰ পুর্নমূল্যায়ণৰ জৰিয়তে লাভ কৰা জমা ধনৰ মূলধনীকৰণ কৰা নহয়।

৮। লাভাংশৰ পৰিৱর্তে ব'নাচ জাৰিকৰণৰ ঘোষণা কৰা নহ'ব।

৯। যিবোৰ কোম্পানীয়ে পৰিচালনা সমিতিৰ সন্মতি সাপেক্ষে তেওঁলোকৰ ব'নাচ জাৰি কৰে তেওঁলোকে সন্মতি প্রদানৰ ১৫ দিনৰ ভিতৰত তেওঁলোকৰ প্রস্তাৱনা বাস্তৱত ৰূপায়ণ কৰিব লাগে।

১০। এবাৰ ব'নাচ জাৰি কৰাৰ সিদ্ধান্ত গ্রহণৰ পিচত, সেই সিদ্ধান্ত সলনি কৰিব পৰা নাযাব।

৩.৭ অধিকাৰ সাপেক্ষ অংশৰ অর্থ (MEANING OF RIGHT SHARES)

অধিকাৰ সাপেক্ষ অংশ বুলিলে সেইবোৰ অংশক বুজায় যিবোৰ বর্তমানৰ সমাংশ অংশধাৰকলৈ তেওঁলোকৰ অংশ অধিকাৰৰ ভিত্তিত বিলি কৰা হয়। অধিকাৰ সাপেক্ষ অংশ বিলিকৰণ হৈছে কোম্পানীয়ে বর্তমানৰ সমাংশ অংশধাৰকসকললৈ কোম্পানীৰ অংশ ধাৰণ কৰা অনুপাতত অতিৰিক্ত অংশ বিলি কৰা। 2013 চনৰ কোম্পানী আইনৰ 62 ধাৰাত অংশৰ অতিৰিক্ত ক্ষেত্রত এইটো কোম্পানীসমূহক বাধ্যতামূলক কৰিছে যে কোম্পানীসমূহে নতুন অংশ বিলি কৰিলে প্রথমতে অংশ বর্তমানৰ অংশধাৰকসকললৈ আগবঢ়াব লাগে। তদুপৰি মুঠ অংশৰ সংখ্যা কোম্পানীৰ অনুমোদিত অংশপত্রিক মূলধনতকৈ বেছি হ'ব নোৱাৰিব।

বর্তমানৰ সমাংশপত্রধাৰকসকলে উক্ত অংশসমূহ কিনিব পাৰে বা তেওঁলোকৰ স্বত্ব বিক্রী কৰিব পাৰে বা অংশ কিনাৰ প্রস্তাৱ নাকচ কৰিব পাৰে। অংশধাৰকে অধিকাৰ সাপেক্ষ অংশ কিনাৰ প্রস্তাৱ নাকচ কৰিলে কোম্পানীয়ে উক্ত অংশসমূহ জনসাধাৰণলৈ আগবঢ়াব পাৰে।

৩.৮ অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ উদ্দেশ্য, সুবিধা আৰু অসুবিধাসমূহ (OBJECTIVES, ADVANTAGES AND DISADVANTAGES OF ISSUE OF RIGHT SHARES)

অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ মুখ্য উদ্দেশ্যসমূহ হ'ল—

- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ উদ্দেশ্য হৈছে কোম্পানীৰ প্ৰতিশ্ৰুত মূলধনৰ (subscribed capital) পৰিমাণ বৃদ্ধি কৰা।
- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ আন এটা উদ্দেশ্য হৈছে বিদ্যমান কোম্পানী এটাই অংশ বিলিকৰণৰ ক্ষেত্ৰত 2013 চনৰ কোম্পানী আইনৰ বিধিবদ্ধ ব্যৱস্থাৱলীসমূহ অনুসৰণ কৰা।
- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ জনপ্ৰিয় উদ্দেশ্য হৈছে বৰ্তমানৰ অংশধাৰকসকললৈ বজাৰ দৰতকৈ কম দামত অংশ প্ৰদান কৰা।

অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ সুবিধাসমূহ (Advantages of Issue of Right Shares) ঃ অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ সুবিধাসমূহ হ'ল—

- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ এটা সুবিধা হৈছে ইয়াৰ জৰিয়তে কোম্পানীৰ প্ৰতিশ্ৰুত মূলধনৰ পৰিমাণ বৃদ্ধি কৰা।
- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ আন এটা সুবিধা হৈছে কোম্পানীৰ পৰা আশা কৰা সুবিধাসমূহৰ ক্ষেত্ৰত বৰ্তমানৰ অংশধাৰকসকলৰ অসন্তুষ্টি আঁতৰ হয়।

অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ অসুবিধাসমূহ (Disadvantages of Issue of Right Shares) ঃ অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ অসুবিধাসমূহ হ'ল—

- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণে অংশ বজাৰত (Share Market) ফট্‌কাবাজীৰ (Speculation) প্ৰতি উৎসাহ যোগায়।
- ভৱিষ্যতে লাভৰ পৰিমাণ বৃদ্ধি নহ'লে প্ৰতি অংশৰ অৰ্জনৰ হাৰ (rate of return) হ্ৰাস পায়, কিয়নো বৰ্ধিত সংখ্যক অংশৰ ওপৰত লাভাংশ বিতৰণ কৰিব লাগে। ইয়ে সম্ভাব্য বিনিয়োগকাৰীসকলৰ মনত প্ৰতিকূল প্ৰভাৱ পেলায়।
- যিহেতু অধিকাৰ সাপেক্ষ অংশসমূহ বৰ্তমানৰ অংশধাৰকসকললৈ বজাৰ দৰতকৈ কম দৰত আগবঢ়োৱা হয়, সেয়ে এই ক্ষেত্ৰত এনে অংশ বিলিকৰণৰ জৰিয়তে কোম্পানীয়ে কম ধন পায়।

৩.৯ অধিকাৰ সাপক্ষে অংশ বিলিকৰণৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (ACCOUNTING TREATMENT ON ISSUE OF RIGHT SHARES)

অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী প্ৰথম অধ্যায়ত

আলোচনা কৰা অংশ বিলিকৰণৰ সৈতে একে। এইক্ষেত্ৰত অধিকাৰৰ মূল্যায়ন কৰোঁতে সমস্যাৰ উদ্ভৱ হয়।

অধিকাৰৰ মূল্য (value of right) বুলিলে বৰ্তমানৰ এজন অংশধাৰকে কোম্পানীয়ে অতিৰিক্তভাৱে বিলি কৰা অংশ কিনিবলৈ পোৱা স্বত্ব তথা অধিকাৰৰ মূল্য। ই হৈছে উক্ত অংশ ধাৰকসকলে তেনে স্বত্ব কাৰ্যকৰী কৰোঁতে পাব পৰা সুবিধাৰ মূল্য। মুদ্ৰামূল্যত যেতিয়া প্ৰকাশ কৰা হয় তেতিয়া স্বত্ব মূল্য হৈছে অংশৰ বজাৰ দৰ আৰু গড় দৰৰ পাৰ্থক্য।

স্বত্বৰ মূল্যায়নৰ বাবে নিম্নলিখিত বিষয়সমূহ বিবেচনাত ল'ব লাগে-

(i) প্ৰতি অংশৰ বজাৰ দৰ (Market price per share)।

(ii) প্ৰতিটো অধিকাৰ সাপেক্ষ অংশৰ মূল্য (Price of each Right share)।

(iii) এটা অধিকাৰ সাপেক্ষ অংশ পাবৰ বাবে বৰ্তমান কিমানটা অংশ ধাৰণ কৰিব লাগে বা বৰ্তমানৰ (existing) অংশ আৰু অধিকাৰ সাপেক্ষ অংশৰ সমানুপাত বা নিৰ্দিষ্ট সংখ্যক অধিকাৰ সাপেক্ষ অংশ পাবৰ বাবে বৰ্তমান হাতত থকা যোগ্যতাসম্পন্ন (qualifying) অংশৰ সংখ্যা।

তলত দিয়া উদাহৰণৰ সহায়ত বিষয়টো বুজিবলৈ সহজ হয়।

উদাহৰণ ৪

অবন্তী লিমিটেডৰ বিলিকৃত আৰু প্ৰতিশ্ৰুতি অংশপত্ৰিক মূলধন 10 টকীয়া 18,000 অংশত বিভক্ত, 1,80,000 টকা। কোম্পানীয়ে প্ৰতি অংশত 15 টকা দৰত বৰ্তমান অংশধাৰকসকললৈ ধাৰণ কৰা 9টা অংশৰ বাবে 2টা অংশ অনুপাতত অধিকাৰ সাপেক্ষ অংশ বিলি কৰিলে। প্ৰতিটো অংশৰ বজাৰ দৰ হৈছে 35 টকা। প্ৰতিটো স্বত্বৰ মূল্য গণনা কৰক।

সমাধান ঃ

প্ৰতিটো স্বত্বৰ মূল্য গণনা ঃ

প্ৰতিটো স্বত্বৰ মূল্য = (এটা অংশৰ বজাৰ দৰ — মুঠ অংশৰ গড় দৰ)

প্ৰতি অংশত 35 টকাকৈ 9টা অংশৰ বজাৰ দৰ = 315.00 টকা

প্ৰতি অংশত 15 টকাকৈ 2টা অধিকাৰ সাপেক্ষ

অংশৰ বিলিকৰণ মূল্য = 30.00 টকা

মুঠ 345.00 টকা

(9+2) = 11টা অংশৰ গড় দৰ = 345.00 টকা ÷ 11 = 31.36 মুঠ টকা

গতিকে, প্ৰতিটো স্বত্বৰ মূল্য হ'ব = 35.00 টকা — 31.36 টকা = 3.64 টকা।



৩.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো—

- পুঞ্জিকৃত লাভৰ পৰা বর্তমানৰ অংশধাৰকসকললৈ বোনাচ অংশ বিলি কৰা হয়।
- বিভিন্ন উদ্দেশ্যসমূহ, যেনে— কোম্পানীৰ মূলধনৰ ভিত্তি সম্প্রসাৰণ কৰিবলৈ, নগদ ধন সংৰক্ষণ কৰা আদিৰ বাবে বোনাচ অংশ কোম্পানীয়ে বিলি কৰে।
- বোনাচ অংশ বিলিকৰণ কোম্পানী আৰু অংশধাৰকসকলৰ বাবে সুবিধাজনক।
- বোনাচ অংশ বিলিকৰণে অংশ বজাৰত ফট্‌কাবাজীত ইন্ধন যোগায়।
- বোনাচ অংশ বিলিকৰণত হিচাপসম্পর্কীয় ব্যৱস্থাৱলী।
- কোম্পানীয়ে বর্তমানৰ অংশধাৰকসকললৈ ইতিমধ্যে ধাৰণ কৰা অংশৰ অনুপাতত অধিকাৰ সাপেক্ষ অংশ বিলি কৰে।
- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণে প্রতিশ্রুত মূলধনৰ পৰিমাণ বৃদ্ধি কৰে।
- অধিকাৰ সাপেক্ষ অংশ বজাৰ দৰতকৈ কম দৰত বিলি কৰা হয়।
- অধিকাৰ সাপেক্ষ অংশ বিলিকৰণৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলী।



৩.১১ অধিক জানিবলৈ (FURTHER READING)

১) বৈদ্য চেনীৰাম (২০০৮)। উচ্চতৰ মাধ্যমিক হিচাপ বিদ্যা (২য় খণ্ড)। গুৱাহাটী, ওৰিয়েণ্টেল বুক কোম্পানী (প্রা) লিমিটেড।

1) Ahmed N. (2007). Corporate Accounting: For B. Com (Hons.) and other professional courses. New Delhi, Atlantic Publishers and Distributors (P) Ltd.

2) Mukherjee A. & Hanif M. (2006).Corporate accounting. New Delhi, Tata McGraw - Hill Publishing Company Ltd.



৩.১২ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ যদি বোনাচ নগদ টকাৰে পৰিশোধ কৰা হয়, তেনেহ'লে কোম্পানীৰ তৰল সম্পদৰ পৰিমাণ হ্রাস হয়। গতিকে দূৰদর্শী কোম্পানীসমূহৰ সঞ্চালকমণ্ডলীয়ে অংশ ধাৰকসকললৈ বোনাচ আগবঢ়োৱাৰ ক্ষেত্রত নগদ টকাৰ বিপৰীতে বিনামূলীয়াকৈ অতিৰিক্ত অংশ বিলি কৰাত অগ্রাধিকাৰ দিয়ে।

২ নং প্ৰশ্নৰ উত্তৰঃ (১) অশুদ্ধ (২) শুদ্ধ (৩) শুদ্ধ (৪) অশুদ্ধ (৫) অশুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰঃ

General Reserve A/c	Dr.	50,000	
To Share Capital A/c			50,000



৩.১৩ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) প্ৰতিভূতি অধিহাৰ হিচাপ ..... বিলিকৰণত ব্যৱহাৰ কৰিব নোৱাৰি।

(খ) ..... পৰা বোনাচ বিলি কৰিব পাৰি।

(গ) এটা কোম্পানীয়ে ..... আদায়ীকৃত বোনাচ অংশ বিলি কৰিব পাৰে।

প্ৰশ্ন ২ঃ নিম্নলিখিত বিবৃতিসমূহ শুদ্ধ নে ভুল উল্লেখ কৰক ঃ

(ক) সাধাৰণ সঞ্চিত পুঁজিৰ পৰা বোনাচ ঘোষণা কৰিবলৈ অংশধাৰকসকলৰ সভাৰ প্ৰস্তাৱ প্ৰয়োজন হয়।

(খ) আংশিকভাৱে আদায়ী বোনাচ অংশ বিলিকৰণৰ বাবে মূলধন পৰিশোধ্য সঞ্চিত পুঁজি (CRR) হিচাপ ব্যৱহাৰ কৰিব নোৱাৰি।

(গ) 2013 চনৰ কোম্পানী আইনে বোনাচ অংশ বিলিকৰণ নিষিদ্ধ কৰিছে।

প্ৰশ্ন ৩ঃ বোনাচ অংশৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ কোনবোৰ বিভিন্ন উৎসৰ পৰা বোনাচ অংশ বিলি কৰিব পাৰি?

প্ৰশ্ন ৫ঃ লাভ মূলধনীকৰণ বুলিলে কি বুজে?

প্ৰশ্ন ৬ঃ সম্পূৰ্ণকৈ আদায়ী বোনাচ অংশ বিলি কৰিব পৰা উৎসসমূহৰ নাম লিখক।

প্ৰশ্ন ৭ঃ অধিকাৰ সাপেক্ষ অংশ বুলিলে কি বুজে? এইবোৰ কিয় বিলি কৰা হয়?

প্ৰশ্ন ৮ঃ অধিকাৰ সাপেক্ষ অংশ বিলি কৰাৰ আইনগত চৰ্তসমূহ আলোচনা কৰক।

প্ৰশ্ন ৯ঃ বৰা লিমিটেডৰ প্ৰতিশ্ৰুত মূলধন 2,40,000 টকা; ই প্ৰতি অংশত 8 টকাকৈ তলব কৰা 10 টকীয়া সমাংশ অংশ। সঞ্চিত পুঁজিৰ পৰা প্ৰতি অংশত 2 টকাকৈ বোনাচ ঘোষণা কৰা হ'ল আৰু এই বোনাচ বৰ্তমানৰ অংশ সম্পূৰ্ণকৈ আদায়ীকৃত কৰাৰ বাবে ব্যৱহাৰ কৰিব লাগে।

বোনাচ বিলিকৰণ লিপিবদ্ধ কৰিবৰ বাবে জাবেদা প্ৰৱিষ্টি দিয়ক।

প্ৰশ্ন ১০ঃ ক'ল এণ্ড ক'ল লিমিটেডৰ 6,00,000 টকাৰ আদায়ীকৃত মূলধন আছে। এই মূলধন 6 টকাকৈ আদায়ী 10 টকীয়া সমাংশ অংশত বিভক্ত।

কোম্পানীৰ হিচাপৰ বহীত নিম্নলিখিত উদ্বৃত্তসমূহ আছিল ঃ

(ক) প্ৰতিভূতি অধিহাৰ হিচাপত 3,00,000 টকা।

(খ) বার্ষিক লাভাংশ ঘোষণা কৰাৰ পিছত লাভ-লোকচান হিচাপত 2,80,000 টকা।

(গ) সাধাৰণ সঞ্চিত পুঁজিত 1,90,000 টকা।

কোম্পানীৰ সাধাৰণ সভাত ওপৰত উল্লেখ কৰা উদ্বৃত্তসমূহৰ পৰা প্রতি অংশত 4 টকাকৈ বোনাচ বিতৰণ কৰি অংশসমূহ সম্পূর্ণকৈ আদায়ী কৰিবৰ বাবে সিদ্ধান্ত ল'লে।

ওপৰৰ লেনদেনসমূহ কার্যকৰী কৰিবৰ বাবে কোম্পানীৰ হিচাপৰ বহীত প্রয়োজন হোৱা জাবেদা প্রৱিষ্টিসমূহ লিপিবদ্ধ কৰক।

প্রশ্ন ১১ঃ X লিমিটেডৰ 2018 চনৰ 31 ডিচেম্বৰত প্রস্তুত কৰা খচৰা (draft) উদ্বৃত্ত পত্রৰ পৰা নিম্নলিখিত তথ্যসমূহ অনা হৈছে ঃ

অনুমোদিত মূলধন ঃ

1 টকীয়া 1,00,000 সমাংশ অংশ	1,00,000 টকা
বিলিকৃত আৰু প্রতিশ্রুত মূলধন	
1 টকীয়া 50,000 সমাংশ অংশ সম্পূর্ণকৈ আদায়ী	50,000 টকা
সঞ্চিত পুঁজি	30,000 টকা
লাভ-লোকচান হিচাপ	15,000 টকা

সমাংশ অংশৰ ওপৰত 20% বোনাচ ঘোষণা কৰি এটা প্রস্তাৱ গ্রহণ কৰা হ'ল। এই বোনাচ 6,000 টকা সঞ্চিত পুজিৰ পৰা আৰু বাকীখিনি লাভ-লোকচান হিচাপৰ উদ্বৃত্তৰ পৰা ব্যৱহাৰ কৰিব লাগে। বোনাচ নিম্নলিখিত ধৰণেৰে বিতৰণ কৰিব লাগে।

ধাৰণ কৰা প্রতি 5 টা সমাংশ অংশৰ বাবে এটাকৈ সম্পূর্ণকৈ আদায়ী সমাংশ অংশ। উক্ত লেনদেন কার্যকৰী কৰিবৰ বাবে প্রয়োজন হোৱা জাবেদা প্রৱিষ্টিকেইটা দিয়ক।

*** ***** ***

অধ্যায় ৪ ঃ অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধ (REDEMPTION OF PREFERENCE SHARE)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

৪.১ উদ্দেশ্য (Learning Objectives)

৪.২ পৰিচয় (Introduction)

৪.৩ অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ অর্থ (Meaning of Redemption of Preference Shares)

৪.৪ অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে বিধি সম্বন্ধীয় চর্তাৱলী (Legal Conditions for Redemption of Preference shares)

৪.৫ অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ পদ্ধতিসমূহ (Methods of Redemption of Preference Shares)

৪.৬ অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী (Accounting Treatment for Redemption of Preference Shares)

৪.৭ মূলধন পৰিশোধ পুঁজি (Capital Redemption Reserve)

৪.৮ ব্যৱহাৰিক প্রশ্ন (Practical Problems)

৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

৪.১০ অধিক জানিবলৈ (Further Reading)

৪.১১ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

৪.১২ আর্হি প্রশ্ন (Model Questions)

৪.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ অর্থ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে বিধি সম্বন্ধীয় অৱস্থাৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব
- অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ পদ্ধতিসমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- মূলধন পৰিশোধ পুঁজি ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে হিচাপ সম্পর্কীয় ব্যৱস্থাৱলীৰ বিষয়ে উদাহৰণসহ ব্যাখ্যা দাঙি ধৰিবলৈ সক্ষম হ'ব।

৪.২ পৰিচয় (INTRODUCTION)

আমি ইয়াৰ পূৰ্বে আলোচনা কৰিছো যে, অগ্রাধিকাৰযুক্ত অংশপত্র হ'ল সেইবোৰ অংশপত্র যিহে লাভাংশ বা মূলধনৰ পৰিশোধৰ সম্পৰ্কে অগ্রগন্য অধিকাৰ উপভোগ কৰে। অন্য ভাষাত ক'বলৈ গ'লে কোম্পানীৰ অৱসায়ন বা সামৰণি কার্যৰ সময়ত কোম্পানীৰ পৰা পাবলগীয়া লাভাংশৰ লগতে মূলধনৰ পৰিশোধৰ ক্ষেত্রত সাৰাংশ অংশীদাৰসকলৰ পৰা অগ্রাধিকাৰযুক্ত অংশীদাৰসকলক পৰা অগ্রাধিকাৰ দিয়া যায়। এতিয়া অগ্রাধিকাৰযুক্ত অংশপত্রৰ পৰিশোধৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে কোম্পানীয়ে বিলি কৰা বিভিন্ন অগ্রাধিকাৰযুক্ত অংশপত্রবোৰৰ প্রকাৰৰ ওপৰত লক্ষ্য কৰা প্রাসংগিক হ'ব। বিভিন্ন প্রকাৰৰ অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ হ'ল—

(ক) **পুঞ্জীভূত অগ্রাধিকাৰযুক্ত অংশপত্র (Cumulative Preference Shares) ঃ** এই ধৰণৰ অগ্রাধিকাৰযুক্ত অংশপত্র দিবলগীয়া লভ্যাংশ এটা নির্দিষ্ট সময়লৈকে অনা হয় আৰু এটা নির্দিষ্ট সময়ৰ শেষ ভাগত তাৰ পৰিশোধ কৰা হয়।

(খ) **অপুঞ্জীভূত অগ্রাধিকাৰযুক্ত অংশপত্র (Non-Cumulative Preference Shares) ঃ** পুঞ্জীভূত অগ্রাধিকাৰযুক্ত অংশপত্রৰ বিপৰীতে অংশীদাৰসকলক লাভাংশ প্রতি বছৰে দিয়া হয় আৰু কোনো বাকী পৰা লাভাংশ নির্দিষ্ট সময়ত অনা নহয়।

(গ) **পৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্র (Redeemable Preference Shares) ঃ** পৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ হ'ল সেইবোৰ অংশপত্র যিবোৰ এটা নির্দিষ্ট সময়ৰ শেষত ঘূৰাই দিয়া হয়। এইটো জানিবলৈ দৰকাৰী যে ভাৰতত কোম্পানী আইনে (Indian Companies Act) কোম্পানীবোৰক ২০ বছৰ অধিক ম্যাদ থকা পৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ বিলি কৰিবলৈ বাধা দিছে। অৱশ্যে বুনিয়াদী আঁচনিত জড়িত থকা কোম্পানী এটাই অত্যাধিক সময় ৩০ বছৰলৈকে অধিক থাকে তেতিয়া গাঁথনি সম্বন্ধীয় মতলবত জড়িত কোম্পানীবোৰে পাচন অংশপত্র বিলিকৰণ কৰে আৰু ২০ বছৰৰ শেষত, ১০% পাচন অংশপত্রবোৰ প্রত্যেক বছৰে এটাই অৱস্থাত উদ্ধাৰণ হয়।

(ঘ) **অপৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্র (Irredeemable Preference) ঃ** যিবোৰ অংশপত্র কোম্পানী এটাৰ গোটেই জীৱন কালত ঘূৰাই পাব নোৱাৰি সেইবোৰকে অপৰিশোধযোগ্য অংশপত্র বুলি কোৱা হয়। এইটো জানিবলৈ দৰকাৰী যে ১৯৮৮ চনৰ পূৰ্বে কোম্পানীবোৰে দুয়ো পৰিশোধযোগ্য আৰু অপৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্র বিলিকৰণ কৰিব পৰা ব্যৱস্থা আছিল। কিন্তু কোম্পানী আইন (Companies Amendment Act) ১৯৮৮ অন্তর্গত অপৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্র বিলিকৰণৰ ওপৰত বাধা দিয়া হৈছে প্রদান কৰিছে আৰু সেইবাবে কোম্পানীবোৰে অকল পৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্র বিলিকৰণ কৰিবলৈ অধিকাৰ প্রদান কৰিছে।

(ঙ) **পৰিৱৰ্তনীয় অগ্রাধিকাৰযুক্ত অংশপত্র (Convertible Preference Shares) ঃ** পৰিৱৰ্তনীয় অগ্রাধিকাৰযুক্ত অংশপত্র হ'ল সেইবোৰ অংশপত্র যিবোৰ এটা নির্দিষ্ট সময়ৰ শেষত বা বিলিকৰণৰ সময়ৰ চর্তাৱলী অনুযায়ী সমাংশ অংশপত্রলৈ সলনি হয়।

(চ) **অপৰিৱৰ্তনীয় অগ্রাধিকাৰযুক্ত অংশপত্র (Non-convertible Preference shares) ঃ** পৰিৱৰ্তনীয় অগ্রাধিকাৰযুক্ত অংশপত্রৰ বিপৰীতে পৰিৱৰ্তনীয় অগ্রাধিকাৰযুক্ত অংশপত্র কোম্পানীৰ জীৱন কালৰ কোনো সময়তে সমাংশ অংশপত্রলৈ বদলি কৰিব নোৱাৰি।

(ছ) **অংশীদাৰ অগ্রাধিকাৰযুক্ত অংশপত্র (Participating Preference Shares) ঃ** সমাংশ অংশীদাৰক অংশ পৰিশোধ কৰাৰ পাছত, অংশীদাৰ অগ্রাধিকাৰ অংশপত্রধাৰকক কোম্পানীৰ অতিৰিক্ত লাভত অংশগ্রহণ কৰাৰ অধিকাৰ আছে। তেনে অংশপত্রধাৰকক নির্দিষ্ট লাভাংশৰ উপৰি ৰাহি হোৱা লাভাংশও দিয়া হয়।

(জ) **অংশীদাৰ নোলোৱা অগ্রাধিকাৰযুক্ত অংশপত্র (Non-Participating Preference Shares) ঃ** অংশীদাৰ নোলোৱা অগ্রাধিকাৰযুক্ত অংশীদাৰে সমাংশ অংশীদাৰৰ অংশ পৰিশোধ কৰাৰ পাছত কোম্পানীৰ অতিৰিক্ত লাভত অংশগ্রহণ কৰা কোনো অধিকাৰ নাই।

৪.৩ অগ্রাধিকাৰযুক্ত অংশপত্রৰ পৰিশোধৰ অর্থ (MEANING OF REDEMPTION OF PREFERENCE SHARES)

ওপৰত উল্লেখ কৰাৰ মতে, অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ হ'ল সেইবোৰ অংশপত্র যিবোৰ কোম্পানীৰ দ্বাৰা বিলিকৰণৰ চর্তানুযায়ী পৰশোধ কৰিব পৰা যায়। সেইবোৰক পৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্র বুলি কোৱা হয়। বিলিকৰণৰ চর্তাৱলীয়ে সাধাৰণতে পৰিশোধৰ সময় আৰু পৰিশোধটো সমান মূল্য, অতিৰিক্ত মূল্য বা বাট্টাত কৰা যাব, গোটেইখিনি উল্লেখ কৰে। কোম্পানী আইন (Companies) ২০১৩ ৰ ধাৰা ৫৫ এ অগ্রাধিকাৰযুক্ত অংশপত্রৰ বিলিকৰণ আৰু পৰিশোধৰ লগত জড়িত আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিভিন্ন ধৰণৰ অগ্রাধিকাৰযুক্ত অংশপত্রসমূহ উল্লেখ কৰা।

.....

.....

প্রশ্ন নং ২ ঃ অগ্রাধিকাৰযুক্ত অংশপত্রৰ পৰিশোধ বুলিলে কি বুজা যায়?

.....

.....

৪.৪ অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে বিধি সম্বন্ধীয় অৱস্থা (LEGAL CONDITIONS FOR REDEMPTION OF PREFERENCE SHARES)

কোম্পানীৰ আইন মতে, অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে তলত দিয়া কিছুমান বিধিসম্বন্ধীয় চৰ্তাৱলী কার্যত পৰিণত কৰিব লাগিব।

১) অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে কর্তৃত্ব প্রদান কৰিব লাগিব।

২) পৰিশোধ কৰিব লগীয়া অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ সম্পূর্ণভাৱে আদায়কৃত হ'ব লাগিব। অন্য ভাষাৰ ক'বলৈ গ'লে আংশিকভাৱে আদায়কৃত অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ পৰিশোধ কৰিব নোৱাৰি।

৩) যদি কোম্পানীয়ে আংশিকভাৱে আদায়কৃত অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ পৰিশোধ কৰিব বিচাৰে তেন্তে প্রথমে সেইবোৰ সমাংশ অংশপত্ৰলৈ বদলি কৰিব লাগিব। অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ অকল অংশধাৰকসকলক লাভাংশ হিচাপে বিতৰণৰ বাবে প্রস্তুত কৰা লাভৰ দ্বাৰা পৰিশোধ কৰিব পাৰি। তাৰ উপৰি, বিশেষ ৰূপত অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে নতুন বিলিকৰণৰ যোগেদি পোৱা ধনৰ পৰা অগ্রাধিকাৰযুক্ত অংশপত্ৰ পৰিশোধ কৰিব পাৰি।

৪) যেতিয়া অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ লাভৰ পৰা পৰিশোধ কৰা হয়; লাভৰ পৰা পৰিশোধ কৰা অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ সমান মূল্য ধন, মূলধন পৰিশোধ পুঁজিলৈ হস্তান্তৰ কৰিব লাগিব। মূলধন পৰিশোধ পুঁজি কোম্পানীৰ আদায়কৃত মূলধন হিচাপে গণ্য কৰা হয় আৰু এইটো ভৱিষ্যতত বোনাচ অংশপত্ৰ বিলি কৰিবৰ কাৰণে ব্যৱহাৰ কৰিব পৰা যায়।

৫) যেতিয়া অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ নতুন অগ্রাধিকাৰযুক্ত অংশবোৰৰ বিলিকৰণৰ যোগেদি পোৱা ধনৰ পৰা পৰিশোধ কৰা হয়, তেতিয়া অন্ততঃ ৭৫% অগ্রাধিকাৰযুক্ত অংশীদাৰসকলৰ পৰা সন্মতি পাব লাগিব আৰু National Company Law Tribunal (NCLT)ৰ পৰা অনুমোদন লোৱাটো দৰকাৰী।

৬) তেনে ব্যৱস্থাৰ প্রতি অসন্মত অংশীদাৰৰ অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে NCLTএ তৎক্ষণাত আদেশ দিয়ে যেন লাগে।

৭) যেতিয়া অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ অতিৰিক্ত মূল্যত পৰিশোধ কৰা হয়। অংশবোৰৰ পৰিশোধৰ সময়ত দিবলগা অতিৰিক্ত মূল্যও কোম্পানীৰ লাভৰ অংশৰ পৰা প্রদান কৰিব লাগিব বা কোম্পানীৰ প্রতিভূতি অতিৰিক্ত মূল্য হিচাপ (securities premium account) কৰিব লাগিব।

৪.৫ অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ পদ্ধতিসমূহ (METHODS OF REDEMPTION OF PREFERENCE SHARES)

অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বিভিন্ন পদ্ধতিসমূহ হ'ল—

১) **লাভৰ পৰা পৰিশোধ (Redemption out of Profits) ঃ** এই পদ্ধতিক লাভৰ পুঁজি সংগ্ৰহ বুলি কোৱা হয়, কাৰণ ভাগ কৰিব লগীয়া লাভৰ অংশ অংশীদাৰৰ কেনো ধৰণত সাল-সলনি নকৰাকৈ ব্যৱহাৰ কৰা হয়। যিহেতু অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ উল্লেখিত মূল্যৰ সমানে পৰিমাণৰ লাভাংশ মূলধন পৰিশোধ পুঁজিৰ (CRR) হিচাপ লৈ হস্তান্তৰ কৰা হয় আৰু এই পদ্ধতিৰে কৰা অগ্রাধিকাৰযুক্ত অংশপত্ৰ পৰিশোধে অংশীদাৰ ধৰণত কোনোধৰণৰ প্ৰভাৱ নেপেলায়।

২) **নতুন বিলিকৰণৰ পৰা পৰিশোধ (Redemption out of Fresh Issue) ঃ** এই প্ৰণালীত, অগ্রাধিকাৰযুক্ত অংশীদাৰক পৰিশোধ কৰিব লগীয়া মূল্য নতুন অংশপত্ৰৰ বিলিকৰণৰ যোগেদি জমা কৰা হয়। অৱশ্যে ইয়াত মন কৰিব লগীয়া যে নতুন অংশৰ বিলিকৰণৰ পৰা জমা কৰা ধন অগ্রাধিকাৰযুক্ত অংশপত্ৰ ধাৰকক অতিৰিক্ত মূল্য দিয়াৰ কাৰণে ব্যৱহাৰ কৰিব নোৱাৰি। নতুন অংশপত্ৰৰ বিলিকৰণৰ পৰা ধন অকল অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ উল্লেখিত মূল্যৰ বাবে পৰিশোধ কৰাৰ ব্যৱহাৰ কৰিব পাৰি।

৩) **দুয়োৰে সংযোগ (Combination of both) ঃ** এই পদ্ধতিৰ অন্তৰ্গত ভিতৰত, অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ লাভৰ অংশৰ লগতে নতুন অংশপত্ৰৰ বিলিকৰণৰ পৰা প্ৰাপ্ত কৰা পুঁজিৰ যোগেদিও পৰিশোধ কৰিব পাৰি।

৪.৬ অগ্রাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ বাবে হিচাপ সম্পৰ্কীয় ব্যৱস্থাৱলী (ACCOUNTING TREATMENT FOR REDEMPTION OF PREFERENCE SHARES)

অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ পৰিশোধৰ বাবে তলত দিয়া জাৱেদা প্ৰবৃষ্টিসমূহ কোম্পানীৰ হিচাপ বহীত দেখুৱা হয়—

Sl. No.	Particulars	Amount (Rs.)
	For making call due-	
	Preference Share Final Call a/c	Dr.
	To Preference Share Capital a/c	
	For receipt of call money-	
	Bank a/c Dr.	
	To Preference Share Capital a/c	

২)	When the preference shares are redeemed out of the proceeds of fresh issue of shares- **For fresh issue of shares at par** Bank a/c Dr. To Equity/ Preference Share Capital a/c **For Fresh issue of shares at premium** Bank a/c (with amount received) Dr. To Equity/Preference Share Capital a/c (with nominal value) To Securities Premium a/c (with premium amount) **For fresh issue of shares at a discount** Bank a/c (with amount received) Dr. Discount on Issue of Shares a/c (with discount) Dr. To Equity/ Preference share Capital a/c
৩)	যেতিয়া নতুন বিলিকৰণৰ অংশপত্ৰবোৰৰ বাহিৰে পাচন অংশপত্ৰবোৰ উদ্ধাৰণ কৰা হয়— **For redemption at par** a. Preference Share Capital a/c Dr. To Preference Shareholders a/c (For making the amount due) b. Preference Shareholders a/c Dr. To Bank a/c (For making payment) **For Redemption at premium**a. Preference Share Capital a/c Dr. Premium on Redemption of Pref. Shares Dr. To Preference Shareholders a/c (For making the amount due) b. Preference Shareholders a/c Dr. To Bank a/c (For making payment) c. Securities Premium a/c Dr. or Statement of P/L Dr.

	To Premium on Redemption of Pref. Shares
৪)	(For adjustment of premium on redemption) যেতিয়া অংশপত্ৰবোৰ ভাগ কৰা লাভৰ অংশৰ পৰা উদ্ধাৰণ হয়- ওপৰত উল্লেখিত সকলো Entry বোৰ অকল ২ নং Entry ৰ বাদে অংশবোৰ সমহাৰত বা অধিহাৰত ভিত্তি কৰি উদ্ধাৰণ কৰা হয়। General Reserve a/c Dr. Statement of P/L Dr. To Capital redemption Reserve a/c (For transfer of nominal value of preference shares redeemed out of profits to Capital redemption Reserve Account)

৪.৭ মূলধন পৰিশোধ পুঁজি (CAPITAL REDEMPTION RESERVE)

ওপৰত উল্লেখ কৰাৰ মতে, যেতিয়া অগ্ৰাধিকাৰযুক্ত অংশপত্ৰবোৰ লাভৰ পৰা পৰিশোধ কৰা হয় নহ'লে তেনে লাভ লাভ্যাংশ হিচাপে বিতৰণ কৰা হয়, লাভৰ পৰা পৰিশোধ কৰা অগ্ৰাধিকাৰযুক্ত অংশপত্ৰৰ উল্লেখিত মূল্যৰ সমান ধন এটা হিচাপত হস্তান্তৰ কৰা হয় যাক মূলধন পৰিশোধ পুঁজি হিচাপ (Capital Redemption Reserve) বুলি কোৱা হয়। হিচাবত হস্তান্তৰ হোৱা ধন লাভ্যাংশৰ বিতৰণৰ বাবে কৰিব নোৱাৰি আৰু এইটো কোম্পানীৰ বোনাচ লাভৰ অংশ বিলি কৰিবলৈ ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অগ্ৰাধিকাৰযুক্ত অংশপত্ৰৰ পৰিশোধৰ পদ্ধতিসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ মূলধন পৰিশোধ পুঁজি কিয় তৈয়াৰ কৰা হয়?

.....

.....

৪.৮ ব্যৱহাৰিক প্ৰশ্ন (PRACTICAL PROBLEMS)



অনুশীলন ৪.১

X. Ltd.ৰ অংশপত্ৰ মূলধনৰ এটা অংশ সম্পূৰ্ণভাৱে আদায়কৃত প্ৰত্যেক ১০ টকাৰ ১০০০ অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ আছে আৰু এইবোৰ ১ জুলাই

২০১৬ ত পৰিশোধৰ বাবে প্ৰস্তুত কৰা হ'ব। অগ্রাধিকাৰযুক্ত অংশপত্ৰক মূলধনৰ পৰিশোধ নতুন সামাংশপত্ৰ বিলিকৰণৰ যোগেদি সমান মূল্যত কৰা হ'ব আৰু কোম্পানীৰ সাধাৰণ পুঁজিৰ জমা ১৫,০০০ টকা ওপৰৰ লেনদেনৰ বাবে জাবেদা প্ৰবৃষ্টিসমূহ দেখুৱায়।

Solution:

Journal Entries in the Books of X Ltd.

Date	Particulars	LF	Dr.(Rs.)	Cr.(Rs.)
01.07.16	Preference share capital A/c .....Dr. To Preference shareholders A/c (Being amount payable on redemption of 1000 preference shares)		10,000	10,000
01.07.16	Bank A/c ..... Dr. To Equity Share Capital A/c (Being the amount received on issue of 1000 equity shares of Rs.10 each made for the purpose of redemption of preference shares as per Board's Resolution dated.....)		10,000	10,000
01.07.16	Preference shareholders A/c.....Dr. To Bank (Being the amount due to preference shareholders paid)		10,000	10,000



অনুশীলন ৪.২

Pepsi Co Ltd.এ 10 টকা মূল্য 50,000 সামাংশপত্ৰ আৰু 100 টকা মূল্যৰ 4000, 10% অগ্রাধিকাৰযুক্ত অংশপত্ৰ বিলি কৰিছে। গোটেই অংশপত্ৰসমূহ সম্পূৰ্ণৰূপে আদায়কৃত। 31.3.17 তাৰিখত লাভ আৰু লোকচানৰ বিৱৰণে ভাগ নোহোৱা লাভ 70,000 টকা দেখুৱাইছে নগদ টকাৰ পুঁজিৰ জমা 2,30,000 টকা আছে। 01.4.17 ত নিৰ্দেশকে 100 টকাৰ 1500, 6% অগ্রাধিকাৰযুক্ত বিলিকৰণ কৰিবলৈ নিৰ্ণয় লৈছে আৰু উপলব্ধ থকা অগ্রাধিকাৰযুক্ত অংশপত্ৰবোৰ 105 টকাত পৰিশোধ কৰিব আৰু বাকী থকা মূল্য লাভৰ পৰা ব্যৱহাৰ কৰিব। অগ্রাধিকাৰযুক্ত অংশপত্ৰ পৰিশোধ সম্পৰ্কীয় লেনদেনবোৰ লিপিবদ্ধ কৰিবলৈ জাবেদা প্ৰবিষ্টিত দেখুৱা।

Solution:

Journal Entries in the Books of Pepsi Co Ltd.

Date	Particulars	LF	Dr.(Rs.)	Cr.(Rs.)
01.04.17	10% Preference share capital A/c Dr. Premium on Redemption of preference shares a/c……..Dr. To Preference shareholders A/c (Being amount payable on redemption of 4000 preference shares at Rs.105 each)		4,00,000 20,000	 4,20,000
01.04.17	Bank A/c …… Dr. To 6% Preference Share Capital a/c (Being the amount received on issue of 1500, 6% preference shares of Rs.100 each made for the purpose of redemption of 10% preference shares as per Board's Resolution dated……).		1,50,000	 1,50,000
01.04.17	General Reserve a/c ……Dr. To Premium on redemption of preference shares a/c (Being the amount due to preference shareholders paid)		20,000	 20,000
01.04.17	General Reserve a/c ……Dr.		2,10,000	
	Statement of P/L ……..Dr. To Capital Redemption Reserve a/c (Being nominal value of preference shares redeemed out of distributable profit transferred to CRR a/c)		40,000	 2,50,000
01.04.17	Preference shareholders A/c……Dr. To Bank (Being the amount due to preference shareholders paid)		4,20,000	 4,20,000

অনুশীলন ৪.৩



Bajaj Ltd' ৰ উদ্বৃত্ত পত্ৰখনে 31-3-17 ত নিম্নলিখিত জমা দেখুৱাইছে— সম্পূৰ্ণভাৱে আদায়কৃত 20,000 মীমাংসা অংশপত্ৰবোৰ, প্ৰত্যেক 10 টকাত সম্পূৰ্ণ ৰূপে পৰিশোধ কৰা হয়। 15,000, 10% উদ্ধাৰীত অগ্ৰাধিকাৰযুক্ত Redeemable Preference shares of Rs.10 each fully paid; 5000, 15% Redeemable Preference shares of Rs.10 each, Rs.8 paid up. General Reserve Rs.50,000; Securities Premium Rs.15,000; Statement of profit and Loss Rs.1,00,000 and capital Reserve Rs.35,000.

All the preference shares are redeemed on 1-4.17 at a premium of Re. 1 per share. For redemption, 5000 equity shares of Rs.10 each are issued at 10% premium. Show the journal entries to record the above transactions.

Solution:

Journal Entries in the Books of Bajaj Ltd.

Date	Particulars	LF	Dr.(Rs.)	Cr.(Rs.)
01.04.17	Share Final Call A/c Dr. To Preference share Capital A/c (Being call money made due on 5000 preference shares @ Rs.2 each as per..)		10,000	 10,000
01.04.17	Bank a/c Dr. To Share Final call a/c (Being the final call money on 5000 preference shares @ Rs. 2 received)		10,000	 10,000
01.04.17	10% Preference share capital A/c Dr. Premium on Redemption of preference shares a/c .....Dr. To Preference shareholders A/c (Being amount payable on redemption of 4000 preference shares at Rs.105 each)		2,00,000 20,000	 2,20,000

01.04.17	Bank a/c Dr. To Equity Share Capital a/c To Securities Premium a/c (Being the amount received on issue of 5000 equity shares of Rs.10each at a premium of 10% made for the purpose of redemption of 10% preference shares as per Board's Resolution dated……).		55,000	 50,000 5,000
01.04.17	Securities Premium a/c ……Dr. To Premium on redemption of preference shares a/c (Being the amount written off against securities premium)		20,000	 20,000
01.04.17	General Reserve a/c ……Dr. Statement of P/L ……..Dr. To Capital Redemption Reserve a/c (Being nominal value of preference shares redeemed out of distributable profit transferred to CRR a/c)		50,000 1,00,000	 1,50,000
01.04.17	Preference shareholders A/c……Dr. To Bank (Being the amount due to preference shareholders paid)		2,20,000	 2,20,000



অনুশীলন 8.8

টাটা লিমিটেডৰ 1,00,000 6% উদ্ধাৰীত অগ্ৰাধিকাৰযুক্ত অংশপত্ৰবোৰ প্ৰত্যেক 100 টকাৰ আছে। অংশপত্ৰবোৰ বিলিকৰণৰ বাবে April 1, 2016 পৰিশোধ কৰা হৈছে। এটা সাধাৰণ ৰাখন ধৰণৰ 65,00,000 টকাৰ ইতিমধ্যে অতীতৰ লাভৰ পৰা বনোৱা হৈছে। এই পৰিশোধৰ বাবে, 35,000 নতুন 5% অগ্ৰাধিকাৰযুক্ত অংশপত্ৰবোৰ প্ৰত্যেক 100 টকাত সৰ্বসাধাৰণক লাভৰ অংশৰ 50 টকাত পৰিশোধ কৰা হয়। নতুন বিলিকৰণবোৰ সম্পূৰ্ণৰূপে পৰিশোধ কৰা হয়। তাৰ উপৰি 6% উদ্ধাৰীত অগ্ৰাধিকাৰযুক্ত অংশপত্ৰবোৰ উদ্ধাৰণ হয়। ৰোজনামা প্ৰবৃষ্টিত দেখুৱা।

Solution:

Journal Entries in the Books of Tata Ltd.

Date	Particulars	LF	Dr.(Rs.)	Cr.(Rs.)
01.04.16	6% Preference share capital A/c Dr. To Preference shareholders A/c (Being amount payable on redemption of 1,00000 preference shares at Rs.100 each)		1,00,00,000	 1,0000,000
01.04.16	Bank a/c Dr. To 5% Preference Share Capital a/c To Securities Premium a/c (Being the amount received on issue of 35,000, 5% preference shares of Rs.100 each at a premium of Rs.50 each made for the purpose of redemption of 6% preference shares as per Board's Resolution dated.....).		35,00,000	 35,00,000 17,50,000
01.04.16	General Reserve a/c .....Dr. To Capital Redemption Reserve a/c (Being nominal value of preference shares redeemed out of distributable profit transferred to CRR a/c)		65,00,000	 65,00,000
01.04.16	Preference shareholders A/c.....Dr. To Bank (Being the amount due to preference shareholders paid)		1,00,00,000	 1,00,00,000



৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পৰিত্রান অগ্রাধিকাৰযুক্ত অংশপত্রবোৰে উল্লেখ কৰে, বাকী থকা মূল্যবোৰ আকৌ পৰিশোধ কৰিব লাগিব। অগ্রাধিকাৰযুক্ত অংশীদাৰৰ বিনিময়ত, বিলিকৰণৰ সময়ৰ নিৰ্দ্ধপিত কালৰ মতে।

- খণ্ড ৫.৫, কোম্পানীৰ আইন ২০১৩য়ে অগ্রাধিকাৰযুক্ত অংশীদাৰৰ বিলিকৰণ আৰু পৰিশোধৰ ওপৰত কার্য কৰে।
- গুৰি মূলধনৰ ওপৰত ভিত্তি কৰি, পৰিশোধৰ বাবে, পৰিশোধ অগ্রাধিকাৰযুক্ত অংশপত্রবোৰৰ বিভিন্ন প্রণালীসমূহ হ'ল—
  - লাভৰ বাহিৰে পৰিশোধ
  - নতুন বিলিকৰণৰ বাহিৰে পৰিশোধ
  - দুয়োৰে সংযোগ।
- অগ্রাধিকাৰযুক্ত অংশীদাৰক দিয়া মুঠ মূল্যবোৰ নতুন অংশপত্র বিলিকৰণ লৈহে দিয়া হয় যেতিয়া কোম্পানীৰ নতুন বিলিকৰণৰ বাহিৰে পৰিশোধ দিয়া হয়।
- নতুন অংশপত্র বিলিকৰণ কৰি লোৱা মুঠ মূল্য, লাভৰ অংশত পাচন অংশীদাৰক মূল্য দিবলৈ ব্যৱহাৰ কৰা নহয়।
- নতুন বিলিকৰণ কৰা অংশপত্রবোৰ অকল অগ্রাধিকাৰযুক্ত অংশপত্রৰ নামমাত্র মূল্যৰ বাবে দিয়া হয়।



৪.১০ অধিক জানিবলৈ (FURTHER READING)

1) Ahmed N. (2007). Corporate Accounting: For B. Com (Hons.) and other professional courses. New Delhi, Atlantic Publishers and Distributors (P) Ltd.

2) Mukherjee A. & Hanif M. (2006).Corporate accounting. New Delhi, Tata McGraw - Hill Publishing Company Ltd.



৪.১১ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰ ঃ

(ক) পুঞ্জীভূত অগ্রাধিকাৰযুক্ত অংশপত্র

(খ) অপুঞ্জীভূত অগ্রাধিকাৰযুক্ত অংশপত্র

(গ) পৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্র

(ঘ) অপৰিশোধযোগ্য অগ্রাধিকাৰযুক্ত অংশপত্র

(ঙ) পৰিৱর্তনীয় অগ্রাধিকাৰযুক্ত অংশপত্র

(চ) অপৰিৱর্তনীয় অগ্রাধিকাৰযুক্ত অংশপত্র

(ছ) অংশীদাৰ অগ্রাধিকাৰযুক্ত অংশপত্র

(জ) অংশীদাৰ নোলোৱা অগ্রাধিকাৰযুক্ত অংশপত্র

২ নং প্রশ্নৰ উত্তৰ ঃ অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ হ'ল সেইবোৰ অংশপত্র যিবোৰ কোম্পানীৰ দ্বাৰা বিলিকৰণৰ চর্তানুযায়ী পৰিশোধ কৰিব পৰা যায়। সেইবোৰক পৰিশোধযোগ্য অংশপত্র বুলি কোৱা হয়। বিলিকৰণৰ চর্তাৱলীয়ে সাধাৰণতে পৰিশোধৰ সময় আৰু পৰিশোধটো সমান মূল্য, অতিৰিক্ত মূল্য বা বাট্টাত কৰা যাব, গোটেইখিনি উল্লেখ কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ অগ্রাধিকাৰযুক্ত অংশপত্রৰ পৰিশোধৰ বিভিন্ন পদ্ধতিসমূহ হ'ল —

(১) লাভৰ পৰা পৰিশোধ

(২) নতুন বিলিকৰণৰ পৰা পৰিশোধ

(৩) দুয়োৰে সংযোগ

৪ নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ লাভৰ পৰা পৰিশোধ কৰা হয়, ন'হলে তেনে লাভ লাভ্যাংশ হিচাপে বিতৰণ কৰা হয়, লাভৰ পৰা পৰিশোধ কৰা অগ্রাধিকাৰযুক্ত অংশপত্রৰ উল্লেখিত মূল্যৰ সমান ধন এটা হিচাপত হস্তান্তৰ কৰা হয় যাক মূলধন পৰিশোধ পুঁজি হিচাপ (Capital Redemption Reserve) বুলি কোৱা হয়। হিচাপত হস্তান্তৰ হোৱা ধন লাভ্যাংশৰ বিতৰণৰ বাবে কৰিব নোৱাৰি আৰু এইটো কোম্পানীৰ বোনাচ লাভৰ অংশ বিলি কৰিবলৈ ব্যৱহাৰ কৰা হয়।



৪.১২ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ ঃ বিভিন্ন প্রকাৰৰ অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ কি কি?

প্রশ্ন ২ ঃ পৰিশোধ অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ বুলিলে কি বুজা?

প্রশ্ন ৩ ঃ পৰিশোধ অগ্রাধিকাৰযুক্ত অংশপত্রৰ প্রণালীসমূহ কি কি?

প্রশ্ন ৪ ঃ পৰিশোধ অগ্রাধিকাৰযুক্ত অংশপত্রৰ গণনা আচৰণবোৰ আলোচনা কৰা?

প্রশ্ন ৫ ঃ পৰিশোধ মূলধন প্রতিবন্ধৰ বিষয়ে চমুটোকা লিখা।

প্রশ্ন ৬ ঃ স্বদেশী লিমিটেডৰ এটা অংশৰ মূলধন আছে 3,000 অগ্রাধিকাৰযুক্ত অংশপত্রবোৰৰ, প্রত্যেক 10 টকাত যিটো সম্পূর্ণ ৰূপে দিয়া হয় আৰু সেইবোৰ পৰিশোধৰ বাবে বাকী আছে 1st August, 2017 ৰ। অগ্রাধিকাৰযুক্ত অংশপত্রবোৰৰ মূলধন উদ্ধাৰণ হয় নতুন মীমাংসা অংশপত্রৰ সমান মূল্যৰ বিলিকৰণত যিটো এই কাৰণৰ বাবে কৰা হৈছে আৰু কোম্পানীৰ সাধাৰণ ৰাখন ধৰণ হ'ল 30,000 টকা। ৰোজনামা প্রবৃষ্টি দেখুওৱা।

প্রশ্ন ৭ ঃ P লিমিটেড কোম্পানীয়ে 30,000 মীমাংসা অংশপত্রবোৰ বিলিকৰণ কৰে প্রত্যেক 10 টকাত আৰু 6,000, 10% অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ, প্রত্যেক 100 টকাত, গোটেই অংশপত্রবোৰ সম্পূর্ণ বাবে পৰিশোধ কৰা হয়। লাভ আৰু লোকচানৰ বিৰৰণে ভাগ নোহোৱা লাভৰ 200000 টকা 31.3.17 তাৰিখত আৰু সাধাৰণ ৰাখন ধৰণৰ

হিচাবত 1,50,000 টকা আছে। 01.4.17 ৰ নির্দেশকে 2500, 8% অগ্রাধিকাৰযুক্ত অংশপত্র প্রত্যেক সমান 100 টকা মূল্যত বিলিকৰণ কৰিবলৈ নির্ণয় লৈছে আৰু বর্তমান চলিত অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ 105 টকাত উদ্ধাৰণ হয় লাভৰ পৰা মূল্য ব্যৱহাৰ কৰাত। ৰোজনামা প্রবৃষ্টি দেখুৱা।

প্রশ্ন ৮ ঃ অশোকা চিমেণ্ট লিমিটেডৰ জমা খৰচ লিখা হিচাপৰ তালিকায়ে তলত উল্লেখিত 31-3-16 ৰ নীতি দেখুৱাইছে— 10,000 মীমাংসা অংশপত্রবোৰ প্রত্যেক 10 টকাত সম্পূর্ণৰূপে পৰিশোধ কৰা হয়, 20,000, 8% উদ্ধাৰীত অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ প্রত্যেক 10 টকাত সম্পূর্ণ ৰূপে পৰিশোধ কৰা হয়, 4000, 10% উদ্ধাৰীত অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ প্রত্যেক 10 টকা আৰু 8 টকাত পৰিশোধ কৰা হয়। সাধাৰণ ৰাখন ধৰণ 30,000 টকাত, জামিনৰ লাভৰ অংশ 14,000 টকা, লাভ-লোকচানৰ বিৱৰণ 1,10,000 টকা আৰু মূল্য ৰাখন ধৰণ 30,000 টকা।

গোটেই অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ 1-4-16 ত উদ্ধাৰীত হয় 1 টকা প্রতি লাভৰ অংশত। পৰিশোধৰ বাবে 10,000 মীমাংস অংশপত্রবোৰ প্রত্যেক 10 টকা 10% লাভৰ অংশত বিলিকৰণ হৈছে। ৰোজনামা প্রবৃষ্টি দেখুৱা।

প্রশ্ন ৯ ঃ গুৱাহাটী মর্টচ লিমিটেডৰ 2,00,000, 5% উদ্ধাৰণীয় অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ প্রত্যেক 100 টকাৰ আছে। অংশপত্রবোৰ বিলিকৰণৰ বাবে April 1, 2017 ৰ পৰিশোধ কৰা হৈছে। এটা 1,40,00,000 টকাৰ সাধাৰণ ৰাখন ধৰণ কোম্পানীৰ হিচাপৰ তালিকাৰ দেনা পিনে/পক্ষত দেখুৱা হয়। সেই উদ্ধাৰণৰ কাৰণে, নতুন 60,000, 8% অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ প্রত্যেক 100 টকাত জনসাধাৰণক লাভৰ অংশৰ 40 টকা দিয়া হয়। নতুন বিলিকৰণবোৰ সম্পূর্ণৰূপে পৰিশোধ কৰা হয়। তাৰ উপৰি 5% উদ্ধাৰীত অগ্রাধিকাৰযুক্ত অংশপত্রবোৰ উদ্ধাৰণ কৰা হয়। ৰোজনামা প্রবৃষ্টি দেখুৱা।

*** ***** ***

অধ্যায় ৫ ঃ ঋণপত্রৰ বিলিকৰণ (ISSUE OF DEBENTURES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

৫.১ উদ্দেশ্য (Learning Objectives)

৫.২ পৰিচয় (Introduction)

৫.৩ ঋণপত্রৰ অর্থ আৰু বৈশিষ্ট্যসমূহ (Meaning and Features of Debentures)

৫.৪ ঋণপত্রৰ প্রকাৰ (Types of Debenture)

৫.৫ অংশ আৰু ঋণপত্রৰ মাজৰ পার্থক্যসমূহ (Differences between Shares and Debentures)

৫.৬ ঋণপত্র বিলিকৰণৰ পদ্ধতিসমূহ (Methods of Issue of Debenture)

৫.৭ ঋণপত্র বিলিকৰণৰ হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী যেতিয়া প্রতিদান নগদ টকাত পোৱা যায় (Accounting Treatment on Issue of Debentures when consideration is Received in Cash)

৫.৮ নগদ ধনৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত ঋণপত্রৰ বিলিকৰণ (Issue of Debentures for consideration other than Cash)

৫.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

৫.১০ অধিক জানিবলৈ (Further Reading)

৫.১১ অগ্রগতিৰ খতিয়ান (Answers to Check Your Progress)

৫.১২ আৰ্হি প্রশ্ন (Model Questions)

৫.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অংশ আৰু ঋণপত্রৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ঋণপত্রৰ বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব
- অংশধাৰক আৰু ঋণপত্রধাৰক সকলৰ মাজত থকা পার্থক্যসমূহ বিচাৰ কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ ঋণপত্রৰ শ্রেণীবিভাগ কৰিব পাৰিব
- ঋণপত্রৰ বিলিকৰণৰ লগত জড়িত হিচাপসম্পর্কীয় ব্যৱস্থাৱলী উদাহৰণসহ বর্ণনা কৰিব পাৰিব।

৫.২ পৰিচয় (INTRODUCTION)

সাধাৰণতে দৈনন্দিন ব্যৱসায় চলাই নিবৰ বাবে কোম্পানীসমূহক প্রচুৰ পৰিমাণৰ ধনৰ প্রয়োজন হয়। তদুপৰি কোম্পানীৰ ব্যৱসায় প্রসাৰ কৰিবৰ বাবেও পুঁজিৰ আৱশ্যক হয়। এনে

বিত্তীয় আৱশ্যকতাসমূহ পূৰণ কৰিবৰ বাবে কোম্পানীসমূহে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ঋণৰ আশ্ৰয় লয়। কাৰ্যকৰী মূলধন যোগান ধৰিবৰ বাবে কোম্পানীসমূহে হ্ৰস্বকালীন ঋণ লোৱাৰ প্ৰয়োজনবোধ কৰে; আনহাতে ব্যৱসায়ৰ প্ৰসাৰ, স্থায়ী সম্পত্তি কিনা আদি মূলধনী প্ৰকৃতিৰ ব্যয়ৰ বাবে বিত্তৰ যোগান ধৰিবলৈ কোম্পানীসমূহে দীৰ্ঘকালীন ঋণ লোৱাৰ প্ৰয়োজনবোধ কৰে। কোম্পানীৰ দীৰ্ঘকালীন ঋণৰ প্ৰয়োজনীয়তা সেয়ে এজন ঋণদাতাৰ দ্বাৰা সমাধা কৰিব নোৱাৰিব পাৰে। ইয়াকে কৰাৰ এটা অতি সুবিধাজনক পদ্ধতি হৈছে ঋণপত্ৰ বিলি কৰি টকা ধাৰ লোৱা।

এই অধ্যায়টোত আমি ঋণপত্ৰৰ অৰ্থ, বৈশিষ্ট্যসমূহ, ঋণপত্ৰৰ প্ৰকাৰ, অংশ আৰু ঋণপত্ৰৰ মাজৰ পাৰ্থক্যসমূহ, ঋণপত্ৰ বিলিকৰণৰ পদ্ধতিসমূহ আৰু ঋণপত্ৰ বিলিকৰণত হোৱা হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰিম।

৫.৩ ঋণপত্ৰৰ অৰ্থ আৰু বৈশিষ্ট্যসমূহ (MEANING AND FEATURES OF DEBENTURES)

2013 চনৰ কোম্পানী আইনত ঋণপত্ৰ পদটোৰ কোনো সংজ্ঞা দাঙি ধৰা নাই। উক্ত আইনৰ 2(30) ধাৰাত মাত্ৰ উল্লেখ কৰিছে যে 'ঋণপত্ৰ বুলিলে ঋণপত্ৰিক দ্ৰব্য তালিকা, বণ্ড আৰু আন কোম্পানীৰ যিকোনো প্ৰতিভূতিকে বুজায়। লাগিলে সেইবোৰৰ কোম্পানীৰ সম্পত্তিৰ ওপৰত দাবী ধাৰ্য কৰাৰ অধিকাৰ থাকক বা নাথাকক (Debenture includes debenture stock, bonds and any other securities of a company whether constituting a charge on the company's assets or not)। বিভিন্ন লেখকে ধাৰৰ স্বীকৃত দলিল হিচাপে ঋণপত্ৰৰ সংজ্ঞা আগবঢ়াইছে। Tophamৰ মতে 'ঋণপত্ৰ হৈছে কোম্পানীয়ে ঋণৰ বাবে উদ্ভৱ হোৱা আৰু সাধাৰণতে দাবীৰ দ্বাৰা সুৰক্ষিত ঋণৰ ক্ষেত্ৰত ধাৰৰ প্ৰমাণ পত্ৰ হিচাপে ধাৰকক দিয়া এখন দলিল "(Debenture is a document given by a company as evidence of a debt to the holder usually arising out of a loan and most commonly secured by charge)"। Chitty J.ৰ মতে 'ঋণপত্ৰ হৈছে এনে এখন দলিল যি ধাৰ সৃষ্টি কৰে অথবা ঋণৰ স্বীকৃতি দিয়ে, আৰু যিকোনো দলিলে উক্ত যিকোনো এটা চৰ্ত পৰিপূৰণ কৰিলেও সিহঁতকো ঋণপত্ৰ বোলা হয় "(Debenture means a document which either creates a debt or acknowledges it, and any document which fulfils either of these conditions is a debenture)"।

চমুকৈ, ঋণপত্ৰ হৈছে কোম্পানীৰ চিল-মোহৰৰ অধীনত কোম্পানীৰ দ্বাৰা লোৱা ঋণৰ এক লিখিত স্বীকৃতি পত্ৰ। এই পত্ৰত প্ৰতিশ্ৰুতি দিয়া হয় যে কোম্পানীয়ে নিৰ্দিষ্ট সময়ৰ পিছত উক্ত ঋণ পৰিশোধ কৰিব আৰু নিয়মীয়া সময়ৰ অন্তৰত নিৰ্ধাৰিত সুতো আদায় দি থাকিব। ই কোম্পানীৰ ঋণ সাপেক্ষ মূলধনৰ (Loan Capital) এটা অংশ আৰু ইয়াক ধাৰ কৰা মূলধন (Borrowed Capital) বুলিও জনা যায়।

ঋণপত্রত ইয়াৰ সংখ্যা, লিখিত মূল্য আৰু ইয়াৰ ওপৰত দিবলগীয়া সুতৰ হাৰ প্রকাশ কৰা হয়। উদাহৰণস্বৰূপে, যদি এটা কোম্পানীয়ে 8% হাৰৰ 100 টকীয়া 20,000 ঋণপত্র বিলি কৰে, তেতিয়া ইয়াৰ অর্থ হ'ব 20,00,000 টকাৰ ঋণপত্র 8% সুতৰ হাৰত বিলি কৰা হৈছে। ইয়াৰ দ্বাৰা বুজা যায় যে এই ঋণপত্রসমূহৰ ধাৰকসকলে বছৰি 8% হাৰত সুত দাবী কৰিব পাৰে। যিসকল ব্যক্তিয়ে তেওঁলোকৰ ধন এটা কোম্পানীৰ ঋণপত্র কিনি বিনিয়োগ কৰে তেওঁলোকক ঋণপত্রধাৰক বোলা হয়। কোম্পানীয়ে তেওঁ কিমান সংখ্যক ঋণপত্র ধাৰণ কৰিছে সেই বিষয়ে প্রমাণপত্র দিয়ে। সেয়ে ঋণপত্র হৈছে এটা কোম্পানীয়ে ঋণৰ বাবে বিলি কৰা এখন প্রমাণপত্র।

ঋণপত্রৰ বৈশিষ্ট্য (Features of Debentures) :

নিম্নলিখিত সমূহেই হৈছে ঋণপত্রৰ বৈশিষ্ট্য ঃ

- ই হৈছে কোম্পানীয়ে লোৱা ধাৰ বা ঋণৰ বিজ্ঞপ্তি পত্র।
- ইয়াক প্রমাণপত্র আকাৰত লিখিত আৰ্হিত ঋণদাতাসকললৈ প্রেৰণ কৰা হয়।
- ইয়াৰ লিখিত মূল্য পূর্বে নির্ধাৰিত হৈ থাকে।
- ইয়াক কোম্পানীৰ সাধাৰণ চিল-মোহৰৰ অধীনত বিলি কৰা হয়।
- ঋণপত্রৰ ওপৰত পৰিশোধ কৰিবলগীয়া সুতৰ হাৰ প্রমাণপত্রখনত উল্লেখ কৰা থাকে।
- অংশৰ দৰে ঋণপত্রই ভোট দিয়া ক্ষমতা প্রদান নকৰে।
- ঋণপত্রৰ পৰিমাণ এক নির্দিষ্ট সময়ৰ পিছত বিলি কৰা চর্ত অনুসৰি পৰিশোধ কৰিব লাগে।
- ঋণপত্র সাধাৰণতে কোম্পানীৰ সম্পত্তিৰ ওপৰত ভাসমান ধার্যৰ (floating charge) দ্বাৰা প্রতিভূত হৈ থাকে।
- ঋণপত্র সমাংশপত্র বা অগ্রাধিকাৰযুক্ত অংশলৈ সম্পূর্ণকৈ বা আংশিকভাৱে ৰূপান্তৰিত হ'ব পাৰে বা ৰূপান্তৰিত নহ'বও পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ঋণপত্র কাক বোলে?

.....

.....

.....

প্রশ্ন নং ২ঃ ঋণপত্রৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰক।

১) .....

২) .....

৩) .....

৫.৪ ঋণপত্রৰ প্রকাৰ (TYPES OF DEBENTURE)

এটা কোম্পানীয়ে বিভিন্ন প্রকাৰৰ ঋণপত্র বিলি কৰিব পাৰে। এই প্রকাৰসমূহ নিম্নলিখিত ধৰণেৰে শ্রেণী বিভাগ কৰিব পাৰি।

ঋণপত্রৰ প্রকাৰ (Types of Debenture)

প্রতিভূতি (Security)	স্থায়ীত্ব (Permanence)	হস্তান্তৰযোগ্যতা (Negotiability)	ৰূপান্তৰযোগ্যতা (Convertibility)	অগ্রাধিকাৰ (Priority)
সৰল ঋণপত্র (Simple Debentures)	পৰিশোধযোগ্য ঋণপত্র (Redeemable Debentures)	পঞ্জীয়নভুক্ত ঋণপত্র (Registered Debentures)	ৰূপান্তৰযোগ্য ঋণপত্র (Convertible Debentures	প্রথম বন্ধকী ঋণপত্র (First Mortgaged Debentures)
বন্ধকী বা প্রতিভূত ঋণপত্র (Mortgaged Debentures)	অপৰিশোধযোগ্য ঋণপত্র (Irredeemable Debentures)	বাহক ঋণপত্র (Bearer Debentures)	ৰূপান্তৰঅযোগ্য ঋণপত্র (Non-convertible Debentures)	দ্বিতীয় বন্ধকী ঋণপত্র (Second Mortgaged Debentures)

১। প্রতিভূতিৰ ভিত্তিত ঋণপত্রৰ শ্রেণীবিভাগ (Classification of Debentures on the basis of Security) :

(ক) **মুকলি বা সৰল ঋণপত্র (Naked or Simple Debentures) ঃ** মুকলি বা সৰল ঋণপত্রৰ ক্ষেত্রত সুত পৰিশোধ বা ঋণ পৰিশোধৰ বাবে কোনো সম্পত্তি জামিন হিচাপে বা কোনো প্রতিশ্রুতি দিয়া নহয়। এনে ঋণপত্রসমূহ জনসাধাৰণৰ মাজত জনপ্রিয় নহয় আৰু সেয়ে ইহঁত বৰ প্রচলিত নহয়।

(খ) **বন্ধকী ঋণপত্র (Mortgaged Debentures) ঃ** কোম্পানীৰ আংশিক বা সমূহ সম্পত্তিৰ ওপৰত স্থিৰ বা ভাসমান প্রতিভূতি থকা ঋণপত্রই হৈছে বন্ধকী ঋণপত্র। প্রয়োজন হ'লে কোম্পানীৰ অতলবী অংশও ইয়াৰ বাবে ধার্য কৰা হয়।

২। স্থায়িত্বৰ ভিত্তিত ঋণপত্রৰ শ্রেণীবিভাগ (Classification of Debentures on the basis of Permanence)

(ক) পৰিশোধযোগ্য ঋণপত্র (Redeemable Debentures) ঃ যিবোৰ ঋণপত্র কোম্পানীৰ জীৱনকালৰ ভিতৰতে এটা নির্দিষ্ট সময়ৰ অন্তত পৰিশোধ কৰা হয় তেনে ঋণপত্রসমূহকে পৰিশোধযোগ্য ঋণপত্র বোলা হয়। সাধাৰণতে ঋণপত্র বিলি কৰা সময়তে অনুষ্ঠান পত্রত ঋণপত্র পৰিশোধৰ চর্তসমূহ উল্লেখ কৰা থাকে।

(খ) **অপৰিশোধযোগ্য ঋণপত্ৰ (Irredeemable Debentures) ঃ** অপৰিশোধযোগ্য ঋণপত্ৰসমূহ কোম্পানী চলি থকালৈকে পৰিশোধ কৰা নহয়। এই ঋণপত্ৰসমূহ কোম্পানীৰ অৱসানৰ সময়তহে পৰিশোধ কৰা হয়।

৩। **ঋণপত্ৰৰ হস্তান্তৰকৰণ বা দলিল ভিত্তিক শ্ৰেণীবিভাগ (Classification of Debentures on the basis of Negotiability/Record) ঃ**

(ক) **পঞ্জীয়নভুক্ত ঋণপত্ৰ (Registered Debentures) ঃ** পঞ্জীয়নভুক্ত ঋণপত্ৰ হৈছে সেইবোৰ ঋণপত্ৰ যিবোৰৰ ক্ষেত্ৰত কোম্পানীয়ে বিলি কৰা ঋণৰ প্ৰমাণপত্ৰত পত্ৰধাৰকৰ নাম লিপিবদ্ধ কৰা হয়। প্ৰতিজন ধাৰকৰ নাম, ঠিকনা আৰু ঋণপত্ৰৰ বিৱৰণ ঋণপত্ৰৰ পঞ্জীয়ন বহীত (Register of Debentureholders) লিপিবদ্ধ কৰা হয়।

1956 চনৰ কোম্পানী আইনৰ 108 ৰ পৰা 111 ধাৰা অনুসৰি স্থানান্তৰ সম্পৰ্কীয় আইনগত নিয়মাৱলী নিয়মিতভাৱে পৰ্যবেক্ষণ কৰা পিছতহে ঋণপত্ৰৰ হস্তান্তৰ যোগ্যতাই অনুমোদন পায়।

(খ) **বাহক ঋণপত্ৰ (Bearer Debentures) ঃ** বাহক ঋণপত্ৰসমূহ অপঞ্জীয়নভুক্ত ঋণপত্ৰ আৰু ইহঁতক বাহকক বা ধাৰকক পৰিশোধ কৰা হয়। এনে ঋণপত্ৰ সাধাৰণ প্ৰেৰণৰ দ্বাৰা হস্তান্তৰ তথা স্থানান্তৰ কৰা হয়। এনে ঋণপত্ৰৰ ধাৰকৰ বিৱৰণৰ বিষয়ে কোনো নথি কোম্পানীয়ে সংৰক্ষণ নকৰে।

৪। **ৰূপান্তৰ ভিত্তিত ঋণপত্ৰৰ শ্ৰেণীবিভাগ (Classification of Debentures on the basis of Convertibility) ঃ**

(ক) **ৰূপান্তৰযোগ্য ঋণপত্ৰ (Convertible Debentures) ঃ** ৰূপান্তৰযোগ্য ঋণপত্ৰ হৈছে সেইবোৰ ঋণপত্ৰ যিবোৰৰ ধাৰকক ঋণপত্ৰ বিলিৰ চৰ্ত অনুসৰি এটা নিৰ্দিষ্ট সময়ৰ অন্তত ধাৰণ কৰা ঋণপত্ৰসমূহ অংশ বা নতুন ঋণপত্ৰলৈ ৰূপান্তৰ কৰিবলৈ অধিকাৰ দিয়া হয়। এনে ঋণপত্ৰসমূহ সম্পূৰ্ণকৈ ৰূপান্তৰযোগ্য হ'লে তাক সম্পূৰ্ণকৈ ৰূপান্তৰযোগ্য ঋণপত্ৰ (Fully Convertible Debentures) বোলা হয় আৰু আংশিকভাৱে ৰূপান্তৰযোগ্য হ'লে তাক আংশিক ৰূপান্তৰযোগ্য ঋণপত্ৰ (Partly Convertible Debentures) বোলা হয়। ভাৰতবৰ্ষৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ (SEBI) নিৰ্দেশাৱলী অনুসৰি ৰূপান্তৰযোগ্য ঋণপত্ৰসমূহ বিলি কৰা তাৰিখৰ পৰা ৩৬ মাহৰ ভিতৰত ৰূপান্তৰ কৰিব লাগে।

(খ) **ৰূপান্তৰঅযোগ্য ঋণপত্ৰ (Non-convertible Debentures) ঃ** যিবোৰ ঋণপত্ৰৰ ক্ষেত্ৰত ধাৰকসকলে ঋণপত্ৰসমূহ অংশ বা নতুন ঋণপত্ৰলৈ ৰূপান্তৰ কৰাৰ অধিকাৰ নাপায় সেইক্ষেত্ৰত তেনেবোৰ ঋণপত্ৰকে **ৰূপান্তৰঅযোগ্য** ঋণপত্ৰ বোলে।

৫। **অগ্ৰাধিকাৰৰ ভিত্তিত ঋণপত্ৰৰ শ্ৰেণীবিভাগ (Classification of Debentures on the basis of Priority) ঃ**

(ক) **প্ৰথম বন্ধকী ঋণপত্ৰ (First Mortgaged Debentures) ঃ** প্ৰথম বন্ধকী ঋণপত্ৰ হৈছে সেইবোৰ ঋণপত্ৰ যিবোৰ কোম্পানী অৱসানৰ সময়ত সুত আৰু মূল ঋণ পৰিশোধ কৰাৰ ক্ষেত্ৰত বন্ধক হিচাপে দিয়া সম্পত্তিৰ ওপৰত প্ৰথম দাবী থাকে।

(খ) **দ্বিতীয় বন্ধকী ঋণপত্ৰ (Second Mortgaged Debentures) ঃ** দ্বিতীয় বন্ধকী ঋণপত্ৰসমূহ প্ৰথম বন্ধকী ঋণপত্ৰসমূহ পৰিশোধ কৰাৰ পিছতহে পৰিশোধ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ ৰূপান্তৰযোগ্য ঋণপত্ৰ অৰ্থ ব্যাখ্যা কৰক।

.....

.....

.....

৫.৫ অংশ আৰু ঋণপত্ৰৰ মাজৰ পাৰ্থক্যসমূহ(DIFFERENCES BETWEEN SHARES AND DEBENTURES)

অংশধাৰক আৰু ঋণপত্ৰধাৰকসকলৰ মাজত থকা পাৰ্থক্যসমূহৰ আধাৰত অংশ আৰু ঋণপত্ৰৰ মাজত থকা পাৰ্থক্যসমূহ নিৰ্ণয় কৰিব পাৰি। ইহঁতৰ মাজত থকা প্ৰধান পাৰ্থক্যসমূহ তলত উল্লেখ কৰা হ'ল—

পাৰ্থক্যৰ ভিত্তি (Point of Difference)	অংশপত্ৰধাৰক (Shareholders)	ঋণপত্ৰধাৰক (Debentureholders)
১। পদ মৰ্যাদা (Status)	অংশধাৰকসকল কোম্পানীৰ মালিক।	ঋণপত্ৰধাৰকসকল কোম্পানীৰ ঋণদাতা।
২। প্ৰতিদানৰ সমৰূপতা(Regularity of Return)	কোম্পানীৰ যথোচিত লাভ হ'লে অংশধাৰকসকলে তেওঁলোকে ধাৰণ কৰা অংশৰ ওপৰত লাভাংশ পায়। সমাংশঅংশৰ ওপৰত লাভাংশৰ হাৰ স্থিৰ নহয়।	ঋণপত্ৰধাৰকসকলক তেওঁলোকে ধাৰণ কৰা ঋণপত্ৰৰ ওপৰত সুত পায়। ঋণপত্ৰৰ ওপৰত স্থিৰ হাৰত নিয়মীয়াকৈ সুত পৰিশোধ কৰা হয়।
৩। প্ৰতিভূতি (Security)	অংশপত্ৰসমূহৰ প্ৰতিভূতিৰ প্ৰশ্ন নুঠে।	ঋণপত্ৰসমূহ প্ৰতিভূতিৰ দ্বাৰা ৰক্ষিত থাকে।
৪। সভাত উপস্থিত থকাৰ অধিকাৰ (Right to attend meetings)	অংশধাৰকসকলক কোম্পানীৰ বাৰ্ষিক সাধাৰণ সভাত উপস্থিত থাকিবৰ বাবে আমন্ত্ৰণ জনোৱা হয়।	ঋণপত্ৰধাৰকসকলৰ স্বাৰ্থত প্ৰভাৱ পেলোৱা সিদ্ধান্ত লোৱা সভাৰ বাহিৰে আন সভাত উপস্থিত থকাৰ তেওঁলোকৰ কোনো অধিকাৰ নাই।
৫। পৰিশোধৰ অগ্ৰাধিকাৰ (Priority on Repayment)	অগ্ৰাধিকাৰযুক্ত অংশ আৰু অংশ ফিৰৎ ক্ৰয়ৰ (buy back) বাহিৰে অংশপত্ৰিক মূলধন ঘূৰাই দিয়া নহয়। কোম্পানীৰ অৱসানৰ ক্ষেত্ৰত বহিঃ দাবীদাৰসকলৰ দাবীসমূহ পৰিশোধ কৰাৰ পিছতহে অংশ ধাৰকসকলৰ পুঁজি ফিৰৎ দিয়া হয়।	ঋণপত্ৰ যিহেতু ঋণ সেয়ে কোম্পানীয়ে ইয়াক পৰিশোধ কৰিব লাগে। ঋণপত্ৰ ধাৰকসকলে অংশধাৰকসকলতকৈ তেওঁলোকৰ ঋণৰ পৰিমাণ ফিৰৎ পোৱাৰ অগ্ৰাধিকাৰ আছে।
৬। নিয়ন্ত্ৰণ (Control)	অংশ ধাৰকসকলে কোম্পানীৰ কাম-কাজৰ ওপৰত নিয়ন্ত্ৰণ কৰিব পাৰে। অংশপত্ৰধাৰকসকলৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকলৰ, যাক সঞ্চালকমণ্ডলী বোলা হয়, দ্বাৰা কোম্পানী পৰিচালনা কৰা হয়।	কোম্পানীৰ পৰিচালনা আৰু নিয়ন্ত্ৰণত ঋণপত্ৰধাৰকসকল জড়িত নহয়।

৫.৬ ঋণপত্র বিলিকৰণৰ পদ্ধতিসমূহ(METHODS OF ISSUE OF DEBENTURE)

নিম্নলিখিত দৃষ্টিকোণৰ পৰা ঋণপত্র বিলিকৰণৰ পদ্ধতিসমূহ আলোচনা কৰিব পাৰি—

(ক) **বিলিকৰণৰ মূল্যৰ দৃষ্টিকোণৰ পৰা (From the point of view of price of Issue)** ঃ বিলিকৰণৰ মূল্যৰ দৃষ্টিকোণৰ পৰা ঋণপত্রসমূহ অংশসমূহৰ দৰে সমমূল্যত, অধিহাৰত আৰু ঊনহাৰ বা বাট্টাত বিলি কৰিব পাৰি।

(১) **সমমূল্যত (At par)** ঃ ঋণপত্র সমমূল্যত বিলি কৰা বুলিলে বুজিব লাগে যে ঋণপত্রসমূহ ইয়াৰ লিখিত মূল্যত (face value) বিলি কৰা হৈছে। উদাহৰণস্বৰূপে, যদি ঋণপত্র এখনৰ লিখিত মূল্য 100 টকা হয় আৰু ইয়াৰ বিলি কৰা মূল্যও 100 টকা হয়, তেনেহ'লে বুজিব লাগে যে ঋণপত্রসমূহ সমমূল্যত বিলি কৰা হৈছে।

(২) **অধিহাৰত (At a premium)** ঃ অধিহাৰত ঋণপত্র বিলি কৰা মানে ঋণপত্র লিখিত মূল্যতকৈ অধিক মূল্যত বিলি কৰা। উদাহৰণস্বৰূপে, যদি এখন ঋণপত্রৰ লিখিত মূল্য 100 টকা হয় আৰু ইয়াক 120 টকাত বিলি কৰা হয়, তেতিয়া বুজিব লাগে যে ঋণপত্রসমূহ অধিহাৰত বিলি কৰা হৈছে, ইয়াৰ 20 টকা হ'ব অধিহাৰ। অধিহাৰৰ পৰিমাণ প্রতিভূতি অধিহাৰ পুঁজি হিচাপত ক্রেডিত কৰা হয় আৰু উদ্বৃত্তপত্রত দেনাৰ তলত 'পুঁজি আৰু ৰাহি' শীর্ষত দেখুৱা হ'ব।

(৩) **ঊনহাৰত (At a discount)** ঃ ঊনহাৰ বা বাট্টাত ঋণপত্র বিলিকৰণ বুলিলে ঋণপত্রসমূহ ইয়াৰ লিখিত মূল্যতকৈ কম মূল্যত বিলি কৰাকে বুজায়। উদাহৰণস্বৰূপে, যদি এখন ঋণপত্রৰ লিখিত মূল্য 100 টকা হয় আৰু ইয়াক 90 টকাত বিলি কৰিলে বুজিব লাগে যে ঋণপত্রসমূহ বাট্টাত বিলি কৰা হৈছে, ইয়াত বাট্টাৰ পৰিমাণ হ'ব 10 টকা। ঋণপত্রসমূহ বাট্টাত বিলি কৰিলে মূলধন ক্ষতি হয় আৰু এইটো উদ্বৃত্তপত্রত বাদ দিব লগীয়া সময় সীমাৰ ওপৰত নির্ভৰ কৰি 'অন্য চলিত সম্পত্তি' বা 'অন্য স্থায়ী সম্পত্তি'ৰ তলত দেখুৱা হ'ব। ঋণপত্রৰ জীৱনকালত ঋণপত্রৰ বিলিত দিয়া বাট্টা লাভ আৰু লোকচানৰ পত্র বা 'প্রতিভূতি অধিহাৰ হিচাপত' ডেবিট কৰি বাদ দিব পৰা যায়।

ঋণপত্রৰ বিলিত দিয়া যিটো বাট্টা উদ্বৃত্তপত্র প্রস্তুত কৰা তাৰিখৰ ১২ মাহৰ ভিতৰত বাদ দিব লগীয়া হয় তেনে বাট্টা অন্য চলিত সম্পত্তি'ৰ তলত দেখুৱা হয়। যিটো অংশ ১২ মাহৰ পাছত বাদ দিব লগীয়া হয় তেনে বাট্টা উদ্বৃত্তপত্রত 'অন্য স্থায়ী সম্পত্তি'ৰ তলত দেখুৱা হয়।

কোম্পানী আইন, ২০১৩ এ বাট্টাত ঋণপত্র বিলি কৰাত কোনোধৰণৰ সীমাবদ্ধতা জাপি দিয়া নহয়।

(খ) **প্রতিদানৰ দৃষ্টিকোণৰ পৰা (From the consideration point of view)** ঃ প্রতিদানৰ দৃষ্টিকোণৰ পৰা ঋণপত্রসমূহ নগদ টকা বা নগদ টকাৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত বিলি কৰিব পাৰে।

(১) **নগদ টকাত (For cash) ঃ** ঋণপত্র নগদ টকাত বিলি কৰা বুলিলে বুজিব লাগে যে ঋণপত্র বিলি কৰি পোৱা নগদ ধন একেলগে (lump sum) বা কিস্তিৰ জৰিয়তে আদায় কৰাকে বুজায়। গতিকে, ঋণপত্রৰ সম্পূর্ণ নগদ ধন আবেদনৰ লগত এটা কিস্তি হিচাপে বা একাধিক কিস্তিৰ জৰিয়তে সংগ্রহ কৰা হয়।

(২) **নগদ ধনৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত (For consideration other than cash) ঃ** কেতিয়াবা ঋণপত্রসমূহ নগদ ধনৰ বাহিৰে আন প্রতিদানৰ যেনে সম্পত্তি বা প্রযুক্তি বিদ্যাৰ বিনিময়ত বিলি কৰিব পাৰি।

৫.৭ ঋণপত্র বিলিকৰণৰ হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী যেতিয়া প্রতিদান নগদ টকাত পোৱা যায় (ACCOUNTING TREATMENT ON ISSUE OF DEBENTURES WHEN CONSIDERATION IS RECEIVED IN CASH)

(ক) (i) ঋণপত্রৰ প্রতিদান মূল্য নগদ টকাত আবেদনৰ লগত এটা কিস্তিতে দেয় হয় (Full consideration in cash is payable in single instalment on application)

নগদ ধনৰ প্রাপ্তিত (On receipt of money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Debentures A/c		Money received	Money received



উদাহৰণ ১

চিণ্টেক্স লিমিটেডে 100 টকীয়া 2,000 8% ঋণপত্র সমমূল্যত বিলি কৰিলে। ইয়াৰ মূল্য আবেদনৰ লগতে সম্পূর্ণকৈ আদায় দিব লাগে আৰু সকলোবোৰ ঋণপত্র জনসাধাৰণে কিনিলে। প্রয়োজনীয় জাবেদা প্রৱিষ্টিসমূহ দেখুৱাওক।

সমাধান

Journal Entries in the books of Sintex Ltd

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To 8% Debentures A/c (Being the issue of 2,000 debentures of Rs. 100 each against the money received in full alongwith the application as per Board's Resolution No..... dated....)		2,00,000	2,00,000

(ii) অধিহাৰত ঋণপত্র বিলিকৰণ আৰু প্রতিদান মূল্য আবেদনৰ লগত এটা কিস্তিতে পৰিশোধ কৰিব লাগে (Issue of Debentures at a premium and full consideration in cash is payable in single instalment on application)

Journal Entries

নগদ ধনৰ প্রাপ্তিত (On receipt of money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr.		(Money received)	
	To Debentures A/c			(Nominal value)
	To Securities Premium A/c			(Amount of premium)

(iii) ঊনহাৰত ঋণপত্র বিলিকৰণ আৰু প্রতিদান মূল্য নগদ টকাত আবেদনৰ লগত এটা কিস্তিতে পৰিশোধ কৰিব লাগে (Issue of Debentures at a discount and cash is payable in single instalment on application)

Journal Entries

নগদ ধনৰ প্রাপ্তিত (On receipt of money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr.		(money received)	
	Discount on Issue of Debentures A/c Dr.		(amount of discount)	
	To Debentures A/c			(nominal value)

(খ) (i) ঋণপত্রৰ প্রতিদান মূল্য বিভিন্ন কিস্তিত পৰিশোধ কৰিব লাগে (Full consideration in cash is payable in instalments)

১। আবেদনৰ ধন প্রাপ্তিত (On receipt of application money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr.		(application money received)	
	To Debentures Application A/c			(application money received)

২। আবণ্টনত (On Allotment)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures Application A/c Dr.		(application money)	
	To Debentures A/c			(application money)

৩। আবণ্টৰ ধন দেয় কৰোঁতে (On making allotment money due)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures Allotment A/c Dr.		(allotment money due)	
	To Debentures A/c			(Allotment money due)

৪। আবণ্টনৰ ধন প্ৰাপ্তিত (On receipt of allotment money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr.		(Allotment money received)	
	To Debentures Allotment A/c			(Allotment money received)

৫। তলবৰ ধন দেয় কৰোঁতে (On making call money due)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debenture Call A/c Dr		(Call money due	
	To Debentures A/c			(Call money due)

৬। তলবৰ ধন আদায় পাওঁতে (On receipt of call money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr		(call money received)	
	To Debentures Call A/c			(call money received)

(খ) (ii) অধিহাৰত ঋণপত্ৰ বিলি আৰু প্ৰতিদানমূল্যৰ নগদ টকা বিভিন্ন কিস্তিত পৰিশোধ কৰিব লাগে (Issue of Debentures at a premium and full consideration in cash is payable in instalments) :

যদি ঋণপত্ৰসমূহ অধিহাৰত বিলি কৰা হয় আৰু সম্পূৰ্ণ প্ৰতিদানমূল্য নগদ টকাত বিভিন্ন কিস্তিত পৰিশোধ কৰিব লাগে, তেতিয়া ঋণপত্ৰৰ অধিহাৰ সাধাৰণতে আবণ্টনৰ ধনৰ লগত সংগ্ৰহ কৰা হয়। এই ক্ষেত্ৰত আবণ্টনৰ দেয় ধন তলবৰ সময়ত লিপিবদ্ধ কৰা জাবেদা

প্ৰৰিষ্টি তলত দেখুওৱা হ'ল।

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures Allotment A/c Dr		(Total money due)	
	To Debentures A/c			(Allotment money due)
	To Securities Premium A/c			(Premium money due)

(খ) (iii) ঊনহাৰ বা বাট্টাত ঋণপত্ৰ বিলি আৰু প্ৰতিদান মূল্য নগদ টকাত বিভিন্ন কিস্তিত পৰিশোধ কৰিব লাগে (Issue of Debentures at a discount and consideration in cash is payable in instalments) :

যদি ঋণপত্ৰ বাট্টাত বিলি কৰা হয় আৰু প্ৰতিদানমূল্য নগদ টকাত বিভিন্ন কিস্তিৰ জৰিয়তে পৰিশোধ কৰিব লাগে, তেতিয়া তেনে বাট্টা সাধাৰণতে আবণ্টনত অনুমোদন কৰা হয়। এইক্ষেত্ৰত আবণ্টনৰ ধন দেয় কৰোতে লিপিবদ্ধ কৰা জাবেদা প্ৰৰিষ্টি তলত দেখুওৱা হ'ল।

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures Allotment A/c Dr.		(allotment money due)	
	Discount on Issue of Debentures A/c Dr.		(amount of discount)	
	To Debentures A/c			(total amount)



উদাহৰণ ২

ডানলপ লিমিটেডে 100 টকীয়া 1,000 8% ঋণপত্ৰ 10% অধিহাৰত বিলি কৰিবৰ বাবে জনসাধাৰণৰ পৰা আবেদন আহ্বান কৰিলে। ঋণপত্ৰৰ ধন আবেদনৰ লগত 30 টকা, অধিহাৰসহ আবণ্টনত 40 টকা আৰু বাকীখিনি প্ৰথম আৰু চূড়ান্ত তলবত আদায় দিব লাগে। সকলোখিনি ঋণপত্ৰ জনসাধাৰণে গ্ৰহণ কৰিলে আৰু সকলোবোৰ কিস্তি আদায় দিলে।

ডানলপ লিমিটেডৰ বহীত জাবেদা প্ৰৰিষ্টিসমূহ লিপিবদ্ধ কৰক।

সমাধান ঃ

In the books of Dunlop Ltd.

Journal Entries

১। আবেদনৰ ধন আদায় পাওঁতে (On receipt of application money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr.		30,000	
	To Debentures Application A/c			30,000
	(Being the debenture application money received on 1000 debentures of Rs. 100 each @ Rs.30 per debenture)			

২। আবণ্টনত (On Allotment)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures Application A/c Dr.		30,000	
	To 8% Debentures A/c			30,000
	(Being transfer of debenture application money on 1,000 debentures of Rs. 100 each @ Rs.30 per debenture to 8% Debentures A/c as per Board's Resolution No..... dated .....)			

৩। আবণ্টনৰ ধন দেয় কৰোঁতে (On making allotment money due)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures Allotment A/c Dr.		40,000	
	To 8% Debentures A/c			30,000
	To Securities Premium A/c			10,000
	(Being the allotment money on 1,000, 8% debenture @ Rs. 100 per debenture including premium of Rs. 10 each made due as per Board's Resolution No...dated ...)			

৪। আবণ্টনৰ ধন আদায় পাওঁতে (On receipt of allotment money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr.		40,000	
	To Debentures Allotment A/c			40,000
	(Being allotment money on 1000, 8% debentures @ Rs.40 per debenture including premium of Rs. 10 each received.)			

৫। তলবৰ ধন দেয় কৰোঁতে (On making call money due)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures First and Final Call A/c Dr. To 8% Debentures A/c (Being the call money on 1000, 8% debentures @ Rs.40 per debenture made due as per Board's Resolution No..... dated .....)		40,000	40,000

৬। তলবৰ ধন আদায় পাওঁতে (On receipt of call money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Debentures First and Final Call A/c (Being the first and final call money on 1,000, 8% Debentures @ Rs. 40 per debenture received)		40,000	40,000



উদাহৰণ ৩

অসম লিমিটেডে 100 টকীয়া 1,000 8% ঋণপত্ৰ 10% বাট্টাত বিলি কৰিবৰ বাবে জনসাধাৰণৰ পৰা আবেদন আহ্বান কৰিলে। ঋণপত্ৰৰ ধন আবেদনৰ লগত 30 টকা, বাট্টা বাদ দিয়াৰ পিছত আবণ্টনত 30 টকা আৰু বাকী ধন প্ৰথম আৰু চূড়ান্ত তলবত আদায় দিব লাগে।

সকলোখিনি ঋণপত্ৰ জনসাধাৰণে গ্ৰহণ কৰিলে আৰু সকলোবোৰ কিস্তি আদায় পোৱা হ'ল। অসম লিমিটেডৰ বহীত জাবেদা প্ৰৰিষ্টিসমূহ লিপিবদ্ধ কৰক।

সমাধান ঃ

In the books of Assam Ltd.

১। আবেদনৰ ধন আদায় পাওঁতে (On receipt of application money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Debentures Application A/c (Being the debenture application money received on 1000 debentures of Rs. 100 each @ Rs.30 per debenture)		30,000	30,000

২। আবণ্টনত (On Allotment)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures Application A/c Dr. To 8% Debentures A/c (Being transfer of debenture application		30,000	30,000

	money on 1000 debentures of Rs. 100 each @ Rs.30 per debenture to 8% Debentures A/c as per Board's Resolution No..... dated .....)			

৩। আবণ্টনৰ ধন দেয় কৰোঁতে (On making allotment money due)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures Allotment A/c Dr. Discount on Issue of Debentures A/c Dr. To 8% Debentures A/c (Being the debenture allotment money on 1000 debentures of Rs.100 each @ Rs. 30 per debenture excluding discount of Rs. 10 each made due as per Board's Resolution No..... dated .....)		30,000 10,000	 40,000

৪। আবণ্টনৰ ধন আদায় পাওঁতে (On receipt of allotment money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Debentures Allotment A/c (Being allotment money on 1,000, 8% debentures @ Rs.30 per debenture after discount of Rs. 10 each r eceived.)		30,000	 30,000

৫। তলবৰ ধন দেয় কৰোঁতে (On making call money due)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Debentures First and Final Call A/c Dr. To 8% Debentures A/c (Being the first call money on1,000, 8% debentures @ Rs.30 per debenture made due as per Board's Resolution No..... dated .....)		30,000	 30,000

৬। তলবৰ ধন আদায় পাওঁতে (On receipt of call money)

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Debentures First and Final Call A/c (Being the first and final call money on 1,000, 8% Debentures @ Rs. 30 per debenture received)		30,000	 30,000

৫.৮ নগদ ধনৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত ঋণপত্রৰ বিলিকৰণ (ISSUE OF DEBENTURES FOR CONSIDERATION OTHER THAN CASH)

নগদ ধনৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত ঋণপত্র বিলি বুলিলে কোম্পানীয়ে ঋণপত্র আবণ্টন নগদ টকাৰ সলনি আন প্রাপ্ত সুবিধাৰ বিনিময়ত কৰা বুজায়। যেতিয়া এটা কোম্পানীয়ে বিক্রেতাৰ পৰা কিছুমান সম্পত্তি কিনে তেতিয়া বিক্রেতাক ক্রয় মূল্য পৰিশোধ নগদ ধনৰ সলনি কোম্পানীয়ে ঋণপত্র আবণ্টন কৰি নিষ্পত্তি কৰিব পাৰে। বিক্রেতালৈ বিলি কৰা এনে ঋণপত্রক নগদ ধনৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত ঋণপত্র বিলি বোলা হয়।

কোম্পানীৰ হিচাপৰ বহীত এই সংক্রান্তত নিম্নলিখিত জাবেদা প্রৱিষ্টিসমূহ লিপিবদ্ধ কৰা হয়।

১। সম্পত্তি গ্রহণ কৰোঁতে (For assets taken over) :

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Sundry Assets A/c Dr. To Vendor (Being various assets taken over)			

২। ঋণপত্র বিলি কৰোঁতে (For issue of Debenture) :

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Vendor Dr. To Debentures A/c (Being the issue of .... debentures of Rs. .... each in discharge of the purchase consideration.)			



উদাহৰণ ৪

2009 চনৰ 1 এপ্রিল তাৰিখত গামা লিমিটেডে মেচার্চ চামা এণ্ড কোম্পানীৰ পৰা নিম্নলিখিত সম্পত্তিসমূহ কিনিলে।

আচবাব পত্র (Furniture) 10,000 টকা

মজুত পণ্য (Stock) 50,000 টকা

যন্ত্রপাতি (Machinery) 60,000 টকা

উক্ত সম্পত্তিসমূহৰ ক্রয় মূল্য প্রয়োজনীয় সংখ্যক 100 টকীয়া 8% ঋণপত্র সমমূল্যত বিলি কৰি নিষ্পত্তি কৰা হ'ল। জাবেদা প্রৱিষ্টিসমূহ লিপিবদ্ধ কৰক।

সমাধান ঃ

সম্পত্তিৰ মুঠ মূল্য (Total value of Assets) = Rs. (10,000 + 50,000 + 60,000) = Rs. 1,20,000

100 টকীয়া ঋণপত্ৰ বিলি কৰা সংখ্যা (No. of Debentures issued) = Rs.1,20,000 ÷ Rs.100 = 1200

In the books of Gamma Ltd.

Journal Entries

১। সম্পত্তি গ্ৰহণ কৰোঁতে (For Assets taken over) :

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Furniture A/c Dr.		10.000	
	Stock A/c Dr.		50,000	
	Machinery A/c Dr.		60,000	
	To M/S Samma & Co.			1,20,000
	(Being purchase of various assets from M/S Samma &Co.			

২। ঋণপত্ৰ বিলি কৰোঁতে (For issue of Debentures) :

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	M/S Samma & Co. Dr.		1,20,000	
	To 8% Debentures A/c			1,20,000
	(Being the issue of 1,200 debentures of Rs. 100 each to M/S Samma & Co. in discharge of the purchase consideration)			



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ নগদ টকাৰ বাহিৰে আন প্ৰতিদানৰ বিনিময়ত বিলি কৰা ঋণপত্ৰৰ অৰ্থ ব্যাখ্যা কৰক।

.....

.....

.....



৫.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো—

- কোম্পানীয়ে ঋণপত্ৰ বিলি কৰি পুঁজি সংগ্ৰহ কৰিব পাৰে।
- ঋণপত্ৰ হৈছে ধাৰৰ বিজ্ঞপ্তি পত্ৰ।

- ঋণপত্রৰ বৈশিষ্ট্যসমূহ, যেনে— ইয়াৰ লিখিত মূল্য পূর্ব নির্ধাৰিত, ইয়াক কোম্পানীৰ সাধাৰণ চিলমোহৰ মাৰি বিলি কৰা হয়, ইত্যাদি।
- ঋণপত্র বিভিন্ন প্রকাৰ প্রতিভূতিৰ, স্থায়িত্ব, হস্তান্তৰযোগ্যতা, ৰূপান্তৰযোগ্যতা আৰু অগ্রাধিকাৰ ভিত্তিত শ্রেণীবিভাগ কৰা হয়।
- অংশ আৰু ঋণপত্রৰ মাজত থকা পার্থক্যসমূহ।
- ঋণপত্র বিলিৰ মূল্যৰ দৃষ্টিকোণৰ পৰা ঋণপত্রসমূহ সমমূল্যত বা অধিহাৰত বা বাট্টাত বিলি কৰিব পাৰে।
- প্রতিদানৰ দৃষ্টিকোণৰ পৰা ঋণপত্রসমূহ নগদ টকাত বা নগদ টকাৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত বিলি কৰিব পাৰে।
- ঋণপত্র বিলিৰ হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী।



৫.১০ অধিক জানিবলৈ (FURTHER READING)

1) Dam, B. B & Gautam H. C. (2008). Corporate Accounting : for B. Com part II(new course) of Gauhati University. Guwahati, Capital Publishing Company.

2) Maheshwari, S. N. & Maheshwari, S. K (2009). Corporate accounting. New Delhi, Vikas Publishing House Pvt. Ltd.

3) Mukherjee A. & Hanif M (2006). Corporate accounting. New Delhi,Tata McGraw- Hill Publishing Company.



৫.১১ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ ঋণপত্র হৈছে কোম্পানীৰ চিলমোহৰৰ অধীনত কোম্পানীৰ দ্বাৰা লোৱা ঋণৰ এক লিখিত স্বীকৃতি পত্র। এই পত্রত প্রতিশ্রুতি দিয়া হয় যে কোম্পানীয়ে নির্দিষ্ট সময়ৰ পিছত উক্ত ঋণ পৰিশোধ কৰিব আৰু নিয়মীয়া সময়ৰ অন্তৰত নির্ধাৰিত সুতো আদায় দি থাকিব।

২ নং প্রশ্নৰ উত্তৰঃ (১) ঋণপত্র হৈছে ধাৰৰ এক লিখিত বিজ্ঞপ্তি পত্র।

(২) ইয়াৰ লিখিত মূল্য পূর্বনির্ধাৰিত।

(৩) ইয়াক কোম্পানীৰ সাধাৰণ চিলমোহৰৰ অধীনত বিলি কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰঃ ৰূপান্তৰযোগ্য ঋণপত্র হৈছে সেইবোৰ ঋণপত্র যিবোৰৰ ধাৰকক ঋণপত্র বিলিৰ চর্ত অনুসৰি এক নির্দিষ্ট সময়ৰ অন্তত ধাৰণ কৰা ঋণপত্রসমূহ অংশ অথবা নতুন

ঋণপত্রলৈ ৰূপান্তৰ কৰিবলৈ অধিকাৰ দিয়া হয়। এনে ঋণপত্রসমূহ সম্পূৰ্ণকৈ ৰূপান্তৰযোগ্য হ'লে তাক সম্পূৰ্ণকৈ ৰূপান্তৰযোগ্য ঋণপত্র বোলা হয় আৰু আংশিকভাৱে ৰূপান্তৰযোগ্য হ'লে তাক আংশিক ৰূপান্তৰযোগ্য ঋণপত্র বোলা হয়। ভাৰতবৰ্ষৰ প্রতিভূতি আৰু বিনিময় বোৰ্ডৰ (SEBI) নির্দেশাৱলী অনুসৰি ৰূপান্তৰযোগ্য ঋণপত্রসমূহ বিলি কৰা তাৰিখৰ পৰা ৩৬ মাহৰ ভিতৰত ৰূপান্তৰ কৰিব লাগিব।

৪ নং প্রশ্নৰ উত্তৰঃ নগদ ধনৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত ঋণপত্র বিলি বুলিলে কোম্পানীয়ে ঋণপত্রৰ আবণ্টন নগদ টকাৰ সলনি আন প্রাপ্ত সুবিধাৰ বিনিময়ত কৰা বুজায়। যেতিয়া এটা কোম্পানীয়ে বিক্রেতাৰ পৰা কিছুমান সম্পত্তি কিনে তেতিয়া বিক্রেতাক ক্রয় মূল্য পৰিশোধ নগদ ধনৰ সলনি কোম্পানীয়ে ঋণপত্র আবণ্টন কৰি নিষ্পত্তি কৰিব পাৰে। বিক্রেতালৈ বিলি কৰা এনে ঋণপত্রক নগদ ধনৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত ঋণপত্র বিলি বোলা হয়।



৫.১২ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ শুদ্ধ নে অশুদ্ধ লিখক ঃ

(ক) ঋণপত্র ধাৰকসকল হৈছে কোম্পানীৰ বিত্তৰ যোগান ধৰোঁতা।

(খ) অপৰিশোধযোগ্য ঋণপত্র কেতিয়াও বিলি কৰিব নোৱাৰি।

(গ) ৰূপান্তৰযোগ্য ঋণপত্রসমূহ কোম্পানীৰ সুবিধা অনুসৰি ৰূপান্তৰ কৰিব পাৰি।

প্রশ্ন ২ঃ নিম্নলিখিত বিবৃতিসমূহ ব্যাখ্যা কৰক ঃ

(ক) ঋণপত্রসমূহ মূলধনৰ পৰা পৰিশোধ কৰিব পাৰি।

(খ) ঋণপত্রসমূহ নগদ ধনৰ বাহিৰে আন প্রতিদানৰ বিনিময়ত বিলি কৰিব নোৱাৰি।

প্রশ্ন ৩ঃ ঋণপত্রৰ অর্থ আৰু ইয়াৰ বিভিন্ন প্রকাৰসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ এজন অংশধাৰক আৰু ঋণপত্রধাৰকৰ মাজৰ পার্থক্যসমূহ উল্লেখ কৰক।

প্রশ্ন ৫ঃ ঋণপত্র বিলি কৰা প্রণালীসমূহ আলোচনা কৰক।

প্রশ্ন ৬ঃ বিভিন্ন পৰিস্থিতিত ঋণপত্র বিলি কৰোঁতে উদ্ভৰ হোৱা জাবেদা প্রৰিষ্টিসমূহ দিয়ক।

প্রশ্ন ৭ঃ চমুটোকা লিখক ঃ

(ক) ৰূপান্তৰযোগ্য ঋণপত্র।

(খ) পৰিশোধযোগ্য ঋণপত্র।

প্রশ্ন ৮ঃ নিম্নলিখিত বিলিসমূহ আপুনি কেনেকৈ হিচাপৰ বহীত লিপিবদ্ধ কৰিব তাক জাবেদা প্রৰিষ্টিৰ জড়িয়তে দেখুৱাওক ঃ

(ক) H লিমিটেডে 100 টকীয়া 5,000, 9% ঋণপত্র 5% অধিহাৰত বিলি কৰে।

(খ) X লিমিটেডে 100 টকীয়া 6,000, 8% ঋণপত্র 5% বাট্টাত বিলি কৰে।

(গ) R লিমিটেডে 100 টকীয়া 8,000, 12% ঋণপত্র সমমূল্যত বিলি কৰে।

প্রশ্ন ৯ঃ ফেয়াৰ দিল লিমিটেডে 100 টকীয়া 2000, 10% ঋণপত্র 10% বাট্টাত বিলি কৰিবৰ বাবে জনসাধাৰণৰ পৰা আবেদন আহ্বান কৰিলে। ঋণপত্রৰ ধন 2004 চনৰ 1 মে' তাৰিখত আবেদনৰ লগত 30 টকা, 2004 চনৰ 1 জুন তাৰিখত বাট্টা বাদ দি আবণ্টনত 30 টকা আৰু বাকীখিনি 2004 চনৰ 1 জুলাই তাৰিখত প্রথম আৰু চূড়ান্ত তলবৰ লগত আদায় দিব লাগে। সকলোবোৰ ঋণপত্র জনসাধাৰণে কিনিলে। ঋণপত্রৰ ধনসমূহ সম্পূর্ণকৈ তলব কৰা হ'ল আৰু আদায়ো পোৱা হ'ল।

জাবেদা প্রৰিষ্টিসমূহ দিয়ক আৰু কোম্পানীৰ আৰম্ভণি উদ্বৃত্ত পত্রখনো প্রস্তুত কৰক।

প্রশ্ন ১০ঃ গল্‌ফ ইণ্ডিয়া লিমিটেডে 100 টকীয়া 15,000, 10% ঋণপত্র বিলি কৰিলে। ঋণপত্রসমূহৰ ধন আবেদনৰ লগত সম্পূর্ণকৈ আদায় দিব লাগে আৰু জনসাধাৰণে সকলোবোৰ ঋণপত্র কিনিলে। কোম্পানীৰ বহীত নিম্নলিখিত পৰিস্থিতিৰ অধীনত ঋণপত্র বিলি সংক্রান্তত উদ্ভৰ হোৱা জাবেদা প্রৰিষ্টিসমূহ দেখুৱাওক ঃ

(ক) যদি ঋণপত্রসমূহ সমমূল্যত বিলি কৰা হয়।

(খ) যদি ঋণপত্রসমূহ 6% বাট্টাত বিলি কৰা হয়।

(গ) যদি ঋণপত্রসমূহ 4% অধিহাৰত বিলি কৰা হয়।

*** ***** ***

অধ্যায় ৬ঃ ঋণপত্রৰ পৰিশোধ (REDEMPTION OF DEBENTURES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

৬.১ উদ্দেশ্য (Learning Objectives)

৬.২ পৰিচয় (Introduction)

৬.৩ ঋণপত্রৰ পৰিশোধৰ অর্থ (Meaning of Redemption of Debentures)

৬.৪ ঋণপত্র পৰিশোধ পুঁজি (Debenture Redemption Reserve)

- ৬.৪.১ ঋণপত্র পৰিশোধ পুঁজি বিনিয়োগ (Debenture Redemption Reserve Investment)
- ৬.৪.২ ঋণপত্র পৰিশোধ পুঁজিত উদ্বৃত্ত (Balance in Debenture Redemption Reserve)
- ৬.৪.৩ জাৱেদা প্রবৃষ্টি (Journal Entries)

৬.৫ ঋণপত্রৰ পৰিশোধৰ পদ্ধতি (Methods of Redemption of Debentures)

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

৬.৭ অধিক জানিবলৈ (Further Reading)

৬.৮ অগ্রগতিৰ খতিয়ান (Answers to Check Your Progress)

৬.৯ আৰ্হি প্রশ্ন (Model Questions)

৬.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঋণপত্রৰ পৰিশোধৰ অর্থ জানিবলৈ সক্ষম হ'ব
- ঋণপত্রৰ পৰিশোধৰ বিধি সম্বন্ধীয় অৱস্থাৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব
- ঋণপত্র পৰিশোধ পুঁজিৰ হিচাপ বহলাবলৈ সক্ষম হ'ব
- ঋণপত্রৰ পৰিশোধৰ বিভিন্ন পদ্ধতিসমূহক জানিবলৈ সক্ষম হ'ব
- ঋণপত্রৰ পৰিশোধৰ বাবে হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

৬.২ পৰিচয় (INTRODUCTION)

আমাৰ আগৰ অধ্যায়টোত আমি ঋণপত্রৰ অর্থ, প্রকাৰ আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰিছো। আমি ঋণপত্রৰ বিলিকৰণৰ পদ্ধতিসমূহ আৰু ঋণপত্র বিলিকৰণৰ সময়ৰ গণনা আচৰণ শিকিছো। এতিয়া, এই অধ্যায়টোত আমি আকৌ ঋণপত্রৰ বিষয়ে আৰু অলপ আলোচনা কৰিম। আমি ঋণপত্রৰ পৰিশোধ, পৰিশোধৰ পদ্ধতিসমূহ আৰু ঋণপত্র পৰিশোধৰ বিত্তৰ উৎসসমূহ

আলোচনা কৰিম। তাৰ উপৰি আমি ঋণপত্র পৰিশোধৰ বিধিসম্বন্ধীয় আয়োজনবোৰ আলোচনা কৰিম। আমি অন্তত ঋণপত্র পৰিশোধৰ গণনা আচৰণবোৰ আলোচনা কৰিম।

৬.৩ ঋণপত্র পৰিশোধৰ অর্থ (MEANING AND REDEMPTION OF DEBENTURES)

ঋণপত্রৰ পৰিশোধ মানে কোম্পানীৰ দ্বাৰা বিলি কৰা ঋণপত্রৰ মূল্যৰ পৰিশোধ। ঋণপত্র পৰিশোধে এটা কোম্পানীৰ দেনাবোৰৰ পৰা হোৱা বুজায়। কোম্পানী আইন, 2013 ৰ 71 (1) ধাৰা অনুসৰি কোম্পানীয়ে ঋণপত্রবোৰ বিলিকৰণ কৰে। পৰিশোধৰ সময়ত সম্পূর্ণ বা আংশিকভাৱে অংশপত্রলৈ পৰিৱর্তন কৰিব পৰা বিকল্পৰ এটা কোম্পানীয়ে নিজৰ বিলি কৰিব পাৰে যদিহে তেনে বিলিকৰণ বিশেষ প্রস্তাৱৰ যোগেদি অনুমোদন কৰা হৈছে। Companies (Share Capital and Debentures) 2014 ৰ বিধি 18 মতে, কোম্পানীয়ে নিৰাপদ ঋণপত্রবোৰ বিলিকৰণ কৰিব নোৱাৰে। যেতিয়ালৈকে কোম্পানীয়ে তলত দিয়া চর্তসমূহৰ অনুযায়ী নিৰাপদ ঋণপত্রৰ বিলিকৰণ কৰিব পৰা যাব যদিও পৰিশোধৰ সময়ত বিলিকৰণৰ সময়ৰ পৰা ১০ বছৰতকৈ অধিক নহয়। যদিহে এটা কোম্পানী বুনিয়াদী আঁচনি কার্যত জড়িত থাকে তেতিয়া সেই কোম্পানীয়ে নিৰাপদ ঋণপত্র ১০ বছৰতকৈ অধিক কিন্তু ৩০ বছৰতকৈ কম সময়ৰ বাবে বিলি কৰিব পাৰে। এতেকে নিৰাপদ ঋণপত্রৰ বাবে পৰিশোধৰ সময় বিলিকৰণৰ ১০ বছৰৰ পৰা অধিক নহয় আৰু অকল বুনিয়াদী আঁচনি কার্যত জড়িত এটা কোম্পানীৰ নিৰাপদ ঋণপত্রৰ পৰিশোধৰ সময় ৩০ বছৰলৈকে থাকে।

ওপৰৰ আলোচনাৰ দ্বাৰা আমি গম পালো যে, কোম্পানীৰ দ্বাৰা বিলি কৰা ঋণপত্রবোৰ এটা নির্দিষ্ট সময়ৰ পাছত পৰিশোধ কৰিব পৰা যায় বা বিলি কৰাৰ পাছত এটি নিশ্চিত বছৰত।

৬.৪ ঋণপত্রৰ পৰিশোধ পুঁজি (DEBENTURE REDEMPTION RESERVE)

ধাৰা 71(4) অনুসৰি কোম্পানীয়ে যেতিয়া ঋণপত্র বিলি কৰিবলগীয়া লাভৰ পৰা অংশ পৰিশোধ এটি ঋণপত্র পৰিশোধ পুঁজিৰ হিচাপে তৈয়াৰ কৰিব আৰু তেনে হিচাপত ক্রেডিত কৰা কোম্পানীৰ মূল্য ঋণ পত্রৰ পৰিশোধৰ বাহিৰে অনা কোনো কামত ব্যৱহাৰ কৰা নহ'ব। এনেধৰণৰ আয়োজনে কোম্পানীৰ ঋণপত্রৰ পৰিশোধৰ বাবে পর্যাপ্ত নিধি পুঁজিৰ নিশ্চিত কৰে। ঋণপত্রৰ পৰিশোধৰ বাবে Companies (Share Capital and Debentures) Rules, 2014 ৰ বিধি 18(7) এ বিহিত কৰা ঋণপত্র পৰিশোধ পুঁজিৰ উদ্ভাৱনৰ নিম্নলিখিত চর্তসমূহ বিবেচিত কৰিছে—

(ক) ঋণপত্র পৰিশোধ পুঁজি লাভাংশ পৰিশোধৰ বাবে উপলব্ধ কৰা লাভৰ পৰা উদ্ভাৱন কৰা হ'ব।

(খ) নিম্নলিখিত চর্তসমূহৰ অনুসৰি কোম্পানীয়ে ঋণপত্র পৰিশোধ পুঁজি (DRR) উদ্ভাৱন কৰিব।

(১) ভাৰতীয় ৰিজার্ভ বেংক আৰু বেংকিং কোম্পানীবোৰে (Banking Companies) নিয়ন্ত্রণ কৰা All India Financial Institutions (AIFIs) বিলি কৰা দুয়ো ৰাজহুৱা লগতে ব্যক্তিগত ঋণপত্রৰ বাবে DRR ৰ প্রয়োজন নথি। কোম্পানী আইন 2013 ৰ ধাৰা 2(72) ৰ মতে আন বিত্তীয় সংস্থাপনৰ (Financial Institution) বাবে ঋণপত্র পৰিশোধ পুঁজি প্রযোজ্য হয়। ভাৰতীয় ৰিজার্ভ বেংকৰ (RBI) লগত পঞ্জীভুক্ত থকা NBFC বোৰৰ বাবে DRR প্রযোজ্য হয়।

(২) ভাৰতীয় ৰিজার্ভ বেংকৰ আইন ১৯৯৭'ৰ ধাৰা 45-IA মতে পঞ্জীভুক্ত হোৱা NBFC বোৰৰ বাবে DRR ৰ পর্যাপ্ততা বর্তমান SEBI (Issue and Listing of Debt Securities) Regulations 2008 অনুযায়ী ৰাজহুৱাভাৱে বিলি কৰা ঋণপত্রৰ মূল্যৰ 25 শতাংশ থাকিব আৰু ব্যক্তিগতভাৱে বিলি কৰা ঋণপত্রৰ বাবে DRR প্রযোজ্য নহয়।

(৩) নির্মাণ কার্য আৰু বুনিয়াদী সংৰচনাত জড়িত কোম্পানীবোৰৰ বাবে ঋণপত্র পৰিশোধ পর্যাপ্ততা পুঁজিৰ ৰাজহুৱাভাৱে বিলিকৰণ হোৱা ঋণপত্রৰ মূল্যৰ ২৫% থাকিব আৰু তালিকাভুক্ত কোম্পানীবোৰে বিলি কৰা ঋণপত্রৰ বাবেও 25 শতাংশ DRR ৰ লাগিব। তালিকাভুক্ত নথকা কোম্পানীবোৰৰ বাবে DRR ঋণপত্রৰ মূল্যৰ 25 শতাংশ থাকিব।

(গ) প্রত্যেক বছৰে, সকলো কোম্পানীয়ে এপ্রিলৰ ৩০ দিনৰ ভিতৰত বা তাৰ আগত ঋণপত্র পৰিশোধ পুঁজি সৃষ্টি কৰিব লাগে আৰু পৰৱর্তী বছৰৰ শেষত ৩১ মার্চত পৰিণত হ'ব লগীয়া ঋণপত্রৰ মূল্যৰ ১৫ শতাংশ বিনিয়োগ বা জমা কৰা হ'ব। যিকোনো এটা বা অধিক নিম্নলিখিত পদ্ধতিৰ যোগেদি।

(১) যিকোনো অনুসূচীত বেংকত জমা ৰাখি, কোনো ধৰণৰ ভাৰ বা গ্রহণাধিকাৰ নথকা।

(২) কেন্দ্রীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ ভাৰমুক্ত প্রতিভূতিত।

(৩) Indian Trusts আইন, ১৮৮২ৰ ধাৰা 20 (a), 20 (b), 20 (c), 20 (d) আৰু আৰু 20 (ee) ত উল্লেখ কৰা ভাৰমুক্ত প্রতিভূতিত।

(৪) Indian Trusts Act, 1882 ৰ ধাৰা 20 (f) ত বিজ্ঞাপিত যিকোনো অন্য কোম্পানীয়ে বিলি কৰা

(৫) ওপৰত দিয়া পদ্ধতিৰে বিনিয়োগ বা জমাৰ মুঠ পৰিমাণ ঋণপত্রৰ পৰিশোধৰ বাহিৰে অন্য কোনো ধৰণৰ কামৰ বাবে ব্যৱহাৰ কৰা নহ'ব আৰু বিনিয়োগ বা জমাৰ থাকি যোৱা পৰিমাণ কোনো সময়তে বছৰৰ শেষত পৰিণত হ'ব লগীয়া ঋণপত্রৰ মূল্যৰ ১৫ শতাংশতকৈ কম হ'ব নালাগে।

(ঘ) আংশিকভাৱে পৰিৱর্তনীয় ঋণপত্রৰ ক্ষেত্রত, ঋণপত্র পৰিশোধ পুঁজি ঋণপত্রৰ অপৰিৱর্তনীয় অংশৰ বাবে উদ্ভাৱন কৰা হ'ব।

(ঙ) ঋণপত্র পৰিশোধ পুঁজিত জমা হোৱা মূল্যবোৰ ঋণপত্র পৰিশোধৰ বাহিৰে কোম্পানীৰ কোনো অন্য কামৰ বাবে ব্যৱহাৰ কৰা নহয়।

৬.৪.১ ঋণপত্র পৰিশোধ পুঁজি বিনিয়োগ (Debenture Redemption Reserve Investment)

ঋণপত্র পৰিশোধ প্রতিবন্ধত জমা কৰা টকাবোৰ, এটা কোম্পানী বা চৰকাৰী ঋণপত্র বা অনুসূচীত বেংকত বিনিময় কৰা হয় আৰু সেই বিনিময়ক ঋণপত্র পৰিশোধ পুঁজি বিনিয়োগ বুলি কোৱা হয়। এই বিনিয়োগৰ পৰা উপার্জন কৰা লাভ আকৌ একেই লগে বিনিয়োগ কৰা হয় এটা নির্দিষ্ট মূল্যত। ঋণপত্র পৰিশোধ পুঁজি বিনিয়োগৰ পৰা যিকোনো লাভ বা লোকচান হয়, ঋণপত্র পৰিশোধ পুঁজিলৈ হস্তান্তৰ কৰা হয়।

৬.৪.২ ঋণপত্র পৰিশোধ পুঁজিত উদ্বৃত্ত (Balance in Debenture Redemption Reserve)

ঋণপত্র পৰিশোধ পুঁজিৰ জমাৰ তুলনাত পৰিশোধৰ বাবে প্রস্তাৱ কৰা ঋণপত্রৰ পৰিমাণ কেতিয়াবা কম বা বেছি হ'ব পাৰে।

- যদি বেচি হয়, তেন্তে সেই মূল্যটো মূলধন পুঁজিলৈ হস্তান্তৰ কৰা হয়।
- আনহাতে, যদি সেইটো কম হয়, তেতিয়া সেই ঘাটিটো লাভ আৰু লোকচানৰ হিচাপলৈ হস্তান্তৰ কৰি পূৰণ কৰা হয়।

৬.৪.৩ জাৰেদা প্রবৃষ্টি (Journal Entries)

এটা কোম্পানীৰ বহীত দাখিল কৰিব লগীয়া দৰকাৰী জাৰেদা প্রবৃষ্টিবোৰ তলত উল্লেখ কৰা হৈছে—

১) প্রথম বছৰৰ শেষত (At the end of 1st Year)

(a) For setting aside the fixed amount of profit for redemption

Profit and Loss A/c Dr.

To Debenture Redemption Reserve A/c

(b) For investing the amount set aside for redemption

Debenture Redemption Reserve Investment A/c Dr.

To Bank A/c

২) দ্বিতীয় বছৰৰ শেষত আৰু অন্তিম বছৰক বাদ দি বেলেগ বছৰৰ (At the end of second year and subsequent years other than last year)

(a) For receipt of interest on Debenture Redemption Reserve Investments Bank A/c Dr.

To Interest on Debenture Redemption Reserve Investment A/c

(b) For transfer of Interest on Debenture Redemption Reserve Investment (DRRI) to Debenture Redemption Reserve Account Interest on Debenture Redemption Reserve Investment A/c Dr.

To Debenture Redemption Reserve A/c

(c) For setting aside the fixed amount of profit on redemption Profit and Loss A/c

To Debenture Redemption Reserve A/c

(d) For investments of the amount set aside for redemption and the interest earned on DRRI

Debenture Redemption Reserve Investment A/c Dr.

To Bank A/c

৩) অন্তিম সময়ৰ শেষত (At the end of last year)

(a) For receipt of interest

Bank A/c Dr.

To Interest on Debenture Redemption Reserve Investment A/c

(b) For transfer of interest on Debenture Redemption Reserve Investment to Debenture Redemption Reserve Investment A/c

Interest on Debenture Redemption Reserve Investment A/c Dr.

To Debenture Redemption Reserve A/c

(c) For setting aside the fixed amount of profit for redemption Profit and Loss A/c Dr.

To Debenture Redemption Reserve A/c

(d) For encashment of Debenture Redemption Reserve Investments

Bank A/c Dr.

To Debenture Redemption Reserve Investment A/c

(e) For the transfer of Profit/Loss on realisation of Debenture Redemption Reserve Investments

(i) In case of Profit

Debenture Redemption Reserve Investment A/c Dr.

To Debenture Redemption Reserve A/c

OR

(ii) In case of Loss

Debenture Redemption Reserve A/c Dr.

To Debenture Redemption Reserve Investment A/c

(f) For amount due to debentureholders on redemption

Debenture A/c Dr.

To Debentureholder A/c

(g) For payment to debentureholders

Debentureholders A/c Dr.

To Bank A/c



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ঋণপত্র পৰিশোধৰ সংজ্ঞা দিয়ক।

.....

প্রশ্ন নং ২ ঃ ঋণপত্র পৰিশোধ পুঁজি হিচাপ প্রস্তুতি কৰা কাৰণ উল্লেখ কৰক।

.....

৬.৫ ঋণপত্রৰ পৰিশোধৰ পদ্ধতি (METHODS OF REDEMPTION OF DEBENTURES)

পৰিশোধযোগ্য ঋণপত্র পৰিশোধ হয়তো সমান মূল্যত কৰিব পাৰি বা অতিৰিক্ত মূল্যত কৰিব পাৰি আৰু ঋণপত্রৰ পৰিশোধৰ চাৰিটা পদ্ধতি আছে।

সেইবোৰ হ'ল ঃ

১) মোটামুটি পৰিমাণত পৰিশোধ (Payment in lump sum)

বিলিৰ চর্তানুযায়ী ঋণপত্রৰ ম্যাদ পূর্ণ হৈ যোৱাৰ পাছত কোম্পানীয়ে ঋণপত্রদাৰীসকলক মোটামুটি পৰিমাণত ঋণপত্রৰ মূল্য দি ঋণপত্রৰ পৰিশোধ কৰে।

২) কিস্তিত পৰিশোধ (Payment in instalments)

এই পদ্ধতিৰ অন্তর্গত ঋণপত্রৰ এটি বিনির্দিষ্ট অংশৰ পৰিশোধ বিনির্দিষ্ট অন্তৰালত কিস্তিত কৰা হয়।

৩) বজাৰৰ পৰা ঋণপত্রসমূহ ক্রয় কৰা (Purchase of its own Debentures in open market)

এটা কোম্পানীয়ে নিজৰ ঋণপত্রসমূহ ষ্টকৰ যোগেদি বজাৰৰ পৰা ক্রয় কৰা আইনগত অধিকাৰ আছে। যেতিয়া কোম্পানীয়ে নিজৰ ঋণপত্র নিকট বাতিলকৰণৰ বাবে বজাৰৰ পৰা ক্রয় কৰে, সেইটো স্বয়ংক্রিয় পৰিশোধ কৰা বুজায়।

৪) অংশপত্রলৈ পৰিৱর্তন কৰি (By conversion into shares)

এটা কোম্পানীয়ে পৰিৱর্তনীয় ঋণপত্রবোৰ বিলি কৰিব পাৰে বা ঋণপত্র ধাৰকক এটা বিকল্প দিয়া যায় যে তেওঁলোকে নিজৰ ঋণপত্রবোৰ কোম্পানীৰ অংশপত্র বা অগ্রাধিকাৰ অংশপত্রলৈ বদলি কৰিব পাৰে। ঋণপত্রধাৰকক ঋণপত্রবোৰ অংশপত্রলৈ এটা নির্দিষ্ট সময়ত বদলি কৰিবলৈ অধিকাৰ দিয়া হয়। প্রত্যেক ঋণপত্রৰ বাবে এটা নির্দিষ্ট সংখ্যাৰ অংশপত্র প্রস্তাৰ দিয়া হয়। যেতিয়া ঋণপত্রধাৰকে এই বিকল্প অনুশীলন কৰে আৰু কোম্পানীয়ে অংশপত্র বিলি কৰে, এইটোক পৰিৱর্তনৰ যোগেদি পৰিশোধ বুলি বুজা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ঋণপত্র পৰিশোধৰ প্রক্রিয়াসমূহ উল্লেখ কৰা।

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ঋণপত্র পৰিশোধৰ অর্থ
- ঋণপত্র পৰিশোধ সম্পর্কীয় কোম্পানী আইন (Companies Act) 2013 ৰ বিভিন্ন আয়োজন।
- ঋণপত্র পৰিশোধ পুঁজিৰ সৃষ্টি, সাব্যস্তকৰণ আৰু গণনা আচৰণ।
- ঋণপত্র পৰিশোধ প্রণালীসমূহ হ'ল—
  ১) মোটামুটি পৰিমাণত পৰিশোধ কৰা।
  ২) কিস্তিৰ পৰিশোধ কৰা।

৩) বজাৰৰ পৰা নিজৰ ঋণপত্রসমূহ ক্রয় কৰা।

৪) অংশপত্রলৈ পৰিৱর্তন কৰি।



৬.৭ অধিক জানিবলৈ (FURTHER READING)

১) Advanced Accounting 2 Corporate Accounting by Dr. A Sehgal and Dr. D Sehgal, Taxman.

২) Advanced Accountancy by S N Maheshwari, Vani Educational Books.

৩) Modern Accountancy by Mukherjee and Hanif, Tata Mcgraw.



৬.৮ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰ ঃ ঋণপত্রৰ পৰিশোধ মানে কোম্পানীৰ দ্বাৰা বিলি কৰা ঋণপত্রৰ মূল্যৰ পৰিশোধ। ঋণপত্র পৰিশোধে এটা কোম্পানীৰ দেনাবোৰৰ পৰা হোৱা বুজায়।

২ নং প্রশ্নৰ উত্তৰ ঃ ধাৰা 71(4) অনুসৰি কোম্পানীয়ে যেতিয়া ঋণপত্র বিলি কৰিবলগীয়া লাভৰ পৰা অংশ পৰিশোধ এটি ঋণপত্র পৰিশোধ পুঁজিৰ হিচাপে তৈয়াৰ কৰিব আৰু তেনে হিচাপত ক্রেডিত কৰা কোম্পানীৰ মূল্য ঋণ পত্রৰ পৰিশোধৰ বাহিৰে অন্য কোনো কামত ব্যৱহাৰ কৰা নহ'ব। এনেধৰণৰ আয়োজনে কোম্পানীৰ ঋণপত্রৰ পৰিশোধৰ বাবে পর্যাপ্ত নিধি পুঁজিৰ নিশ্চিত কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ ১) মোটামুটি পৰিমাণত পৰিশোধ কৰা।

২) কিস্তিৰ পৰিশোধ কৰা।

৩) বজাৰৰ পৰা নিজৰ ঋণপত্রসমূহ ক্রয় কৰা।

৪) অংশপত্রলৈ পৰিৱর্তন কৰি।



৬.৯ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ লিখা ঃ

(ক) এজন ঋণপত্রধাৰকে ঋণপত্রৰ মূল্য কোম্পানীৰ অৱসায়নৰ সময়তে ঘূৰাই পাব।

(খ) অপৰিশোধযোগ্য ঋণপত্র বিলি কৰিব নোৱাৰি।

(গ) এটা নির্দিষ্ট সময়ৰ শেষত ঋণপত্রবোৰ মোটামুটি পৰিমাণত পৰিশোধ কৰিব পৰা যায়।

প্রশ্ন ২ ঃ ঋণপত্র পৰিশোধ বুলিলে কি বুজা?

প্রশ্ন ৩ ঃ ঋণপত্র পৰিশোধ পুঁজিৰ বিষয়ে চমুটোকা লিখা।

প্রশ্ন ৪ ঃ এটা কোম্পানীয়ে বজাৰৰ পৰা নিজৰ ঋণপত্র ক্রয় কৰিব পাৰেনে? ব্যাখ্যা কৰা।

প্রশ্ন ৫ ঃ ঋণপত্র পৰিশোধ পুঁজিৰ সৃষ্টি কৰোতে, কোম্পানীৰ বিধান (অংশপত্র মূলধন আৰু ঋণপত্র) ২০১৪ৰ বিধান ১৮ মতে উল্লেখিত বিভিন্ন উপদেশসমূহ ব্যাখ্যা কৰা।

প্রশ্ন ৬ ঃ ঋণপত্র পৰিশোধৰ পদ্ধতিসমূহ ব্যাখ্যা কৰা।

*** ***** ***

অধ্যায় ৭ ঃ অংশ ফিৰৎ ক্রয় (BUY-BACK OF SHARES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

৭.১ উদ্দেশ্য (Learning Objectives)

৭.২ পৰিচয় (Introduction)

৭.৩ অংশ ফিৰৎ ক্রয়ৰ অর্থ (Meaning of Buy-Back of Shares)

৭.৪ অংশ ফিৰৎ ক্রয়ৰ সুবিধা আৰু অসুবিধাসমূহ (Advantages and Disadvantages of Buy-Back of Shares)

৭.৫ অংশ ফিৰৎ ক্রয়ৰ আইনগত ব্যৱস্থাৱলী আৰু পুঁজিৰ উৎসসমূহ (Legal Provisions and Sources of Funds for Buy-Back of Shares)

৭.৬ অংশ ফিৰৎ ক্রয়ৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (Accounting Treatment on Buy-Back of Shares)

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

৭.৮ অধিক জানিবলৈ (Further Readings)

৭.৯ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

৭.১০ আৰ্হি প্রশ্ন (Model Questions)

৭.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অংশ ফিৰৎ ক্রয়ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- অংশ ফিৰৎ ক্রয়ৰ সুবিধা আৰু অসুবিধাসমূহ বর্ণনা কৰিব পাৰিব
- অংশ ফিৰৎ ক্রয়ৰ আইনগত ব্যৱস্থাৱলী পৰীক্ষা কৰিব পাৰিব
- অংশ ফিৰৎ ক্রয়ৰ বাবে পুঁজিৰ উৎসসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অংশ ফিৰৎ ক্রয়ৰ হিচাপ সম্পৰ্কীয় ব্যৱস্থাৱলীৰ ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয় (INTRODUCTION)

প্রথম অধ্যায়ত আমি অংশ বিলি আৰু ক্রয় সন্মতিৰ বিষয়ে আলোচনা কৰিছিলো। আপুনি জানে যে অংশ মূলতঃ দুই প্রকাৰৰ— সমাংশ অংশ আৰু অগ্রাধিকাৰযুক্ত অংশ। সমাংশ অংশৰ ক্ষেত্রত ইহঁত পৰিশোধযোগ্য নহয়, কিন্তু কিছুমান চর্ত পূৰণৰ পৰিপ্রেক্ষিতত ইহঁতক কোম্পানীয়ে ফিৰৎ ক্রয় কৰিব পাৰে। 2013 চনৰ কোম্পানী আইনৰ 68 (1) ধাৰাৰ অন্তর্গত কোম্পানীসমূহৰ নিজৰ অংশ ফিৰৎ ক্রয়ৰ বাবে অনুমতি প্রদান কৰে আৰু সেইটো তেওঁলোকে ক্রয় কৰিব ঃ

১। নিজৰ মুক্ত সঞ্চিত পুঞ্জিসমূহৰ পৰা (Free Reserves); বা

২। প্রতিভূতি অধিহাৰ হিচাপৰ (Securities Premium Accounts) পৰা

৩। কোনো অংশ বা আন কোনো নির্দিষ্ট প্রতিভূতি নতুনকৈ বিলি কৰি পোৱা বিক্রীমূল্যৰ পৰা।

এই অধ্যায়টোত আমি অংশৰ ফিৰৎ ক্রয়ৰ অর্থ, অংশ ফিৰৎ ক্রয়ৰ সুবিধা আৰু অসুবিধাসমূহ, অংশ ফিৰৎ ক্রয়ৰ আইনগত ব্যৱস্থাৱলী, অংশ ফিৰৎ ক্রয়ৰ বাবে পুঁজিৰ উৎস আৰু অংশ ফিৰৎ ক্রয়ৰ লগত জড়িত হিচাপসম্পর্কীয় ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰিম।

৭.৩ অংশ ফিৰৎ ক্রয়ৰ অর্থ (MEANING OF BUY-BACK OF SHARES)

সাধাৰণ অর্থত ফিৰৎ ক্রয় বুলিলে কোনো বস্তু এবাৰ বিক্রী কৰি উক্ত বিক্রী কৰা বস্তুটো পুনৰাই কিনাকে বুজায়। 'অংশ ফিৰৎ ক্রয় (Buy-back of share)' পদটোৰ অর্থ হৈছে অংশসমূহ আগতে বিক্রী কৰা হৈছিল আৰু সেই অংশসমূহক এতিয়া ফিৰৎ ক্রয় কৰা হৈছে। অংশ ফিৰৎ ক্রয় হৈছে অংশৰ পৰিশোধৰ এক বেলেগ প্রকাৰ; কিন্তু ইয়াত পৰিশোধ পদটো ব্যৱহাৰ কৰা নহয়। এইটো এই কাৰণেই যে, সংশ্লিষ্ট নিয়ম অনুসৰি সমাংশ অংশ পৰিশোধ কৰিব নোৱাৰি। গতিকে 'অংশ ফিৰৎ ক্রয়' বুলিলে কোম্পানীৰ সমাংশ অংশ কোম্পানীয়ে নিজেই পুনৰ কিনি লোৱাকে বুজায়।

সাধাৰণতে এটা কোম্পানীয়ে ইয়াৰ ৰাহি হৈ থকা ধনখিনি বেলেগ কোম্পানীৰ অংশ কিনাত বিনিয়োগ কৰিব পাৰে। কিন্তু যদি কোম্পানীৰ ৰাহি ধনসমূহ ইয়াৰ নিজৰ সমাংশ অংশ কিনাত ব্যৱহাৰ কৰে তেনেহ'লে ইয়াক 'অংশ ফিৰৎ ক্রয়' বোলা হয়। এই পদ্ধতিৰ জৰিয়তে কোম্পানীয়ে নিজৰ অংশপত্রিক মূলধনৰ এটা অংশ বাতিল কৰিব পাৰে। কোম্পানী আইনত যদিও এই বিষয়ে কোনো উল্লেখ নাই, অংশ ফিৰৎ ক্রয় বুলিলে সমাংশ অংশৰ ফিৰৎ ক্রয় কৰাকে বুজায়। ই কোম্পানীৰ আদায়ীকৃত অংশপত্রিক মূলধনৰ পৰিমাণ হ্রাস কৰে। অংশ ফিৰৎ ক্রয়ে অনুমোদিত অংশপত্রিক মূলধনৰ ওপৰত কোনো প্রভাৰ নেপেলায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ অংশ ফিৰৎ ক্রয়ৰ অর্থ কি?

.....

.....

৭.৪ অংশ ফিৰৎ ক্রয়ৰ সুবিধা আৰু অসুবিধাসমূহ (ADVANTAGES AND DISADVANTAGES OF BUY-BACK OF SHARES)

এই শাখাটোত আমি অংশ ফিৰৎ ক্রয়ৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে আলোচনা

কৰিম। নিম্নলিখিতসমূহেই হৈছে অংশ ফিৰৎ ক্ৰয়ৰ ঘাই সুবিধা ঃ

- অংশ ফিৰৎ ক্ৰয়ৰ দ্বাৰা কোম্পানীৰ মূলধনৰ পুনৰ গঠন প্ৰণালী সম্ভৱ হয়।
- বেছি হৈ থকা মূলধনৰ পৰিমাণ উপযুক্ত স্তৰলৈ হ্ৰাস কৰিব পাৰি।
- অংশ ফিৰৎ ক্ৰয়ৰ যোগেদি কোম্পানীৰ প্ৰতি অংশৰ অৰ্জন বৃদ্ধি কৰিব পাৰি।
- কোম্পানীয়ে অংশ ফিৰৎ ক্ৰয় ব্যৱহাৰ কৰি অবাঞ্ছনীয় ব্যক্তিৰ দ্বাৰা কোম্পানীক প্ৰতিকূল কৰ্তৃত্ব গ্ৰহণৰ পৰা প্ৰতিৰোধ কৰিব পাৰি।
- ই নিগমকৃত লাভাংশ কৰ দিয়াত পৰিহাৰ কৰে, কিয়নো নগদ সম্পদসমূহ লাভাংশ ঘোষণাৰ পৰিবৰ্তে অংশ ফিৰৎ ক্ৰয় কৰা বাবে ব্যৱহাৰ কৰা হয়।

অংশ ফিৰৎ ক্ৰয়ৰ অসুবিধাসমূহ (Disadvantages of Buy-Back of Shares) :

নিম্নলিখিতসমূহ হৈছে অংশ ফিৰৎ ক্ৰয়ৰ অসুবিধা ঃ

- ইয়াত পৰিচালকসকলে ষ্টকৰ মূল্য নিজৰ উদ্দেশ্যে সুবিধাজনক কৰি লোৱা সম্ভাৱনা থাকে।
- অংশ ফিৰৎ ক্ৰয়ৰ ক্ষেত্ৰত কোম্পানীৰ আভ্যন্তৰীণ ব্যক্তিৰ দ্বাৰা ব্যৱসায় কৰাৰ আশংকা থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ অংশ ফিৰৎ ক্ৰয়ৰ দুটা সুবিধা আৰু দুটা অসুবিধা লিখক।

সুবিধা

১। .....

২। .....

অসুবিধা

১। .....

২। .....



মূলধনৰ পুনৰ গঠন প্ৰণালী (Capital Restructuring) ঃ এটা কোম্পানীৰ মূলধনৰ গঠন প্ৰণালীৰ পৰিবৰ্তন।



আভ্যন্তৰীণ ব্যক্তিৰ দ্বাৰা ব্যৱসায় (Insider Trading) ঃ কোম্পানীৰ লেনদেনৰ বিষয়ে জনসাধাৰণৰ বাবে লভ্য নোহোৱা অথচ তেনে তথ্যৰ বিষয়ে ভালকৈ জনা কোম্পানীৰ কৰ্মচাৰী বা নিকট ব্যক্তিয়ে সেই জ্ঞানৰ আধাৰত কোম্পানীৰ প্ৰতিভূতি কিনা-বেচা কৰা কাৰ্যই হৈছে আভ্যন্তৰীণ ব্যক্তিৰ দ্বাৰা ব্যৱসায়।

৭.৫ অংশ ফিৰৎ ক্ৰয়ৰ আইনগত ব্যৱস্থাৱলী আৰু পুঁজিৰ উৎসসমূহ (LEGAL PROVISIONS FOR BUY-BACK OF SHARES AND SOURCES OF FUNDS FOR BUY-BACK OF SHARES)

২০১৩ চনৰ কোম্পানী আইনৰ ৬৮ (১) ধাৰাত এটা কোম্পানীক কিছুমান চর্ত পৰিপূৰণৰ ভিত্তিত নিজৰ অংশ ফিৰৎ ক্ৰয় কৰিবৰ বাবে ক্ষমতা প্ৰদান কৰিছে।

(১) একে ধৰণৰ অংশ বা অন্য নিৰ্দিষ্ট প্ৰতিভূতি পূৰ্বতে কৰা বিলিৰ বিক্ৰী মূল্যৰ পৰা কোনোধৰণৰ অংশ বা অন্য বিনিৰ্দিষ্ট প্ৰতিভূতি ফিৰৎ ক্ৰয় কৰিব নোৱাৰিব।

(২) কোনো কোম্পানীয়ে নিজৰ অংশ বা অন্য বিনিৰ্দিষ্ট প্ৰতিভূতি ক্ৰয় কৰিব নোৱাৰিব, যেতিয়ালৈকে—

(ক) অংশ ফিৰৎ ক্ৰয়ৰ বাবে কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে কৰ্তৃত্ব প্ৰদান কৰিব লাগিব,

(খ) কোম্পানীৰ সাধাৰণ সভাত এটা বিশেষ প্ৰস্তাৱ গ্ৰহণ কৰি কোম্পানীক অংশ ফিৰৎ ক্ৰয় কৰিবৰ বাবে কৰ্তৃত্ব প্ৰদান কৰিব লাগিব।

(১) ফিৰৎ ক্ৰয়, কোম্পানীৰ আদায়ীকৃত অংশপত্ৰিক মূলধন আৰু মুক্ত সঞ্চিত পুঁজিসমূহৰ মুঠ পৰিমাণৰ ১০ শতাংশ বা তাতকৈ কম হ'লে, আৰু

(২) তেনে ফিৰৎ ক্ৰয় বোৰ্ডে নিজৰ সভাত এখন প্ৰস্তাৱৰ যোগেদি কৰ্তৃত্ব কৰা হৈছে।

(গ) ফিৰৎ ক্ৰয়, কোম্পানীৰ আদায়ীকৃত অংশপত্ৰিক মূলধন আৰু মুক্ত সঞ্চিত পুঁজিসমূহৰ মুঠ পৰিমাণৰ ২৫ শতাংশ বা তাতকৈ কম হ'লে।

(ঘ) ফিৰৎ ক্ৰয়ৰ পাছত কোম্পানীয়ে ধাৰ কৰা নিৰাপদ আৰু অনিশ্চিত ঋণবোৰৰ মুঠ পৰিমাণৰ অনুপাত আদায়ীকৃত অংশপত্ৰিক মূলধন আৰু মুক্ত সঞ্চিত পুঁজিসমূহৰ দুগুণতকৈ অধিক নহয় যেন।

(ঙ) ফিৰৎ ক্ৰয়ৰ বাবে প্ৰত্যেক অংশ বা অন্য বিনির্দিষ্ট প্ৰতিভূতিবোৰ সম্পূৰ্ণভাৱে আদায়কৃত হ'ব লাগিব।

(চ) যিকোনো স্বীকৃত ষ্ট'ক বিনিময় বজাৰত তালিকাভুক্ত থকা অংশপত্ৰ বা অন্য বিনির্দিষ্ট প্ৰতিভূতিৰ ফিৰৎ ক্ৰয় ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ডে এই ক্ষেত্ৰত প্ৰস্তুত কৰা বিধি আইন অনুযায়ী হ'ব লাগিব।

(ছ) অংশপত্ৰ বা অন্য বিনির্দিষ্ট প্ৰতিভূতিৰ ফিৰৎ ক্ৰয়ৰ ক্ষেত্ৰত বিহিত কৰা তেনে নিয়ম অনুযায়ী হ'ব লাগিব।

যদিহে এই উপ-ধাৰাৰ আভ্যন্তৰত পূৰ্বৱৰ্তী ফিৰৎ ক্ৰয়ৰ প্ৰস্তাৱ ৰখা তাৰিখৰ পৰা এবছৰৰ ভিতৰত ফিৰৎ ক্ৰয়ৰ বাবে নতুন প্ৰস্তাৱ ৰাখিব নোৱাৰে।

শোধক্ষমতা (Solvency) ঃ এটা সংগঠনৰ ধাৰসমূহ দেয় হোৱাৰ লগে লগে পৰিশোধ কৰা বিত্তীয় ক্ষমতা।

(৩) অংশপত্ৰৰ ফিৰৎ ক্ৰয়ৰ বাবে বিশেষ প্ৰস্তাৱ আগবঢ়োৱা সভাৰ জাননীৰ সৈতে এখন ব্যাখ্যাত্মক বিবৃতি গাঁঠি দিয়া হ'ব, য'তনেকি উল্লেখ কৰা হ'ব—

(ক) গুৰুত্বপূৰ্ণ তথ্যৰ পূৰ্ণ উন্মুক্তকৰণ,

(খ) ফিৰৎ ক্ৰয়ৰ বাবে প্ৰয়োজনীয়তা,

(গ) ফিৰৎ ক্ৰয়ৰ আভ্যন্তৰত ক্ৰয় কৰিবৰ বাবে উদ্দিষ্ট অংশপত্ৰ বা প্ৰতিভূতিৰ শ্ৰেণী,

(ঘ) ফিৰৎ ক্ৰয়ৰ আভ্যন্তৰত বিনিয়োগ কৰিব লগীয়া মূল্য,

(ঙ) ফিৰৎ ক্ৰয় সম্পন্ন কৰিবৰ বাবে সময় সীমা।

(৪) প্ৰতি ফিৰৎ ক্ৰয় বিশেষ প্ৰস্তাৱ আগবঢ়োৱা এবছৰৰ বিতৰতে সম্পন্ন কৰিব লাগিব বা পৰিস্থিতি সাপেক্ষে।

(৫) অংশপত্ৰৰ ফিৰৎ ক্ৰয় কৰিব পৰা যায়—

(ক) অনুপাতিক ভিত্তিত বৰ্তমান অংশীদাৰ আৰু প্ৰতিভূতি ধাৰকৰ পৰা,

(খ) বজাৰৰ পৰা,

(গ) 'Stock option' বা 'Sweat Equity' আঁচনিৰ যোগেদি কৰ্মচাৰীৰ পৰা প্ৰতিভূতি ক্ৰয় কৰি,

(৬) যেতিয়া কোম্পানীয়ে নিজৰ অংশপত্ৰ বা অন্য বিনিৰ্দিষ্ট প্ৰতিভূতি ফিৰৎ ক্ৰয় কৰা প্ৰস্তাৰ লয়, ইয়ে, তেনে ফিৰৎ ক্ৰয় কৰাৰ আগত, পঞ্জীয়ক আৰু ভাৰতীয় প্ৰতিভূতি বিনিময় ব'ৰ্ডক (SEBI) এটা অঋণী অৱস্থাৰ ৎোঘণা দাখিল কৰিব লাগিব। যিটো কোম্পানীৰ কমেও দুজন নিৰ্দেশকে চহী কৰিব লাগিব, যাৰ এজন পৰিচালনা নিৰ্দেশক হ'ব লাগিব। যদিহে স্বীকৃত বিনিময় বজাৰত তালিকাভুক্ত নথকা অংশপত্ৰ বিলি কৰা কোম্পানীয়ে ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় ব'ৰ্ডক অধানী অৱস্থাৰ ঘোষণা দাখিল নকৰে।

(৭) কোম্পানীয়ে নিজৰ অংশপত্ৰ বা অন্য বিনিৰ্দিষ্ট প্ৰতিভূতি ফিৰৎ ক্ৰয় কৰাৰ পাছত সেইবোৰ এসপ্তাহৰ ভিতৰতে নষ্ট কৰিব লাগিব।

(৮) যেতিয়া এটা কোম্পানীয়ে নিজৰ অংশপত্ৰ বা অন্য বিনিৰ্দিষ্ট প্ৰতিভূতিৰ ফিৰৎ ক্ৰয় সম্পন্ন কৰে, সেই কোম্পানীয়ে একে ধৰণৰ অংশপত্ৰ বা অন্য প্ৰতিভূতিৰ লগতে নতুনকৈ বিলি কৰিব লগীয়া অংশপত্ৰ বা অন্য বিনিৰ্দিষ্ট প্ৰতিভূতিৰ অতিৰিক্ত বিল ৬ মাহৰ পাছতহে কৰিব পাৰিব। বনাচ অংশপত্ৰ বা অধিনত Stock option schemes, sweat quityৰ ৰূপান্তৰণ বা অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ বা ঋণপত্ৰৰ সমাংশপত্ৰলৈ ৰূপান্তৰণ কৰা বাদ দি।

(৯) যেতিয়া এটা কোম্পানীয়ে এই ধাৰাৰ অন্তৰ্গত নিজৰ অংশপত্ৰ বা অন্য বিনিৰ্দিষ্ট প্ৰতিভূতিৰ ফিৰৎ ক্ৰয় কৰে, সেই কোম্পানীয়ে অংশপত্ৰ বা প্ৰতিভূতি ক্ৰয় কৰিবৰ বাবে অব্যাহত ৰাখিব লাগিব য'ত অংশপত্ৰৰ ফিৰৎ ক্ৰয় সম্পৰ্কীয় বিভিন্ন তথ্য লিপিবদ্ধ থাকিব।

(১০) এই ধাৰাৰ অন্তৰ্গত সম্পন্ন কৰা ফিৰৎ ক্ৰয় সম্পৰ্কে কোম্পানীয়ে পঞ্জীয়ক আৰু ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় ব'ৰ্ডক এটা বিবৃতি দাখিল কৰিব য'ত ফিৰৎ ক্ৰয় সম্পৰ্কীয় তথ্য অন্তৰ্ভুক্ত থাকিব। এই বিবৃতি ফিৰৎ ক্ৰয় কৰা ৩০ দিনৰ ভিতৰতে প্ৰস্তুত কৰিব লাগিব।

যদিহে এটা কোম্পানীয়ে অংশপত্ৰসমূহ কোনো স্বীকৃত বিনিময় বজাৰত তালিকাভুক্ত কৰা হোৱা নাই তেন্তে ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোড'ক বিবৃতি দাখিল কৰিব নালাগে।

(১১) যদি এটি কোম্পানীয়ে এই ধাৰাৰ বা উপবন্ধসমূহ ভাৰতীয় প্ৰতিভূতি বিনিময় বোৰ্ডে কৰা কোনো আদেশ পালন কৰাৰ ক্ষেত্ৰত অৱহেলা কৰে, তেন্তে সেই কোম্পানীক এক লাখ টকাৰ পৰা তিনি লাখ টকালৈকে জৰিমনাৰ যোগেদি দণ্ড কৰা হ'ব আৰু লগতে সেই কোম্পানীৰ প্ৰতি প্ৰাধিকাৰীক তিনি বছৰলৈকে জেইল হ'ব পাৰে বা এক লাখ টকাৰ পৰা তিনি লাখ টকালৈকে জৰিমনা হ'ব পাৰে বা দুয়ো হ'ব পাৰে।

ব্যাখ্যা ১ ঃ এই ধাৰা আৰু ধাৰা ৭০ৰ বাবে 'বিনির্দিষ্ট প্রতিভূতি'ত অন্তর্ভুক্ত থাকে 'Employee's Stock Option' বা অন্য প্রতিভূতিসমূহ যিবোৰ কেন্দ্রীয় চৰকাৰে সময়ে সময়ে জাননীৰ যোগেদি প্রকাশ কৰিব।

ব্যাখ্যা ২ ঃ এই ধাৰাৰ বাবে, মুক্ত পুঁজিত অন্তর্ভুক্ত থাকে প্রতিভূতি অতিৰিক্তমূল্য হিচাপ।

ইয়াৰ উপৰিও 2013 চনৰ কোম্পানী আইনৰ 90 ধাৰাত অংশ ফিৰৎ ক্রয়ৰ ক্ষেত্রত কিছুমান বাধা আৰোপ কৰিছে। এই ব্যৱস্থা অনুসৰি অংশ ফিৰৎ ক্রয় কৰিব নোৱাৰিব ঃ

(i) কোম্পানীৰ নিজৰ অধীন (Subsidiary) বা আন কোনো অধীন কোম্পানীৰ জৰিয়তে, বা

(ii) কোনো বিনিয়োগকাৰী কোম্পানী বা বিনিয়োগকাৰী কোম্পানীৰ দলৰ জৰিয়তে, বা

(iii) যদি কোম্পানীটো আমানত (deposit) বা ইয়াৰ ওপৰত দেয় সুত পৰিশোধ কৰাত, ঋণপত্র বা অগ্রাধিকাৰযুক্ত অংশ পৰিশোধ বা কোনো অংশধাৰকক লাভাংশ পৰিশোধ বা কোনো বিত্তীয় প্রতিষ্ঠান বা বেংকক দীর্ঘম্যাদী ঋণ বা ইয়াৰ ওপৰত দেয় হোৱা সুত পৰিশোধ কৰাত অক্ষম হয়।

(iv) যদি কোম্পানীয়ে 72 ধাৰা (Filing of annual return), 123 ধাৰা (Payment of dividend with 30 days of declaration), 127 ধাৰা (failure its distribute divident) আৰু 129 ধাৰাৰ (preparation of financial statement of the company) ব্যৱস্থাৱলী মানি চলা নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ নিম্নলিখিত বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰকঃ

(১) অংশ ফিৰৎ ক্রয় কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে অনুমোদন কৰিব লাগিব।

.....

(২) আংশিকভাৱে পৰিশোধ কৰা অংশ ফিৰৎ ক্রয় কৰিব পাৰি।

.....

(৩) অংশ ফিৰৎ ক্রয় প্রক্রিয়া 14 মাহৰ ভিতৰত সম্পূর্ণ কৰিব লাগিব।

.....

(৪) অংশ ফিৰৎ ক্রয় কৰাৰ পিছত কোম্পানী পঞ্জীয়ক আৰু ভাৰতবর্ষৰ প্রতিভূতি আৰু বিনিময় বোর্ডৰ (SEBI) ওচৰত এখন প্রতিবেদন দাখিল কৰিব লাগে।

.....

(৫) অংশ ফিৰৎ ক্রয় কোম্পানীৰ মুঠ আদায়ীকৃত মূলধন আৰু মুক্ত সঞ্চিত পুঁজিৰ 25 শতাংশত সীমাবদ্ধ কৰা হৈছে ।

.....

প্ৰশ্ন নং ৪ঃ অংশ ফিৰৎ ক্ৰয়ৰ বাবে কোম্পানীয়ে ব্যৱহাৰ কৰিব পৰা দুটা পুঁজিৰ উৎস উল্লেখ কৰক ।

(১) .....

(২) .....

৭.৬ অংশ ফিৰৎ ক্ৰয়ৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (ACCOUNTING TREATMENT ON BUY-BACK OF SHARES)

Journal Entries

(i) অগ্ৰাধিকাৰযুক্ত অংশ/ঋণপত্ৰ/অন্যান্য নিৰ্দিষ্ট প্ৰতিভূতি বিলি কৰোঁতে ঃ

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Bank Dr. To Preferece Share Capital A/c To Debentures/Specified Securities A/c To Securities Premium A/c (if any)			

(ii) ফিৰৎ ক্ৰয়ৰ বিপৰীতে অংশধাৰকসকলক ধন পৰিশোধ কৰোঁতে ঃ

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Equity Shareholders Dr. To Bank		Amount paid	Amount paid

(iii) সমাংশপত্ৰিক মূলধন বাতিলকৰণৰ বাবে ঃ

(ক) যেতিয়া ফিৰৎ ক্ৰয় সমমূল্যত হয়—

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Equity Share Capital A/c Dr. To Equity Shareholders		Nominal value of the shares purchased	Nominal value of the shares purchased

(খ) যেতিয়া ফিৰৎ ক্ৰয় লিখিত মূল্যতকৈ অধিক দামত অর্থাৎ অধিহাৰত কৰা হয় ঃ

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Equity Share Capital A/c Dr.		Nominal value of shares	
	General Reserve or Securities Premium A/c Dr.		amount of premium	
	To Equity Shareholders			amount payable

(গ) যেতিয়া ফিৰৎ ক্ৰয় লিখিত মূল্যতকৈ কম মূল্যত অর্থাৎ বাট্টাত কৰা হয় ঃ

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Equity Share Capital A/c Dr.		Nominal value of shares	
	To Capital Reserve or Securities Premium A/c			Amount of discount
	To Equity Shareholders			Amount payable

(iv) যেতিয়া অংশ ফিৰৎ ক্ৰয় মুক্ত সঞ্চিত পুঁজিৰ পৰা কৰা হয় তেতিয়া ফিৰৎ ক্ৰয় কৰা অংশৰ অভিহিত মূল্যৰ সম পৰিমাণ পুঁজি মূলধন পৰিশোধ্য সঞ্চিত পুঁজি হিচাপলৈ স্থানান্তৰ কৰিব লাগে। ইয়াৰ জাবেদা প্ৰৰিষ্টি তলত দিয়া ধৰণৰ হয় ঃ

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Security Premium A/c Dr.		Amount transferred	
	General Reserve A/c Dr.		Amount transferred	
	(Any) Free Reserve A/c Dr.		Amount transferred	
	Profit & Loss A/c Dr.		Amount transferred	
	To Capital Redemption Reserve A/c			Amount transferred



জানি থোৱা ভাল

অংশ ফিৰৎ ক্ৰয়ৰ উদ্দেশ্যে মুক্ত সঞ্চিত পুঁজি বুলিলে সেইবোৰ সঞ্চিত পুঁজিক বুজায় যিবোৰ কোম্পানীৰ শেহতীয়াকৈ হিচাপ পৰীক্ষা কৰা উদ্বৃত্ত পত্ৰ অনুসৰি লাভাংশ বিতৰণৰ বাবে মুক্ত আৰু ই প্ৰতিভূতি অধিহাৰ হিচাপো সামৰি লয়।

(v) ফিৰৎ ক্ৰয় কৰোতে আদায় দিয়া খৰচসমূহৰ বাবে

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Expenses on Buy Back A/c Dr.		Amount paid	
	To Bank			Amount paid

(vi) **ফিৰৎ ক্ৰয়ত হোৱা খৰচসমূহৰ ব্যৱস্থাৱলী ঃ**

ফিৰৎ ক্ৰয়ত হোৱা খৰচসমূহ নিম্নলিখিত যিকোনো এটা উপায়েৰে ব্যৱস্থা কৰা হয়।

(ক) ফিৰৎ ক্ৰয় কৰা বছৰতে সকলোবোৰ খৰচ লাভ-লোকচান হিচাপত ডেবিট কৰা হয়।

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Profit & Loss A/c Dr .		Amount paid	
	To Expenses on Buy Back A/c			Amount paid

(খ) খৰচসমূহ মুক্ত পুঁজি হিচাপত ডেবিট কৰিব পাৰে।

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	General Reserve A/c Dr.		Amount paid	
	To Expenses on Buy Back A/c			Amount paid



উদাহৰণ ১

Polar Ltd. ৰ অংশপত্ৰিক মূলধনৰ এক অংশ 10 টকীয়া 30,000 সম্পূৰ্ণকৈ আদায়ীকৃত সমাংশ অংশ আছিল। কোম্পানীটোৱে ইয়াৰ সমাংশ অংশৰ 2,000 টা অংশ সমমূল্যত মুক্ত সঞ্চিত পুঁজিৰ পৰা ফিৰৎ ক্ৰয় কৰিলে। প্ৰয়োজনীয় জাবেদা প্ৰৱিষ্টিসমূহ দিয়ক।

সমাধান ঃ

IN THE BOOKS OF POLAR LTD.

JOURNAL ENTRIES

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Equity Shareholders Dr. To Bank (Being the payment made to equity shareholders for buy-back of 2,000 equity shares of Rs. 10 each at par as per Board's Resolution No. ..... dt.....)		20,000	20,000
	Equity Share Capital A/c Dr. To Equity Shareholders (Being the cancellation of 2,000 equity shares of Rs. 10 each bought back at par)		20,000	20,000
	General Reserve A/c Dr. To Capital Redemption Reserve A/c (Being the transfer of Rs 20,000 from General Reserve to Capital Redemption Resereve Account, being the nominal value of equity shares bought-back out of free reserves)		20,000	20,000



উদাহৰণ ২

বাজাজ লিমিটেডে ইয়াৰ 10 টকীয়া 4,000 সমাংশঅংশ মুক্ত সঞ্চিত পুঁজিৰ পৰা প্ৰতি অংশত 5 টকা অধিহাৰত ফিৰৎ ক্ৰয় কৰিলে।

প্ৰয়োজনীয় জাবেদা প্ৰৱিষ্টিসমূহ দিয়ক।

সমাধান ঃ

IN THE BOOKS OF BAJAJ LTD.

JOURNAL ENTRIES

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
	Equity Shareholders Dr. To Bank [4,000 x Rs. 15] (Being the payment made to equity shareholders for buy-back of 4,000 equity shares of Rs. 10 each at a premium of Rs. 5 per share as per Board's Resolution No. ..... dt.....)		60,000	60,000
	Equity Share Capital A/c Dr. General Reserve A/c Dr. To Equity Shareholders (Being the cancellation of 4,000 equity shares of Rs. 10 each bought back at a premium of Rs. 5 per share, premium provided out of General Reserve)		40,000 20,000	60,000
	General Reserve A/c Dr. To Capital Redemption Reserve A/c (Being the transfer of Rs 40,000 from General Reserve to Capital Redemption Reserve Account, being the nominal value of equity shares bought-back out of free reserves)		40,000	40,000



অনুশীলনী ১

XY কোম্পানীয়ে ইয়াৰ 10 টকীয়া 5,000 সমাংশ অংশ প্ৰতি অংশত 2 টকা বাট্টাত মুক্ত সঞ্চিত পুঁজিৰ পৰা ফিৰৎ ক্ৰয় কৰিলে।
জাবেদা প্ৰৱিষ্টিসমূহ দিয়ক।



৭.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত দিশসমূহ আলোচনা কৰিলো—

- এটা কোম্পানীয়ে ইয়াৰ সমাংশ অংশ ফিৰৎ ক্ৰয় কৰিব পাৰে।
- অংশ ফিৰৎ ক্ৰয়ৰ ফলত কোম্পানীৰ আদায়ীকৃত মূলধনৰ পৰিমাণ হ্ৰাস পায়।
- অংশ ফিৰৎ ক্ৰয়ৰ কিছুমান সুবিধা আছে— যেনে— বেছি হৈ থকা মূলধনৰ পৰিমাণ হ্ৰাস কৰিব পাৰি, কোম্পানীৰ মূলধনৰ পুনৰ গঠন সম্ভৱ হয়, আদি।
- অংশ ফিৰৎ ক্ৰয়ৰ কিছুমান অসুবিধা আছে, যেনে— ষ্টকৰ মূল্য কৌশলৰে হস্তচালনা কৰা, আভ্যন্তৰীণ ব্যক্তিৰ দ্বাৰা ব্যৱসায় চলোৱা, আদি।
- অংশ ফিৰৎ ক্ৰয়ৰ বাবে কোম্পানীয়ে কিছুমান আইনগত ব্যৱস্থা পৰিপূৰণ কৰিব লাগে ঃ যেনে—
  - ➢ কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে অংশ ফিৰৎ ক্ৰয়ত অনুমোদন দিব লাগে।
  - ➢ অংশসমূহ সম্পূৰ্ণকৈ আদায়ীকৃত হ'ব লাগে, ইত্যাদি।



৭.৮ অধিক জানিবলৈ (FURTHER READING)

১) Dam, B. B & Gautam H. C. (2008). Corporate Accounting : for B. Com part II(new course) of Gauhati University. Guwahati, Capital Publishing Company. .

২) Maheshwari, S. N. & Maheshwari, S. K (2009). Corporate accounting. New Delhi, Vikas Publishing House Pvt. Ltd.

৩) Grewal T. S. (2005). Introduction to accountancy. New Delhi, S. Chand & Company Ltd.



৭.৯ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ ই হৈছে কোম্পানীসমূহে ইয়াৰ অংশপত্ৰিক মূলধনৰ এক অংশ বাতিল কৰিবৰ বাবে ব্যৱহাৰ কৰা এটা পদ্ধতি। কোম্পানী আইনত এইটো উল্লেখ কৰা নাই যদিও অংশ ফিৰৎ ক্ৰয় বুলিলে সমাংশ অংশ ফিৰৎ ক্ৰয় কৰাকে বুজায়। ই এটা কোম্পানীৰ আদায়ীকৃত অংশপত্ৰিক মূলধনৰ পৰিমাণ হ্ৰাস কৰে। অংশ ফিৰৎ ক্ৰয়ে অনুমোদিত অংশপত্ৰিক মূলধনৰ পৰিমাণত কোনো প্ৰভাৱ নেপেলায়।

২ নং প্ৰশ্নৰ উত্তৰঃ (ক) সুবিধাসমূহ ঃ

১) অংশ ফিৰৎ ক্ৰয়ৰ জৰিয়তে কোম্পানীৰ মূলধনৰ পুনৰ গঠন সম্ভৱ হয়।

২) অংশ ফিৰৎ ক্ৰয় ব্যৱস্থাৰ জৰিয়তে কোম্পানীৰ প্ৰতি অংশৰ অৰ্জন বৃদ্ধি কৰিব পাৰি।

(খ) অসুবিধাসমূহ ঃ

১) পৰিচালকসকলৰ দ্বাৰা ষ্টকৰ মূল্য নিজৰ উদ্দেশ্য সাধনৰ বাবে ব্যৱহাৰ কৰাৰ আশংকা আছে।

২) অংশ ফিৰৎ ক্ৰয়ৰ ক্ষেত্ৰত আভ্যন্তৰীণ ব্যক্তিৰ দ্বাৰা ব্যৱসায় কৰাৰ আশংকা থাকে।

৩ নং প্ৰশ্নৰ উত্তৰঃ (১) শুদ্ধ (২) অশুদ্ধ (৩) অশুদ্ধ (৪) শুদ্ধ (৫) শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰঃ (১) মুক্ত সঞ্চিত পুঁজি

(২) প্ৰতিভূতি অধিহাৰ হিচাপ।



৭.১০ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ নিম্নলিখিত বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) অংশ ফিৰৎ ক্ৰয় বুলিলে কোম্পানীয়ে অংশ কিনাকে বুজায়।

(খ) অংশ ফিৰৎ ক্ৰয় ভাৰতবৰ্ষৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ (SEBI) দ্বাৰা অনুমোদিত হ'ব লাগে।

(গ) প্ৰতিভূতি অধিহাৰ হিচাপ অংশ ফিৰৎ ক্ৰয়ৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি।

(ঘ) 2013 চনৰ কোম্পানী আইনৰ 68 ধাৰাত অংশ ফিৰৎ কৰা ব্যৱস্থাৱলী দিয়া আছে।

প্ৰশ্ন ২ঃ অংশ ফিৰৎ ক্ৰয়ৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ অংশ ফিৰৎ ক্ৰয়ৰ চাৰিটা সুবিধা উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ অংশ ফিৰৎ ক্ৰয়ৰ বাবে পুঁজিৰ বিভিন্ন উৎসসমূহ কি কি ?

প্ৰশ্ন ৫ঃ অংশ ফিৰৎ ক্ৰয়ৰ খৰচসমূহৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ঃ বাজাজ লিমিটেডে ইয়াৰ দহটকীয়া 60,000 সম্পূৰ্ণকৈ আদায়ী সমাংশ অংশ প্ৰতি অংশত 15 টকাকৈ ফিৰৎ ক্ৰয় কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিলে। অংশ ফিৰৎ ক্ৰয়ৰ লগত জড়িত সকলোবোৰ লেনদেনৰ জাবেদা প্ৰৰিষ্টিসমূহ দিয়ক।

প্ৰশ্ন ৭ঃ প্ৰাগ্ লিমিটেডৰ 10 টকীয়া 2,00,000 টকাৰ সমাংশ অংশ আছে। সাধাৰণ সঞ্চিত পুঁজিত 18,000 টকা আৰু প্ৰতিভূতি অধিহাৰ হিচাপত 6,000 টকা আছে। কোম্পানীয়ে ইয়াৰ 4,000 সমাংশ অংশ সমমূল্যত ফিৰৎ ক্ৰয় কৰিবৰ বাবে প্ৰয়োজনীয় প্ৰস্তাৱ ল'লে। অংশ ফিৰৎ ক্ৰয়ৰ লগত জড়িত জাবেদা প্ৰৰিষ্টিসমূহ দিয়ক।

প্ৰশ্ন ৮ঃ পূৰ্ণ লিমিটেডৰ অংশপত্ৰিক মূলধনৰ ভিতৰত 60,000 টকাৰ 10 টকীয়া সমাংশ অংশ আছে। ইয়াৰ সাধাৰণ সঞ্চিত পুঁজিত 30,000 টকা, প্ৰতিভূতি অধিহাৰ হিচাপত 7,000 টকা আছিল। কোম্পানীয়ে সমমূল্যত 1,000 সমাংশ অংশ ইয়াৰ মুক্ত সঞ্চিত পুঁজিৰ পৰা ফিৰৎ ক্ৰয় কৰিবৰ বাবে প্ৰস্তাৱ ল'লে।

প্ৰয়োজনীয় জাবেদা প্ৰৱিষ্টিসমূহ দিয়ক।

*** ***** ***

অধ্যায় ৮ ঃ সুনামৰ মূল্যায়ন (VALUATION OF GOODWILL)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

৮.১ উদ্দেশ্য (Learning Objectives)

৮.২ পৰিচয় (Introduction)

৮.৩ সুনামৰ অর্থ আৰু বৈশিষ্ট্যসমূহ (Meaning and Features of Goodwill)

৮.৪ সম্পত্তি হিচাপে সুনাম (Goodwill as an Asset)

৮.৫ সুনাম মূল্যায়নৰ পদ্ধতিসমূহ (Methods of Valuation of Goodwill)

৮.৫.১ গড় লাভ পদ্ধতি (Average Profit Method)

৮.৫.২ ভাৰশোধিত গড় লাভ পদ্ধতি (Weighted Average Profit Method)

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

৮.৭ অধিক জানিবলৈ (Further Readings)

৮.৮ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

৮.৯ আৰ্হি প্রশ্ন (Model Questions)

৮.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সুনামৰ অর্থ আৰু বৈশিষ্ট্যসমূহ বর্ণনা কৰিব পাৰিব
- সুনামত প্রভাৱ পেলোৱা কাৰকসমূহ চিনাক্ত কৰিব পাৰিব
- সুনাম মূল্যায়নৰ পদ্ধতিসমূহৰ বিষয়ে বহলাই বর্ণনা কৰিব পাৰিব
- সুনামৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলী উদাহৰণসহ বর্ণনা কৰিব পাৰিব।

৮.২ পৰিচয় (INTRODUCTION)

আপোনাৰ বন্ধুবর্গৰ লগত কিবা কথা আলোচনা কৰোতে আপুনি নিশ্চয়কৈ খ্যাতি (fame) বা সুখ্যাতি বা যশ (reputation) শব্দসমূহ ব্যৱহাৰ কৰে। এই শব্দসমূহৰ অর্থ নজনাকৈ আপুনি কেতিয়াও ইহঁতক ব্যৱহাৰ নকৰে। সাধাৰণতে আমি বস্তু-বেহানি কিনিবৰ বাবে সুখ্যাতি থকা দোকান পচন্দ কৰো। বাণিজ্যৰ সাহিত্যত আন এটা সাধাৰণতে ব্যৱহাৰ কৰা শব্দ হৈছে ‘সুনাম (Goodwill)’। সুনাম শব্দটোৰ অভিধানিক অর্থ হৈছে বদান্যতা (benevolence) বা হিতাকাংখ্যা (well-wishing), ‘অর্থাৎ ভাল কৰিবৰ বাবে ব্যৱস্থা কৰা (disposition to do good)'। ব্যৱসায় বাণিজ্যত ইয়াৰ বিশেষ অর্থ আছে। গতিকে বাণিজ্য বিষয়ৰ ছাত্র-ছাত্রীসকলে সুনামৰ অর্থ আৰু ইয়াৰ হিচাপসম্পর্কীয় গুৰুত্বৰ বিষয়ে জ্ঞান আহৰণ কৰাটো উচিত বুলি ভবা হয়।

এই অধ্যায়টোত আমি সুনামৰ অর্থ, ইয়াৰ বৈশিষ্ট্যসমূহ, সুনামত প্রভাৱ পেলোৱা কাৰকসমূহ আৰু সুনাম মূল্যায়নৰ কিছুমান পদ্ধতিৰ বিষয়ে আলোচনা কৰিম।

৮.৩ সুনামৰ অর্থ আৰু বৈশিষ্ট্যসমূহ (MEANING AND FEATURES OF GOODWILL)

ভাৰতবর্ষৰ চনদপ্রাপ্ত গাণনিক সংস্থাই সুনামক 'ব্যৱসায়ৰ সম্বন্ধ বা ব্যৱসায়িক নাম বা এখন প্রতিষ্ঠানৰ সুখ্যাতিৰ বাবে উদ্ভৱ হোৱা এটা অদৃশ্যমান সম্পত্তি' বুলি সংজ্ঞা আগবঢ়াইছে।

এই সন্দর্ভত হিচাপবিদ্যাৰ বিভিন্ন লেখক আৰু অভিজ্ঞ ব্যক্তিসকলে আগবঢ়োৱা কিছুমান সংজ্ঞা তলত দিয়া হ'ল।

বহীমূল্য (Book value)ঃ হিচাপৰ বহীত লিপিবদ্ধ কৰা মূল্য।

Braden আৰু Allynৰ মতে 'সুনাম হৈছে বিভিন্ন কৃতকার্য ব্যৱসায়ৰ মিশ্রগুণৰ উপাদান, যেনে— যোগ্য আৰু বলিষ্ঠ পৰিচালনা, গ্রাহকৰ স্বীকৃতি, এটা অনুকূল অৱস্থিতি, এক গুণমান আৰু লাভযোগ্য দ্রব্য, দক্ষতাপূর্ণ উৎপাদন পদ্ধতি, বিশিষ্ট সুখ্যাতি আৰু এই মিশ্র গুণসমূহে অনির্দিষ্ট কাললৈকে স্বাভাৱিক অর্জনৰ হাৰতকৈ অধিক হাৰ অর্জনৰ ধাৰাবাহিকতা চলাই থকা এক অদৃশ্যমান সম্পত্তি (Goodwill is an intangible asset compounded from a variety of successful business ingredients– competent and energetic management, customer acceptance, a favourable location, a quality and profitable product, efficient production methods, an outstanding reputation, plus the expectation that these ingredients will continue to produce an above–normal rate of return for an indefinite period of time.')।

Dr Canning এ দিয়া সংজ্ঞা মতে 'প্রতিষ্ঠানৰ আশা কৰা অধিক উপার্জনৰ বর্তমান মূল্যই হ'ল সুনাম (Goodwill is the present value of a firm's anticipated excess earnings.)'।

Lord Eldon ৰ মতে 'পুৰণি গ্রাহকে পুৰণি ঠাইলৈ প্রায়ে যোৱাৰ সম্ভাৱনীয়তাৰ বাহিৰে সুনাম আন একো বেছি নহয় (Goodwill is nothing more than the probability that the old customers will resort to the old place)'।

Lord Lindley এ সুনামৰ এটা গুৰুত্বপূর্ণ ব্যাখ্যা আগবঢ়াইছে। তেওঁ কৈছে— 'সংযোগ আৰু সুখ্যাতিৰ পৰা উদ্ভৱ হোৱা সা-সুবিধাক বুজাবৰ বাবে সাধাৰণতে ইয়াক ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ মূল্য হৈছে উক্ত সংযোগ সংৰক্ষণ কৰা যোগ্যতা আৰু ইয়াৰ উন্নতি সধাৰ বাবে পোৱা সুবিধাৰ মূল্য। এটা স্থাপিত ব্যৱসায় বিক্রী কৰোতে ইয়াৰ সুনামৰ বজাৰযোগ্য মূল্য থাকে। ..... কিন্তু এইটো তেনেই স্পষ্ট যে চলি থকা ব্যৱসায়ৰ বাহিৰে আন ক্ষেত্রত সুনামৰ কোনো অর্থ নাই (It is generally used to denote the benefit arising from connection and reputation and its value is what can be got for the chance of being able to keep that connection and improve it. Upon the sale of an established

business its goodwill has a marketable value .... But it is plain that goodwill has no meaning except in connection with a continuing business....)'।

সেযে, এতিয়া এইটো সিদ্ধান্ত কৰিব পাৰি যে—

(ক) গ্ৰাহকক ধৰি ৰাখিব পৰা, অধিক গ্ৰাহক আকৰ্ষণ কৰা আৰু সাধাৰণতে বিক্ৰী কৰা পণ্য বা সেৱাৰ বিক্ৰীৰ পৰিমাণ বঢ়োৱাৰ ক্ষমতাই হ'ল সুনাম।

(খ) সংশ্লিষ্ট শিল্প উদ্যোগৰ স্বাভাৱিক আয়তকৈ অধিক আয় অৰ্থাৎ অতি লাভ আহৰণ কৰাৰ ক্ষমতাই হ'ল সুনাম।

(গ) সুনাম হ'ল এক অদৃশ্যমান সম্পত্তি আৰু ই এটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ মূল্যও বঢ়াই তোলে। গতিকে সুনামৰ সৈতে ব্যৱসায় প্ৰতিষ্ঠানৰো মূল্য বহী মূল্যতকৈ বাঢ়ি যায়।

সুনামৰ বৈশিষ্ট্যসমূহ (Features of Goodwill) ঃ

সুনামৰ বৈশিষ্ট্যসমূহ চমুকৈ তলত উল্লেখ কৰা হ'ল।

- সুনামৰ কোনো কায়িক অৱস্থিতি নাই। সুনাম এক অদৃশ্যমান সম্পত্তি।
- চলন্ত ব্যৱসায়ৰ বাবেহে সুনাম প্ৰাসঙ্গিক হয়।
- অন্যান্য সম্পত্তিৰ দৰে সুনামেও ব্যৱসায়ৰ ওপৰঞ্চি আয় আহৰণ কৰাৰ যোগ্যতা ৰাখে।
- এখন প্ৰতিষ্ঠানৰ সুনামে সম্পত্তিৰ বহীমূল্যতকৈ অধিক সম্পদৰ বাস্তৱ প্ৰকৃত মূল্য (real net work) প্ৰতিনিধিত্ব কৰে।
- ই প্ৰতিষ্ঠানৰ লগত সংযুক্ত হৈ থাকে আৰু ব্যৱসায়ৰ পৰা ইয়াক পৃথক কৰিব নোৱাৰি। ব্যৱসায়টো বাদ দি সুনাম বেচা-কিনা কৰিব নোৱাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ সুনামৰ অৰ্থ ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন নং ২ঃ সুনামৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

(১).....

(২).....

৮.৪ সম্পত্তি হিচাপে সুনাম (GOODWILL AS AN ASSET)

বিত্তীয় হিচাপবিদ্যাৰ দৃষ্টিকোণৰ পৰা সুনামক এখন প্ৰতিষ্ঠানৰ এটা অদৃশ্যমান সম্পত্তি হিচাপে বিবেচনা কৰা হয়। Walton এ সুনামৰ সংজ্ঞা এনেদৰে দিছে— 'এটা প্ৰতিষ্ঠিত ব্যৱসায়ৰ উপাদান হিচাপে যি চলন্ত প্ৰতিষ্ঠান হিচাপে ব্যৱসায়ৰ মূল্য ইয়াৰ বহীমূল্যতকৈ বেছি মূল্যবান কৰি তোলে (The element of an established business which makes the

business as a going concern worth more than its book value, that is, its net worth as shown by the books)'।

ব্যৱসায়ৰ আয় উপার্জন ক্ষমতাত সহায় কৰিবৰ বাবে সম্পত্তিসমূহ অধিগ্রহণ কৰা হয়। সুনামেও আয় উপার্জনত সহায় কৰে। C. L. Woelfel ৰ ভাষাত 'একেধৰণৰ ব্যৱসায় কৰা আৰু আন সম্পত্তিসমূহৰ সম পৰিমাণেৰে আশা কৰা উপার্জন ক্ষমতাতকৈ ব্যৱসায়ৰ অধিক উন্নত উপার্জন ক্ষমতাই হৈছে সুনাম (Goodwill is the superior earning power of a business beyond the earning power that would be expected of a firm in a similar business and with a similar amount of other assets)'।'

সুনাম সৃষ্টিত বিভিন্ন কাৰকে বৰঙনি যোগায়; যেনে — যোগ্যতাসম্পন্ন পৰিচালনা, অনুকূল অৱস্থিতি, গুণসম্পন্ন দ্রব্য, গ্রাহকৰ লগত উন্নত সম্পর্ক আৰু কর্মচাৰী আৰু পৰিচালনাৰ দক্ষতা আদি। কিছুমানে কয় যে যিহেতু সুনাম সৃষ্টিৰ বাবে কোনো ধন পৰিশোধ কৰিব নালাগে। সেয়ে ইয়াক সম্পত্তি বুলিব নোৱাৰি। কিন্তু ই সত্য নহয়। সুনাম সৃষ্টিৰ বাবে এই কাৰকসমূহৰ কাৰণে বহুত ধন খৰচ কৰিব লাগে। অর্হতাসম্পন্ন আৰু দক্ষ ব্যক্তিৰ নিযুক্তি আৰু সিহঁতৰ সংৰক্ষণ, মুখ্য অৱস্থানত প্রতিষ্ঠানখন স্থাপিত কৰা, গুণসম্পন্ন দ্রব্য উৎপাদন বা গুণসম্পন্ন সেৱাৰ যোগান ধৰা, আদিৰ বাবে যথেষ্ট পৰিমাণৰ ব্যয়ৰ প্রয়োজন হয়।

এখন ব্যৱসায় প্রতিষ্ঠান ভালদৰে স্থাপিত হওঁতে আৰু ইয়াৰ নাম আহৰণ কৰোঁতে যথেষ্ট সময়ৰ প্রয়োজন নহয়। পৰিণতি স্বৰূপে এই সকলোবোৰে প্রতিষ্ঠানটোলৈ এনে সুখ্যাতি কঢ়িয়াই আনে যিটোৱে ইয়াৰ প্রতিদ্বন্দ্বীসমূহতকৈ ওপৰ খাপত ব্যৱসায়টোক প্রতিষ্ঠা কৰে। ইয়াকেই সুনাম বোলা হয় যিয়ে অধিক গ্রাহক আকর্ষণ আৰু সংৰক্ষণ কৰাত সহায় কৰে আৰু ইয়াৰ ফলস্বৰূপে বিক্রী বৃদ্ধি কৰি অধিক আয় আর্জন কৰে। এইদৰে আন সম্পত্তিৰ দৰে সুনামেও আয় উপার্জনত সহায় কৰে, সেয়ে ইয়াক সম্পত্তি হিচাপে গণ্য কৰা হয়।

সুনামত প্রভাৱ পেলোৱা কাৰকসমূহ (Factors Influencing Goodwill) ঃ

সুনাম বহুতো কাৰকৰ দ্বাৰা প্রভাৱিত হয়। সেইবোৰ তলত উল্লেখ কৰা হ'ল ঃ

- প্রতিষ্ঠানৰ অৱস্থিতি,
- দ্রব্য বা সেৱাৰ গুণমান,
- পৰিচালনাৰ গুণমান আৰু দক্ষতা,
- প্রতিষ্ঠানৰ দ্রব্য বা সেৱা গ্রাহকৰ দ্বাৰা গ্রহণ,
- প্রতিষ্ঠানে আগবঢ়োৱা বিক্রীৰ পশ্চাৎ সেৱা (after sale service),
- দ্রব্য বা সেৱাৰ মূল্য,
- বিক্রী বিষয়া আৰু অন্যান্য বিক্রীৰ লগত জড়িত ব্যক্তিৰ গ্রাহকৰ প্রতি প্রদর্শন কৰা আচৰণ,
- প্রতিষ্ঠানৰ কর্মচাৰীসকলৰ কর্ম সংস্কৃতি আৰু দলীয় সংস্কৃতি,
- বাণিজ্যিক চিহ্ন, ব্যৱসায়িক নাম আৰু পণ্য চিহ্ন,
- পেটেণ্ট স্বত্ব,

- লেখস্বত্ব,
- অনুজ্ঞাপত্ৰ,
- অধিকাৰ সাপেক্ষ ব্যৱসায় (franchises)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ সুনামত প্ৰভাৱ পেলোৱা তিনিটা ঘাই কাৰক উল্লেখ কৰক।

(i).....

(ii).....

(iii).....



জনা উচিত

ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক সংস্থাই বিলি কৰা হিচাপবিদ্যাৰ মান ১০ 'স্থায়ী সম্পত্তিৰ হিচাপৰক্ষণ'ত নিৰ্দিষ্ট কৰি দিছে যে নগদ ধন পৰিশোধ নকৰা সুনাম লিপিবদ্ধ কৰিব নালাগে। এই মানটোৱে সুনাম মূল্যায়নৰ কোনো প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰি দিয়া নাই। ইয়াত উল্লেখ কৰিছে যে সুনাম হিচাপত তেতিয়াহে লিপিবদ্ধ কৰিব লাগে যেতিয়া নগদ ধনেৰে বা নগদ মূল্যত ইয়াৰ বাবে কিছু প্ৰতিদান পৰিশোধ কৰা হয়। যেতিয়া এটা ব্যৱসায়ে ব্যৱসায়ৰ কৰ্তৃত্ব গ্ৰহণ কৰোতে পোৱা প্ৰকৃত সম্পত্তিৰ মূল্যতকৈ অধিগ্ৰহণ কৰোতে পৰিশোধ কৰা ধনৰ পৰিমাণ অধিক হয়, তেতিয়া তেনে ধনৰ অধিক পৰিমাণকে সুনাম আখ্যা দিয়া হয়।

৮.৫ সুনাম মূল্যায়নৰ পদ্ধতিসমূহ (METHODS OF VALUATION OF GOODWILL)

সুনাম মূল্যায়নৰ বিভিন্ন পদ্ধতি আছে। সেইবোৰ নিম্নলিখিত হ'ল।

(ক) স্বেচ্ছামূলক পদ্ধতি (Arbitrary Method),

(খ) গড় লাভ পদ্ধতি (Average Profit Method) বা অতীত লাভৰ বৰ্ষ সংখ্যা পদ্ধতি (Year's Purchase of past profit Method),

(গ) ভাৰশোধিত গড় লাভ পদ্ধতি (Weighted Average Profit Method),

(ঘ) গড় লাভৰ মূলধনীকৰণ পদ্ধতি (Capitalisation of Average Profit Method) বা ভৱিষ্যত লাভৰ মূলধনীকৰণ পদ্ধতি (Capitalisation of Future Profit Method),

(ঙ) ভাৰশোধিত গড় লাভৰ মূলধনীকৰণ পদ্ধতি (Capitalisation of Weighted Average Profit Method),

(চ) অতি লাভ পদ্ধতি (Super Profit Method) বা অতি লাভৰ বর্ষ সংখ্যা পদ্ধতি (Year's Purchase of Super Profit Method),

(ছ) ভাৰশোধিত গড় অতি লাভ পদ্ধতি (Weighted Average Super Profit Method) বা ভাৰশোধিত গড় অতি লাভৰ বর্ষ সংখ্যা পদ্ধতি (Year's Purchase of Weighted Average Super Profit Method),

(জ) অতি লাভৰ সহচাৰী মানৰ মূল্যায়ন পদ্ধতি (Sliding Scale Valuation of Super Profit Method),

(ঝ) অতি লাভৰ মূলধনীকৰণ পদ্ধতি (Capitalisation of Super Profit Method),

(ঞ) ভাৰশোধিত গড় অতি লাভৰ মূলধনীকৰণ পদ্ধতি (Capitalisation of Weighted Average Super Profit Method),

(ট) বার্ষিকী পদ্ধতি (Annuity Method)।

সুনাম মূল্যায়নৰ উক্ত পদ্ধতিসমূহৰ ভিতৰত গড় লাভ পদ্ধতি আৰু ভাৰশোধিত গড় লাভ পদ্ধতিৰ বিষয়ে তলত ব্যাখ্যা কৰা হ'ল।

৮.৫.১ গড় লাভ পদ্ধতি (Average Profit Method)

এই পদ্ধতিটোক অতীত লাভৰ বর্ষসংখ্যা পদ্ধতিও বোলা হয়। ই অংশীদাৰী ব্যৱসায়ৰ ক্ষেত্ৰত সার্বজনীনভাৱে ব্যৱহৃত পদ্ধতি। এই পদ্ধতিৰ অধীনত নিকট অতীতৰ কেইবছমানৰ গড় লাভক কোনো সংখ্যাৰে পূৰণ কৰা হয়। সাধাৰণতে তিনিৰ পৰা পাঁচ বছৰৰ গড় লাভ এই ক্ষেত্ৰত লোৱা হয়। এই প্ৰক্ৰিয়া নিম্নলিখিত ধৰণেৰে প্ৰয়োগ কৰা হয়।

(ক) প্ৰথমতে, শেষৰ তিনি বা পাঁচ বছৰৰ গড় লাভ গণনা কৰিব লাগে।

(খ) দ্বিতীয়তে, ওপৰত উল্লেখ কৰা দৰে নির্ধাৰণ কৰা গড় লাভক এক নির্দিষ্ট সংখ্যক বর্ষ সংখ্যাৰে, যেনে — 2, 3, 4, 5 আদি, পূৰণ কৰিব লাগে।

(গ) উক্ত পূৰণফলেই হ'ব সুনামৰ মূল্য।



উদাহৰণ ১

এটা ব্যৱসায় প্ৰতিষ্ঠানৰ বিগত তিনি বছৰৰ লাভ এনে ধৰণৰ আছিল—

60,000 টকা, 70,000 টকা আৰু 50,000 টকা।

গড় লাভক পাঁচ বর্ষ সংখ্যাৰে পূৰণ কৰি প্ৰতিষ্ঠানখনৰ সুনামৰ মূল্যায়ন কৰক।

সমাধান ঃ

গড় লাভ = (60,000+70,000+50,000) টকা ÷ 3 = 60,000 টকা

গতিকে, গড় লাভৰ পাঁচ বর্ষ সংখ্যাৰে পূৰণ কৰি নির্ণয় কৰা সুনামৰ পৰিমাণ হ'ব

= গড় লাভ × 5

= 60,000 টকা × 5

= 3,00,000 টকা।



উদাহৰণ ২

শ্যাম এণ্ড কোম্পানীয়ে মেচার্চ আনন্দ এণ্ড কোম্পানীৰ ব্যৱসায়টো ক্রয় কৰিবলৈ মনস্থ কৰিছে। এই উদ্দেশ্যে সুনামৰ মূল্যায়ন বিগত পাঁচ বছৰৰ গড় লাভক তিনি বৰ্ষসংখ্যাৰে পূৰণ কৰি নির্ণয় কৰিবলৈ মান্তি হ'ল।

নিম্নলিখিত তথ্যৰ পৰা সুনামৰ মূল্য গণনা কৰক।

বিগত পাঁচ বছৰৰ লাভ আছিল।

বছৰ	2,000	2001	2002	2003	2004
লাভ (টকাত)	40,000	45,000	49,000	38,400	52,000

(ক) আনন্দ এণ্ড কোম্পানীৰ 2002 চনৰ লাভৰ ভিতৰত 5,500 টকা অপৌনঃপুনিক লাভ সোমাই আছে।

(খ) 2003 চনৰ লাভৰ পৰিমাণ নির্ধাৰণ কৰোতে 4,300 টকাৰ চুৰিৰ এটা অসাধাৰণ লোকচান লাভৰ পৰা বিয়োগ কৰা হৈছিল।

সমাধান ঃ

প্রকৃত গড় লাভৰ গণনা (Calculation of Net Average Profit)

বছৰ			**লাভ (টকা)**
2000			40,000
2001			45,000
2002		49,000	
	বাদ অপৌনঃপুনিক লাভ	5,500	43,500
2003		38,400	
	যোগ ঃ অসাধাৰণ লোকচান	4300	
			42,700
2004			52,000
		মুঠ	2,23,200


সুনামৰ মূল্য গণনা ঃ

পাঁচ বছৰৰ প্ৰকৃত গড় লাভ = 2,23,200 টকা ÷5= 44,640 টকা

∴ সুনামৰ মূল্য = প্ৰকৃত গড় লাভ × বৰ্ষ গুণক সংখ্যা

= 44,640 টকা × 3

= 1,33,920 টকা



অনুশীলনী ১

নিম্নলিখিত তথ্যৰ পৰা Y কোম্পানীৰ সুনামৰ মূল্য নিৰ্ধাৰণ কৰক। Y কোম্পানীৰ সুনামৰ মূল্য চাৰি বছৰৰ গড় লাভ তিনি বৰ্ষ সংখ্যাৰে পূৰণ কৰি গণনা কৰিব লাগে।

কৰ বাদ দিয়াৰ পিছত বিগত চাৰি বছৰৰ লাভসমূহ হৈছে ঃ 10,000 টকা, 8,000 টকা, 5,000 টকা, 7,000 টকা।

৮.৫.২ ভাৰশোধিত গড় লাভ পদ্ধতি (Weighted Average Profit Method)

এই পদ্ধতিত গড় লাভ নিৰ্ধাৰণৰ বাবে সৰল গড়ৰ সলনি ভাৰশোধিত গড় ব্যৱহাৰ কৰা হয়। প্ৰতি বছৰৰ লাভৰ ওপৰত ভাৰ আৰোপ কৰা হয়। সংশ্লিষ্ট ভাৰৰ সংখ্যাৰে লাভৰ পৰিমাণক পূৰণ কৰি পোৱা মুঠ ভাৰশোধিত লাভৰ পৰিমাণক সকলোবোৰ ভাৰৰ যোগফলেৰে হৰণ কৰি ভাৰশোধিত গড় লাভ নিৰ্ধাৰণ কৰা হয়। এই সংখ্যাক পিছত বৰ্ষ সংখ্যাৰে পূৰণ কৰি সুনামৰ মূল্য নিৰ্ধাৰণ কৰা হয়। ভৰ নিৰ্ধাৰণৰ অসুবিধাৰ বাবে এই পদ্ধতিটো সাধাৰণতে সৰু সুৰা ব্যৱসায় প্ৰতিষ্ঠানে ব্যৱহাৰ নকৰে।



উদাহৰণ ৩

বিগত পাঁচ বছৰৰ X লিমিটেডৰ লাভ আৰু সিহঁতৰ সংশ্লিষ্ট ভাৰসমূহ তলত উল্লেখ কৰা হ'ল ঃ

বছৰ (Year)	2004	2005	2006	2007	2008
লাভ (Profit) টকাত	90,000	1,10,000	1,40,000	1,50,000	1,60,000
ভাৰ (Weight)	1	2	3	4	5

ভাৰশোধিত গড় লাভক তিনি বৰ্ষ সংখ্যাৰে পূৰণ কৰি সুনামৰ মূল্য গণনা কৰা।

সমাধান ঃ

বছৰ(Year)	লাভ (Profit) (Rs.)	ভাৰ (Weight)	পূৰণফল (Product)
2004	90,000	1	90,000
2005	1,10,000	2	2,20,000
2006	1,40,000	3	4,20,000
2007	1,50,000	4	6,00,000
2008	1,60,000	5	8,00,000
Total		15	21,30,000

ভাৰশোধিত গড় লাভ = 21,30,000 টকা ÷15 = 1,42,000 টকা

সুনামৰ মূল্য = ভাৰশোধিত গড় লাভৰ তিনি বৰ্ষ সংখ্যাৰ পূৰণফল

= 1,42,000 টকা × 3 = 4,26,000 টকা



অনুশীলনী ২

ৰাম এণ্ড কোম্পানী লিমিটেডৰ বিগত পাঁচ বছৰৰ লাভ আৰু অনুৰূপ ভাৰসমূহ তলত দিয়া হ'ল ঃ

বছৰ	2003	2004	2005	2006	2007
লাভ (টকাত)	20,000	30,000	40,000	50,000	60,000
ভাৰ	1	2	3	4	5

ভাৰশোধিত গড় লাভৰ তিনি বৰ্ষৰ সংখ্যাৰ পূৰণফল ভিত্তিত সুনামৰ মূল্য গণনা কৰক।



৮.৬ অধ্যায়টিৰ পৰা আমি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত দিশসমূহ আলোচনা কৰিলো—

- সুনাম হৈছে ব্যৱসায়ে গ্ৰাহক ধৰি ৰখা ক্ষমতা।
- সুনাম অদৃশ্যমান সম্পত্তি।
- সুনামে সম্পত্তিৰ বহী মূল্যতকৈ প্ৰকৃত মূল্যৰ অধিক পৰিমাণক প্ৰতিনিধিত্ব কৰে।
- সুনামৰ বিভিন্ন কাৰক, যেনে— প্ৰতিষ্ঠানৰ অৱস্থিতি, দ্ৰব্যৰ গুণগত মান, বিক্ৰী বিষয়াৰ আচৰণ আদিয়ে প্ৰভাৱিত কৰে।
- সুনাম মূল্যায়নৰ গড় লাভ পদ্ধতিত বিগত কেইবছৰমানৰ গড় লাভক এক নিৰ্দিষ্ট সংখ্যাৰে পূৰণ কৰা হয়।
- সুনাম মূল্যায়নৰ ভাৰশোধিত গড় লাভ পদ্ধতিত প্ৰতিবছৰৰ লাভৰ ওপৰত ভাৰ আৰোপ কৰা হয় আৰু লাভ আৰু সংশ্লিষ্ট ভাৰৰ পূৰণফলৰ মুঠ পৰিমামণক ভাৰৰ মুঠ পৰিমাণেৰে

হৰণ কৰি ভাৰশোধিত গড় লাভ নির্ণয় কৰা হয়। পিছত এই সংখ্যাটোক বর্ষ সংখ্যাৰে পূৰণ কৰি সুনামৰ মূল্য নির্ধাৰণ কৰা হয়।



৮.৭ অধিক জানিবলৈ (FURTHER READING)

1) Dam B B and Gautam H. C.(2008). Corporate Accounting : For B.Com Part II (new course) of Gauhati University. Guwahati, Capital Publishing Company

2) S.N. Maheshwari & S.K. Maheshwari (2009). Corporate accounting. Noida, Vikar Publishing House Pvt. Ltd.

3) Sinyal R.S. (2010). Corporate accounting. New Delhi, V.K. (India) Enterprise.

4) Goyal V.K. & Goyal R. (2012). Corporate accounting. New Delhi, PHI Learning Pvt. Ltd.



৮.৮ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ গ্রাহক ধৰি ৰখা, নতুন গ্রাহকক আকর্ষণ কৰা আৰু ইয়াৰ পণ্য বা সেৱাৰ স্বাভাৱিক বিক্রীৰ পৰিমাণ বঢ়াই দিয়া ক্ষমতাই হ'ল সুনাম। সুনাম হৈছে সংশ্লিষ্ট শিল্পৰ স্বাভাৱিক লাভৰ পৰিমাণতকৈ বেছি লাভ অর্জন কৰা ক্ষমতা। সুনাম এটা সম্পত্তি যিটো দৃশ্যমান নহয়, কিন্তু ই ব্যৱসায় প্রতিষ্ঠানৰ মূল্যবৃদ্ধি কৰে। সেয়ে সুনামৰ বাবে ব্যৱসায় প্রতিষ্ঠানৰ বহী মূল্যতকৈ ইয়াৰ প্রকৃত মূল্য বেছি হয়।

২ নং প্রশ্নৰ উত্তৰঃ (১) সুনামৰ কায়িক অস্তিত্ব নাই।

(২) সুনামে ব্যৱসায়ৰ বাবে অতিৰিক্ত আয় উৎপন্ন কৰে।

৩ নং প্রশ্নৰ উত্তৰঃ ১। প্রতিষ্ঠানৰ অৱস্থিতি,

২। দ্রব্য বা সেৱাৰ গুণগত মান,

৩। পৰিচালনাৰ অর্হতা আৰু কৌশল।



৮.৯ আর্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ নিম্নলিখিত বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) সুনাম দৃশ্যমান সম্পত্তিৰ এটা উদাহৰণ।

(খ) সুনাম হৈছে অতি লাভ অৰ্জন কৰা ক্ষমতা।

(গ) সুনাম মূল্যায়নৰ বাবে কেৱল মাত্ৰ ব্যৱসায়িক বা পৰিচালন লাভ বিবেচনাত লোৱা হয়।

প্ৰশ্ন ২ঃ সুনাম পদটোৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৩ঃ সুনামৰ বিশিষ্ট বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ৪ঃ সুনামক কিয় এটা সম্পত্তি হিচাপে বিবেচনা কৰা হয়?

প্ৰশ্ন ৫ঃ চমুটোকা লিখক ঃ

(ক) অতি লাভ

(খ) অদৃশ্যমান সম্পত্তি

(গ) সুনাম।

প্ৰশ্ন ৬ঃ A লিমিটেডে এটা এজনীয়া ব্যৱসায় ক্ৰয় কৰিবলৈ সন্মত হ'ল। এই উদ্দেশ্যে, বিগত পাঁচ বছৰৰ গড় লাভক তিনি বৰ্ষ সংখ্যাৰে পূৰণ কৰি সুনামৰ মূল্যায়ন কৰিব লাগে। উক্ত বছৰসমূহৰ লাভসমূহ হ'ল ঃ

2004–80,000 টকা, 2005–90,000 টকা, 2006–72,000 টকা, 2007–90,000 টকা, 2008–1,00,000 টকা।

প্ৰশ্ন ৭ঃ সুনামৰ মূল্য গণনা কৰক।

এটা ব্যৱসায় প্ৰতিষ্ঠানে বিগত চাৰি বছৰত 8,000 টকা, 10,000 টকা, 12,000 টকা আৰু 18,000টকা লাভ অৰ্জন কৰিছিল। ভাৰ যথাক্ৰমে 1, 2, 3 আৰু 4 ধৰি 3 বৰ্ষ সংখ্যাৰে পূৰণ কৰি প্ৰতিষ্ঠানখনৰ সুনাম মূল্যায়ন কৰক।

*** ***** ***

অধ্যায় ৯ ঃ অংশপত্রৰ মূল্যায়ন (VALUATION OF SHARES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

৯.১ উদ্দেশ্য (Learning Objectives)

৯.২ পৰিচয় (Introduction)

৯.৩ অংশপত্রৰ মূল্যৰ অর্থ (Meaning of Value of Shares)

৯.৪ অংশপত্রৰ মূল্যৰ প্রকাৰ (Types of Share Value)

৯.৫ অংশপত্রৰ মূল্যায়নৰ গুৰুত্ব (Importance of Valuation of Shares)

৯.৬ অংশপত্রৰ মূল্যত প্রভাৱ পেলোৱা কাৰকসমূহ (Factors affecting the Value of Shares)

৯.৭ অংশপত্র মূল্যায়নৰ পদ্ধতিসমূহ (Methods of Valuation of Shares)

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

৯.৯ অধিক জানিবলৈ (Further Reading)

৯.১০ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

৯.১১ আৰ্হি প্রশ্ন (Model Questions)

৯.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অংশপত্রৰ মূল্যায়নৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- অংশপত্রৰ মূল্যায়নৰ গুৰুত্ব বর্ণনা কৰিব পাৰিব
- অংশপত্রৰ মূল্যায়নত প্রভাৱ পেলোৱা কাৰকসমূহ চিনাক্ত কৰিব পাৰিব
- অংশপত্রৰ মূল্যায়নৰ পদ্ধতিসমূহ পর্যালোচনা কৰিব পাৰিব
- অংশপত্রৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলী উদাহৰণসহ বর্ণনা কৰিব পাৰিব।

৯.২ পৰিচয় (INTRODUCTION)

আপুনি হিচাপৰক্ষণৰ প্রক্রিয়াৰ বিষয়ে সুপৰিচিত হৈছে। ই হৈছে বিত্তীয় লেনদেনসমূহ লিপিবদ্ধ কৰা আৰু ব্যৱসায়ৰ বিত্তীয় অৱস্থা প্রকাশ কৰা প্রক্রিয়া। হিচাপৰক্ষণ প্রক্রিয়াত দুখন বিবৃতি (প্রতিবেদন) বৈশিষ্ট্য মূলকভাৱে প্রস্তুত কৰা হয়। সেইকেইখন হ'ল (i) উদ্বৃত্ত পত্র- য'ত প্রতিষ্ঠানৰ সম্পত্তি, দেনা আৰু মূলধন বা অংশপত্রিক মূলধন সংক্ষেপ কৰা হয়, আৰু (ii) আয়ৰ প্রতিবেদন — যি প্রতিষ্ঠানৰ মুঠ বিক্রীৰ পৰিমাণ, খৰচ আৰু লাভ বা লোকচান প্রকাশ কৰে। এই মূল বিত্তীয় প্রতিবেদনসমূহে পাঁচটা উপাদানৰ বিষয়ে হিচাপসম্পর্কীয় তথ্যৰ যোগান ধৰে। সেই পাঁচটা উপাদান হৈছে— (ক) সম্পত্তি, (খ) দেনা, (গ) সমাংশ (মূলধন), (ঘ) আয় আৰু

লাভ, আৰু (ঙ) খৰচ আৰু লোকচানসমূহ। সেয়ে মূলধন হৈছে বিত্তীয় প্ৰতিবেদনসমূহৰ এক গুৰুত্বপূৰ্ণ উপাদান।

কোম্পানিৰ মূলধন বিলি কৰা অংশপত্ৰৰ সংখ্যা আৰু বিলিকৰা উক্ত অংশপত্ৰৰ মূল্যৰ জৰিয়তে প্ৰকাশ কৰা হয়। উদ্বৃত্ত পত্ৰত এনে অংশপত্ৰৰ বিপৰীতে দেখুৱা মূল্য হৈছে অংশপত্ৰৰ লিখিত বা অভিহিত মূল্যহে, প্ৰকৃত মূল্য নহয়। এই সংক্ৰান্তত আমি মূল হিচাপৰক্ষণৰ সমীকৰণ উল্লেখ কৰিব পাৰো।

সম্পত্তিসমূহ = মূলধন + দেনাসমূহ

বা

মূলধন = সম্পত্তিসমূহ — দেনাসমূহ

সম্পত্তিসমূহৰ পৰা দেনাসমূহ বিয়োগ কৰিলে মূলধনৰ পৰিমাণৰ সমান হয়। সেয়ে কোম্পানিৰ খাটি মূল্য (real value) অৰ্থাৎ প্ৰকৃত মূল্যই (net worth) হৈছে কোম্পানীৰ অংশপত্ৰৰ খাটি মূল্য বা আন শব্দত, কোম্পানিৰ অংশপত্ৰৰ খাটি মূল্য হৈছে সেই কোম্পানিৰ প্ৰকৃত মূল্য।

প্ৰথম অধ্যায়ত আপুনি অংশপত্ৰ আৰু অংশপত্ৰিক মূলধনৰ অৰ্থ, অংশপত্ৰৰ প্ৰকাৰ আৰু অংশপত্ৰৰ বিলিকৰণৰ বিষয়ে শিকিলে। এই অধ্যায়টোত আমি অংশপত্ৰৰ মূল্যৰ অৰ্থ, অংশপত্ৰ মূল্যায়নৰ গুৰুত্ব, অংশপত্ৰৰ মূল্যত প্ৰভাৱ পেলোৱা কাৰকসমূহ আৰু অংশপত্ৰ মূল্যায়নৰ পদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰিম।

৯.৩ অংশপত্ৰৰ মূল্যৰ অৰ্থ (MEANING OF VALUE OF SHARES)

মূল্যৰ অৰ্থ অন্তৰ্মুখী (subjective) আৰু বৈষয়িক (objective) হ'ব পাৰে। পৰীক্ষাগৃহত এজন পৰীক্ষাৰ্থীৰ বাবে এটা কলমৰ মূল্য অন্তৰ্মুখী হয় আৰু ইয়াক ব্যৱহাৰিক মূল্য (value-in-use) বোলা হয়। ক্ৰেতাৰ বাবে ইয়াৰ মূল্য হৈছে মুদ্ৰাভিত্তিক মূল্য অৰ্থাৎ ইয়াৰ মূল্য হৈছে বৈষয়িক মূল্য আৰু ইয়াক বিনিময় মূল্য (value-in-exchange) বোলা হয়। অংশপত্ৰৰ মূল্য হৈছে অংশপত্ৰত জড়িত কৰা মুদ্ৰা মূল্য। ই বহী মূল্য বা ইয়াক কিনা-বেচা কৰিব পৰা মূল্যও হ'ব পাৰে।

অংশপত্ৰৰ মূল্য প্ৰথমতে কোম্পানিৰ আভ্যন্তৰীণ নিয়মাৱলীত উল্লেখ কৰা হয়। ইয়াক কোম্পানিসমূহৰ উদ্বৃত্ত পত্ৰতো উল্লেখ কৰা হয়। উদ্বৃত্ত পত্ৰ বা হিচাপৰ বহীত বা আভ্যন্তৰীণ নিয়মাৱলীত উল্লেখ থকা মূল্যকে অংশপত্ৰৰ বহীমূল্য (book value) বোলা হয়। এটা অংশপত্ৰ কি মূল্য (value) বা দামত (price) বেচা কিনা কৰা হৈছে সেই মূল্যই হৈছে বজাৰ মূল্য (market value) যিটো বহীমূল্যতকৈ কম বা বেছি হ'ব পাৰে।

অংশপত্ৰৰ মূল্যায়নৰ লগত জড়িত সমস্যাসমূহ নিম্নলিখিত বিস্তৃত শিতানত আলোচনা কৰিব পাৰি।

(ক) সমাংশপত্রৰ মূল্যায়ন (Valuation of Equity Shares) আৰু

(খ) অগ্রাধিকাৰযুক্ত অংশপত্রৰ মূল্যায়ন (Valuation of Preference Shares)।

এই অধ্যায়টোত আমি কেৱল মাত্র সমাংশপত্রৰ মূল্যায়নৰ বিষয়েহে আলোচনা কৰিম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অংশপত্রৰ মূল্যায়নৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

.....

.....

৯.৪ অংশপত্রৰ মূল্যৰ প্রকাৰ (TYPES OF SHARE VALUE)

অংশপত্র মূল্যৰ বিভিন্ন প্রকাৰ আছে। সেইবোৰ হ'ল ঃ

১। বহীমূল্য (Book value)

২। সমমূল্য (Par value)

৩। অধিহাৰ মূল্য (Value at a premium)

৪। ঊনহাৰ মূল্য (Value at a discount)

৫। উদ্ধৃত মূল্য (Quoted value)

৬। বজাৰ মূল্য (Market value)

৭। ন্যায্য বজাৰ মূল্য (Fair Market value)

৮। নিহিত মূল্য (Intrinsic value)

৯। উৎপাদ মূল্য (Yield value)

এই মূল্যসমূহ তলত আলোচনা কৰা হ'ল।

১। **বহীমূল্য (Book value) ঃ** অংশপত্রৰ বহীমূল্য হৈছে আভ্যন্তৰীণ নিয়মাৱলীত উল্লেখ কৰা মূল্য। ইয়াক লিখিত মূল্য বা অভিহিত মূল্য বুলিও জনা যায় আৰু এই মূল্য হিচাপৰ বহী আৰু উদ্বৃত্ত পত্রত দেখুৱা হয়।

২। **সমমূল্য (Par value) ঃ** সমমূল্য হৈছে অংশপত্রৰ অভিহিত বা লিখিত মূল্য।

৩। **অধিহাৰ মূল্য (Value at a premium) ঃ** যদি অংশপত্র ইয়াৰ বহী মূল্যতকৈ অধিক মূল্যত বিক্রী বা বিলি কৰা হয় তেতিয়া ইয়াক অধিহাৰ মূল্য বোলা হয়। ধৰো 10 টকীয়া অংশপত্র 12 টকাত বিক্রী কৰা হৈছে, এই 12 টকা মূল্যক অধিহাৰ মূল্য বোলা হয়। ইয়াত 2 টকা হৈছে 10 টকীয়া অংশপত্রত পৰিশোধ কৰা অধিহাৰ।

৪। **ঊনহাৰ মূল্য (Value at a discount) ঃ** যদি অংশপত্রসমূহ ইয়াৰ বহীমূল্য বা লিখিত মূল্যতকৈ কম দামত বিক্রী বা বিলি কৰা হয়, তেনেহ'লে ইয়াক ঊনহাৰ মূল্য বোলা হয়। যদি 10 টকীয়া অংশপত্র 9 টকাত বিক্রী কৰা হয়, তেতিয়া ই ঊনহাৰ মূল্য লেখীয়া হয়। কিন্তু সকলোবোৰ হিচাপসম্পৰ্কীয় উদ্দেশ্যত বহীমূল্য 10 টকাতে লিপিবদ্ধ কৰা হয়।

৫। **উদ্ধৃত মূল্য (Quoted value) ঃ** উদ্ধৃত মূল্য হৈছে দিনটোৰ ব্যৱসায়ৰ শেষত ষ্টক বিনিময় বজাৰত উল্লেখ কৰা অংশপত্রৰ মূল্য।

৬। **বজাৰ মূল্য (Market value) ঃ** অংশপত্রৰ বজাৰ মূল্য হৈছে বজাৰত অংশপত্র কিনা-বেচা কৰা মূল্য। সকলোবোৰ ব্যৱহাৰিক উদ্দেশ্যত ষ্টক বিনিময় বজাৰত উদ্ধৃত মূল্যকেই বজাৰ মূল্য হিচাপে ধৰা হয়।

৭। **ন্যায্য বজাৰ মূল্য (Fair Market value) ঃ** মুক্ত আৰু অবাধ বজাৰত অংশপত্র কিনা-বেচা বিষয়ে পূৰ্ণ জ্ঞান থকা আৰু লেনদেন কৰিবলৈ বাধ্য নোহোৱা জনা বুজা আৰু ইচ্ছুক পক্ষসমূহৰ মাজত মুখামুখীকৈ আলোচনা কৰি অংশপত্রৰ যি মূল্য মানি লোৱা হয় তাকে ন্যায্য বজাৰ মূল্য বোলে।

৮। **নিহিত মূল্য (Intrinsic value) ঃ** প্রকৃত সম্পত্তিৰ মুঠ আদায়যোগ্য মূল্যক অপৰিশোধিত অংশপত্রৰ (shares outstanding) সংখ্যাৰে হৰণ কৰিলে নির্ণিত হোৱা মূল্যই হৈছে এটা অংশপত্রৰ নিহিত মূল্য। এই মূল্যক অংশপত্রৰ সম্পদ সমর্থিত মূল্য বুলিও জনা যায়।

৯। **উৎপাদ মূল্য (Yield value) ঃ** অংশপত্রৰ এই মূল্যক অর্জন ক্ষমতাৰ মূলধনীকৃত মূল্যও বোলা হয়। শিল্পত প্রযোজ্য স্বাভাৰিক অর্জনৰ হাৰ আৰু প্রতিষ্ঠানৰ প্রকৃত বা প্রত্যাশিত অর্জনৰ হাৰ অংশপত্রৰ উৎপাদ মূল্য নির্দ্ধাৰণ কৰোতে বিবেচনাত লোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক ঃ

(১) যেতিয়া 10 টকীয়া অংশপত্র 15 টকাত বিলি কৰা হয়, তেতিয়া ইয়াক ..... মূল্য বোলা হয়।

(২) ষ্টক বিনিময় বজাৰত উল্লেখ কৰা মূল্যক ..... মূল্য বোলে।

(৩) যেতিয়া 15 টকীয়া অংশপত্র 10 টকাত বিলি কৰা হয়, তেতিয়া ইয়াক ..... মূল্য বোলা হয়।

(৪) অংশপত্রৰ অভিহিত মূল্য হৈছে অংশপত্রৰ ..... মূল্য।

(৫) যিটো দৰত বজাৰত অংশপত্রসমূহ বেচা-কিনা কৰা হয় তাকেই অংশপত্রৰ ..... মূল্য বোলে।

৯.৫ অংশপত্রৰ মূল্যায়নৰ গুৰুত্ব (IMPORTANCE OF VALUATION OF SHARES)

অংশপত্রৰ মূল্যায়নৰ গুৰুত্ব নিম্নলিখিত তথ্যসমূহৰ পৰা বুজিব পাৰি।

- ষ্টক বিনিময় বজাৰত উদ্ধৃত কৰা মূল্যই প্ৰায়ে অংশপত্রৰ প্ৰকৃত মূল্য (real worth) প্ৰতিফলিত কৰাত ব্যৰ্থ হয়। যেতিয়া এক ক্ষুদ্ৰ সংখ্যক অংশপত্ৰ বেচা-কিনা কৰা হয় তেতিয়া অংশপত্রৰ সাধাৰণ লেনদেনৰ ক্ষেত্রতহে ই প্ৰযোজ্য হয়। গৰিষ্ঠসংখ্যক বা নিয়ন্ত্রণকাৰী অংশপত্রৰ কিনাবেচাৰ বাবে উদ্ধৃত মূল্য উপযোগী নহয়। তদুপৰি সকলোবোৰ অংশপত্র ষ্টক বিনিময় বজাৰত মূল্যজ্ঞাপিত কৰাও নহয়। গতিকে এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ স্থানান্তৰ কৰোতে মূল্যজ্ঞাপন নকৰা অংশপত্রৰ মূল্যায়ন কৰাটো প্ৰয়োজন হয়।
- অংশপত্রৰ মূল্যায়নৰ গুৰুত্ব কোম্পানিসমূহৰ একত্রীকৰণৰ ক্ষেত্রত উদ্ভৱ হয় যেতিয়া ক্রয় প্ৰতিদান নিষ্পত্তি কৰিবৰ বাবে অংশপত্রৰ ন্যায্য মূল্যায়ন কৰাটো প্ৰয়োজন হয়।
- কেতিয়াবা অগ্ৰাধিকাৰযুক্ত অংশপত্র আৰু ঋণপত্রসমূহ বিলি কৰা চৰ্ত অনুসৰি সমাংশপত্রলৈ ৰূপান্তৰ কৰিব পাৰে। এই ক্ষেত্রত, বিনিময় অনুপাত গণনা কৰিবৰ বাবে সমাংশপত্রৰ বাবে এক নতুন মূল্যায়ন পদ্ধতি প্ৰয়োগ কৰাটো বাঞ্ছনীয় হয়।
- বিত্তীয় প্ৰতিষ্ঠানসমূহৰ পৰা ঋণ লওঁতে অংশপত্র আৰু ঋণপত্র জামিন হিচাপে আগবঢ়াব পাৰে। এই উদ্দেশ্যে ঋণ পাবৰ বাবে বন্ধক দিয়া অংশপত্রৰ প্ৰকৃত মূল্য (real worth) নিৰ্দ্ধাৰণ কৰিবৰ বাবে অংশপত্র মূল্যায়ন কৰাটো অপৰিহাৰ্য হৈ পৰে।
- যেতিয়া চৰকাৰী (public) খণ্ডৰ প্ৰতিষ্ঠান উক্ত প্ৰতিষ্ঠানৰ অংশপত্র জনসাধাৰণলৈ বিলি কৰা জৰিয়তে এটা সীমিত দেনাৰ কোম্পানীলৈ ৰূপান্তৰ কৰে তেতিয়া উক্ত অংশপত্রসমূহ মূল্যায়ন কৰাটো প্ৰয়োজন হয়। যেতিয়া জাতীয়কৰণ আঁচনিৰ অধীনত এটা সীমিত দেনাৰ কোম্পানি চৰকাৰৰ দ্বাৰা কৰ্তৃত্ব গ্ৰহণ কৰা হয়, তেতিয়া উক্ত কোম্পানিটোৰ অংশপত্র ধাৰকসকলক ক্ষতিপূৰণ দিবৰ বাবে সংশ্লিষ্ট কোম্পানিটোৰ অংশপত্রসমূহৰ মূল্য নিৰ্ধাৰণ কৰাটো প্ৰয়োজন হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ নিহিত মূল্যৰ অৰ্থ ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ অংশপত্র মূল্যায়ন কৰাৰ দুটা গুৰুত্বপূৰ্ণ বিষয় উল্লেখ কৰক।

(১) .....

(২) .....

৯.৬ অংশপত্রৰ মূল্যত প্রভাৱ পেলোৱা কাৰকসমূহ (FACTORS AFFECTING THE VALUE OF SHARES)

অংশপত্রৰ মূল্যৰ ওপৰত প্রভাৱ পেলোৱা কাৰকসমূহ বিস্তৃতভাৱে দুটা শ্রেণীত ভগাব পাৰি— (১) আভ্যন্তৰীণ কাৰক আৰু (২) বাহ্যিক কাৰক। ইহঁতক তলত উল্লেখ কৰা হ'ল।

(১) আভ্যন্তৰীণ কাৰক (Internal factors) :

- সম্পত্তিসমূহৰ প্রকৃত মূল্য (সকলোবোৰ সম্পত্তিৰ আদায়যোগ্য মূল্য বিয়োগ সকলোবোৰ দেনা) (Net worth of Assets ie. realisable value of all assets minus all liabilities)
- সম্পত্তিসমূহৰ অর্জন ক্ষমতা (Earning capacity of assets)
- বিনিয়োগৰ ওপৰত প্রতিদান (Return on investments)
- কৰ বাদ দিয়াৰ পিছৰ লাভ (Profit after tax)
- সমাংশপত্র ধাৰকসকললৈ লভ্য হোৱা লাভ (Profit available to equity shareholders)
- প্রতি অংশপত্রৰ উপার্জন (Earning per share)
- প্রতি অংশপত্রৰ লাভাংশ বা লাভাংশৰ হাৰ (Dividend per share or Rate of dividend)

(২) বাহ্যিক কাৰকসমূহ (External factors)

- দেশৰ সাধাৰণ আর্থিক অৱস্থা (General economic condition of the country)
- ৰাজনৈতিক আৰু সামাজিক পৰিবেশ (Political and social environment)
- আন্তর্জাতিক আর্থিক দৃষ্টপট (International economic scenario)
- আন্তর্জাতিক ৰাজনৈতিক পৰিবেশ (International political environment)
- অংশপত্রৰ বাবে চাহিদা (Demand for shares)
- শিল্পৰ উন্নতিৰ সম্ভাৱনিয়তা (Growth prospect of the industry)
- তথ্য প্রবাহৰ স্বচ্ছতা (Transparency in information flow)
- আভ্যন্তৰীণ ব্যক্তিৰ দ্বাৰা ব্যৱসায় (Insider trading)
- মূলধনী আৰু বিনিময় বজাৰৰ সাধাৰণ প্রবৃত্তি (General impulse in capital and securities market)
- বিনিয়োগকাৰীৰ শিক্ষা আৰু তেওঁলোকৰ মূলধনী বজাৰৰ প্রতি প্রত্যাশা (Investor's education and their perspective towards capital market).

৯.৭ অংশপত্র মূল্যায়নৰ পদ্ধতিসমূহ (METHODS OF VALUATION OF SHARES)

ওপৰৰ **১০.৩** শাখাত উল্লেখ কৰা দৰে অংশপত্রৰ মূল্যায়নৰ লগত জড়িত সমস্যাসমূহ নিম্নলিখিত বিস্তৃত শিতানত আলোচনা কৰিব পাৰি।

(ক) সমাংশপত্রৰ মূল্যায়ন (Valuation of Equity shares)

(খ) অগ্রাধিকাৰযুক্ত অংশপত্রৰ মূল্যায়ন (Valuation of Preference shares)।

ইয়াত আমি কেৱল মাত্র সমাংশপত্রৰ মূল্যায়নৰ বিষয়েহে আলোচনা কৰিম।

সাধাৰণতে অংশপত্রৰ মূল্যায়নৰ বাবে নিম্নলিখিত পদ্ধতিসমূহ ব্যৱহৃত হৈ আছে। সেইবোৰ হ'ল —

(ক) নিহিত মূল্য পদ্ধতি (Intrinsic Value Method) বা প্রকৃত সম্পত্তি পদ্ধতি (Net Asset Method) আৰু (খ) উৎপাদ পদ্ধতি (Yield Method)

(ক) প্রকৃত সম্পত্তি পদ্ধতি (Net Asset Method) :

এই পদ্ধতিটোক নিহিত মূল্য পদ্ধতি, সম্পদ সমর্থিত পদ্ধতি (Asset Backing Method), সমদর্শী পদ্ধতি (Equity Method), সম্পত্তি সন্তুলন পদ্ধতি (Assets Balancing Method) বা সম্পত্তি মূল্যায়ন পদ্ধতি বুলিও জনা যায়। সাধাৰণতে এই পদ্ধতিত এটা সমাংশপত্রৰ মূল্য নিম্নলিখিত ধৰণেৰে গণনা কৰা হয়।

এটা সমাংশপত্রৰ মূল্য = প্রকৃত সম্পত্তিৰ মূল্য ÷ সমাংশপত্রৰ সংখ্যা।

মুঠ আদায়যোগ্য সম্পত্তিৰ মূল্যৰ পৰা দেনাসমূহ বিয়োগ কৰি প্রকৃত সম্পত্তিৰ মূল্য নির্দ্ধাৰণ কৰা হয়। প্রতিটো অংশপত্রৰ প্রকৃত সমর্থিত মূল্য (net backing) প্রকৃত সম্পত্তিৰ মূল্যক অপৰিশোধিত অংশপত্রৰ (outstanding shares) সংখ্যাৰে হৰণ কৰি নির্ধাৰণ কৰা হয়।

প্রকৃত সম্পত্তি হৈছে সকলোবোৰ সম্পত্তিৰ আদায়যোগ্য মূল্য বিয়োগ সকলোবোৰ বহিঃ দেনা।

সম্পত্তিৰ আদায়যোগ্য মূল্য বুলিলে সম্পত্তিসমূহ বিক্রীৰ বাবে আগবঢ়ালে বজাৰৰ পৰা কিমান মূল্য আদায় কৰিব পৰা যাব তাকে বুজায়।

অপৰিশোধিত অংশপত্র (outstanding shares) হৈছে বিলি কৰা আৰু জনসাধাৰণে গ্রহণ কৰা অংশপত্রৰ সংখ্যা।

প্রকৃত সম্পত্তি পদ্ধতি যেতিয়া ব্যৱসায় প্রতিষ্ঠানখন অৱসান ঘটোৱা হয় তেতিয়া সুন্দৰকৈ ব্যৱহাৰ কৰিব পাৰি। এই পদ্ধতিত ব্যৱসায়ৰ খাটি মূল্য (real worth) হিচাপত লোৱা হয় আৰু ইহঁত সম্পত্তিৰ বজাৰ মূল্যৰ লগত জড়িত হয়। কিন্তু চলন্ত ব্যৱসায়ৰ ক্ষেত্রত অংশপত্রৰ আদায়যোগ্য মূল্য নির্ণয় কৰাটো এক জটিল কাম হয়। এই পদ্ধতিটোৱে কোম্পানীৰ অর্জন ক্ষমতাৰ ওপৰত কোনো গুৰুত্ব আৰোপ নকৰে। এই পদ্ধতিটো যেতিয়া দুটা বা ততোধিক কোম্পানি একত্রিত বা চামিল হয় আৰু যেতিয়া নিয়ন্ত্রণকাৰী অংশপত্রসমূহ অধিগ্রহণ কৰা হয় সেই ক্ষেত্রত উপযুক্তভাৱে প্রযোজ্য হয়।

প্রকৃত সম্পত্তি পদ্ধতি ব্যৱহাৰ কৰোঁতে ল'বলগীয়া সাৱধানতা (Precaution to be taken while using the Net Asset Method) ঃ

প্রকৃত সম্পত্তি পদ্ধতিৰ অধীনত অংশপত্রৰ মূল্য গণনা কৰোঁতে নিম্নলিখিত সাৱধানতাসমূহ বিবেচনাত ল'ব লাগে।

(১) যেতিয়া বজাৰ মূল্য বা আদায়যোগ্য মূল্য পোৱা নাযায় তেতিয়াহে সম্পত্তিসমূহ বহীমূল্যত ল'ব লাগে।

(২) অৱক্ষয়ৰ বাবে যথাযথ ব্যৱস্থা সংৰক্ষণ কৰিব লাগে।

(৩) প্রতিষ্ঠানৰ বাহিৰত কৰা বিনিয়োগ যেনে আন কোম্পানিৰ অংশপত্র, ঋণ পত্র আদিত থকা বিনিয়োগ আৰু মজুত পণ্যৰ বাবে চলিত বজাৰ মূল্য প্রয়োগ কৰিব লাগে।

(৪) প্রাপ্য বিনিময় বিল আৰু ব্যৱসায়িক দেনাদাৰৰ ক্ষেত্রত অনুদ্ধাৰণীয় আৰু সন্দেহজনক ঋণৰ বাবে যথাযথ ভৱিষ্যৎ ব্যৱস্থা কৰিব লাগে।

(৫) প্রাৰম্ভিক খৰচসমূহৰ দৰে কাল্পনিক সম্পত্তিসমূহ, লাভ লোকচান হিচাপৰ ডেবিট উদ্বৃত্ত বা অৱলোপন নকৰাকৈ থকা খৰচ আৰু বিলম্বিত ৰাজস্ব খৰচ ধৰণৰ কাল্পনিক সম্পত্তিসমূহ হিচাপত ল'ব নালাগে।

(৬) যদি কোনো সম্পত্তি হিচাপত লিপিবদ্ধ নকৰাকৈ আছে আৰু যাৰ মূল্য আদায় কৰিব পৰা যাব তেনে সম্পত্তি হিচাপত ল'ব লাগে। সেই একেদৰে বাদ পৰি থকা সকলোবোৰ দেনাও হিচাপত ব্যৱস্থা কৰিব লাগে।

(৭) সকলোবোৰ সম্পত্তিৰ মুঠ আদায়যোগ্য মূল্যৰ পৰা সম্ভাব্য দেনা আৰু কর্মচাৰীৰ প্রতি থকা দেনাসহ সকলোবোৰ দেনাৰ মূল্য বিয়োগ কৰিব লাগে।

(৮) ওপৰত উল্লেখ কৰা ধৰণেৰে গণনা কৰা মূল্যৰ পৰা অগ্রাধিকাৰযুক্ত অংশপত্রিক মূলধনৰ আদায়ীকৃত পৰিমাণ, যদি থাকে, আৰু পৰিশোধ নকৰাকৈ থকা অগ্রাধিকাৰযুক্ত অংশপত্রৰ লাভাংশৰ (যদি দেনা হিচাপে বিয়োগ কৰা হোৱা নাই) পৰিমাণ বিয়োগ কৰি সমাংশপত্র ধাৰকসকলৰ বাবে লভ্য হোৱা প্রকৃত সম্পত্তিৰ মূল্য নির্ধাৰণ কৰা হয়।

(৯) সমাংশপত্র ধাৰকসকললৈ লভ্য হোৱা প্রকৃত সম্পত্তিৰ মূল্যক বিলি কৰা আৰু ৰাইজে কিনা সমাংশপত্রৰ সংখ্যাৰে হৰণ কৰি প্রতিটো সমাংশপত্রৰ মূল্য নির্ধাৰণ কৰা হয়।



উদাহৰণ ১

2007 চনৰ 31 মার্চ তাৰিখত টিনা লিমিটেডৰ নিম্নলিখিত তথ্যসমূহ প্রাপ্তি হয়।

মূলধন ঃ100 টকীয়া 1,000 5% অগ্রাধিকাৰযুক্ত	
অংশপত্র সম্পূর্ণকৈ আদায়ী	1,00,000 টকা
100 টকীয়া 2,000 সমাংশপত্র সম্পূর্ণকৈ আদায়ী	2,00,000 টকা
পুঁজি আৰু ৰাহিসমূহ	2,00,000 টকা
6% ঋণপত্র	1,00,000 টকা
চলিত দেনাসমূহ	1,00,000 টকা
সম্পত্তি ঃ	স্থায়ী সম্পত্তি
4,00,000 টকা	
চলিত সম্পত্তি	3,00,000 টকা

অংশপত্র মূল্যায়নৰ উদ্দেশ্যে স্থায়ী সম্পত্তি আৰু চলিত সম্পত্তিসমূহৰ ওপৰত 10%

অৰক্ষয় ধার্য কৰিব লাগে, ঋণপত্রৰ ওপৰত সুত ছমাহৰ বাবে অনাদায়ী হৈ আছে, অগ্রাধিকাৰযুক্ত অংশপত্রৰ লাভাংশ বছৰটোৰ বাবে দেয় হৈ আছে। উক্ত বিষয়সমূহ উদ্বৃত্ত পত্রত ব্যৱস্থা কৰা হোৱা নাছিল।

প্রকৃত সম্পত্তি পদ্ধতিৰ অধীনত প্রতিটো সমাংশপত্রৰ মূল্য গণনা কৰক।

সমাধান ঃ

টোকা ঃ যিহেতু ইয়াত কেৱল মাত্র এটা শ্রেণীৰ সমাংশপত্রহে আছে আৰু সকলোবোৰ সমাংশপত্র সম্পূর্ণকৈ আদায়ী হৈ আছে, সেয়ে প্রতিটো সমাংশপত্রৰ মূল্য নিম্নলিখিত ধৰণেৰে গণনা কৰা হয়।

সমাংশপত্র ধাৰকসকললৈ লভ্য হোৱা প্রকৃত সম্পত্তি (Net Assets Available to Equity Shareholders) ঃ

সম্পত্তিসমূহ (Assets) :		Rs.
স্থায়ী সম্পত্তিসমূহ (4,00,000 টকা – 4,00,000 টকাৰ 10%)		3,60,000
চলিত সম্পত্তিসমূহ (3,00,000 টকা – 3,00,00 টকাৰ 10%)		2,70,000
সম্পত্তিৰ মূল্য (Value of Assets)		6,30,000
বাদ ঃ দেনাসমূহ ঃ		
চলিত দেনা	1,00,000	
6% ঋণপত্র	1,00,000	
অপ্রদত্ত ঋণপত্রৰ ওপৰত সুত $\left(1,00,000 \times \frac{6}{100} \times \frac{6}{12}\right)$	3,000	
5% অগ্রাধিকাৰযুক্ত অংশপত্রিক মূলধন	1,00,000	
অপ্রদত্ত লাভাংশ (1,00,000 টকা × 5%)	5,000	
		3,08,000
সমাংশপত্র ধাৰকসকললৈ লভ্য হোৱা প্রকৃত সম্পত্তি (Net Assets available to Equity Shareholders)		3,22,000
সমাংশপত্রৰ সংখ্যা (No. of Equity shares)		2,000

প্রকৃত সম্পত্তি পদ্ধতিৰ অধীনত প্রতি সমাংশপত্রৰ মূল্য ঃ

প্রতি অংশপত্রৰ মূল্য = সমাংশপত্র ধাৰকসকললৈ লভ্য হোৱা প্রকৃত সম্পত্তি ÷ সমাংশপত্রৰ সংখ্যা।

= 3,22,000 টকা ÷ 2,000

= 161 টকা।

(খ) উৎপাদ পদ্ধতি (Yield Method)

অংশপত্রৰ উৎপাদ মূল্যক অর্জন ক্ষমতাৰ মূলধনীকৃত মূল্যও (Capitalised Value of Earning Capacity) বোলা হয়। অংশপত্রৰ এই উৎপাদ মূল্য নির্ধাৰণ কৰিবৰ বাবে শিল্পত প্রয়োজ্য হোৱা স্বাভাৱিক অর্জনৰ হাৰ আৰু প্রতিষ্ঠানৰ প্রকৃত বা প্রত্যাশিত অর্জনৰ হাৰ বিবেচনাত ল'ব লাগে। বিনিয়োগৰ অর্জনৰ হাৰৰ পৰিবর্তে লাভাংশৰ হাৰো হিচাপত ল'ব পাৰি।

উৎপাদে প্রতিষ্ঠানৰ উপার্জন বা উৎপাদনশীলতাই বিনিয়োগৰ সম্পর্কে মনোযোগ আকর্ষণ কৰে। এনে উৎপাদ আহৰিত উৎপাদ (Earning yield) বা লাভাংশ উৎপাদ (Dividend yield) হ'ব পাৰে।

উপার্জিত তথা আহৰিত উৎপাদ = সমাংশপত্র ধাৰকসকললৈ লভ্য হোৱা লাভ ÷ সমাংশপত্রৰ সংখ্যা।

লাভাংশ উৎপাদ = সমাংশপত্র ধাৰকসকলৰ বাবে লভ্য হোৱা মুঠ লাভাংশ ÷ মুঠ আদায়ীকৃত সমাংশপত্রিক মূলধন × 100

সমাংশপত্রৰ মূল্যায়নৰ বাবে সাধাৰণতে উপার্জন উৎপাদ পদ্ধতি ব্যৱহাৰ কৰা হয়।

উপার্জিত উৎপাদ পদ্ধতি (Earning Yield Method)

এই পদ্ধতিৰ অধীনত প্রতিটো সমাংশপত্রৰ মূল্য নিম্নলিখিত ধৰণেৰে গণনা কৰা হয়।

প্রত্যাশিত অর্জনৰ হাৰ (Expected Rate of Earning) ঃ স্বাভাৱিক অর্জনৰ হাৰ (Normal Rate of return) × এটা অংশপত্রৰ আদায়ীকৃত মূল্য (Paid up value of a share)।

কেতিয়াবা প্রত্যাশিত অর্জনৰ হাৰৰ সলনি প্রকৃত অর্জনৰ হাৰ ব্যৱহাৰ কৰা হয়।

লাভাংশ উৎপাদ পদ্ধতি (Dividend Yield Method)

এই পদ্ধতিত প্রতিটো সমাংশপত্রৰ মূল্য নিম্নলিখিত ধৰণেৰে গণনা কৰা হয়।

লাভাংশৰ হাৰ (Rate of Dividend) ÷ স্বাভাৱিক অর্জনৰ হাৰ (Normal rate of return) × প্রতি অংশপত্রৰ আদায়ীকৃত মূল্য (Paid up value of a share)।

উদাহৰণ ২

শ্যেইলী লিমিটেডৰ 10 টকীয়া 20,000 সমাংশপত্র আৰু 100 টকীয়া 1,000 5% অগ্রাধিকাৰযুক্ত অংশপত্রত বিভক্ত 3,00,000 টকাৰ আদায়ীকৃত মূলধন আছে। কোম্পানিৰ 1,00,000 টকাৰ ঋণপত্র বিলি কৰা আছে; ইয়াৰ ওপৰত সুত বছৰি 10% হাৰে দেয় হৈ আছে। 2008-09 বছৰটোত কোম্পানিয়ে সুত ধার্য কৰাৰ আগত 1,60,000 টকা লাভ অর্জন কৰিছিল। বিগত বছৰটোৰ বাবে কোম্পানিটোৱে প্রতি অংশপত্রত 4 টকাকৈ লাভাংশ ঘোষণা কৰিলে। স্বাভাৱিক অর্জনৰ হাৰ হৈছে 20%। কৰৰ হাৰ 30% বুলি ধৰিব লাগে।

উপার্জন উৎপাদ পদ্ধতি আৰু লাভাংশ উৎপাদ পদ্ধতিত প্রতি অংশপত্রৰ মূল্য গণনা কৰক।

সমাধান ঃ

সুত আৰু আয়কৰ বাদ দিয়াৰ আগৰ লাভ	1,60,000 টকা
বাদ ঃ সুত (1,00,000 টকা × 10%)	10,000 টকা
সুত বাদ দিয়া পিছৰ লাভ	1,50,000 টকা
বাদ ঃ আয়কৰ (1,50,000 টকা × 30%)	45,000 টকা
আয়কৰ বাদ দিয়াৰ পিছৰ লাভ	1,05,000 টকা
বাদ ঃ অগ্রাধিকাৰযুক্ত অংশপত্রৰ লাভাংশ (1,00,000 টকা × 5%)	5,000 টকা
সমাংশপত্র ধাৰকসকললৈ লভ্য হোৱা লাভ	1,00,000 টকা

উপার্জন উৎপাদ পদ্ধতি ঃ

প্রতিটো সমাংশপত্রৰ মূল্য নিম্নলিখিত ধৰণেৰে গণনা কৰা হয় ঃ

উপার্জন হাৰ ÷ স্বাভাৱিক অর্জনৰ হাৰ × এটা অংশপত্রৰ আদায়ীকৃত মূল্য

উপার্জনৰ হাৰ = 1,00,000 টকা÷ 2,00,000 টকা × 100 = 50% টকা

প্রতিটো সমাংশপত্রৰ মূল্য = (50% ÷ 20%) × 10 টকা = 25 টকা

লাভাংশ উৎপাদ পদ্ধতি ঃ

এই পদ্ধতিৰ অধীনত প্রতিটো সমাংশপত্রৰ মূল্য নিম্নলিখিত ধৰণেৰে গণনা কৰা হয় ঃ

লাভাংশৰ হাৰ ÷ স্বাভাৱিক অর্জনৰ হাৰ × প্রতি অংশপত্রৰ আদায়ীকৃত মূল্য

লাভাংশৰ হাৰ = প্রতি অংশপত্রত 4 টকা বা 4 ÷ 10 × 100 = 40%

প্রতিটো সমাংশপত্রৰ মূল্য = (40% ÷ 20%) × 10 টকা = 20 টকা



৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো—

- অংশপত্রৰ মূল্য হৈছে অংশপত্রৰ লগত সংলগ্ন হোৱা মুদ্রা মূল্য।
- কোম্পানিৰ আভ্যন্তৰীণ নিয়মাৱলী আৰু উদ্বৃত্ত পত্রত উল্লেখ থকা অংশপত্রৰ মূল্য হৈছে অংশপত্রৰ বহীমূল্য।
- অংশপত্রৰ মূল্যৰ বিভিন্ন প্রকাৰসমূহ হৈছে— বহীমূল্য, সমমূল্য, অধিহাৰ মূল্য, ঊনহাৰ মূল্য, বজাৰ মূল্য, ইত্যাদি।
- এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ অংশপত্র হস্তান্তৰ, কোম্পানিসমূহৰ একত্রীকৰণ, অগ্রাধিকাৰযুক্ত অংশপত্র আৰু ঋণপত্র সমাংশপত্রলৈ ৰূপান্তৰ কৰা আদি ক্ষেত্রত অংশপত্র মূল্যায়ন কৰাটো অতি প্রয়োজন হয়।
- অংশপত্রৰ মূল্যৰ ওপৰত প্রভাৱ পেলোৱা কাৰকসমূহক আভ্যন্তৰীণ কাৰক, যেনে—

সম্পত্তিৰ অৰ্জন ক্ষমতা, বিনিয়োগৰ ওপৰত অৰ্জনৰ হাৰ আদি আৰু বাহ্যিক কাৰক, যেনে— দেশৰ সাধাৰণ আৰ্থিক অৱস্থা, ৰাজনৈতিক আৰু সামাজিক পৰিবেশ, অংশপত্রৰ চাহিদা আদি হিচাপে শ্রেণী বিভাগ কৰিব পাৰি।

- অংশপত্রৰ মূল্যায়নৰ প্রকৃত সম্পত্তি পদ্ধতিৰ অধীনত এটা অংশপত্রৰ মূল্য নিম্নলিখিত ধৰণেৰে গণনা কৰা হয়।

  এটা সমাংশপত্রৰ মূল্য = প্রকৃত সম্পত্তিৰ পৰিমাণ ÷ সমাংশপত্রৰ সংখ্যা।

- উপার্জিত উৎপাদ পদ্ধতিত প্রতিটো সমাংশপত্রৰ মূল্য এনেদৰে গণনা কৰা হয় ঃ

  প্রত্যাশিত অৰ্জনৰ হাৰ ÷ স্বাভাৱিক অৰ্জনৰ হাৰ × প্রতি অংশপত্রৰ আদায়ী মূল্য।

- লাভাংশ উৎপাদ পদ্ধতিত প্রতিটো সমাংশপত্রৰ মূল্য এনেদৰে গণনা কৰা হয় ঃ

  লাভাংশ হাৰ ÷ স্বাভাৱিক অৰ্জনৰ হাৰ × প্রতি অংশপত্রৰ আদায়ী মূল্য।



৯.৯ অধিক জানিবলৈ (FURTHER READING)

১। Advanced Accounting 2 Corporate Accounting by Dr A Sehgal and Dr D. Sehgal, Taxman.

২। Corporate Accounting by K. R. Das and others, LBS Publication.

৩। Corporate Accounting by B. B. Dam and H.C. Gautam, Capital Publishing.



৯.১০ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰ ঃ অংশপত্রৰ মূল্য বুলিলে অংশপত্রটোৰ লগত সংলগ্ন হৈ থকা মুদ্রামূল্যকে বুজায়। ই বহী মূল্যও (হিচাপৰ বহীত লিখিত মূল্য) হ'ব পাৰে বা যিটো মূল্যত ইয়াক কিনা-বেচা কৰিব পাৰি সেই মূল্যও হ'ব পাৰে। অংশপত্রৰ মূল্যায়ন বুলিলে কিছুমান কাৰকৰ ভিত্তিত প্রতি অংশপত্রৰ মূল্য নির্ধাৰণ কৰা প্রক্রিয়াকে বুজায়।

২ নং প্রশ্নৰ উত্তৰ ঃ (১) অধিহাৰ

(২) উদ্ধৃত্ত

(৩) ঊনহাৰ

(৪) বহী

(৫) বজাৰ

৩ নং প্রশ্নৰ উত্তৰ ঃ নিহিত মূল্য ঃ প্রকৃত সম্পত্তিসমূহৰ মুঠ আদায়যোগ্য মূল্যক অপৰিশোধিত হৈ থকা (outsanding) সমাংশপত্রৰ সংখ্যাৰে হৰণ কৰি পোৱা মূল্যই হৈছে এটা

অংশপত্রৰ নিহিত মূল্য। এই মূল্যক অংশপত্রৰ সম্পদ সমর্থিত মূল্য বুলিও জনা যায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ

(১) কোম্পানিসমূহৰ একত্রীকৰণৰ ক্ষেত্রত অংশপত্রসমূহ মূল্যায়ন কৰাটো প্রয়োজন।

(২) অগ্রাধিকাৰযুক্ত অংশপত্র আৰু ঋণপত্র ৰূপান্তৰ কৰা ক্ষেত্রত অংশপত্র মূল্যায়ন কৰাটো প্রয়োজন হৈ পৰে।



৯.১১ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

১। তলত উল্লেখ কৰা বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) সম্পদ সমর্থিত পদ্ধতিৰ অধীনত উদ্বৃত্ত পত্রত দেখুওৱা সকলোবোৰ সম্পত্তি অংশপত্র মূল্যায়নৰ বাবে বিবেচনা কৰা হয়।

(খ) অংশপত্র মূল্যায়নৰ উৎপাদ পদ্ধতিত 'উপার্জিত উৎপাদ বা 'লাভাংশ উৎপাদ' হ'ব পাৰে।

(গ) স্বাভাৱিক অর্জনৰ হাৰে কোম্পানিৰ সুনামসহ প্রকৃত সম্পত্তিৰ ওপৰত উপার্জন প্রতিনিধিত্ব কৰে।

২। উ পযুক্ত শব্দ বহুৱাই খালি ঠাই পূৰণ কৰক ঃ

(ক) কোম্পানিৰ অংশপত্রিক মূলধনৰ এটা অংশপত্র হ'ল ——————।

(খ) সাধাৰণতে, অংশপত্রৰ মূল্যায়ন বুলিলে —————— অংশপত্রৰ মূল্যায়নকে বুজায়।

(গ) অংশপত্রৰ নিহিত মূল্য —————— মূল্যৰ ওপৰত নির্ভৰ কৰে।

(ঘ) অংশপত্র মূল্যায়নৰ উৎপাদ পদ্ধতি —————— ওপৰত ভিত্তি কৰে।

৩। অংশপত্রৰ মূল্যায়ন বুলিলে কি বুজে?

৪। অংশপত্র মূল্যায়নত প্রভাব পেলোৱা বিভিন্ন কাৰকসমূহ আলোচনা কৰক।

৫। প্রকৃত সম্পত্তি পদ্ধতিৰ অধীনত অংশপত্র মূল্যায়ন কৰোঁতে কি সাৱধানতা অৱলম্বন কৰিব লাগে?

৬। (ক) নিহিত মূল্য পদ্ধতি আৰু (খ) উৎপাদ পদ্ধতিৰ অধীনত অংশপত্র মূল্যায়ন কৰাৰ প্রক্রিয়া ব্যাখ্যা কৰক।

৭। এটা কোম্পানিৰ 10 টকীয়া 20,000 সম্পূর্ণকৈ আদায়ী সমাংশপত্র আৰু 8 টকালৈকে আদায়ী 10,000 সমাংশপত্র আছে। কোম্পানিৰ প্রকৃত সম্পত্তিৰ পৰিমাণ হৈছে 4,20,000 টকা। প্রতিটো শ্রেণীৰ অংশপত্রৰ মূল্য নির্ধাৰণ কৰক।

৮। অসম কোম্পানি (প্রাইভেট) লিমিটেডৰ 31 মার্চ 2003 তাৰিখত প্রস্তুত কৰা উদ্বৃত্ত পত্রখন তলত দিয়া হ'ল।

অসম কোম্পানি (প্রাইভেট) লিমিটেডৰ উদ্বৃত্ত পত্র

দেনাসমূহ	পৰিমাণ টকা	সম্পত্তিসমূহ	পৰিমাণ টকা
সমাংশপত্রিক মূলধন	2,00,000	সুনাম	5,000
6% 1000 টকীয়া অগ্রাধিকাৰযুক্ত		ভূমি আৰু ভৱন	1,50,000
অংশপত্রিক মূলধন	50,000	আচবাব পত্র	10,000
সঞ্চিত পুঁজি	30,000	মজুত পণ্য	80,000
লাভ-লোকচান হিচাপ	10,000	দেনাদাৰ	60,000
পাওনাদাৰ	20,000	নগদ আৰু	
		বেংকত জমা	10,000
অন্যান্য দেনাসমূহ	10,000	প্রচাৰ ব্যয়	5,000
	3,20,000		3,20,000

সুনামৰ মূল্য 11,000 টকাত, ভূমি আৰু ভৱনৰ মূল্য 2,50,000 টকাত, মজুত পণ্য 1,00,000 টকাত মূল্যায়ন কৰা হ'ল। দেনাদাৰসমূহৰ পৰা বহীমূল্যৰ 90% আদায় কৰিব পৰা যাব।
সমাংশপত্রিক মূলধন 10 টকীয়া 20,000 সম্পূর্ণকৈ আদায়ী অংশপত্র।
সমাংশপত্রৰ মূল্য নির্ণয় কৰক।

৯। N.E. Products (P) লিমিটেডৰ নিম্নলিখিত উদ্বৃত্ত পত্রৰ পৰা সমাংশপত্রৰ মূল্য নির্ণয় কৰক।

N.E.Products (P) Ltd ৰ উদ্বৃত্ত পত্র

দেনাসমূহ	পৰিমাণ টকা	সম্পত্তিসমূহ	পৰিমাণ টকা
8,000 10 টকীয়া সমাংশপত্রিক মূলধন	80,000	সুনাম	17,000
4,000 10 টকীয়া 8% অগ্রাধিকাৰযুক্ত		আচবাব পত্র	15,000
অংশপত্রিক মূলধন	40,000	মজুত পণ্য	60,000
সঞ্চিত পুঁজি	12,000	দেনাদাৰ	45,000
লাভ-লোকচান হিচাপ	4,000	নগদ টকা	32,000
পাওনাদাৰ	24,000	প্রাৰম্ভিক	1,000
প্রস্তাৱিত অগ্রাধিকাৰযুক্ত		ব্যয়সমূহ	
অংশপত্রৰ লাভাংশ	3,200		
বেংকৰ জমাতিৰিক্ত	2,000		
অন্যান্য দেনাসমূহ	4,800		
	170,000		1,70,000

সুনাম 15,000 টকাত মূল্যায়ন কৰা হ'ল। দেনাদাৰৰ পৰিমাণ 10,000 টকাৰে বেছিকৈ মূল্যায়ন কৰা হৈছে। মজুত পণ্যৰ মূল্য 15,000 টকাৰে কমাই থোৱা হৈছে।

*** ***** ***

অধ্যায় ১০ ঃ ব্যৱসায় ক্রয় (PURCHASE OF BUSINESS)

অধ্যায গাঁথনি (UNIT STRUCTURE)

১০.১ উদ্দেশ্য (Learning Objectives)

১০.২ পৰিচয় (Introduction)

১০.৩ 'ব্যৱসায় ক্রয়'ৰ অর্থ (Meaning of Purchase of Business)

১০.৪ 'ব্যৱসায়ৰ কর্তৃত্ব গ্রহণ', 'সম্পত্তিৰ কর্তৃত্ব গ্রহণ' আৰু 'সম্পত্তি আৰু দেনাৰ কর্তৃত্ব গ্রহণ'ৰ অর্থ (Meaning of 'Business Taken Over', 'Assets Taken Over', and 'Assets and Liabilities Taken Over')

১০.৫ ক্রয় প্রতিদান (Purchase Consideration)

১০.৬ ক্রয় প্রতিদান গণনা কৰা পদ্ধতিসমূহ (Methods for Determining Purchase Consideration)

১০.৭ ক্রয় প্রতিদান নিষ্পত্তি কৰাৰ ধৰণ (Mode of Discharge of Purchase Consideration)

১০.৮ হিচাপ সম্পর্কীয় প্রৰিষ্টিসমূহ (Accounting Entries)

১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

১০.১০ অধিক জানিবলৈ (Further Readings)

১০.১১ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

১০.১২ আর্হি প্রশ্ন (Model Questions)

১০.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ব্যৱসায় ক্রয়ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- 'ব্যৱসায়ৰ কর্তৃত্ব গ্রহণ', 'সম্পত্তিৰ কর্তৃত্ব গ্রহণ' আৰু 'সম্পত্তি আৰু দেনাৰ কর্তৃত্ব গ্রহণ'ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- এটা ব্যৱসায় ক্রয়ৰ বাবে প্রতিদান গণনাৰ পদ্ধতিসমূহ বর্ণনা কৰিব পাৰিব
- ব্যৱসায় ক্রয়ৰ হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী উদাহৰণসহ বর্ণনা কৰিব পাৰিব।

১০.২ পৰিচয় (INTRODUCTION)

এজন ব্যৱসায়ীয়ে এটা ব্যৱসায় প্রতিষ্ঠা কৰাৰ উদ্দেশ্য হৈছে লাভ অর্জন কৰা। কিন্তু সেই একে সময়তে তেওঁলোকে লোকচানৰ বোজাও বহন কৰিবলৈ সাজু হৈ থাকে। আন কথাত ক'বলৈ গ'লে, যদি ব্যৱসায়ীজনে লাভ অর্জন কৰিব নোৱাৰে তেনেহ'লে তেওঁ লোকচানৰ

বোজা বহন কৰিব লাগে আৰু যদি লোকচান বহন কৰিব নোৱাৰে তেনেহ'লে তেওঁ ব্যৱসায় বিক্রী কৰি বা আন প্রকাৰে অৱসান কৰি ব্যৱসায় এৰিব লাগিব। যদি এজন ব্যৱসায়ীয়ে বুজন পৰিমাণৰ লাভ অর্জন কৰে তেনেহ'লে তেওঁৰ স্বাভাৱিক ব্যৱসায়িক প্রকৃতি হ'ব ব্যৱসায়টো প্রসাৰ ঘটোৱা। ব্যৱসায়ীয়ে সম্বন্ধযুক্ত উদ্যোগৰ বা আন আর্হিৰ ব্যৱসায়ৰ সুবিধা গ্রহণ কৰিবলৈ বিচাৰে। এই সকলোবোৰ বর্তমানৰ আর্হিৰ ব্যৱসায় বৈচিত্র্যপূর্ণতা ব্যৱসায় গোটসমূহ একত্রীকৰণ, এটা ব্যৱসায় গোট বিক্রী আৰু ইয়াক আন গোটৰ দ্বাৰা ক্রয় কৰা আদিৰ উদ্ভৱ কৰে। এই অধ্যায়টোত আমি ব্যৱসায় ক্রয়ত ব্যৱহাৰ কৰা কিছুমান পদৰ অর্থ, ব্যৱসায় ক্রয়ৰ প্রতিদান, এটা ব্যৱসায় কিনা বাবে প্রতিদান গণনা কৰাৰ ভিত্তি, মুঠ মূল্য পদ্ধতি আৰু প্রকৃত সম্পত্তি পদ্ধতি প্রয়োগ কৰি ক্রয় প্রতিদান গণনা, ক্রেতা কোম্পানীৰ হিচাপৰ বহীত প্রৱিষ্ট কৰা হিচাপ সম্পর্কীয় প্রৱিষ্টিসমূহৰ বিষয়ে আলোচনা কৰিম।

১০.৩ 'ব্যৱসায় ক্রয়'ৰ অর্থ (MEANING OF 'PURCHASE OF BUSINESS')

'ব্যৱসায় ক্রয়' বুলিলে সাধাৰণতে এটা ব্যৱসায় আন এটা ব্যৱসায় প্রতিষ্ঠানৰ দ্বাৰা কিনি লোৱাকে বুজায়। কিন্তু বিভিন্ন ক্ষেত্রত এই পদটো বিভিন্ন ধৰণে ব্যৱহাৰ কৰা হয়। ব্যৱসায় ক্রয় মূলতঃ এটা সীমিত দেনাৰ কোম্পানীৰ দ্বাৰা এটা এজনীয়া ব্যৱসায় প্রতিষ্ঠানক বা এখন অংশীদাৰী প্রতিষ্ঠানক বা এটা কোম্পানীক অধিগ্রহণকে নির্দেশ কৰে। এটা সীমিত দেনাৰ কোম্পানীক আন এটা সীমিত দেনাৰ কোম্পানীয়ে অধিগ্রহণ কৰাক ব্যৱসায় ক্রয় কৰা নুবোলে। ইয়াক 'একত্রীকৰণ (Amalgamation)' বা 'চামিলকৰণ (Merger)' বোলা হয়। সেয়ে, এটা সীমিত দেনাৰ কোম্পানীৰ দ্বাৰা ব্যৱসায় ক্রয় বা অধিগ্রহণ কৰাক সাধাৰণতে এজনীয়া আর্হিৰ ব্যৱসায় বা অংশীদাৰী আর্হিৰ ব্যৱসায়ৰ দৰে অনিগমকৃত আর্হিৰ ব্যৱসায় ক্রয় কৰাকে বুজায়।

এটা সীমিত দেনা কোম্পানীৰ দ্বাৰা ব্যৱসায় ক্রয় নিম্নলিখিত দুটা আর্হিৰ যিকোনো এটা আর্হি হ'ব পাৰে।

(i) এটা বিদ্যমান কোম্পানীয়ে এটা বিদ্যমান এজনীয়া ব্যৱসায় বা অংশীদাৰী ব্যৱসায় ক্রয় কৰা; বা

(ii) বিদ্যমান এখন এজনীয়া ব্যৱসায় বা এখন অংশীদাৰী প্রতিষ্ঠানৰ কর্তৃত্ব গ্রহণ কৰিবৰ বাবে এটা নতুন কোম্পানী গঠন কৰিব পাৰে, অর্থাৎ এটা বিদ্যমান ব্যৱসায় গোটক এটা সীমিত দেনাৰ কোম্পানীলৈ ৰূপান্তৰ কৰিব পাৰে।

১০.৪ 'ব্যৱসায়ৰ কর্তৃত্ব গ্রহণ', 'সম্পত্তিৰ কর্তৃত্ব গ্রহণ' আৰু 'সম্পত্তি আৰু দেনাৰ কর্তৃত্ব গ্রহণ'ৰ অর্থ (MEANING OF 'BUSINESS TAKEN OVER', 'ASSETS TAKEN OVER' AND 'ASSETS AND LIABILITIES TAKEN OVER'.)

যেতিয়া এখন এজনীয়া মালিকীস্বত্বৰ বা অংশীদাৰী ব্যৱসায় এটা কোম্পানীয়ে কিনি

লয় তেতিয়া ক্রয় কৰা কোম্পানীটোৱে সাধাৰণতে তেওঁলোকে ব্যৱহাৰ কৰিব পৰা সক্রিয় সম্পত্তিসমূহহে ক্রয় কৰে। ব্যৱসায় ক্রয়ত 'ব্যৱসায়ৰ কর্তৃত্ব গ্রহণ (Business taken over)', 'সম্পত্তিৰ কর্তৃত্ব গ্রহণ (Assets taken over)' আৰু 'সম্পত্তি আৰু দেনাসমূহৰ কর্তৃত্ব গ্রহণ (Assets and Liabilities)' এই পদকেইটাৰ অর্থ ভালদৰে বুজিব পাৰিব লাগে।

যদি প্রশ্নত এইটো উল্লেখ থাকে যে ব্যৱসায়টো কোম্পানীটোৱে কিনি লৈছে, ইয়াৰ অর্থ হৈছে নগদ টকা আৰু বেংকত থকা ৰাহি ধনসহ কিন্তু কাল্পনিক সম্পত্তিৰ (fictitious assets) বাহিৰে সকলোবোৰ সম্পত্তি কিনিছে আৰু তৃতীয় পক্ষক দিবলগীয়া সকলোবোৰ দেনাৰ দায়িত্ব বহন কৰিছে। তৃতীয় পক্ষৰ দেনা হৈছে বহিঃ ব্যক্তিসকলক দিবলগীয়া সকলোবোৰ দেনা।

যদি এইটো উল্লেখ কৰা হয় যে কোম্পানিটোৱে সম্পত্তিসমূহৰ কর্তৃত্ব গ্রহণ কৰিছে, ইয়াৰ অর্থ হৈছে ই ক্রয় কৰিব বিচৰা প্রস্তাৱিত ব্যৱসায়টোৰ উদ্বৃত্ত পত্রৰ সম্পত্তিৰ দিশত দেখুওৱা সকলোবোৰ সম্পত্তিৰ কর্তৃত্ব গ্রহণ কৰিছে, কিন্তু ইয়াৰ ভিতৰত উদ্বৃত্ত পত্রৰ সম্পত্তি দিশত দেখুওৱা লাভ-লোকচান হিচাপৰ ডেবিট উদ্বৃত্ত আৰু অৱলোপন কৰাকৈ থকা ব্যয়ৰ উদ্বৃত্তসমূহ অন্তর্ভুক্ত কৰা নহয়।

যেতিয়া এইটো উল্লেখ কৰা হয় যে কোম্পানীটোৱে কিছুমান সম্পত্তি আৰু দেনাৰ কর্তৃত্ব গ্রহণ কৰিছে কিন্তু ইয়াক কি মূল্যত গ্রহণ কৰিছে তাৰ বিষয়ে কোনো উল্লেখ নাথাকিলে তেতিয়া এইটো ধৰি লোৱা হয় যে উক্ত সম্পত্তি আৰু দেনাসমূহ বহী মূল্যতে গ্রহণ কৰা হৈছে।

যদি নতুন কোম্পানীটোৱে কোনো এটা সম্পত্তিৰ কর্তৃত্ব গ্রহণ নকৰে, তেনেহ'লে সেই সম্পত্তিটোৰ মূল্য ক্রয় প্রতিদান গণনা কৰোতে হিচাপত ল'ব নালাগে।



জনা উচিত

কাল্পনিক সম্পত্তিসমূহ (fictitious assets) উদ্বৃত্ত পত্রৰ সম্পত্তিৰ দিশত দেখুওৱা হয়। কিন্তু সিহঁতৰ বস্তুগত অস্তিত্বও নাই আৰু আদায়যোগ্য মূল্যও নাই। ই ব্যৱসায় আৰম্ভণি কৰোতে হোৱা খৰচ জাতীয় নগদ ব্যয়সমূহক বুজায়। এই ব্যয়সমূহ কোম্পানিৰ উপার্জনৰ পৰা ক্রমান্বয়ে উপযোজন কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ব্যৱসায় ক্রয়ৰ অর্থ কি?

.....

.....

.....

১০.৫ ক্রয় প্রতিদান (PURCHASE CONSIDERATION)

ক্রয় প্রতিদান বুলিলে অধিগ্রহণ কৰা ব্যৱসায়টোৰ বাবে কোম্পানীয়ে পৰিশোধ কৰিবলগীয়া ক্রয়মূল্যক বুজায়। সাধাৰণতে কোম্পানী আৰু বিক্রী কৰিব বিচৰা ব্যৱসায়ৰ বিক্রেতাৰ মাজত এটা চুক্তি কৰা হয়। এই চুক্তিত ব্যৱসায় অধিগ্রহণ কৰা চর্তাৱলী, ক্রয় প্রতিদান নির্ধাৰণ কৰাৰ ভিত্তি আৰু ক্রয় প্রতিদান পৰিশোধ কৰাৰ ধৰণৰ বিষয়ে দফা সন্নিৱিষ্ট থাকে। গতিকে প্রথমতে ক্রয় প্রতিদানৰ পৰিমাণ নির্ধাৰণ কৰিব লাগে।

প্রতিদান অর্থাৎ ক্রয় মূল্য নগদ টকাত, ক্রয় কৰা কোম্পানীৰ অংশপত্র আৰু ঋণপত্রত বা নগদ আৰু অংশপত্র আৰু ঋণপত্রত দুয়োবিধেৰে পৰিশোধ কৰিব পাৰে। ভাৰতবর্ষৰ চনদপ্রাপ্ত গাণনিক সংস্থাই হিচাপবিদ্যাৰ মান ১৪ত ক্রয় প্রতিদানৰ অর্থৰ সংজ্ঞা এনেদৰে দিছে—

'একত্রীকৰণৰ বাবে প্রতিদান বুলিলে স্থানান্তৰিত কোম্পানীৰ অংশপত্র ধাৰকসকলক স্থানান্তৰকাৰী কোম্পানীয়ে বিলি কৰা অংশপত্র আৰু অন্যান্য প্রতিভূতিসমূহ আৰু নগদ টকাৰে বা আন সম্পত্তিসমূহৰ দ্বাৰা পৰিশোধ কৰা মুঠ পৰিমাণকে বুজায় (consideration for the amalgamation means the aggregate of the shares and other securities issued and the payment made in the form of cash or other assets by the transferee company to the shareholders of the transferor company)'।

প্রতিদান গণনাৰ ভিত্তি (Basis for calculation of purchase consideration)

পৰিশোধ কৰিবলগীয়া ক্রয় মূল্যই হৈছে প্রতিদানৰ মুদ্রা মূল্য। গতিকে যেতিয়া প্রতিদানৰ পৰিমাণ গণনা কৰা হয় তেতিয়া তাত কিছুমান ভিত্তি থাকিব লাগে। এইক্ষেত্রত নিম্নলিখিত দিশসমূহ বিবেচনা কৰা হয়।

(১) চুক্তি অনুসৰি কোম্পানীয়ে অধিগ্রহণ কৰা দৃশ্যমান সম্পত্তিৰ মূল্য;

(২) সুনামৰ বাবে পৰিশোধ কৰিবলগীয়া পৰিমাণ; আৰু

(৩) ক্রয় কৰা কোম্পানীয়ে বিক্রেতা ব্যৱসায়ীৰ দায়িত্ব বহন কৰা দেনাসমূহৰ পৰিমাণ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ক্রয় প্রতিদানৰ অর্থ কি?

.....

.....

.....

.....

১০.৬ ক্রয় প্রতিদান গণনা কৰা পদ্ধতিসমূহ (METHODS FOR DETERMINING PURCHASE CONSIDERATION)

এই শাখাটোত আমি ক্রয় প্রতিদানৰ পৰিমাণ গণনা কৰা বিভিন্ন পদ্ধতিৰ বিষয়ে আলোচনা কৰিম। ব্যৱসায় অধিগ্রহণ কৰা চৰ্তাৱলীৰ ওপৰত নিৰ্ভৰ কৰি ক্রয় প্রতিদান নিৰ্ধাৰণৰ ভিত্তি ক্ষেত্র বিশেষে বেলেগ বেলেগ হয়। নিম্নলিখিত সমূহেই হৈছে ক্রয় প্রতিদান নিৰ্ধাৰণৰ বাবে সাধাৰণতে ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতিসমূহ।

(ক) মুঠ টকাৰ পৰিমাণ পদ্ধতি (Lump Sum Method)

(খ) প্রকৃত সম্পত্তি পদ্ধতি (Net Assets Method), আৰু

(গ) পৰিশোধ পদ্ধতি (Payment Method)

এই পদ্ধতিসমূহ আমি আলোচনা কৰো আহক।

মুঠ টকাৰ পৰিমাণ পদ্ধতি (LUMP SUM METHOD)

যেতিয়া ক্রেতা কোম্পানীয়ে বিক্রেতা ব্যৱসায়ীৰ ব্যৱসায় অধিগ্রহণ কৰিবৰ বাবে এক মুঠ টকাৰ পৰিমাণ (Lump Sum) পৰিশোধ কৰিবলৈ মান্তি হয় তেতিয়া ইয়াকে মুঠ টকাৰ ভিত্তি বোলা হয়। উদাহৰণ স্বৰূপে, 10 টকীয়া সম্পূৰ্ণকৈ আদায়ী অংশপত্রৰ দ্বাৰা নিষ্পত্তি কৰিবলগীয়া 20,00,000 টকাৰ প্রতিদানেৰে মেচার্চ শৰ্মা ব্রাদার্চৰ সম্পত্তি আৰু দেনাসমূহৰ কৰ্তৃত্ব গ্রহণ কৰিবৰ বাবে অসম ট্রেড কোম্পানী লিমিটেড গঠন কৰা হ'ল। এই 20,00,000 টকাৰ পৰিমাণকেই মুঠ টকাৰ পৰিমাণ ভিত্তিত ক্রয় প্রতিদান বুলি কোৱা হয়।

প্রকৃত সম্পত্তি পদ্ধতি (NET ASSETS METHOD)

প্রকৃত সম্পত্তি পদ্ধতিৰ অধীনত ক্রয় প্রতিদান ক্রেতা কোম্পানীয়ে বিক্রেতা ব্যৱসায়ীৰ পৰা কৰ্তৃত্ব গ্রহণ কৰা প্রকৃত সম্পত্তিৰ মূল্যৰ সমান হয়। প্রকৃত সম্পত্তিৰ মূল্য নিম্নলিখিত ধৰণেৰে নিৰ্ধাৰণ কৰা হয়।

প্রকৃত সম্পত্তিৰ মুঠ মূল্য = (কোম্পানীয়ে অধিগ্রহণ কৰা স্থায়ী সম্পত্তিৰ মুঠ সন্মত মূল্য + কোম্পানীয়ে অধিগ্রহণ কৰা চলিত সম্পত্তিৰ মুঠ সন্মত মূল্য) — কোম্পানীয়ে গ্রহণ কৰা মুঠ দেনাসমূহৰ সন্মত মূল্য।



উদাহৰণ ১

3 : 2 অনুপাতত লাভ আৰু লোকচান বণ্টন কৰা X আৰু Y দুজন অংশীদাৰ। 31.12.2008 তাৰিখত তেওঁলোকৰ বিত্তীয় অৱস্থা নিম্নলিখিত ধৰণৰ আছিল ঃ

চলিত দেনা 10,000 টকা, বন্ধকী ঋণ 8,000 টকা, সাধাৰণ সঞ্চিত পুঁজি 4,000 টকা, X ৰ মূলধন 10,000 টকা, Yৰ মূলধন 8,000 টকা।

আচবাব পত্র 6,000 টকা, নগদ 18,000 টকা, বিবিধ দেনাদাৰ 9,000 টকা, মজুত পণ্য 7,000 টকা।

উক্ত তাৰিখত এটা নতুন কোম্পানী XY Ltd. গঠন কৰা হয়। কোম্পানীটোৱে X আৰু Yৰ ব্যৱসায়টোৰ কর্তৃত্ব গ্ৰহণ কৰিছে।

ক্রয় প্রতিদানৰ পৰিমাণ গণনা কৰক।

সমাধান ঃ

Statement Showing the Calculation of Purchase Consideration

Assets taken over	Rs.	Rs.
Furniture		6,000
Sundry Debtors		9,000
Stock		7,000
Cash		18,000
Total		40,000
Less : Liabilities taken over :		
Current Liabilities	10,000	
Loan on Mortgage	8,000	
		18,000
Net Assets taken over		22,000

গতিকে ক্রয় প্রতিদানৰ পৰিমাণ হ'ব 22,000 টকা।



উদাহৰণ ২

অসম লিমিটেডে 31.12.2008 তাৰিখে 2:1 অনুপাতত লাভ-লোকচান বণ্টন কৰা অংশীদাৰীত জড়িত থকা বৰা আৰু সাহাৰ ব্যৱসায়টো অধিগ্রহণ কৰিলে। উক্ত তাৰিখত তেওঁলোকৰ উদ্বৃত্তপত্র তলত দিয়া ধৰণৰ আছিল ঃ

Liabilities	Amount	Assets	Amount
Sundry Creditors	20,000	Building	20,000
Bills Payable	10,000	Furniture	7,000
Loan on Mortgage	7,000	Sundry Debtors	15,000
Reserve	5,000	Stock	17,000
Capital Accounts		Cash at Bank	11,000
Bora	18,000		
Saha	10,000		
	70,000		70,000

কোম্পানীটোৱে নগদ টকা আৰু বন্ধকী ঋণৰ বাহিৰে সকলোবোৰ সম্পত্তি সিহঁতৰ বৰ্তমানৰ বহী মূল্যত আৰু সুনামৰ বাবদ 16,000 টকা পৰিশোধ কৰি অধিগ্রহণ কৰিলে।
ক্রয় প্রতিদানৰ পৰিমাণ গণনা কৰক।

সমাধান ঃ

Statement Showing the Calculation of Purchase Consideration

Assets taken over		Rs
Building		
Furniture		20,000
Sundry Debtors		7,000
Stock		15,000
Cash		17,000
Total		59,000
Less : Liabilities taken over :	Rs.	
Sundry Creditors	20,000	
Bills Payable	10,000	
		30,000
		29,000
Add : Amount agreed to be paid for goodwill		16,000
		45,000

গতিকে ক্রয় প্রতিদানৰ পৰিমাণ হ'ব 45,000 টকা

টোকা ঃ দেনাৰ দায়িত্ব বহন কৰাৰ ভিতৰত অংশীদাৰসকলৰ মূলধনৰ পৰিমাণ আৰু সাধাৰণ সঞ্চিত পুঁজিৰ পৰিমাণ অন্তর্ভুক্ত নহয়।



উদাহৰণ ৩

সুনীল আৰু ৰোহন এটা ব্যৱসায়ৰ অংশীদাৰ। তেওঁলোকে 4:1 অনুপাতত লাভ বণ্টন কৰে। তেওঁলোকৰ 31.12.2008 তাৰিখৰ উদ্বৃত্ত পত্রখন তলত দিয়া ধৰণৰ আছিল।

BALANCE SHEET

Liabilities	Amount	Assets	Amount
	Rs.		Rs.
Sundry Creditors	20,000	Building	46,000
Bills Payable	17,000	Machinery	20,000

			Furniture		7,000
Loan on Mortgage		6,000	Sundry Debtors	16,500	
Reserve		5,000	Less : Provision for		
			Bad Debts	1500	
					15,000
Capital Accounts			Stock		7,000
Sunil	30,000		Cash		1,000
Rohan	20,000		Preliminary expenses		2,000
		50,000			
		98,000			98,000

উক্ত তাৰিখত এটা নতুন কোম্পানী PQR (P) লিমিটেড গঠন কৰা হ'ল যি নগদ টকাৰ বাহিৰে আন সকলোবোৰ সম্পত্তি নিম্নলিখিত মূল্যত কৰ্তৃত্ব গ্ৰহণ কৰিলে ঃ Building Rs. 58,000, Machinery Rs. 16,000, Furniture Rs. 5,000, Stock and Debtors at existing book-values.

কোম্পানীটোৱে সুনামৰ বাবদ 15,000 টকা পৰিশোধ কৰিবলৈ সন্মত হয়। ক্রয় প্রতিদান গণনা কৰক।

সমাধান ঃ

Statement Showing the Calculation of Purchase Consideration

Assets taken over	Rs
Building	58,000
Machinery	16,000
Furniture	5,000
Sundry Debtors (Rs. 16,500–Rs. 1,500)	15,000
Stock	7,000
	1,01,000
Add : Amount agreed to be paid for goodwill	15,000
	1,16,000

গতিকে, ক্রয় প্রতিদান হ'ব 1,16,000 টকা।

টোকা ঃ যিহেতু কোম্পানীটোৱে কেৱল মাত্র কেইটামান নির্দিষ্ট সম্পত্তিৰহে কর্তৃত্বগ্রহণ কৰিছে সেয়ে ক্রয় প্রতিদান হ'ব নির্দিষ্ট সম্পত্তিকেইটাৰ সন্মত মূল্যৰ মুঠ পৰিমাণ আৰু সুনামৰ বাবে

পৰিশোধ কৰিবলৈ মান্তি হোৱা পৰিমাণৰ যোগফল। কোম্পানীটোৱে নগদ টকা নোলোৱা বাবে ইয়াক হিচাপত ল'ব নালাগে। কোম্পানীটোৱে কোনো দেনাৰ দায়িত্ব নোলোৱা বাবে দেনাৰ বাবদ কোনো ধন বিয়োগ কৰিব নালাগে।

পৰিশোধ পদ্ধতি (PAYMENT METHOD)

কেতিয়াবা ক্রেতা কোম্পানীয়ে কর্তৃত্ব গ্রহণ কৰা সম্পত্তি আৰু দেনাসমূহৰ সন্মত মূল্য প্রশ্নত দিয়া নাথাকিব পাৰে। প্রশ্নটোত ক্রেতা কোম্পানীয়ে নগদ টকা/অংশপত্র/ঋণপত্র আদিৰ জৰিয়তে পৰিশোধ কৰিব বিচৰা ধনসমূহ নির্দিষ্টভাৱে উল্লেখ কৰিব পাৰে। তেনে ক্ষেত্রত ক্রেতা কোম্পানীয়ে নগদ টকা, অংশপত্র, ঋণপত্র আদিৰ জৰিয়তে পৰিশোধ কৰা ধনসমূহ যোগ কৰি ক্রয় প্রতিদানৰ পৰিমাণ নির্ধাৰণ কৰে।

এই পদ্ধতিৰ অধীনত অংশপত্র আৰু ঋণপত্র বিলি কৰা আর্হিত পৰিশোধ কৰা ধনৰ পৰিমাণ গণনা কৰোতে তেনে অংশপত্র আৰু ঋণপত্রৰ লিখিত মূল্যৰ সলনি বিলি কৰা মূল্যহে হিচাপত ল'ব লাগে। ক্রয় প্রতিদান গণনাৰ এই পদ্ধতিটোক **পৰিশোধ পদ্ধতি** বুলি জনা যায়।

এই পদ্ধতিৰ অধীনত ক্রয় প্রতিদান তলত দিয়া ধৰণেৰে গণনা কৰা হয় ঃ

নগদ পৰিশোধ (Cash Paid)	x x x
সমাংশপত্রৰ বিলি কৰা মূল্য, যদি থাকে (Issue Price of Equity Shares, if any)	x x x
অগ্রাধিকাৰযুক্ত অংশপত্রৰ বিলি কৰা মূল্য, যদি থাকে (Issue price of Preference Shares, if any)	x x x
ঋণপত্রৰ বিলি কৰা মূল্য, যদি থাকে (Issue price of Debentures, if any	x x x
মুঠ পৰিশোধৰ পৰিমাণেই হৈছে ক্রয় প্রতিদান।	x x x



উদাহৰণ ৪

A লিমিটেডে M/s ABৰ ব্যৱসায়টোৰ কর্তৃত্ব গ্রহণ কৰিবলৈ সিদ্ধান্ত ল'লে। ক্রয় প্রতিদান নগদ 36,500 টকা, প্রতিটো 100 টকীয়া $7^{1}/_{2}\%$ ঋণপত্রৰ বিলিৰ দ্বাৰা 33,000 টকা, প্রতিটো 10 টকীয়া 5,000 সম্পূর্ণকৈ আদায়ী সমাংশপত্র সমমূল্যত বিলি কৰি নিষ্পত্তি কৰিব লাগে।

ক্রয় প্রতিদান গণনা কৰক।

সমাধান ঃ

ক্রয় প্রতিদানৰ পৰিমাণ নিম্নলিখিত ধৰণেৰে গণনা কৰা হয় ঃ

	Rs.
নগদ পৰিশোধ (Cash Paid)	36,500
$7^1/_2$% টকীয়া ঋণপত্ৰ	33,000
5,000, 10 টকীয়া সমাংশপত্ৰ সম্পূৰ্ণকৈ আদায়ী	50,000
মুঠ পৰিশোধৰ পৰিমাণেই হৈছে ক্রয় প্রতিদান	1,19,500



উদাহৰণ ৫

A লিমিটেডে M/s AB ৰ ব্যৱসায়টোৰ কৰ্তৃত্ব গ্রহণ কৰিবলৈ সিদ্ধান্ত ল'লে। ক্রয় প্রতিদান নগদ 36,500 টকা, প্রতিটো 100 টকীয়া $7^1/_2$% ঋণপত্ৰৰ বিলিৰ দ্বাৰা 33,000 টকা; প্রতিটো 10 টকীয়া 5,000 সম্পূৰ্ণকৈ আদায়ী সমাংশপত্ৰ প্রতি অংশত 14 টকাত বিলি কৰি নিষ্পত্তি কৰিব লাগে।

ক্রয় প্রতিদান গণনা কৰক।


সমাধান ঃ

ক্রয় প্রতিদানৰ পৰিমাণ নিম্নলিখিত ধৰণেৰে গণনা কৰা হয় ঃ

	Rs.
নগদ পৰিশোধ	36,500
100 টকীয়া $7^1/_2$% ঋণপত্ৰ	33,000
10 টকীয়া 5,000 সমাংশপত্ৰ প্রতি অংশত 14 টকাকৈ	70,000
ক্রয় প্রতিদান হিচাপে পৰিশোধ কৰিবলগীয়া পৰিমাণ	1,39,500

টোকা ঃ এই পদ্ধতিৰ অধীনত ক্রেতা কোম্পানীয়ে বিক্রেতা ব্যৱসায়ীক নগদ টকাত পৰিশোধ কৰিবলৈ সন্মত হোৱা পৰিমাণ যোগ অংশপত্ৰ আৰু ঋণপত্ৰ বিলি কৰা সন্মত মূল্য ক্রয় প্রতিদানৰ সমান হয়।

টোকা ঃ ক্রয় প্রতিদানৰ পৰিমাণ নির্ধাৰণ কৰিবলৈ অনুসৰণ কৰা পদ্ধতিটো প্রশ্নত দিয়া তথ্যৰ প্রকৃতিৰ ওপৰত নির্ভৰ কৰে।



অনুশীলনী ১

A লিমিটেডে M/s ABৰ ব্যৱসায়টোৰ কৰ্তৃত্ব গ্রহণ কৰিবলৈ সিদ্ধান্ত ল'লে। ক্রয় প্রতিদান নগদ 45,000 টকা, 100 টকীয়া $7^1/_2$% ঋণপত্ৰৰ বিলিৰ দ্বাৰা 50,000 টকা আৰু প্রতিটো 10 টকীয়া 10,000 সম্পূৰ্ণকৈ আদায়ী সমাংশপত্ৰ প্রতি অংশপত্ৰত 9 টকা দৰে বিলি কৰি নিষ্পত্তি কৰিব লাগে।

ক্রয় প্রতিদান গণনা কৰক।

১০.৭ ক্রয় প্রতিদান নিষ্পত্তি কৰাৰ ধৰণ (MODE OF DISCHARGE OF PURCHASE CONSIDERATION)

ক্রয় প্রতিদান অর্থাৎ ব্যৱসায়ৰ বিক্রী মূল্য নিম্নলিখিত আর্হিৰ যিকোনো এটা আর্হিত বা সকলোবোৰ আর্হিত নিষ্পত্তি কৰিব পাৰে।

(ক) ক্রয় প্রতিদানৰ সম্পূর্ণ পৰিমাণ নগদ টকাৰে পৰিশোধ কৰিব পাৰে।

(খ) ক্রয় প্রতিদানৰ সম্পূর্ণ পৰিমাণ কোম্পানীৰ অংশপত্র বিলি কৰি পৰিশোধ কৰিব পাৰে।

(গ) ক্রয় প্রতিদানৰ সম্পূর্ণ পৰিমাণ কোম্পানীৰ ঋণপত্র বিলি কৰি পৰিশোধ কৰিব পাৰে।

(ঘ) ক্রয় প্রতিদানৰ সম্পূর্ণ পৰিমাণৰ একাংশ নগদ টকাৰে আৰু একাংশ কোম্পানীৰ অংশপত্র আৰু/বা ঋণপত্র বিলি কৰি পৰিশোধ কৰিব পাৰে।

সুনাম/মূলধনী সঞ্চিত পুঁজিৰ পৰিমাণ গণনা (Calculation of Goodwill/Capital Reserve) :

এটা কোম্পানিৰ দ্বাৰা এটা ব্যৱসায় ক্রয় কৰোতে এইটো ঘটিব পাৰে যে বিক্রেতাক পৰিশোধ কৰা ক্রয় প্রতিদানৰ পৰিমাণ সদায় অধিগ্রহণ কৰা প্রকৃত সম্পত্তিৰ (Net Assets) পৰিমাণৰ সমান নহয়। কেতিয়াবা অধিগ্রহণ কৰা প্রকৃত সম্পত্তিৰ পৰিমাণ পৰিশোধ কৰা ধনৰ পৰিমাণতকৈ কম বা বেছি হ'ব পাৰে।

(ক) যেতিয়া ক্রয় প্রতিদান অর্থাৎ ব্যৱসায় ক্রয় কৰা বাবে পৰিশোধ কৰা মূল্য অধিগ্রহণ কৰা মুঠ প্রকৃত সম্পত্তিৰ পৰিমাণতকৈ বেছি হয়, তেতিয়া পার্থক্যৰ পৰিমাণক সুনাম আখ্যা দিয়া হয় আৰু সুনাম হিচাপ সেই পৰিমাণেৰে ডেবিট কৰিব লাগে।

(খ) যেতিয়া ক্রয় প্রতিদান অর্থাৎ ব্যৱসায় ক্রয় কৰা বাবে পৰিশোধ কৰা মূল্য অধিগ্রহণ কৰা মুঠ প্রকৃত সম্পত্তিৰ পৰিমাণতকৈ কম হয়, তেতিয়া পার্থক্যৰ পৰিমাণক মূলধনী লাভ আখ্যা দিয়া হয় আৰু সেই লাভৰ পৰিমাণ মূলধনী সঞ্চিত পুঁজি হিচাপত (Capital Reserve Account) ক্রেডিট কৰিব লাগে।

প্রকৃত সম্পত্তিৰ পৰিমাণ গণনা কৰোতে এইটো মনত ৰাখিব লাগে যে পুনৰ মূল্যায়ন কৰা সংখ্যা বা সম্পত্তিৰ বজাৰ মূল্য, য'ত পোৱা যায়, বিবেচনাত লোৱা হয়; সম্পত্তিৰ বহীমূল্য বিবেচনাত লোৱা নহয়।

উদাহৰণস্বৰূপে, ৰামৰ স্বত্বৰ অধীনত থকা এটা ব্যৱসায় কিনা বাবদ এটা কোম্পানীয়ে 1,50,000 টকা পৰিশোধ কৰিবলৈ সন্মত হৈছে। ব্যৱসায়টোৰ দৃশ্যমান সম্পত্তিৰ পৰিমাণ 1,45,000 টকা আছিল আৰু ব্যৱসায়টোৱে পাওনাদাৰসকলক দিবলৈ থকা ধনৰ পৰিমাণ 20,000 টকা আছিল। ইয়াত বিক্রেতাৰ প্রকৃত দৃশ্যমান সম্পত্তিৰ পৰিমাণ হ'ব (1,45,000–20000) টকা = 1,25,00 টকা। যিহেতু ক্রয় প্রতিদান 1,50,000 টকা মুঠ প্রকৃত দৃশ্যমান সম্পত্তিৰ পৰিমাণ 1,25,000 টকাতকৈ 25,000 টকা বেছি হ'ল সেয়ে এই বর্ধিত পৰিমাণক সুনাম হিচাপে গণ্য কৰা হয়। আকৌ সেই একে ব্যৱসায়টো অধিগ্রহণ কৰোতে পৰিশোধ কৰা ধনৰ পৰিমাণ অর্থাৎ ক্রয়

প্রতিদান যদি 1,10,000 টকা হয় তেনেহ'লে ই ইয়াকে বুজায় যে কোম্পানীয়ে ব্যৱসায় অধিগ্রহণ কৰোতে 15,000 টকা লাভ অর্জন কৰিছে। এই 15,000 টকা পৰিমাণক মূলধনী লাভ হিচাপে গণ্য কৰা হয় আৰু ইয়াক মূলধনী সঞ্চিত পুঁজি হিচাপলৈ স্থানান্তৰ কৰিব লাগে।

অৱসায়ন খৰচৰ ব্যৱস্থাৱলী (Treatment of Liquidation expenses) ঃ

কেতিয়াবা ক্রেতা কোম্পানীয়ে বিক্রেতাৰ অৱসায়ন খৰচ বা মূল্যাদায়কৰণ (realisation) খৰচ বহন কৰিবলৈ সন্মত হ'ব পাৰে। এনে খৰচ কোম্পানীৰ মূলধনী ব্যয় হিচাপে গণ্য কৰিব লাগে আৰু ইয়াৰ সুনাম হিচাপত ডেবিট কৰিব লাগে। যদি ব্যৱসায় অধিগ্রহণ কৰোতে কোনো মূলধনী সঞ্চিত পুঁজি থাকে তেতিয়া তেনেদৰে পৰিশোধ কৰা খৰচ মূলধনী সঞ্চিত পুঁজি হিচাপত ডেবিট কৰিব লাগে।

১০.৮ হিচাপ সম্পৰ্কীয় প্ৰৱিষ্টিসমূহ (ACCOUNTING ENTRIES)

এতিয়া আমি ব্যৱসায় ক্রয়ৰ লগত জড়িত লেনদেনসমূহৰ হিচাপ সম্পৰ্কীয় প্ৰৱিষ্টিৰ লিপিবদ্ধকৰণৰ বিষয়ে আলোচনা কৰিম। এটা কোম্পানীয়ে ক্রয় কৰা ব্যৱসায়ৰ লগত জড়িত লেনদেনৰ লিপিবদ্ধকৰণ ক্রেতা কোম্পানীয়ে হিচাপবহী নতুনকৈ খুলিব নে বিক্রেতা ব্যৱসায়ৰ পুৰণি বহীসমূহকে চলাই থাকিব সেই সিদ্ধান্তৰ ওপৰত নির্ভৰ কৰে। গতিকে, এটা কোম্পানীয়ে ক্রয় কৰা ব্যৱসায়ৰ লেনদেন লিপিবদ্ধ কৰিবৰ বাবে প্রয়োজন হোৱা হিচাপসম্পৰ্কীয় প্ৰৱিষ্টিসমূহ নিম্নলিখিত দুটা শিতানত আলোচনা কৰিব পাৰি ঃ

১। যেতিয়া হিচাপৰ নতুন বহী খোলা হয় (When new set of books of accounts are opened)

২। যেতিয়া পুৰণি ব্যৱসায়ৰ বহীকে চলাই থকা হয় অর্থাৎ হিচাপৰ নতুন বহী খোলা নহয় (When same set of book of account of the firm are continued i.e. new set of books of accounts are not opened.)

১। যেতিয়া হিচাপৰ নতুন বহী খোলা হয় (When new set of books of accounts are opened) ঃ ক্রেতা কোম্পানীৰ হিচাপৰ বহীত নিম্নলিখিত প্ৰৱিষ্টিসমূহ প্ৰৱিষ্ট কৰিব লাগে।

(i) দেয় ক্রয় প্রতিদানৰ পৰিমাণ লিপিবদ্ধ কৰোঁতে (For recording the amount of Purchase consideration due) :

Business Purchase A/c Dr

To Vendor

(ii) কর্তৃত্ব গ্রহণ কৰা সম্পত্তি আৰু দেনাসমূহ লিপিবদ্ধ কৰোঁতে (For recording the assets and liabilities taken over) ঃ

(ক) যেতিয়া কর্তৃত্ব গ্রহণ কৰা প্রকৃত সম্পত্তিৰ পৰিমাণতকৈ ক্রয় প্রতিদানৰ পৰিমাণ বেছি হয় (When purchase consideration is more than the net assets taken over)ঃ

বিভিন্ন দেনাসমূহ আৰু ক্রয় প্রতিদানৰ মুঠ পৰিমাণ কর্তৃত্ব গ্রহণ কৰা সম্পত্তিৰ মুঠ পৰিমাণতকৈ বেছি হয়, তেনেহ'লে ইয়াৰ পার্থক্যৰ পৰিমাণক সুনাম (goodwill) বুলি কোৱা হয় আৰু ইয়াক সুনাম হিচাপত (Goodwill Account) ডেবিট কৰা হয়।

Sundry Assets A/c (individually)		Dr.
Goodwill A/c		Dr.
To Sundry Liabilities A/c		
(Liabilities taken over individually)		
To Business Purchase A/c		

(খ) যেতিয়া কর্তৃত্ব গ্রহণ কৰা প্রকৃত সম্পত্তিৰ পৰিমাণতকৈ ক্রয় প্রতিদানৰ পৰিমাণ কম হয় (When the purchase consideration is less than the net assets taken over) ঃ যদি কর্তৃত্ব গ্রহণ কৰা বিভিন্ন সম্পত্তিৰ পৰিমাণ বিভিন্ন দেনাসমূহৰ পৰিমাণ আৰু ক্রয় প্রতিদানৰ পৰিমাণতকৈ বেছি হয় তেতিয়া পার্থক্যৰ পৰিমাণে মূলধনী লাভ সূচাব আৰু ইয়াক মূলধনী সঞ্চিত পুঁজি (Capital Reserve) হিচাপত ক্রেডিট কৰিব লাগে।

Sundry Assets A/c (individually)		Dr.
To Sundry Liabilities A/c		
(Liabilities taken over individually)		
To Business Purchase A/c		
To Capital Reserve A/c (balancing figure)		

(iii) **ক্রয় প্রতিদান পৰিশোধ কৰোঁতে (For the payment of Purchase consideration) ঃ**

Vendor		Dr.
To Preference Share Capital A/c		
To Equity Share Capital A/c		
To Security Premium A/c		
To Debenture A/c		
To Bank/Cash A/c		

(iv) বিক্রেতা ব্যৱসায়ৰ অৱসায়ন খৰচ, যদি থাকে, তাক ক্রেতা কোম্পানিয়ে পৰিশোধ কৰিলে কিন্তু উক্ত খৰচ ক্রয় প্রতিদানৰ ভিতৰত অন্তর্ভুক্ত নকৰিলে (For liquidation expenses of the firm, if any, paid by the purchasing company but not included in the amount of purchase consideration) ঃ

Goodwill A/c Dr.

To Bank/Cash A/c

অথবা, যেতিয়া ব্যৱসায় ক্রয় কৰোঁতে মূলধনী লাভ থাকে আৰু ইয়াক মূলধনী সঞ্চিত পুঁজি (Capital Reserve) হিচাপলৈ স্থানান্তৰ কৰিলে আৰু বিক্রেতা ব্যৱসায়ৰ অৱসায়ন খৰচ, যদি থাকে, তাক ক্রেতা কোম্পানীয়ে পৰিশোধ কৰিলে কিন্তু তাক ক্রয় প্রতিদানৰ ভিতৰত অন্তর্ভুক্ত নকৰিলে তেতিয়া প্রৰিষ্টি হয়—

Capital Reserve A/c Dr.

To Bank / Cash A/c

(v) ক্রেতা কোম্পানিৰ স্থাপন খৰচসমূহ, যদি থাকে, পৰিশোধ কৰোতে (For payment of formation expenses of the purchasing company, if any) ঃ

Preliminary Expenses A/c Dr.

To Bank / Cash A/c



উদাহৰণ ৬

X আৰু Y লাভ-লোকচান সমানে ভগাই লোৱা অংশীদাৰী ব্যৱসায়ৰ অংশীদাৰ। 31.3.2009 তাৰিখত তেওঁলোকৰ উদ্বৃত্ত পত্রখন তলত দিয়া হ'ল।

BALANCE SHEET of X and Y

Liabilities	Amount	Assets	Amount
	Rs.		Rs.
Sundry Creditors	18,000	Fixed Assets	55,000
Capital Accounts		Cash at Bank	3,000
		Other current Assets	32.000
X	40,000		
Y	32,000		
	90,000		90,000

1.4.2009 তাৰিখত ওপৰৰ উদ্বৃত্ত পত্রৰ ভিত্তিত X আৰু Yৰ ব্যৱসায়ৰ কর্তৃত্ব গ্রহণ কৰিবৰ বাবে প্রতিটো 10 টকীয়া 10,000 সমাংশপত্রৰ 1,00,000 টকাৰ অনুমোদিত মূলধনলৈ XY লিমিটেড নামৰ এটা কোম্পানী গঠন কৰা হয়।

কোম্পানীটোৱে দেনাসমূহ আৰু নগদ টকা বাদ দি বাকী সকলোবোৰ সম্পত্তি নির্ধাৰিত 80,000 টকাৰ ক্রয় প্রতিদানত অধিগ্রহণ কৰিবলৈ সন্মত হ'ল। এই ক্রয় প্রতিদান 10 টকীয়া সম্পূর্ণকৈ আদায়ী সমাংশপত্র বিলি কৰি নিষ্পত্তি কৰিব লাগে।

X আৰু Yৰ ব্যৱসায়ৰ অৱসায়ন খৰচ 1,000 টকা হয় আৰু এই পৰিমাণ ওপৰত উল্লেখ কৰা ক্রয় প্রতিদানৰ ভিতৰত অন্তর্ভুক্ত হৈ আছে।

ওপৰৰ লেনদেনসমূহ লিপিবদ্ধ কৰিবৰ বাবে জাবেদা প্রৱিষ্টিসমূহ দিয়া আৰু উক্ত তাৰিখত কোম্পানীৰ উদ্বৃত্তপত্রখন প্রস্তুত কৰা। কোম্পানীয়ে নতুন হিচাপৰ বহী আৰম্ভ কৰে।

সমাধান ঃ

In the books of XY Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009				
April 1	Business Purchase A/c Dr.		80,000	
	To M/s X and Y			80,000
	(Being the amount of purchase consideration agreed upon as per agreement dated .....)			
2009	Fixed Assets A/c Dr.		55,000	
April 1	Other Current Assets A/c Dr.		32,000	
	Goodwill A/c Dr.		11,000	
	To Sundry Creditors			18,000
	To Business Purchase A/c			80,000
	(Being the various assets and liabilities taken over and the difference between the amount of purchase consideration and the net assets debited to Goodwill account as per agreement dated .....)			
2009	M/s X and Y Dr.		80,000	
April 1	To Equity Share Capital A/c			80,000
	(Being the issue of 8,000 Equity shares of 10 each fully paid up in full satisfaction of the purchase consideration as per Board's Resolution No..... dt.....)			

BALANCE SHEET of XY Ltd.
As on 1st April 2009

Liabilities	Rs.	Assets	Rs.
Share Capital :		**Fixed Assets**	
8000 Equity Shares		Goodwill	11,000
of Rs 10 each fully		Other Fixed Assets	55.000
paid	80,000	Current Assets	32,000
Current Liabilities			
Sundry Creditors	18,000		
	98,000		98,000



উদাহৰণ ৭

বৰা আৰু নাথ লাভ লোকচান সমানে ভগাই লোৱা ব্যৱসায়ৰ অংশীদাৰ। 31.3.2009 তাৰিখত তেওঁলোকৰ উদ্বৃত্ত পত্রখন তলত দিয়া হ'ল।

BALANCE SHEET of X and Y

Liabilities	Amount (Rs.)	Assets	Amount (Rs.)
Sundry Creditors	10,000	Fixed Assets	60,000
Bills Payable	5,000	Cash at Bank	5,000
Capital Accounts		Other current Assets	30.000
Bora	50,000		
Nath	30,000		
	95,000		95,000

1.4.2009 তাৰিখত ওপৰৰ উদ্বৃত্ত পত্রৰ ভিত্তিত বৰা আৰু নাথৰ ব্যৱসায়ৰ কর্তৃত্ব গ্রহণ কৰিৰ বাবে প্রতিটো 10 টকীয়া 10,000 অংশপত্র বিভক্ত 1,00,000 টকাৰ অনুমোদিত মূলধনৰ সৈতে অসমী লিমিটেড প্রতিষ্ঠা হৈছিল।

কোম্পানীটোৱে 10 টকীয়া সম্পূর্ণকৈ আদায়ী সমাংশ পত্র বিলি কৰি নিষ্পত্তি কৰা নির্ধাৰিত 75,000 টকা ক্রয় প্রতিদানৰ বিনিময়ত সকলোবোৰ দেনা আৰু নগদ টকাসহ সকলোবোৰ সম্পত্তি অধিগ্রহণ কৰিবলৈ সন্মত হৈছিল।

ওপৰৰ লেনদেনসমূহ লিপিবদ্ধ কৰিবৰ বাবে জাবেদা প্রৰিষ্টিসমূহ লিপিবদ্ধ কৰক। কোম্পানীয়ে নতুন হিচাপৰ বহী আৰম্ভ কৰিছিল।

সমাধান ঃ

In the books of Asomi Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009				
April 1	Business Purchase A/c Dr.		75,000	
	To M/s Bora and Nath			75,000
	(Being the amount of purchase consideration agreed upon as per agreement dated .....)			
2009	Fixed Assets A/c Dr.		60,000	
April 1	Bank Dr.		5,000	
	Other Current Assets A/c Dr.		30,000	
	To Sundry Creditors			10,000
	To Bills Payable			5,000
	To Business Purchase A/c			75,000
	To Capital Reserve A/c			5,000
	(Being the various assets and liabilities taken over and the difference between the amount of purchase consideration and the net assets credited to Capital Reserve Account as per agreement dated .....)			
2009	M/s Bora and Nath Dr.		75,000	
April 1	To Equity Share Capital A/c			75,000
	(Being the issue of 7,500 Equity shares of 10 each fully paid up in full satisfaction of the purchase consideration as per Board's Resolution No..... dt.....)			



১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো—

- ব্যৱসায় ক্রয় কৰা বুলিলে কোম্পানীৰ দ্বাৰা এজনীয়া ব্যৱসায় বা অংশীদাৰী ব্যৱসায় ক্রয় কৰাকে বুজায়।
- এটা সীমিত দেনাৰ কোম্পানীক আন এটা সীমিত দেনাৰ কোম্পানীয়ে অধিগ্রহণ কৰাক একত্রীকৰণ বা চামিলকৰণ বোলা হয়।
- ক্রেতা কোম্পানীয়ে বিক্রেতাক পৰিশোধ কৰা ধনৰ পৰিমাণক ক্রয় প্রতিদান বোলা হয়।
- ক্রয় প্রতিদান গণনা কৰোতে নিম্নলিখিত দিশসমূহ বিবেচনাত লোৱা হয়—
  - চুক্তি অনুসৰি কোম্পানীয়ে অধিগ্রহণ কৰা দৃশ্যমান সম্পত্তিৰ মূল্য।
  - সুনামৰ বাবদ পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ, আৰু
  - ক্রেতা কোম্পানীয়ে কর্তৃত্ব গ্রহণ কৰা বিক্রেতা ব্যৱসায়ৰ দেনাসমূহৰ পৰিমাণ।
- ক্রয় প্রতিদান গণনা কৰা বিভিন্ন পদ্ধতিসমূহ হৈছে—
  - মুঠ টকাৰ পৰিমাণ পদ্ধতি
  - প্রকৃত সম্পত্তি পদ্ধতি, আৰু
  - পৰিশোধ পদ্ধতি।
- ক্রয় প্রতিদান নিষ্পত্তি কৰা বিভিন্ন ধৰণসমূহ হ'ল—
  - সমুদায় ক্রয় প্রতিদান নগদ টকাৰে পৰিশোধ কৰিব পাৰে,
  - সমুদায় ক্রয় প্রতিদান কোম্পানীৰ অংশপত্র বিলি কৰি পৰিশোধ কৰিব পাৰে,
  - সমুদায় ক্রয় প্রতিদান কোম্পানীৰ ঋণপত্র বিলি কৰি পৰিশোধ কৰিব পাৰে,
  - সমুদায় ক্রয় প্রতিদানৰ একাংশ নগদ টকাৰে আৰু একাংশ কোম্পানিৰ অংশপত্র আৰু/বা ঋণপত্র বিলি কৰি পৰিশোধ কৰিব পাৰে।
- ক্রেতা কোম্পানীৰ হিচাপৰ বহীত ব্যৱসায় ক্রয়ৰ লগত জড়িত লেনদেনসমূহৰ লিপিবদ্ধকৰণ।



১০.১০অধিক জানিবলৈ (FURTHER READING)

১। Advanced Accounting 2 Corporate Accounting by Dr A Sehgal and Dr D. Sehgal, Taxman.

২। Corporate Accounting by B. B. Dam and H.C. Gautam, Capital Publishers.

৩। Corporate Accounting by K. R. Das and others.



১০.১১ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰ ঃ 'ব্যৱসায় ক্রয়' বুলিলে মূলতঃ এটা সীমিত দেনাৰ কোম্পানিয়ে এটা এজনীয়া ব্যৱসায় বা এটা অংশীদাৰী ব্যৱসায় বা এটা কোম্পানি অধিগ্রহণ কৰাকে নির্দেশ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ ক্রয় প্রতিদান বুলিলে অধিগ্রহণ কৰা ব্যৱসায়টোৰ বাবে কোম্পানিয়ে পৰিশোধ কৰিবলগীয়া ক্রয় মূল্যকে বুজায়। সাধাৰণতে কোম্পানী আৰু বিক্রী কৰিব বিচৰা ব্যৱসায়ৰ বিক্রেতাৰ মাজত এখন চুক্তি কৰা হয়। এই চুক্তিত ব্যৱসায় অধিগ্রহণ কৰা চর্তাৱলী, ক্রয় প্রতিদান নির্ধাৰণ কৰাৰ ভিত্তি আৰু ক্রয় প্রতিদান পৰিশোধ কৰাৰ ধৰণৰ বিষয়ে দফা সন্নিৱিষ্ট থাকে।



১০.১২ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

১। তলত দিয়া বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ **উল্লেখ কৰক ঃ**

(ক) কর্তৃত্ব গ্রহণ কৰা প্রকৃত সম্পত্তিৰ মূল্য পৰিশোধ কৰিবলৈ সন্মত হোৱা ক্রয় প্রতিদানৰ পৰিমাণতকৈ বেছি হ'লে, বর্ধিত পৰিমাণ মূলধনী সঞ্চিত পুঁজি হিচাপত ডেবিট কৰা হয়।

(খ) যেতিয়া প্রকৃত সম্পত্তি পদ্ধতিত ক্রয় প্রতিদান গণনা কৰা হয় তেতিয়া মুঠ সম্পত্তি বিয়োগ অৱক্ষয়ৰ পৰিমাণৰ সমান হয়।

(গ) 'চলন্ত ব্যৱসায় হিচাপে ব্যৱসায়ৰ কর্তৃত্ব গ্রহণ' পদটোৱে অবাস্তৱ সম্পত্তিসহ সকলোবোৰ সম্পত্তি কিনা হৈছে আৰু তৃতীয় পক্ষৰ সকলোবোৰ দেনাৰ দায়িত্ব গ্রহণ কৰাকে বুজায়।

২। উ পযুক্ত শব্দ/শব্দসমূহ বহুৱাই খালি ঠাই পূৰণ কৰক ঃ

(ক) .....হৈছে সেই পৰিমাণ যিখিনি ক্রেতা কোম্পানিয়ে ব্যৱসায় ক্রয় কৰা বাবে পৰিশোধ কৰিব লাগে।

(খ) যদি কর্তৃত্ব গ্রহণ কৰা প্রকৃত সম্পত্তিৰ মূল্য পৰিশোধ কৰিবলৈ সন্মত হোৱা ক্রয় প্রতিদানৰ পৰিমাণতকৈ কম হয়, তেতিয়া পার্থক্যৰ পৰিমাণখিনি.....হিচাপত ডেবিট কৰিব লাগে।

(গ) ব্যৱসায় ক্ৰয় হিচাপে কৰ্তৃত্ব গ্ৰহণ কৰা দেনাৰ ওপৰত সম্পত্তিৰ .....কে বুজায়।

৩। ক্ৰয় প্ৰতিদান কাক বোলে?

৪। ক্ৰয় প্ৰতিদান নিৰ্ধাৰণ কৰিবৰ বাবে ব্যৱহাৰ কৰা মুঠ টকাৰ পৰিমাণ পদ্ধতি আৰু প্ৰকৃত সম্পত্তি পদ্ধতি ব্যাখ্যা কৰক।

৫। টংলা লিমিটেডে মৰ্চাত বাবলাৰ ব্যৱসায়ৰ কৰ্তৃত্ব গ্ৰহণ কৰিবলৈ সিদ্ধান্ত ল'লে। ক্ৰয় প্ৰতিদান নগদ 20,000 টকা, 100 টকীয়া $7^1/_2$% ঋণপত্ৰৰ 66,000 টকা আৰু 10 টকীয়া 16,000 সম্পূৰ্ণকৈ আদায়ী সমাংশ পত্ৰ সমমূল্যত বিলি কৰি নিষ্পত্তি কৰিব লাগে। ক্ৰয় প্ৰতিদানৰ পৰিমাণ গণনা কৰক।

৬। নগাঁও লিমিটেডে মৰ্চাচ তেজপুৰ এণ্ড কোম্পানিৰ ব্যৱসায়ৰ কৰ্তৃত্ব গ্ৰহণ কৰিবলৈ সিদ্ধান্ত ল'লে। ক্ৰয় প্ৰতিদান নগদ 40,000 টকা, 100 টকীয়া $7^1/_2$% ঋণপত্ৰৰে 60,000 টকা আৰু 10 টকীয়া 15,000 সম্পূৰ্ণকৈ আদায়ী সমাংশ পত্ৰ প্ৰতি অংশপত্ৰত 14 টকা হিচাপে বিলি কৰি নিষ্পত্তি কৰিব লাগে।
ক্ৰয় প্ৰতিদানৰ পৰিমাণ গণনা কৰক।

৭। টিন্ টিন্ লিমিটেডে 10 টকীয়া সমাংশপত্ৰ আৰু 100 টকীয়া 3,000 6% অগ্ৰাধিকাৰযুক্ত অংশপত্ৰত বিভক্ত 8,00,000 টকা অনুমোদিত মূলধন লৈ ৰিমৰিমৰ চলি থকা ব্যৱসায়, যাৰ উদ্বৃত্ত পত্ৰখন তলত দিয়া হ'ল, ক্ৰয় কৰিবৰ বাবে প্ৰতিষ্ঠা হয়।

Liabilities	Amount (Rs.)	Assets	Amount (Rs.)
Bills Payable	44,000	Cash	58,000
Sundry Creditors	1,26,000	Book Debts	2,22,000
Capital	5,00,000	Stock-in-trade	1,50,000
		Machinery	2,40,000
	6,70,000		6,70,000

ক্ৰয় মূল্য 5,50,000 টকাত স্থিৰ কৰা হয় আৰু ইয়াক 3,00,000 টকাৰ সম্পূৰ্ণকৈ আদায়ী সমাংশপত্ৰৰে 2,00,000 টকা সম্পূৰ্ণকৈ আদায়ী অগ্ৰাধিকাৰযুক্ত অংশপত্ৰৰে, 10 বছৰৰ পিছত পৰিশোধ কৰিবলগীয়া 30,000 টকাৰ ঋণপত্ৰৰে আৰু বাকীখিনি নগদ টকাৰে পৰিশোধ কৰিব লাগে।

বাকী থকা সমাংশপত্ৰখিনিৰ 50 শতাংশ জনসাধাৰণলৈ বিক্ৰীৰ বাবে বিলি কৰিলে আৰু আবেদনৰ লগত দেয় ইয়াৰ ধনো জনসাধাৰণে সম্পূৰ্ণকৈ আদায় দিলে।

কোম্পানিৰ হিচাপৰ বহীত জাবেদা প্ৰৰিষ্টিসমূহ দিয়ক আৰু কোম্পানিৰ উদ্বৃত্ত পত্ৰখনো প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ১১ ঃ কোম্পানীসমূহৰ একত্রীকৰণ (AMALGAMATION OF COMPANIES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

১১.১ উদ্দেশ্য (Learning Objectives)

১১.২ পৰিচয় (Introduction)

১১.৩ কোম্পানীসমূহৰ একত্রীকৰণৰ অর্থ আৰু উদ্দেশ্যসমূহ (Meaning and Objectives of Amalgamation of Companies)

১১.৪ একত্রীকৰণত ব্যৱহাৰ কৰা বিভিন্ন পদসমূহৰ অর্থ (Meaning of Different Terms used in Amalgamation)

১১.৫ হিচাপবিদ্যাৰ মান 14 অনুসৰি কোম্পানীসমূহৰ একত্রীকৰণৰ ব্যৱস্থাৱলী (Provisions for Amalgamation of Companies as per Accounting Standard 14)

১১.৬ ক্রয় প্রতিদান নির্ণয় কৰাৰ ভিত্তি (Basis for Arriving at Purchase Consideration)

১২.৭ স্থানান্তৰকাৰী কোম্পানীৰ বহীত হিচাপসম্পর্কীয় প্রৱিষ্টিসমূহ (Accounting Entries in the Books of Transferee Company)

১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

১২.৯ অধিক জানিবলৈ (Further Readings)

১২.১০ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

১২.১১ আর্হি প্রশ্ন (Model Questions)

১১.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- কোম্পানীসমূহৰ একত্রীকৰণৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- কোম্পানীসমূহৰ একত্রীকৰণৰ উদ্দেশ্যসমূহ বর্ণনা কৰিব পাৰিব
- একত্রীকৰণত ব্যৱহাৰ কৰা বিভিন্ন পাৰিভাষিক শব্দাৱলী ব্যাখ্যা কৰিব পাৰিব
- হিচাপবিদ্যাৰ মান 14 অনুসৰি কোম্পানীসমূহৰ একত্রীকৰণৰ ব্যৱস্থাৱলী বর্ণনা কৰিব পাৰিব
- 'ব্যৱসায় ক্রয়'ৰ হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী উদাহৰণসহ বর্ণনা কৰিব পাৰিব।

১১.২ পৰিচয় (INTRODUCTION)

পূৰ্বৱৰ্তী ১১নং অধ্যায়ত আপুনি ব্যৱসায় ক্রয়ৰ ক্ষেত্রত হিচাপসম্পৰ্কীয় প্রক্রিয়াৰ বিষয়ে জানিব পাৰিছে। এইটো অধ্যায়ত আমি কোম্পানীসমূহৰ একত্রীকৰণত উদ্ভৱ হোৱা হিচাপসম্পৰ্কীয় সমস্যাসমূহ আলোচনা কৰিম। একত্রীকৰণৰ অভিধানিক অর্থ হৈছে 'এটা একক প্রতিষ্ঠান গঠন কৰিবৰ বাবে একেলগে মিলিত হোৱা ('to join together to form a single organisation', (Oxford English Dictionary)। ইয়াৰ অর্থ হৈছে বর্তমান বা বিস্তৃত বা নতুন ব্যৱসায়িক ক্রিয়াকলাপ চলাই নিবৰ বাবে দুটা বা ততোধিক বিদ্যমান ব্যৱসায়িক প্রতিষ্ঠান একত্রভাৱে মিশ্রিত কৰাকে বুজায়। একত্রীকৰণত বিভিন্ন অর্থনৈতিক পৰিণতিসমূহৰ সুবিধা ল'বৰ বাবে দুটা বা ততোধিক ব্যৱসায় প্রতিষ্ঠানে কর্ম সাধনার্থে মিলিত হয়।

সাধাৰণতে একেধৰণৰ কাম-কাজত নিয়োজিত হৈ থকা দুটা বা ততোধিক কোম্পানীৰ মাজত একত্রীকৰণ হয়। আকৌ কাম-কাজৰ বিচিত্রতাৰ কাৰণে বা বেংকিং, পৰিবহন, যোগাযোগ আদি সেৱাসমূহৰ বিস্তৃতিৰ কাৰণে কোম্পানীসমূহ একত্রীত হ'ব পাৰে। এনে ব্যৱসায় সংযুক্তকৰণকে সাধাৰণতে 'একত্রীকৰণ' আখ্যা দিয়া হয়। এই অধ্যায়টোত আমি কোম্পানীসমূহৰ একত্রীকৰণৰ অর্থ আৰু উদ্দেশ্যসমূহ, একত্রীকৰণত ব্যৱহাৰ কৰা বিভিন্ন পৰিভাষা, হিচাপবিদ্যাৰ মান 14 অনুসৰি কিছুমান ব্যৱস্থা, একত্রীকৰণৰ প্রতিদানৰ গণনাৰ বাবে ভিত্তি আৰু একত্রীকৰণৰ ক্রয় পদ্ধতিৰ অধীনত স্থানান্তৰকাৰী কোম্পানীৰ বহীত হিচাপসম্পৰ্কীয় প্রৰিষ্টিসমূহৰ বিষয়তে আলোচনা কৰিম।

১১.৩ কোম্পানীসমূহৰ একত্রীকৰণৰ অর্থ আৰু উদ্দেশ্যসমূহ (MEANING AND OBJECTIVES OF AMALGAMATION OF COMPANIES)

কোম্পানীসমূহৰ একত্রীকৰণ বুলিলে দুটা বা ততোধিক কোম্পানী চামিল হৈ এটা কোম্পানী গঠন কৰাকে বুজায়। ই এটা কোম্পানীয়ে আন এটা কোম্পানী অধিগ্রহণ কৰাকে বুজায়। ভাৰতবর্ষত একত্রীকৰণৰ লগত জড়িত হিচাপসম্পৰ্কীয় সমস্যাসমূহ ভাৰতবর্ষৰ চনদপ্রাপ্ত গাণনিক সংস্থাই (The Institure of Chartered Accountants of India চমুকৈ ICAI) বিলি কৰা হিচাপবিদ্যাৰ মান 14 অনুসৰি ব্যৱস্থা কৰা হয়। মার্কিন যুক্তৰাষ্ট্রত (USA) ব্যৱহাৰ কৰা ব্যৱসায়িক সংযোজনৰ (Business Combination) একে অর্থতে ভাৰতবর্ষত একত্রীকৰণ ব্যৱহাৰ কৰা হয়। একত্রীকৰণৰ ক্ষেত্রত যিহেতু স্থানান্তৰিত কোম্পানীটোৰ অৱসান হয়, ইয়াৰ সম্পত্তি আৰু দেনাসমূহ একত্রীকৰণৰ পিছৰ তাৰিখত প্রস্তুত কৰা স্থানান্তৰকাৰী কোম্পানীৰ বিত্তীয় প্রতিবেদনসমূহত স্থান পায়।

একত্রীকৰণ দুই প্রকাৰৰ। হিচাপবিদ্যাৰ মান 14 অনুসৰি হিচাপৰক্ষণৰ উদ্দেশ্যে একত্রীকৰণক নিম্নলিখিত দুটা শ্রেণীত বিভক্ত কৰা হয়।

(ক) চামিলকৰণৰ দ্বাৰা একত্রীকৰণ (Amalgamation in the nature of merger), আৰু

(খ) ক্রয়ৰ দ্বাৰা একত্রীকৰণ (Amalgamation in the nature of purchase)

এই শ্রেণীসমূহ পৰৱৰ্তী শাখাৰ হিচাপবিদ্যাৰ মান 14 উপশাখাত আলোচনা কৰা হৈছে।

কোম্পানীসমূহৰ একত্রীকৰণৰ উদ্দেশ্যসমূহ (Objectives of Amalgamation of Companies) ঃ

এতিয়া আপুনি জনা উচিত যে কি কাৰণে এটা কোম্পানী আন এটা কোম্পানীৰ লগত চামিল হয়। নিম্নলিখিত সমূহেই হৈছে কোম্পানীসমূহ একত্রীকৰণ হোৱাৰ মুখ্য উদ্দেশ্য।

(ক) **প্রতিযোগিতা পৰিহাৰ কৰিবলৈ (To avoid competition) ঃ** কোম্পানীসমূহৰ একত্রীকৰণৰ মুখ্য উদ্দেশ্য হৈছে একত্রীত কোম্পানীসমূহৰ মাজত প্রতিযোগিতা পৰিহাৰ কৰা। ইয়াৰ ফলত একত্রীত হোৱা কোম্পানীসমূহে প্রতিযোগীসকলতকৈ অধিক সুবিধা পাব।

(খ) **ব্যয় হ্রাস কৰিবলৈ (To reduce cost) ঃ** একত্রীত কোম্পানীটোৱে উৎপাদন ব্যয় হ্রাস কৰি কোম্পানীৰ কার্য সম্পাদন তথা পৰিচালন ব্যয়ৰ (operating cost) সুবিধা পাব পাৰে। বৃহৎ আকাৰ নির্ভৰ মিতব্যয়ীতাৰ বাবেই ই সম্ভৱ হয়।

(গ) **আর্থিকভাৱে লাভবান হ'বলৈ (To gain financially) ঃ** একত্রীত কোম্পানীয়ে কৰৰ সুবিধা, উচ্চতৰ বিশ্বাসযোগ্যতা আৰু নিম্নহাৰৰ ধাৰৰ সুবিধাৰ জৰিয়তে বিত্তীয় লাভ আহৰণ কৰিব পাৰে।

(ঘ) **বৃদ্ধি সাধন কৰিবলৈ (To achieve growth) ঃ** একত্রীত কোম্পানীয়ে সম্পদসমূহ একলগ কৰি আভ্যন্তৰীণ উন্নতিত সুবিধা প্রদান কৰে আৰু নতুন কোম্পানী গঠন হোৱা ধাৰাক ব্যাহত কৰে।

(ঙ) **ক্রিয়াকলাপৰ বণ্টন (To diversify the activities) ঃ** দুটা বা ততোধিক শিল্পত কোম্পানীৰ ক্রিয়াকলাপসমূহ বণ্টন কৰি কোম্পানীৰ ঝুকি (risk)ৰ সম্ভাৱনা কমাব পাৰে। এটা সময়ত একত্রীকৰণে সক্রিয় কাম-কাজৰ সৈতে দুর্বল কাম-কাজ সংযুক্ত কৰি ক্ষতিৰ সংৰক্ষক (hedge) হিচাপে কাম কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কোম্পানীসমূহৰ একত্রীকৰণৰ অর্থ ব্যাখ্যা কৰক।

.....

.....

.....

১১.৪ একত্রীকৰণত ব্যৱহাৰ কৰা বিভিন্ন পদসমূহৰ অর্থ (MEANING OF DIFFERENT TERMS USED IN AMALGAMATION)

একত্রীকৰণত ব্যৱহাৰ হোৱা কিছুমান পদৰ ব্যাখ্যা দাঙি ধৰাটো এইক্ষেত্রত উপযোগী হ'ব।

(ক) **একত্রীকৰণ (Amalgamation)** বুলিলে 1956 চনৰ কোম্পানীসমূহৰ আইনৰ ব্যৱস্থা অনুসৰি বা কোম্পানীত প্ৰযোজ্য হোৱা আন কোনো আইন ব্যৱস্থা অনুসৰি একেলগ কৰাকে একত্রীকৰণ বোলা হয়।

(খ) **স্থানান্তৰিত কোম্পানী (Transferor Company)** বুলিলে আন এটা কোম্পানীৰ লগত চামিল হোৱা কোম্পানীক বুজায়।

(গ) **স্থানান্তৰকাৰী কোম্পানী (Transferee Company)** বুলিলে যিটো কোম্পানীৰ লগত স্থানান্তৰিত কোম্পানী একত্রীত হৈছে তাক বুজোৱা হয়।

(ঘ) **সঞ্চিত পুঁজি (Reserve)** বুলিলে সাধাৰণ বা অৱক্ষয়ৰ ভৱিষ্যত ব্যৱস্থা বা সম্পত্তিৰ মূল্য হ্ৰাস বা কোনো জ্ঞাত দেনা আদিৰ বাহিৰে বিশেষ উদ্দেশ্যে উপযোজন কৰা প্ৰতিষ্ঠানৰ উপার্জন, প্ৰাপ্তি বা অন্যান্য ৰাহিসমূহৰ অংশকে বুজায়।

১১.৫ হিচাপবিদ্যাৰ মান 14 অনুসৰি কোম্পানীসমূহৰ একত্রীকৰণৰ ব্যৱস্থাৱলী (PROVISIONS FOR AMALGAMATION OF COMPANIES AS PER ACCOUNTING STANDARD 14)

একত্রীকৰণৰ হিচাপৰক্ষণত স্পষ্টভাৱে নিৰ্দেশনা দিবৰ বাবে ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক সংস্থাই 'হিচাপবিদ্যাৰ মান 14 (AS14)' বিলি কৰিছে যি 'একত্রীকৰণৰ হিচাপৰক্ষণ'ৰ বিষয় সামৰি লৈছে।

হিচাপবিদ্যাৰ মান 14, 1.4.1995 তাৰিখৰ পৰা আৰম্ভ হোৱা বা তাৰ পিছৰ পৰা আৰম্ভ হোৱা হিচাপ গণনা কালৰ পৰাই কাৰ্যকৰী হৈছে আৰু ই বাধ্যতামূলক প্ৰকৃতিৰ। এই মানটোৰ প্ৰতিবেদনত উল্লেখ কৰিছে যে 'একত্রীকৰণ' বুলিলে 2013 চনৰ কোম্পানীসমূহৰ আইনৰ বা কোম্পানীসমূহত প্ৰযোজ্য হোৱা অন্য আইনৰ ব্যৱস্থাৱলী অনুসৰি বুজোৱা একত্রীকৰণকে বুজায়। হিচাপবিদ্যাৰ মান 14 অনুসৰি একত্রীকৰণ দুই প্ৰকাৰৰ ঃ

- চামিলকৰণৰ দ্বাৰা একত্রীকৰণ (Amalgamation in the nature of Merger), আৰু
- ক্ৰয়ৰ দ্বাৰা একত্রীকৰণ (Amalgamation in the nature of Purchase)।

চামিলকৰণৰ দ্বাৰা একত্রীকৰণ (Amalgamation in the nature of Merger) :

যি একত্রীকৰণত চামিলকৃত কোম্পানীসমূহৰ সম্পত্তি আৰু দেনাসমূহকে মাত্ৰ একত্রীত নকৰি অংশপত্ৰ ধাৰকসকলৰ স্বাৰ্থ আৰু উক্ত কোম্পানীসমূহৰ ব্যৱসায়কো প্ৰকৃতাৰ্থত একত্রীত কৰে তাকেই চামিলকৰণৰ দ্বাৰা একত্রীকৰণ বোলা হয়।

যি একত্রীকৰণত নিম্নলিখিত গোটেইকেইটা চৰ্ত পূৰণ হয় তাকেই চামিলকৰণৰ দ্বাৰা একত্রীকৰণ বুলি বিবেচনা কৰা হয়।

১। স্থানান্তৰিত কোম্পানীৰ সকলোবোৰ সম্পত্তি আৰু দেনা স্থানান্তৰকাৰী কোম্পানীৰ সম্পত্তি আৰু দেনা হিচাপে পৰিগণিত হ'ব।

২। একত্রীকৰণৰ কাৰণে স্থানান্তৰিত কোম্পানীৰ অংশপত্ৰ ধাৰকসকলে ধাৰণ কৰা সমাংশপত্ৰ লিখিত মূল্যৰ 90 শতাংশতকৈ অধিক স্থানান্তৰকাৰী কোম্পানীৰ সমাংশপত্ৰ ধাৰক হ'ব লাগিব। উক্ত অংশপত্ৰসমূহৰ ভিতৰত স্থানান্তৰকাৰী কোম্পানী বা ইয়াৰ অধীনস্থ কোম্পানীয়ে বা তেওঁলোকৰ মনোনীত ব্যক্তিয়ে একত্রীকৰণৰ আগে আগে ইতিমধ্যে ধাৰণ কৰা সমাংশপত্ৰ অন্তৰ্ভুক্ত নহয়।

৩। একত্রীকৰণৰ বাবে স্থানান্তৰকাৰী কোম্পানীৰ সমাংশপত্ৰ ধাৰক হ'বলৈ সন্মত হোৱা স্থানান্তৰিত কোম্পানীৰ সমাংশপত্ৰ ধাৰকসকলে পাবলগীয়া প্ৰতিদান স্থানান্তৰকাৰী কোম্পানীয়ে সমাংশপত্ৰ বিলি কৰি সম্পূৰ্ণকৈ নিষ্পত্তি কৰিব লাগে; অৱশ্যে অংশপত্ৰৰ ভগ্নাংশৰ বাবে নগদ ধন পৰিশোধ কৰিব পাৰি।

৪। একত্রীকৰণৰ পিছত স্থানান্তৰিত কোম্পানীৰ ব্যৱসায় স্থানান্তৰকাৰী কোম্পানীয়ে চলাই নিবলৈ পৰিকল্পনা কৰিব লাগিব।

৫। হিচাপৰক্ষণৰ কৰ্মপন্থাৰ সংগতি নিশ্চিত কৰাৰ বাহিৰে স্থানান্তৰিত কোম্পানীৰ সম্পত্তি আৰু দেনাসমূহৰ বহী মূল্য স্থানান্তৰকাৰী কোম্পানীৰ বিত্তীয় প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰোতে কোনো সংযোজন কৰিব নালাগে।

এইধৰণৰ চামিলকৰণৰ জৰিয়তে হোৱা একত্রীকৰণৰ ক্ষেত্ৰত সংযুক্ত প্ৰতিষ্ঠানত সম্পত্তি আৰু দেনাসমূহৰ বিশুদ্ধভাৱে একীভূত হয়। ইয়াৰ উপৰিও সংযুক্ত প্ৰতিষ্ঠানৰ সমাংশপত্ৰ ধাৰকসকলে সংযুক্ত প্ৰতিষ্ঠানৰ সমানুপাতিক অংশ ধাৰাবাহিকভাৱে পায় থাকে।

ক্ৰয়ৰ দ্বাৰা একত্রীকৰণ (Amalgamation in the nature of Purchase) ঃ

চামিলকৰণৰ দ্বাৰা একত্রীকৰণৰ ক্ষেত্ৰত বিশেষভাৱে নিৰ্দিষ্ট কৰা উল্লিখিত পাঁচটা চৰ্তৰ এক বা একাধিক চৰ্ত পূৰণ নহ'লে একত্রীকৰণ ক্ৰয়ৰ দ্বাৰা হৈছে বুলি বিবেচনা কৰা হয়। এইধৰণৰ একত্রীকৰণত এটা কোম্পানীয়ে আন এটা কোম্পানী অধিগ্ৰহণ কৰে আৰু সংযুক্ত প্ৰতিষ্ঠানৰ সমাংশপত্ৰ ধাৰকসকলৰ সংযুক্ত প্ৰতিষ্ঠানৰ সমাংশত সমানুপাতিক অংশ নাপায় বা অধিগ্ৰহণ কৰা কোম্পানীৰ ব্যৱসায়টো একত্রীকৰণৰ পিছত চলাই নিবলৈ মনস্থ নকৰে।

উদাহৰণস্বৰূপে, X লিমিটেডে Y লিমিটেডৰ ব্যৱসায়টো চলাই থকাৰ অভিপ্ৰায়ত অধিগ্ৰহণ কৰিলে। এইটো এটা ক্ৰয়ৰ দ্বাৰা একত্রীকৰণ আৰু ই চামিলকৰণৰ জৰিয়তে নহয়। সেইদৰে যদি Y লিমিটেডৰ অংশপত্ৰিক মূলধনৰ 90% বা ততোধিক ধাৰণ কৰা অংশপত্ৰ ধাৰকসকলে X লিমিটেডৰ অংশপত্ৰ ধাৰক নহয় তেতিয়াও একত্রীকৰণ ক্ৰয়ৰ দ্বাৰা হৈছে বুলি ধৰা হয়। তদুপৰি স্থানান্তৰকাৰী কোম্পানীৰ হিচাপৰ বহীত সম্পত্তি আৰু দেনাসমূহ যদি সংশোধিত মূল্যত লিপিবদ্ধ কৰা হয় তেতিয়া ই ক্ৰয়ৰ দ্বাৰা একত্রীকৰণ হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ বিভিন্ন প্রকাৰৰ একত্রীকৰণ কি কি?

.....

.....

.....

.....

১১.৬ ক্রয় প্রতিদান নির্ণয় কৰাৰ ভিত্তি (BASIS FOR ARRIVING AT PURCHASE CONSIDERATION)

এতিয়া আমি ক্রয় প্রতিদানত উপনীত হোৱাৰ বাবে বিভিন্ন ভিত্তিসমূহৰ বিষয়ে আলোচনা কৰিম। পূর্বৱর্তী অধ্যায়ত আপুনি ক্রয় প্রতিদানৰ অর্থ শিকিলে। একত্রীকৰণৰ বাবে স্থানান্তৰিত কোম্পানীক দিবলগীয়া প্রতিদান কিছুমান ভিত্তিত নির্ধাৰণ কৰা হয়। একত্রীকৰণৰ প্রতিদান গণনাৰ বাবে বিভিন্ন ভিত্তিসমূহ তলত আলোচনা কৰা হ'ল।

(১) মুঠ পৰিমাণ পদ্ধতি (Lump Sum Method) ঃ যেতিয়া একত্রীকৰণৰ চর্ত অনুসৰি এক নির্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰিব লাগে, তেতিয়া উক্ত পৰিমাণৰ ধনকে একত্রীকৰণৰ প্রতিদান হিচাপে ধৰা হয়। উদাহৰণস্বৰূপে, যদি বিয়েৰ লিমিটেড বুল লিমিটেডৰ লগত একত্রীত হৈছে আৰু একত্রীকৰণৰ বাবে বুল লিমিটেডে মুঠ প্রতিদানৰ বাবে 8,80,000 টকা 40,000 টা 10 টকীয়া সম্পূর্ণকৈ আদায়ী সমাংশপত্র আৰু বাকীখিনি নগদ টকাৰে পৰিশোধ কৰিব লাগে। ইয়াকে ক্রয় প্রতিদানৰ মুঠ পৰিমাণ পদ্ধতি বোলা হয়।

(২) অংশপত্রৰ নিহিত মূল্য পদ্ধতি (Intrinsic Value of Share Method) ঃ 10 অধ্যায়ত যি আপুনি নিহিত মূল্যৰ অর্থ পাইছিল। মুঠ সম্পত্তিৰ আদায়যোগ্য মূল্যক অপৰিশোধিত অংশপত্রৰ সংখ্যাৰে হৰণ কৰি পোৱা মূল্যই হৈছে অংশপত্রৰ নিহিত মূল্য। এই মূল্যক অংশপত্রৰ সম্পত্তিৰ দ্বাৰা সমর্থিত মূল্যও (asset back value) বোলা হয়।

যেতিয়া একত্রীকৰণৰ চর্ত অনুসৰি স্থানান্তৰিত কোম্পানীক অংশপত্রৰ নিহিত মূল্য ভিত্তিত প্রতিদান পৰিশোধ কৰিব লাগে, তেতিয়া ইয়াকে একত্রীকৰণৰ প্রতিদান পৰিশোধৰ অংশপত্রৰ নিহিত মূল্য পদ্ধতি বোলা হয়। এই ক্ষেত্রত পৰিশোধ কৰিবলগীয়া প্রতিদানৰ পৰিমাণ তলত দিয়া ধৰণে নির্ধাৰণ কৰিব লাগে ঃ

স্থানান্তৰিত কোম্পানীৰ অংশপত্রৰ সংখ্যা × স্থানান্তৰিত কোম্পানীৰ অংশপত্রৰ নিহিত মূল্য (Number of shares of Transferor Company × Intrinsic value of share of Transferor Company)



উদাহৰণ ১

শিৰ লিমিটেডে উমা লিমিটেডৰ কর্তৃত্ব গ্রহণ কৰিলে। একত্রীকৰণৰ চর্ত অনুসৰি একত্রীকৰণৰ প্রতিদান উমা লিমিটেডৰ অংশপত্রৰ নিহিত মূল্যৰ ভিত্তিত নিষ্পত্তি কৰিব লাগে। উমা লিমিটেডৰ অংশপত্রিক মূলধন 10 টকীয়া 50,000 সমাংশপত্রৰে গঠিত আৰু উমা লিমিটেডৰ প্রতিটো অংশপত্রৰ নিহিত মূল্য হয় 22 টকা।

একত্রীকৰণৰ প্রতিদান গণনা কৰক।

সমাধান ঃ

যিহেতু স্থানান্তৰিত কোম্পানী উমা লিমিটেডৰ অংশপত্রৰ সংখ্যা 50,000 টা আৰু ইয়াৰ অংশপত্রৰ নিহিত মূল্য 22 টকা; সেয়ে অংশপত্রৰ নিহিত মূল্যৰ ভিত্তিত শিৰ লিমিটেডে নিষ্পত্তি কৰিবলগীয়া একত্রীকৰণৰ প্রতিদান হ'ব 50,000 × 22 টকা = 11,00,000 টকা।

(৩) অংশপত্র বিনিময় পদ্ধতি (Share Exchange Method) ঃ কেতিয়াবা স্থানান্তৰকাৰী কোম্পানীয়ে স্থানান্তৰিত কোম্পানীৰ অংশপত্রৰ বিনিময়ত স্থানান্তৰকাৰী কোম্পানীৰ অংশপত্র দিয়া সমানুপাতৰ ভিত্তিত স্থানান্তৰিত কোম্পানীৰ ব্যৱসায় অধিগ্রহণ কৰে।



উদাহৰণ ২

মিলন লিমিটেড আৰু মায়া লিমিটেডে একত্রীত হ'বলৈ সিদ্ধান্ত গ্রহণ কৰিলে। মায়া লিমিটেডৰ অংশপত্রিক মূলধন 10 টকীয়া সমাংশপত্রত বিভক্ত 1,00,000 টকা। একত্রীকৰণৰ আঁচনিত উল্লেখ আছে যে মায়া লিমিটেডত অংশপত্র ধাৰকে ধাৰণ কৰা প্রতি 4 টা অংশপত্রৰ বাবে তেওঁলোকে পাব ঃ

(১) নগদ 10 টকা আৰু

(২) মিলন লিমিটেডৰ 10 টকীয়া 5টা সমাংশ পত্র।

একত্রীকৰণৰ বাবে প্রতিদানৰ পৰিমাণ গণনা কৰক।

সমাধান ঃ

(ক) মায়া লিমিটেডৰ সমাংশপত্রৰ সংখ্যাৰ গণনা (Calculation of No. of Equity Shares of Maya Ltd.) ঃ

অংশপত্রিক মূলধন = 1,00,000 টকা

প্রতিটো সমাংশ পত্রৰ লিখিত মূল্য =10 টকা

এতেকে, অংশপত্রৰ সংখ্যা =1,00,000 টকা ÷10 টকা = 10,000 টা

(খ) একত্রীকৰণৰ বাবে প্রতিদানৰ পৰিমাণ গণনা (Calculation of consideration for amalgamation) ঃ

নগদ টকা {(10,000 ÷4) × 10 টকা} = 25,000 টকা

অংশপত্ৰ {(10,000 ÷4) × 5 x10 টকা} = 1,25,000 টকা

মুঠ প্ৰতিদান 1,50,000 টকা

(৪) প্ৰকৃত সম্পত্তি পদ্ধতি (Net Asset Method) ঃ এই পদ্ধতিৰ অধীনত একত্রীকৰণৰ প্ৰতিদানৰ পৰিমাণ সন্মত হোৱা সম্পত্তিৰ মূল্য আৰু দায়িত্ব বহন কৰা দেনাৰ সন্মত মূল্যৰ ভিত্তিত নিৰ্ধাৰণ কৰা হয়। স্থানান্তৰকাৰী কোম্পানীয়ে পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ নিম্নলিখিত ধৰণেৰে নিৰ্ধাৰণ কৰা হয়।

কৰ্তৃত্ব গ্ৰহণ কৰা সম্পত্তিৰ মুঠ মূল্য — দায়িত্ব বহন কৰা দেনাৰ মুঠ সন্মত মূল্য = সম্পত্তিৰ প্ৰকৃত মূল্য আৰু এই পৰিমাণেই হ'ব একত্রীকৰণৰ বাবে প্ৰতিদানৰ পৰিমাণ।

Total agreed value of Assets taken over – Total agreed value of liabilities taken over = Value of Net Assets taken over being the amount of consideration for amalgamation.

উদাহৰণ ৩

Y লিমিটেডে X লিমিটেডৰ লগত একত্রিত হ'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। X লিমিটেডে Y লিমিটেডৰ সম্পত্তিসমূহ 7,00,000 টকাত ল'লে আৰু Y লিমিটেডৰ ঋণপত্ৰ ধাৰকসকলক দিবলগীয়া 3,00,000 টকা আৰু ইয়াৰ পাওনাদাৰসকলক দিবলগীয়া 2,00,000 টকা যিখিনিৰ দায়িত্ব X লিমিটেডে বহন কৰিছে। একত্রীকৰণৰ বাবে প্ৰতিদানৰ পৰিমাণ নিৰ্ধাৰণ কৰক।

সমাধান

একত্রীকৰণৰ বাবে প্ৰতিদানৰ পৰিমাণ গণনা (Calculation of Consideration for Amalgamation) ঃ

		Rs.
কৰ্তৃত্ব গ্ৰহণ কৰা সম্পত্তিৰ মূল্য (Value of Assets taken over)		= 7,00,000
বাদ, দায়িত্ব বহন কৰা দেনাৰ মূল্য (Value of Liabilities taken over) :		
	Rs.	
পাওনাদাৰ (Creditors)	2,00,000	
ঋণপত্ৰ (Debentures)	3,00,000	
		5,00,000
		= 2,00,000

কৰ্তৃত্ব গ্ৰহণ কৰা সম্পত্তিৰ প্ৰকৃত মূল্য (value of net assets taken over) গতিকে একত্রীকৰণৰ বাবে প্ৰতিদানৰ পৰিমাণ হ'ব 2,00,000 টকা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ কোম্পানীসমূহৰ একত্রীকৰণৰ বাবে ক্রয় প্রতিদান গণনা কৰা বিভিন্ন পদ্ধতিসমূহ কি কি?

.....

.....

.....

.....



জনা উচিত

(ক) স্থানান্তৰকাৰী কোম্পানীয়ে একত্রীকৰণৰ ক্ষেত্রত অনুসৰণ কৰিবলগীয়া হিচাপসম্পর্কীয় ব্যৱস্থাৱলী হিচাপবিদ্যাৰ মান 14ত উল্লেখ কৰিছে।

(খ) স্থানান্তৰকাৰী কোম্পানীয়ে কৰা হিচাপ সম্পর্কীয় ব্যৱস্থাৱলী একত্রীকৰণৰ প্রকৃতিৰ ওপৰত নির্ভৰ কৰে।

(গ) স্থানান্তৰিত কোম্পানীয়ে অনুসৰণ কৰিবলগীয়া হিচাপসম্পর্কীয় ব্যৱস্থাৱলীৰ বিষয়ে হিচাপবিদ্যাৰ মান 14ত কোনো উল্লেখ কৰা নাই। স্থানান্তৰিত কোম্পানীয়ে বিক্রীৰ বাবে অৱসানত হোৱা হিচাপসম্পর্কীয় ব্যৱস্থাৱলীহে অনুসৰণ কৰিব। আন কথাত ক'বলৈ গ'লে ই ইয়াৰ ব্যৱসায় অৱসান আৰু হিচাপৰ বহীসমূহ মামৰা প্রৱিষ্টিসমূহ পাতিব লাগে।

১১.৭ স্থানান্তৰকাৰী কোম্পানীৰ বহীত হিচাপসম্পর্কীয় প্রৱিষ্টিসমূহ (ACCOUNTING ENTRIES IN THE BOOKS OF TRANSFEREE COMPANY)

এইটো মনত ৰাখিব লাগে যে হিচাপবিদ্যাৰ মান 14 ই স্থানান্তৰকাৰী কোম্পানীৰ হিচাপৰ বহীত চামিলকৰণৰ দ্বাৰা আৰু ক্রয়ৰ দ্বাৰা হোৱা একত্রীকৰণৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলীহে কেৱল মাত্র নিয়ন্ত্রণ কৰে।

হিচাপবিদ্যাৰ মান 14 মতে সম্পত্তি আৰু দেনাৰ কর্তৃত্ব গ্রহণ কৰোঁতে দুটা পদ্ধতিত প্রৱিষ্টিসমূহ লিপিবদ্ধ কৰা হয়। সেইকেইটা হ'ল— স্বার্থৰ একীভূতকৰণ পদ্ধতি (Pooling of Interest Method) আৰু ক্রয় পদ্ধতি (Purchase Method)।

ইয়াত আমি কেৱল মাত্র ক্রয় পদ্ধতিৰ অধীনত স্থানান্তৰকাৰী কোম্পানীৰ বহীত প্রৱিষ্ট কৰা হিচাপসম্পর্কীয় প্রৱিষ্টিসমূহহে আলোচনা কৰিম।

ক্রয় পদ্ধতিৰ বৈশিষ্ট্যসমূহ (Features of the Purchase Method):

স্থানান্তৰকাৰী কোম্পানীৰ বহীত প্ৰৱিষ্ট কৰা হিচাপসম্পৰ্কীয় প্ৰৱিষ্টিসমূহ আলোচনা কৰাৰ আগতে আমি ক্ৰয় পদ্ধতিৰ বৈশিষ্ট্যসমূহ তালিকাভুক্ত কৰাটো উচিত হ'ব।

(১) স্থানান্তৰিত কোম্পানীৰ সম্পত্তি আৰু দেনাসমূহ পুনৰ মূল্যায়ন কৰা মূল্যত অথবা সিহঁতে বহন কৰা মূল্যতে সন্নিৰিষ্ট কৰিব লাগে।

(২) স্থানান্তৰিত কোম্পানীৰ বিধিবদ্ধ সঞ্চিত পুঁজিৰ (statutory reserve) বাহিৰে সাধাৰণ সঞ্চিত পুঁজি, মূলধনী সঞ্চিত পুঁজি বা পুনৰ মূল্যায়ন পুঁজিৰ পৰিমাণ স্থানান্তৰকাৰী কোম্পানীৰ বিত্তীয় প্ৰতিবেদনসমূহত অন্তৰ্ভুক্ত কৰিব নালাগে।

(৩) স্থানান্তৰিত কোম্পানীৰ বিধিবদ্ধ সঞ্চিত পুঁজি যেনে— উন্নয়ন ভাত্তা সঞ্চিত পুঁজি (Development Allowance Reserve) হিচাপ, বিনিয়োগ ভাত্তা সঞ্চিত পুঁজি (Investment Allowance Reserve) হিচাপ আদি আইনৰ ব্যৱস্থাৱলী মানি চলাৰ বাবে স্থানান্তৰকাৰী কোম্পানীৰ হিচাপৰ বহীলৈ স্থানান্তৰ কৰা হয়।

(৪) একত্রীকৰণ সংযোজন হিচাপ (Amalgamation Adjustment Account) নিম্নলিখিত শিতানত প্ৰকাশ কৰিব লাগে ঃ উদ্বৃত্ত পত্ৰৰ সম্পত্তি দিশত বিবিধ ব্যয় (Miscellaneous Expenditure) শিতানত। যেতিয়া বিধিবদ্ধ সঞ্চিত পুঁজিটো সংৰক্ষণ কৰা প্ৰয়োজনবোধ কৰা নহয় তেতিয়া বিধিবদ্ধ সঞ্চিত পুঁজি আৰু একত্রীকৰণ সংযোজন হিচাপ বিপৰীত প্ৰৱিষ্টি লিপিবদ্ধ কৰি বিলোপ কৰিব লাগে।

(৫) স্থানান্তৰকাৰী কোম্পানীয়ে অধিগ্ৰহণ কৰা স্থানান্তৰিত কোম্পানীৰ প্ৰকৃত সম্পত্তিৰ মূল্যতকৈ বেছি হোৱা ক্ৰয় প্ৰতিদান পৰিমাণ স্থানান্তৰকাৰী কোম্পানীৰ বহীত একত্রীকৰণত উদ্ভৱ হোৱা সুনাম হিচাপে গণ্য কৰা হয়। যদি প্ৰকৃত সম্পত্তিৰ মূল্য ক্ৰয় প্ৰতিদানতকৈ বেছি হয় তেনেহ'লে তেনে পাৰ্থক্যৰ পৰিমাণ মূলধনী সঞ্চিত পুঁজি হিচাপত ক্ৰেডিট কৰা হয়।

ক্ৰয় পদ্ধতিৰ অধীনত হিচাপসম্পৰ্কীয় প্ৰৱিষ্টিসমূহ (Accounting entries under Purchase Method)

ক্ৰয় পদ্ধতিৰ অধীনত হিচাপসম্পৰ্কীয় প্ৰৱিষ্টিসমূহ তলত উল্লেখ কৰা হ'ল।

(১) ব্যৱসায় অধিগ্ৰহণ কৰাত ক্ৰয় প্ৰতিদানৰ বাবে (For purchase consideration on acquisition of the business)

Business Purchase A/c	Dr.	(With the amount of purchase consideration)
To Liquidator of Transferor Company		

(২) স্থানান্তৰিত কোম্পানীৰ সম্পত্তি আৰু দেনাসমূহ অধিগ্ৰহণ কৰোঁতে (On acquisition of assets and liabilities of the transferor company)

Assets A/c	Dr.	(With value of assets taken over)
Goodwill A/c	Dr.	(With difference, see note below)
To Liabilities A/c		(With the value of liabilities taken over)
To Business Purchase A/c		(With the amount of purchase consideration)
To Capital Reserve A/c		(With difference, see note below)

টোকা ঃ ওপৰৰ (২)ত যদি ডেবিট কৰা হিচাপসমূহৰ মুঠ পৰিমাণ ক্ৰেডিট কৰা হিচাপসমূহৰ মুঠ পৰিমাণতকৈ বেছি হয় তেনেহ'লে পাৰ্থক্যৰ পৰিমাণ মূলধনী সঞ্চিত পুঁজি হিচাপত (Capital Reserve Account) ক্ৰেডিট কৰিব লাগে।

সেইদৰে, যদি ক্ৰেডিট কৰা হিচাপসমূহৰ মুঠ পৰিমাণ ডেবিট কৰা হিচাপৰ মুঠ পৰিমাণতকৈ বেছি হয় তেনেহ'লে পাৰ্থক্যৰ পৰিমাণ সুনাম হিচাপত ডেবিট কৰিব লাগে।

(৩) ক্ৰয় প্ৰতিদান নিষ্পত্তি কৰোঁতে (On discharge of purchase consideration) ঃ

Liquidator of Transferor Company A/c	Dr.	(amount of purchase consideration)
Discount on Issue of Shares/ Debentures A/c	Dr.	(amount of discount)
To Share Capital A/c		(nominal value of shares)
To Securities Premium A/c		(amount of premium, if any)
To Debentures A/c		(nominal value of Debentures issued)
To Bank		(amount paid in cash)

(Discount on issue of shares/debentures বা securities premium account এই দুটা হিচাপৰ ভিতৰত যিকোনো এটা হিচাপহে হয়।)

(৪) উন্নয়ন ৰেহাই পুঁজি, বিনিয়োগ ভাত্তা সঞ্চিত পুঁজি, ৰপ্তানি লাভৰ সঞ্চিত পুঁজি আদি বিধিবদ্ধ সঞ্চিত পুঁজি সংৰক্ষণ কৰোঁতে (For maintenance of statutory reserves such as Development Rebate Reserve, Investment Allowance

Reserve, Export Profit Reserve) ঃ

Amalgamation Adjustment A/c	Dr.	(amount of reserves)
To Statutory Reserves A/c		

(৫) স্থানান্তৰিত কোম্পানীৰ অৱসায়ন ব্যয় স্থানান্তৰকাৰী কোম্পানীয়ে বহন কৰিলে **(If liquidation expenses of the transferor company are borne by the transferee company) ঃ**

Goodwill A/c	Dr.	(amount of expenditure)
To Bank		

(৬) স্থানান্তৰকাৰী কোম্পানীৰ স্থাপন ব্যয়ৰ বাবে, যদি থাকে **(For the formation expenses of the transferee company, if any) ঃ**

Preliminary Expenses A/c	Dr.	(amount of expenditure)
To Bank		

(৭) যদি সুনাম হিচাপ আৰু মূলধনী সঞ্চিত পুঁজি হিচাপ দুয়োটা ক্ষেত্ৰত, সুনাম মূলধনী সঞ্চিত পুঁজিৰ বিপৰীতে অৱলোপন কৰোঁতে **(In case there are both Goodwill and Capital Reserve Account, Goodwill may be set off against Capital Reserve) ঃ**

Capital Reserve A/c	Dr.	(amount of goodwill written off)
To Goodwill A/c		

টোকা ঃ মূলধনী সঞ্চিত পুঁজি হিচাপ আৰু সুনাম হিচাপ উদ্বৃত্ত পত্ৰত একেসময়তে দেখুৱাব নালাগে।

(৮) স্থা নান্তৰকাৰী কোম্পানীৰ দ্বাৰা দেনা পৰিশোধ কৰোঁতে **(On payment of liability by the transferee company)ঃ**

Respective Liability A/c	Dr.	(amount payable)
To Share Capital A/c		
To Debenture A/c		(as the case may be)
To Bank		

উদাহৰণ ৪

10 টকীয়া 40,000 সমাংশপত্র থকা S Ltd.ক H.Ltd.ৰ দ্বাৰা কর্তৃত্ব গ্রহণ কৰা হ'ল। H.Ltd. এ নিম্নলিখিত পৰিশোধসমূহ কৰিবলৈ সন্মত হ'ল ঃ

(১) S Ltd ৰ প্রতিটো অংশপত্রৰ বাবে নগদ 4 টকা।

(২) S. Ltd.ত ধাৰণ কৰা প্রতি 2টা অংশপত্রৰ বাবে 10 টকীয়া 1 টাকৈ অংশপত্র সমমূল্যত বিলি।

(৩) S. Ltd.ৰ 1,00,000 টকাৰ 8% ঋণপত্র 10% অধিহাৰত H. Ltd.এ সমমূল্যত 10% ঋণপত্র বিলি কৰি নিষ্পত্তি কৰিব লাগে, আৰু

(৪) S. Ltd.ৰ পাওনাদাৰসকলক নগদ 90,000 টকা দি তেওঁলোকৰ হিচাপ চূড়ান্তভাৱে নিষ্পত্তি কৰিব লাগে। হিচাপবিদ্যাৰ মান 14 অনুসৰি একত্রীকৰণৰ বাবে প্রতিদানৰ পৰিমাণ নির্ধাৰণ কৰক।

সমাধান ঃ

একত্রীকৰণৰ বাবে প্রতিদান গণনা (Calculation of Consideration for Amalgamation) ঃ

	Rs.
(১) অংশপত্র ধাৰকসকলৰ বাবে নগদ ধন (40,000 x 4 টকা)	= 1,60,000
(২) অংশপত্র ধাৰকসকলৰ বাবে অংশপত্র (40,000 ÷2 x 10 টকা)	= 2,00,000
একত্রীকৰণৰ বাবে প্রতিদান	= 3,60,000

8% ঋণপত্রৰ নিষ্পত্তি আৰু পাওনাদাৰক কৰা পৰিশোধ একত্রীকৰণৰ বাবে প্রতিদানৰ পৰিমাণ নিৰূপণৰ হিচাপত লোৱা নাই, কিয়নো এই পৰিশোধসমূহ কোম্পানীৰ বহিঃ ব্যক্তিক কৰা হৈছে (দেনা নিষ্পত্তি)।

উদাহৰণ ৫

নিম্নলিখিত চর্তাৱলীত M লিমিটেডক S লিমিটেডে কর্তৃত্ব গ্রহণ কৰিলেঃ

(১) M লিমিটেডৰ সম্পত্তিসমূহ 6,00,000 টকাত মূল্যায়ন কৰা হ'ল।

(২) M লিমিটেডৰ দেনাসমূহ 2,00,000 টকাত মূল্যায়ন কৰা হ'ল।

(৩) M লিমিটেডৰ অংশপত্র ধাৰকসকলক 2,00,000 টকা নগদ দিব লাগে।

(৪) বাকী থকা প্রতিদান 10 টকীয়া অংশপত্র 20 টকাত বিলি কৰি নিষ্পত্তি কৰিব লাগে।

S লিমিটেডে একত্রীকৰণৰ বাবে প্রতিদান কেনেকৈ নিষ্পত্তি কৰিব আৰু M লিমিটেডৰ অংশপত্র ধাৰকসকলক কিমান সংখ্যক অংশপত্র বিলি কৰা হ'ব তাক দেখুওৱাক।

সমাধান ঃ

M লিমিটেডৰ প্ৰকৃত সম্পত্তি (Net Assets of M.Ltd.)	**Rs.**
কৰ্তৃত্ব গ্ৰহণ কৰা সম্পত্তিৰ মূল্য (Assets taken over)	= 6,00,000
বাদ ঃ দায়িত্ব গ্ৰহণ কৰা দেনা (Liabilities taken over)	= 2,00,000
কৰ্তৃত্বগ্ৰহণ কৰা প্ৰকৃত সম্পত্তি, যিটোৰেই হ'ব একত্রীকৰণৰ প্ৰতিদান	= 4,00,000

কৰ্তৃত্ব গ্ৰহণ কৰা 4,00,000 টকাৰ প্ৰকৃত সম্পত্তিয়েই হ'ব একত্রীকৰণৰ বাবে প্ৰতিদানৰ পৰিমাণ।

একত্রীকৰণৰ বাবে প্ৰতিদান নিম্নলিখিত ধৰণেৰে নিষ্পত্তি কৰা হয় (Consideration for amalgamation is discharged as follows) ঃ

	Rs.
একত্রীকৰণৰ বাবে প্ৰতিদান (Consideration for amalgamation)	= 4,00,000
বাদ ঃ পৰিশোধ কৰা নগদ ধন (Discharged cash)	= 2,00,000
গতিকে অংশপত্ৰ বিলিৰ দ্বাৰা নিষ্পত্তি কৰিবলগীয়া প্ৰতিদান (Amount to be discharged by issue of shares)	= 2,00,000

বিলি কৰিবলগীয়া অংশপত্ৰৰ সংখ্যা = অংশপত্ৰ বিলিৰ দ্বাৰা নিষ্পত্তি কৰিবলগীয়া পৰিমাণ ÷ প্ৰতি অংশপত্ৰৰ বিলি কৰা মূল্য

= 2,00,000 টকা ÷ 20 টকা = 10,000 অংশপত্ৰ।



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্ন লিখিত বিষয়সমূহ আলোচনা কৰিলো—

- কোম্পানীসমূহৰ একত্রীকৰণত দুটা বা ততোধিক কোম্পানীয়ে ব্যৱসায় চলাই যাবৰ বাবে চামিল হয়।
- ভাৰতবৰ্ষৰ চনদপ্ৰাপ্ত গাণনিক সংস্থাই (ICAI) বিলি কৰা হিচাপবিদ্যাৰ মান 14 ই কোম্পানীসমূহৰ একত্রীকৰণত উদ্ভূত হিচাপসম্পকীয় সমস্যাসমূহৰ সমাধানৰ বিধান দিয়ে।
- একত্রীকৰণ দুই প্ৰকাৰৰ—
  - চামিলকৰণৰ দ্বাৰা একত্রীকৰণ, আৰু
  - ক্ৰয়ৰ দ্বাৰা একত্রীকৰণ।
- কোম্পানীসমূহ বিভিন্ন কাৰণত যেনে— প্ৰতিযোগিতা পৰিহাৰ কৰা, উন্নয়ন সাধন কৰা, ব্যৱসায়িক কাম-কাজত বিচিত্ৰতা অনা আদিৰ বাবে একত্রীত হয়।
- ক্ৰয় প্ৰতিদান গণনাৰ বাবে বিভিন্ন পদ্ধতি যেনে— মুঠ পৰিমাণ পদ্ধতি, অংশপত্ৰ নিহিত মূল্য পদ্ধতি, অংশপত্ৰ বিনিময় পদ্ধতি আৰু প্ৰকৃত সম্পত্তি পদ্ধতি অনুসৰণ কৰা হয়।

1 স্থানান্তৰকাৰী কোম্পানীৰ বহীত হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী।



১১.৯ অধিক জানিবলৈ (FURTHER READING)

১। Advanced Accounting 2 Corporate Accounting by Dr A Sehgal and Dr D. Sehgal, Taxman.
২। Modern Accountancy by A. Mukherjee and M Hanif. Tata Mcgraw Hill.
৩। Corporate Accounting by K. R. Das and others, LBS Publication.



১১.১০ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰ ঃ কোম্পানীসমূহৰ একত্রীকৰণ বুলিলে দুটা বা ততোধিক কোম্পানী চামিল হৈ এটা কোম্পানী গঠন কৰাকে বুজায়। ই এটা কোম্পানীয়ে আন এটা কোম্পানীক অধিগ্রহণ কৰাকে বুজায়। ভাৰতবর্ষত একত্রীকৰণৰ লগত জড়িত হিচাপসম্পৰ্কীয় সমস্যাসমূহ ভাৰতবর্ষৰ চনদপ্রাপ্ত গাণনিক সংস্থাই (ICAI) বিলি কৰা হিচাপ বিদ্যাৰ মান 14 অনুসৰি ব্যৱস্থা কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ হিচাপবিদ্যাৰ মান 14 অনুসৰি একত্রীকৰণ দুই প্রকাৰৰ—

চামিলকৰণৰ দ্বাৰা একত্রীকৰণ, আৰু

ক্রয়ৰ দ্বাৰা একত্রীকৰণ।

৩ নং প্রশ্নৰ উত্তৰ ঃ

(১) মুঠ পৰিমাণ পদ্ধতি,

(২) অংশপত্রৰ নিহিত মূল্য পদ্ধতি,

(৩) অংশপত্র বিনিময় পদ্ধতি,

(৪) প্রকৃত সম্পত্তি পদ্ধতি।



১১.১১ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

১। নিম্নলিখিত বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) একত্রীকৰণ আৰু অধিগ্রহণ সমার্থক পদ।

(খ) একত্রীকৰণ দুই প্রকাৰৰ।

(গ) চামিলকৰণৰ দ্বাৰা একত্রীকৰণৰ ক্ষেত্রত ক্রয় পদ্ধতি প্রয়োগ হয়।

(ঘ) যেতিয়া একত্রীকৰণ ক্রয়ৰ দ্বাৰা হয় তেতিয়া সম্পত্তি আৰু দেনাসমূহ সদায় স্থানান্তৰকাৰী কোম্পানীৰ বহীত বহী মূল্যত উল্লেখ কৰা হয়।

২। উ পযুক্ত শব্দ বহুৰাই খালি ঠাই পূৰণ কৰক ঃ

(ক) একত্রীকৰণৰ হিচাপৰক্ষণ হিচাপবিদ্যাৰ মন.....এ পৰিচালনা কৰে।

(খ) যিটো কোম্পানীত আন এটা কোম্পানী একত্রীত হয় সেই কোম্পানীটোক ..... কোম্পানী বোলা হয়।

(গ) একত্রীকৰণৰ অতি প্রধান উদ্দেশ্য হৈছে ..... ৰ পৰা অব্যাহতি পোৱা।

(ঘ) মুঠ প্রকৃত সম্পত্তিৰ আদায়যোগ্য মূল্যক পৰিশোধ নকৰাকৈ থকা অংশপত্রৰ সংখ্যাৰে হৰণ কৰি অংশপত্রৰ ..... মূল্য নির্ণয় কৰা হয়।

৩। হিচাপবিদ্যাৰ মান 14 অনুসৰি একত্রীকৰণৰ অর্থ ব্যাখ্যা কৰক।

৪। ক্রয়ৰ দ্বাৰা একত্রীকৰণৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

৫। হিচাপবিদ্যাৰ মান 14 অনুসৰি একত্রীকৰণৰ বাবে প্রতিদান বুলিলে কি বুজে?

৬। চামিলকৰণৰ দ্বাৰা একত্রীকৰণ আৰু ক্রয়ৰ দ্বাৰা একত্রীকৰণৰ মাজত থকা পার্থক্যসমূহ লিখক।

৭। 100 টকীয়া 50,000 সমাংশপত্র থকা X লিমিটেড Y লিমিটেডৰ দ্বাৰা কর্তৃত্ব গ্রহণ কৰা হয়। Y লিমিটেডে নিম্নলিখিত পৰিশোধসমূহ কৰিবলৈ সম্মত হ'ল ঃ

(i) X লিমিটেডৰ প্রতিটো অংশপত্রৰ বাবে 5 টকাকৈ নগদ ধন।

(ii) X লিমিটেডত ধাৰণ কৰা প্রতি 2টা অংশপত্রৰ বাবে 10 টকীয়া এটাকৈ অংশপত্র সমমূল্যত বিলি কৰিব।

(iii) X লিমিটেডৰ 2,00,000 টকাৰ 8% ঋণপত্র 10% অধিহাৰত Y লিমিটেডে সমমূল্যত 10% ঋণপত্র বিলি কৰি নিষ্পত্তি কৰিব।

(iv) X লিমিটেডৰ পাওনাদাৰসকলক তেওঁলোকৰ হিচাপৰ সম্পূর্ণ নিষ্পত্তি হিচাপে 20,000 টকা নগদ আদায় দিব।

হিচাপবিদ্যাৰ মান 14 অনুসৰি একত্রীকৰণৰ বাবে প্রতিদানৰ পৰিমাণ নির্ধাৰণ কৰক।

৮। নিম্নলিখিত চর্তাৱলীত Q লিমিটেডক R লিমিটেডে কর্তৃত্ব গ্রহণ কৰিলে।

(i) Q লিমিটেডৰ সম্পত্তিসমূহ 3,00,000 টকাত মূল্যায়ন কৰা হ'ল।

(ii) Q লিমিটেডৰ দেনাসমূহ 1,00,000 টকাত মূল্যায়ন কৰা হ'ল।

(iii) Q লিমিটেডৰ অংশপত্র ধাৰকসকলক 1,00,000 টকা নগদ দিব লাগে।

(iv) প্রতিদানৰ বাকী থকা পৰিমাণ 10 টকীয়া অংশপত্র প্রতি অংশপত্রত 15 টকা দৰে বিলি কৰি নিষ্পত্তি কৰিব।

R লিমিটেডে কেনেকৈ একত্রীকৰণৰ প্রতিদান নিষ্পত্তি কৰিব আৰু Q লিমিটেডৰ অংশপত্র ধাৰকসকলক কিমান সংখ্যক অংশপত্র বিলি কৰিব তাক দেখুওৱাক।

*** ***** ***

অধ্যায় ১২ঃ কোম্পানীসমূহৰ আভ্যন্তৰীণ পুনৰ গঠন (INTERNAL RECONSTRUCTION OF COMPANIES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

১২.১ উদ্দেশ্য (Learning Objectives)

১২.২ পৰিচয় (Introduction)

১২.৩ বাহ্যিক পুনৰ গঠন আৰু আভ্যন্তৰীণ পুনৰ গঠনৰ অর্থ (Meaning of External Reconstruction and Internal Reconstruction)

১২.৪ এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰ গঠন প্রয়োজন হোৱা পৰিস্থিতিসমূহ (Situations which call for Internal Reconstruction of a Company)

১২.৫ আভ্যন্তৰীণ পুনৰ গঠনৰ প্রকাৰসমূহ (Forms of Internal Reconstruction)

১৩.৫.১ অংশপত্রিক মূলধনৰ পৰিবর্তন (Alteration of Share Capital)

১৩.৫.২ অংশপত্রিক মূলধনৰ হ্রাসকৰণ (Reduction of Share of Capital)

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

১২.৭ অধিক জানিবলৈ (Further Readings)

১২.৮ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

১২.৯ আৰ্হি প্রশ্ন (Model Questions)

১২.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আভ্যন্তৰীণ পুনৰ গঠনৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- বাহ্যিক পুনৰ গঠনৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰ গঠন প্রয়োজন হোৱা পৰিস্থিতিসমূহ বর্ণনা কৰিব পাৰিব
- এটা কোম্পানীৰ বিভিন্ন আকাৰৰ আভ্যন্তৰীণ পুনৰ গঠনৰ তালিকা প্রস্তুত কৰিব পাৰিব
- কোম্পানীসমূহৰ আভ্যন্তৰীণ পুনৰ গঠনৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলী উদাহৰণ দি ব্যাখ্যা কৰিব পাৰিব।

১২.২ পৰিচয় (INTRODUCTION)

১২ নং অধ্যায়ত আমি ‘কোম্পানীসমূহৰ একত্রীকৰণ’ য’ত দুটা কোম্পানী চামিল হৈ বা এটা কোম্পানী আন এটা কোম্পানীৰ দ্বাৰা ক্রয় কৰি এটা একক কোম্পানী গঠন কৰা হয়, সেই বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি আন এক প্রকাৰৰ প্রশাসনিক আৰু

বিত্তীয় ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিম য'ত কোম্পানীৰ মূলধন গঠন প্ৰণালী আইনগতভাৱে পুনৰ গঠন কৰা হয়। ইয়াকে সাধাৰণতে কোম্পানীৰ আভ্যন্তৰীণ পুনৰ গঠন বোলা হয়। পুনৰ গঠন পদটোৱে কোম্পানীৰ মূলধন গঠন প্ৰণালীৰ বাবে কোম্পানীৰ অংশপত্ৰ ধাৰক আৰু

পাওনাদাৰসকলৰ দাবীৰ পৰিমাণ হ্ৰাসকৰণ সহ কোম্পানীৰ পুনৰ গঠনৰ বাবে অনুসৰণ কৰা প্ৰক্ৰিয়াকে বুজায়। এটা কোম্পানীৰ পুনৰ গঠন তেতিয়াই প্ৰয়োজন হয় যেতিয়াই ই অধিক মূলধনীকৰণ বা পৰিচালন লোকচানৰ (operating losses) পৰিমাণ পুঞ্জীভূত হোৱা বাবে গভীৰ বিত্তীয় সমস্যাৰ সন্মুখীন হয়।

এই অধ্যায়টোত আমি কোম্পানীসমূহৰ আভ্যন্তৰীণ পুনৰ গঠন আৰু বাহ্যিক পুনৰ গঠনৰ অৰ্থ, কোম্পানীসমূহৰ আভ্যন্তৰীণ পুনৰ গঠনৰ বাবে পৰিস্থিতিসমূহ, অংশপত্ৰিক মূলধনৰ পৰিবৰ্তন আৰু অংশপত্ৰিক মূলধনৰ পৰিমাণ হ্ৰাস আৰু কোম্পানীসমূহৰ আভ্যন্তৰীণ পুনৰ গঠন হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰিম।

মূলধন গঠন প্ৰণালী (Capital structure) ঃ কোম্পানিৰ মূলধনৰ গঠন যিটো সমাংশপত্ৰ, অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ, ঋণ আদিৰ দ্বাৰা একগোট কৰা হয়।

১২.৩ বাহ্যিক পুনৰ গঠন আৰু আভ্যন্তৰীণ পুনৰ গঠনৰ অৰ্থ (MEANING OF EXTERNAL RECONSTRUCTION AND INTERNAL RECONSTRUCTION)

এটা কোম্পানী নিম্নলিখিত দুটা উপায়ৰ যিকোনো এটা উপায়েৰে পুনৰ গঠন কৰিব পাৰি। সেই উপায়সমূহ হ'ল ঃ

(ক) বাহ্যিক পুনৰগঠন (External Reconstruction), আৰু

(খ) আভ্যন্তৰীণ পুনৰগঠন (Internal Reconstruction)।

(ক) বাহ্যিক পুনৰগঠন (External Reconstruction) ঃ বাহ্যিক পুনৰগঠন পদটোৱে এটা বিদ্যমান কোম্পানী অৱসান হোৱা আৰু সেই কোম্পানীটোকে ইয়াৰ বিত্তীয় অৱস্থাৰ পুনৰ সালসলনি ঘটাই পঞ্জীয়ন কৰি নতুন এটা কোম্পানী হিচাপে গঠন কৰে তাকে বুজায়। গতিকে বাহ্যিক পুনৰগঠনৰ দুটা দিশ আছে, এটা হৈছে এটা বিদ্যমান কোম্পানী অৱসান ঘটোৱা আৰু আনটো হৈছে কোম্পানীৰ বিত্তীয় অৱস্থাৰ পুনৰ ব্যৱস্থা কৰা। এনে ব্যৱস্থাত কোম্পানীৰ অংশপত্ৰ ধাৰকসকল আৰু পাওনাদাৰসকলে অনুমোদন দিব লাগে আৰু তাক জাতীয় কোম্পানী আইন ন্যায়াধিকৰণে (National Company Law Tribunal চমুকৈ NCLT)) অনুমোদন জনাব লাগে। এনে পদক্ষেপ সাধাৰণতে লাভ-লোকচান হিচাপৰ ডেবিট উদ্বৃত্ত অৱলোপন কৰোতে, উদ্বৃত্ত পত্ৰৰ পৰা কাল্পনিক সম্পত্তিসমূহ, যদি থাকে, বিলোপ কৰোতে জড়িত হৈ পৰে আৰু ইয়াৰ ফলস্বৰূপে অংশপত্ৰিক মূলধন পুনৰ সংযোজন কৰিব লাগে।

(খ) আভ্যন্তৰীণ পুনৰগঠন (Internal Reconstruction) ঃ আভ্যন্তৰীণ পুনৰ গঠন বুলিলে এটা কোম্পানীৰ মূলধন গঠন প্ৰণালীত বিদ্যমান কোম্পানীটো অৱসান নঘটোৱাকৈয়ে প্ৰয়োজনীয় পৰিবৰ্তন হাতত ল'ব পাৰে। আভ্যন্তৰীণ পুনৰ গঠনত বিদ্যমান কোম্পানীটো অৱসান

ঘটোৱা নহয় আৰু এটা নতুন কোম্পানীও নিগমবদ্ধ কৰা নহয়। ই হৈছে এক আঁচনি য'ত কোম্পানীটো লোকচানৰ গৰাহৰ পৰা উদ্ধাৰ কৰা হয় আৰু ইয়াক লাভজনক অৱস্থাত থিয় কৰোৱা হয়। এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰগঠন ইয়াৰ অংশপত্ৰিক মূলধনৰ পুনৰ সংগঠনৰ জৰিয়তে সম্পন্ন কৰা হয়। ই হৈছে পুনৰ সংগঠনৰ আঁচনি য'ত মূলধন গঠনত স্বাৰ্থ জড়িত হৈ থকা সকলোবোৰ পক্ষই স্বেচ্ছাই ত্যাগ স্বীকাৰ কৰিব লাগে। এই স্বাৰ্থ জড়িত ব্যক্তিসকল হৈছে কোম্পানীৰ অংশপত্ৰধাৰকসকল, ঋণপত্ৰধাৰকসকল, পাওনাদাৰসকল, ইত্যাদি। আভ্যন্তৰীণ পুনৰ গঠনত পুঞ্জীভূত ব্যৱসায়িক লোকচানসমূহ আৰু কাল্পনিক সম্পত্তিসমূহৰ পৰিমাণ স্বাৰ্থ জড়িত ব্যক্তিসকলে তেওঁলোকে আদায়ীকৃত স্বাৰ্থৰ পৰিমাণ হ্ৰাস কৰি ত্যাগ কৰা পৰিমাণৰ বিপৰীতে অৱলোপন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাহ্যিক পুনৰগঠন আৰু আভ্যন্তৰীণ পুনৰগঠনৰ এটা বিশিষ্ট বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

১২.৪ এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰ গঠন প্ৰয়োজন হোৱা পৰিস্থিতিসমূহ (SITUATIONS WHICH CALL FOR INTERNAL RECONSTRUCTION OF A COMPANY)

এতিয়া আমি এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰগঠন প্ৰয়োজন হোৱা পৰিস্থিতিসমূহ আলোচনা কৰো আহক। এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰগঠনৰ বাবে নিম্নলিখিত পৰিস্থিতিসমূহেই ঘাইকৈ দায়ী।

(ক) যেতিয়া কোম্পানীৰ মূলধন গঠন জটিল হয় আৰু ইয়াক সৰল কৰাৰ প্ৰয়োজন হয়।

(খ) যেতিয়া বিশাল পৰিমাণৰ লোকচান পুঞ্জীভূত হৈ থাকে আৰু কোম্পানীৰ উন্নত প্ৰতিচ্ছবি প্ৰদৰ্শন কৰিবৰ বাবে এই লোকচানসমূহ অৱলোপন কৰিবলৈ বিচৰা হয়।

(গ) যেতিয়া লভ্য হৈ থকা দৃশ্যমান সম্পত্তিৰ দ্বাৰা মূলধনৰ একাংশ প্ৰতিনিধিত্ব কৰিব নোৱৰা হয়।

(ঘ) যেতিয়া কোম্পানীৰ অংশপত্ৰৰ লিখিত মূল্যত পৰিবৰ্তন সাধন কৰাৰ প্ৰয়োজন হয় যাতে ভৰিষ্যতৰ বিনিয়োগকাৰীসকল অংশপত্ৰৰ প্ৰতি আকৰ্ষিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰগঠন প্রয়োজন হোৱা তিনিটা পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....

.....

১২.৫ আভ্যন্তৰীণ পুনৰ গঠনৰ প্রকাৰসমূহ (FORMS OF INTERNAL RECONSTRUCTION)

এটা কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলী বিভিন্ন প্রকাৰে সম্পন্ন কৰা হয়। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

(ক) অংশপত্রিক মূলধনৰ পৰিবর্তন (Alteration of Share Capital), আৰু

(খ) অংশপত্রিক মূলধনৰ হ্রাসকৰণ (Reduction of Share Capital)।

মূলধনৰ হ্রাসকৰণ কেৱলমাত্র অংশপত্র ধাৰকসকলৰ দ্বাৰা কৰা ত্যাগৰ জৰিয়তে বা অংশপত্র ধাৰক আৰু আন দায়বহনকাৰী (stakeholders) যেনে— ঋণপত্রধাৰক আৰু পাওনাদাৰসকলৰ দ্বাৰা কৰা ত্যাগৰ জৰিয়তে হ'ব পাৰে।

শিক্ষার্থীসকলে মনত ৰাখিব লাগে যে ত্যাগ কেৱল মাত্র অংশপত্রধাৰকসকলৰ দ্বাৰা কৰা হ'ব পাৰে বা অংশপত্রধাৰকসকল আৰু আন দায়বহনকাৰীসকলৰ দ্বাৰা যুগ্মভাৱে হ'ব পাৰে। কেৱল মাত্র পাওনাদাৰ আৰু ঋণপত্রধাৰকসকলৰ দ্বাৰা কৰা ত্যাগ কেতিয়াও হ'ব নোৱাৰে।

১২.৫.১ অংশপত্রিক মূলধনৰ পৰিবর্তন (Alteration of Share Capital)

স্মাৰকলিপিত কোম্পানীৰ মূলধন দফা থাকে। 2013 চনৰ কোম্পানী আইনৰ 61 ধাৰাত সীমিত দেনাৰ এটা কোম্পানীয়ে মূলধন দফা পৰিবর্তন কৰিব পাৰে যদিহে (১) কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে আৰু (২)কোম্পানীৰ সাধাৰণ সভাত এই মর্মে এটা প্রস্তাৱ লৈ ইয়াক অনুমতি দিয়ে।

এটা কোম্পানীয়ে ইয়াৰ অংশপত্রিক মূলধন নিম্নলিখিত যিকোনো এটা উপায় অৱলম্বন কৰি পৰিবর্তন কৰিব পাৰে।

(ক) কোম্পানীয়ে নতুন অংশপত্র বিলি কৰি ইয়াৰ মূলধনৰ পৰিমাণ বৃদ্ধি কৰিব পাৰে।

(খ) ই অংশপত্রিক মূলধনৰ গোটেইখিনি বা যিকোনো একাংশ শকত মূল্যৰ অংশপত্রত একত্রিত কৰিব পাৰে।

(গ) ই অংশপত্ৰ ষ্টকলৈ বা ষ্টক অংশপত্ৰলৈ ৰূপান্তৰ কৰিব পাৰে।

(ঘ) ই ইয়াৰ অংশপত্ৰিক মূলধনৰ গোটেইখিনি বা ইয়াৰ একাংশ কম মূল্যৰ অংশপত্ৰলৈ উপবিভাজন কৰিব পাৰে।

(ঙ) ই পুনৰাস্ত নকৰা অংশপত্ৰসমূহ বাতিল কৰিব পাৰে আৰু ইয়াৰ মুঠ মূলধন সেই পৰিমাণে হ্ৰাস কৰিব পাৰে।

ওপৰত উল্লেখ কৰা যিকোনো উপায়েৰে মূলধনৰ পৰিমাণ পৰিবৰ্তন কৰিলে সাধাৰণ সভাৰ এটা মাত্ৰ প্ৰস্তাৱৰ প্ৰয়োজন হয়; কিন্তু ইয়াক জাতীয় কোম্পানী আইন ন্যায়াধীকৰণৰ (NCLT) দ্বাৰা অনুমোদন কৰাৰ প্ৰয়োজন নহয়। কোম্পানীয়ে অংশপত্ৰিক মূলধন পৰিবৰ্তন কৰাৰ ত্ৰিশদিনৰ ভিতৰত এই বিষয়ে পঞ্জীয়কলৈ এখন জাননি দিব লাগে।

হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী (Accounting Treatment) ঃ ওপৰত উল্লেখ কৰা পাঁচ প্ৰকাৰৰ মূলধনৰ পৰিবৰ্তনৰ হিচাপসম্পৰ্কীয় ব্যৱস্থাৱলী তলত আলোচনা কৰা হ'ল—

মূলধন পৰিবৰ্তনত হিচাপসম্পৰ্কীয় প্ৰৱিষ্টিসমূহ (Accounting Entries on Capital Alteration) ঃ

(ক)যদি কোম্পানীয়ে ইয়াৰ সকলোখিনি অনুমোদিত মূলধন বিলি কৰিলে তেতিয়া নতুন অংশপত্ৰ বিলি কৰি পুঁজি বৃদ্ধি কৰিবলৈ হ'লে ই প্ৰথমতে অনুমোদিত মূলধনৰ পৰিমাণ বৃদ্ধি কৰিব লাগিব। অনুমোদিত মূলধনৰ পৰিমাণ বৃদ্ধি কৰিবলৈ কোম্পানীৰ স্মাৰকলিপিৰ মূলধন দফা সলনি কৰাৰ প্ৰয়োজন হয় আৰু লগতে ভাৰতবৰ্ষৰ প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ (SEBI) অনুমতিও ল'ব লাগে।

অনুমোদিত অংশপত্ৰিক মূলধনৰ পৰিমাণ বৃদ্ধি কৰিবৰ বাবে কোনো হিচাপসম্পৰ্কীয় প্ৰৱিষ্টিৰ প্ৰয়োজন নহয়। কোম্পানীটোৱে 1956 চনৰ কোম্পানীসমূহৰ আইনৰ অধীনত নিৰ্দিষ্ট কৰা নিয়মসমূহ মানি চলিব লাগে। অনুমোদিত মূলধনৰ পৰিমাণ বৃদ্ধি কৰাৰ পিছত যদি কোম্পনীটোৱে নতুন অংশপত্ৰ বিলি কৰে তেতিয়া অংশপত্ৰ বিলিৰ বাবে প্ৰয়োজন হোৱা জাবেদা প্ৰৱিষ্টিসমূহ প্ৰৱিষ্ট কৰিব লাগে।

শিক্ষার্থীসকলক প্ৰথম অধ্যায়ৰ অংশপত্ৰ বিলি কৰোতে প্ৰৱিষ্ট কৰা জাবেদা প্ৰৱিষ্টিসমূহ পুনৰায় স্মৰণ কৰিবৰ বাবে উপদেশ দিয়া হ'ল।

(খ) কোম্পানীটোৱে হয়তো ক্ষুদ্ৰতৰ মূল্যৰ শ্ৰেণীৰ পৰা বৃহত্তৰ মূল্যৰ শ্ৰেণীৰ অংশপত্ৰলৈ পৰিবৰ্তন কৰিবলৈ বিচাৰিব পাৰে। এই প্ৰক্ৰিয়াটোক **অংশপত্ৰৰ একীকৰণ** (Consolidation of shares) বোলা হয়। অংশপত্ৰৰ একীকৰণৰ বাবে কোম্পানীৰ মুঠ মূলধনৰ পৰিমাণৰ কোনো সলনি নহয় কিন্তু অংশপত্ৰৰ সংখ্যাহে হ্ৰাস পায়। এই সংক্ৰান্তত নিম্নলিখিত জাবেদা প্ৰৱিষ্টি প্ৰৱিষ্ট কৰিব লাগে।

Share Capital A/c (Old Denomination) Dr.
To Share Capital A/c (New Denomination)
(Being the consolidation of ..... shares of Rs. ....
each into .... shares of Rs. .... each as per
General Meeting Resolution No. ..... dt. .....)

উদাহৰণ ১

1.4.2009 তাৰিখে Sun Ltd এ 10 টকীয়া 20,000 সম্পূৰ্ণকৈ আদায়ী সমাংশপত্ৰ 50 টকীয়া 4,000 সম্পূৰ্ণকৈ আদায়ী সমাংশপত্ৰলৈ একীকৰণৰ বাবে প্ৰস্তাৱ ল'লে।
অংশপত্ৰৰ একীকৰণৰ জাবেদা প্ৰৱিষ্টি দিয়ক।

সমাধান ঃ

In the books of Sun Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009				
April 1	Equity Share Capital A/c Dr.		2,00,000	
	(Rs10)			
	To Equity Share Capital A/c			
	(Rs 50)			2,00,000
	(Being the consolidation of			
	20,000 equity shares of Rs 10			
	each fully paid into 4,000 equity			
	shares of Rs 50 each fully paid			
	as per General Meeting			
	Resolution No..... dt.....)			

(গ) এটা কোম্পানীয়ে ইয়াৰ অংশপত্ৰিক মূলধন সলনি কৰিবৰ বাবে ইয়াৰ গোটেইখিনি বা কিছুসংখ্যক সম্পূৰ্ণকৈ আদায়ী অংশপত্ৰ ষ্টকলৈ বা ষ্টকক সম্পূৰ্ণকৈ আদায়ী অংশপত্ৰলৈ ৰূপান্তৰ কৰিব পাৰে। অংশপত্ৰ ষ্টকলৈ ৰূপান্তৰ কৰা ক্ষেত্ৰত, সদস্যসকলে অংশপত্ৰৰ পৰিবৰ্তে ষ্টক মূলধনৰ একাংশ পায়। অংশপত্ৰ ষ্টকলৈ ৰূপান্তৰ কৰি যিকোনো পৰিমাণৰ ষ্টক মূলধন অন্য ব্যক্তিলৈ হস্তান্তৰ কৰিব পাৰে। এনে হস্তান্তৰ তথা স্থানান্তৰত নিম্নলিখিত জাবেদা প্ৰৱিষ্টিসমূহ প্ৰৱিষ্ট কৰা হয়।

(১) অংশপত্ৰ ষ্টকলৈ ৰূপান্তৰ (Conversion of Shares into Stock) ঃ

Equity Share Capital A/c	Dr.
To Equity Stock A/c	
(Being ... Equity Shares of Rs.	
each fully paid up converted into	
Equity stock of Rs.....as per	
General Meeting Resolution No. dt. .....)	



উদাহৰণ ২

Sun Ltd ৰ অংশপত্ৰিক মূলধন 10 টকীয়া 5,000 সম্পূৰ্ণকৈ আদায়ী 50,000 টকাৰ অংশত বিভক্ত। 1.4.2009 তাৰিখে কোম্পানীটোৱে অংশপত্ৰসমূহ ষ্টকলৈ ৰূপান্তৰ কৰিবৰ বাবে প্ৰয়োজনীয় প্ৰস্তাৱ গ্ৰহণ কৰিলে। কোম্পনীৰ হিচাপৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰৰিষ্টিসমূহ দেখুৱাওক।

সমাধান ঃ

In the books of Sun Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009				
April 1	Equity Share Capital A/c Dr.		50,000	
	(Rs10)			
	To Equity Stock A/c			50,000
	(Being the conversion of 5,000 fully paid equity shares of Rs 10 each into Rs. 50,000 equity stock as per General Meeting Resolution No..... dt..... 1st April, 2009)			

ষ্টকক সম্পূৰ্ণকৈ আদায়ী সমাংশপত্ৰলৈ ৰূপান্তৰ (Conversion of Stock into fully paid Equity Shares) ঃ

Equity Stock A/c	Dr.
To Equity Share Capital A/c	
(Being ... Equity Stock of Rs.....	
converted into ..... Equity shares of Rs.....	
each fully paid up as per General Meeting	
Resolution No ..... dt.....)	



উদাহৰণ ৩

Moon Ltdৰ 2009 চনৰ 25 এপ্ৰিল তাৰিখত বহা সাধাৰণ সভাত 5,00,000 টকাৰ সমাংশ ষ্টক 10 টকীয়া 50,000 সম্পূৰ্ণকৈ আদায়ী সমাংশপত্ৰলৈ ৰূপান্তৰ কৰা প্ৰস্তাৱ গ্ৰহণ কৰিলে।

কোম্পানীৰ হিচাপৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰৰিষ্টি দিয়ক।

সমাধান ঃ

In the books of Moon Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009				
Ap. 25	Equity Stock A/c Dr.		5,00,000	
	To Equity Share Capital A/c			5,00,000
	(Being equity stock of Rs. 5,00,000 converted into 50,000 equity shares of Rs 10 each full paid up as per General Meeting Resolution No..... dt.25th April 2009)			

(ঘ) যেতিয়া কোম্পানীৰ অংশপত্ৰসমূহ কম মূল্যৰ অংশপত্ৰলৈ উপবিভাজন কৰা হয়, তেতিয়া ইয়াক অংশপত্ৰৰ উপবিভাজন (sub-division of shares) বোলা হয়। অংশপত্ৰৰ উপবিভাজনত অংশপত্ৰ এটাৰ লিখিত মূল্য বৃহত্তৰ মূল্যৰ পৰা ক্ষুদ্ৰতৰ মূল্যলৈ ৰূপান্তৰ কৰা হয়। এই ক্ষেত্ৰত কোম্পানীৰ মুঠ মূলধনৰ পৰিমাণত কোনো ধৰণৰ প্ৰভাৱ নপৰে, কিন্তু অংশপত্ৰৰ সংখ্যাহে বৃদ্ধি হয়।

অংশপত্ৰৰ উপবিভাজন কাৰ্যকৰী কৰোতে নিম্নলিখিত জাবেদা প্ৰৰিষ্টি পাতিব লাগে।

Share Capital A/c (Old Denomination)	Dr.
To Share Capital A/c (New Denomination)	
(Being the sub-division of ..... shares of Rs. .... each into .... shares of Rs. .... each as per General Meeting Resolution No. ..... dt. .....)	



জনা উচিত

যদি কোম্পানীয়ে ইয়াৰ আংশিকভাৱে আদায়ীকৃত অংশপত্ৰৰ উপবিভাজন কৰে, তেতিয়া উপবিভাজনৰ পিছত অংশপত্ৰৰ আদায়ীকৃত মূল্য আৰু লিখিত মূল্যৰ অনুপাতৰ কোনো পৰিবৰ্তন নহয়।



উদাহৰণ ৪

1.4.2009 তাৰিখে Polar Ltd এ ইয়াৰ 100 টকীয়া 5,000 সম্পূৰ্ণকৈ আদায়ী সমাংশপত্ৰ 10 টকীয়া সম্পূৰ্ণকৈ আদায়ীকৃত অংশপত্ৰলৈ ৰূপান্তৰ কৰিবৰ বাবে সিদ্ধান্ত ল'লে।

কোম্পানীৰ হিচাপৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰৰিষ্টি দিয়ক।

সমাধান ঃ

In the books of Moon Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009				
Ap. 1	Equity Share Capital A/c Dr. (Rs. 100)		5,00,000	
	To Equity Share Capital A/c (Rs. 10)			5,00,000
	(Being sub-division of 5,000 equity shares of Rs. 100 each into 50,000 Equity shares of Rs 10 each as per General Meeting Resolution No..... dt., 1th April, 2009)			

(ঙ) মূলধন বাতিলকৰণ (Cancellation of Shares) ঃ মূলধন বাতিলকৰণ নিম্নলিখিত আকাৰত হ'ব পাৰে।

(১) অবিলিকৃত মূলধনৰ বাতিলকৰণ (Cancellation of unissued capital), আৰু

(২) অতলবী মূলধনৰ বাতিলকৰণ (Cancellation of uncalled capital)।

(১) অবিলিকৃত মূলধনৰ বাতিলকৰণ (Cancellation of unissued capital) ঃ অবিলিকৃত মূলধনৰ বাতিলকৰণ বুলিলে এটা কোম্পানীয়ে অবিলিকৃত অংশপত্রসমূহ বাতিল কৰাকে বুজায়। ইয়াৰ অর্থ হৈছে কোম্পানীয়ে জনসাধাৰণক বিলি নকৰাকৈ থকা অনুমোদিত মূলধনৰ অংশ কোম্পানীয়ে বাতিল কৰা। এই বাতিলকৰণে কোম্পানীৰ হিচাপত কোনোধৰণৰ প্রভাৱ নেপেলায় আৰু সেয়ে এনে বাতিলকৰণত কোনো জাবেদা প্রবিষ্টিও পাতিব নালাগে। কেৱল মাত্র কোম্পানীৰ স্মাৰকলিপিৰ মূলধন দফাটোৰহে পৰিবর্তন কৰিব লাগে আৰু পৰিবর্তন কৰাৰ পিছত প্রস্তুত কৰা কোম্পানীৰ উদ্বৃত্ত পত্রত পৰিবর্তিত (হ্রাস কৰা) অনুমোদিত মূলধনহে দেখুৱাব লাগে। এনে পৰিবর্তন কোম্পানীসমূহৰ পঞ্জীয়কৰ ওচৰত পঞ্জীয়ন কৰিব লাগে।

(২) অতলবী মূলধনৰ বাতিলকৰণ (Cancellation of uncalled capital) ঃ অতলবী মূলধনৰ বাতিলকৰণ বুলিলে অংশপত্রৰ লিখিত মূল্যৰ সেই অংশটোক বাতিল কৰা বুজায় যিখিনি কোম্পানীয়ে এতিয়ালৈকে তলব কৰা নাই।

১২.৫.২ অংশপত্রিক মূলধনৰ হ্রাসকৰণ (Reduction of Share Capital)

কেতিয়াবা মূলধন হ্রাসকৰণ কৰাটো আন্তৰিকভাৱে প্রয়োজন হ'ব পাৰে। কিছুমান চর্ত পূৰণ কৰিলে কোম্পানীসমূহৰ আইনৰ 100 ধাৰাই এই ক্ষমতা প্রদান কৰিছে। এই ধাৰা অনুসৰি এটা কোম্পানীয়ে—

(১) অংশপত্রিক মূলধনৰ আদায়ী নোহোৱা ইয়াৰ যিকোনো অংশপত্রৰ দেনা নিঃশেষ বা হ্রাস কৰিব পাৰে।

(২) লভ্য কোনো সম্পত্তিসমূহৰ দ্বাৰা নির্দশন কৰিব নোৱৰা বা হেৰাই যোৱা কোনো আদায়ীকৃত অংশপত্রিক মূলধন বাতিল কৰিব পাৰে।

(৩) কোম্পানীৰ প্রয়োজনতকৈ বেছি হৈ থকা কোনো আদায়ীকৃত অংশপত্রিক মূলধন ফিৰৎ দিব পাৰে।

হ্রাসকৰণ কার্যকৰী কৰাৰ চর্তাৱলী (Conditions for effecting a reduction)ঃ অংশপত্রিক মূলধন হ্রাস কৰিবলৈ এটা কোম্পানীয়ে নিম্নলিখিত চর্তসমূহ পৰিপূৰণ কৰিব লাগে।

(ক) কোম্পানীৰ মূলধন হ্রাস কৰিবলৈ কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীয়ে অনুমতি দিব লাগে।

(খ) কোম্পানীৰ মূলধন হ্রাস কৰিবলৈ কোম্পানীৰ সাধাৰণ সভাত এটা প্রস্তাৱ গ্রহণ

কৰিব লাগে।

(গ) অংশপত্রিক মূলধন হ্রাসকৰণ আঁচনিৰ বাবে জাতীয় কোম্পানী আইন ন্যায়াধিকৰণৰ (NCLT) অনুমোদন ল'ব লাগিব।

অংশপত্রিক মূলধন হ্রাসকৰণৰ পদ্ধতিসমূহ (Methods of Reduction of Share Capital) ঃ

অংশপত্রিক মূলধনৰ হ্রাসকৰণ আঁচনি কার্যকৰী কৰিবৰ বাবে তিনিটা উপায় আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল।

১। ইয়াৰ কোনো অংশপত্রৰ দেনা বিলোপ বা হ্রাসকৰণৰ দ্বাৰা;

২। কোম্পানীৰ প্রয়োজনতকৈ বেছি হৈ থকা কোনো আদায়ীকৃত অংশপত্রিক মূলধন পৰিশোধৰ দ্বাৰা।

৩। কোনো বিদ্যমান সম্পত্তিৰ দ্বাৰা সমর্থিত নোহোৱা কোনো আদায়ীকৃত মূলধন বাতিলকৰণৰ দ্বাৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃমূলধন হ্রাসকৰণৰ বাবে কোম্পানীয়ে ব্যৱহাৰ কৰিব পৰা কার্যক্রমণিকাসমূহ উল্লেখ কৰক।

.....

.....

.....

কোম্পানীৰ হিচাপৰ বহীত অংশপত্রিক মূলধনত হ্রাসকৰণৰ হিচাপসম্পর্কীয় প্রৰিষ্টিসমূহ (Accounting Entries on Reduction of Share Capital in the books of Company) ঃ

ওপৰত উল্লেখ কৰা তিনিটা পদ্ধতিৰ ক্ষেত্রত কোম্পানীৰ অংশপত্রিক মূলধনৰ হ্রাসকৰণৰ হিচাপসম্পর্কীয় ব্যৱস্থাৱলী তলত দেখুওৱা হ'ল।

১। অংশপত্রৰ অতলবী পৰিমাণৰ দেনা হ্রাসকৰণৰ বাবে জাবেদা প্রৰিষ্টি (Journal entry for reduction of liability in respect of the uncalled amount on shares)ঃ

Share Capital A/c (Old Denomination)	Dr.
To Share Capital A/c (New Denomination)	
(Being the uncalled amount of Rs.....	
per share cancelled)	



উদাহৰণ ৫

Glow Sign Ltd ৰ আদায়ীকৃত মূলধন হৈছে 100 টকীয়া 4,000 সমাংশপত্ৰ 80 টকাকৈ তলবী আৰু আদায়ীকৃত। প্ৰয়োজনীয় নিয়মাৱলী অনুসৰণ কৰি কোম্পানীটোৱে 1.4.2009 তাৰিখে ইয়াৰ 100 টকীয়া অংশপত্ৰ প্ৰতি অংশপত্ৰৰ অনাদায়ী হৈ থকা 20 টকা বাতিল কৰি 80 টকীয়া সম্পূৰ্ণকৈ আদায়ী অংশপত্ৰলৈ হ্ৰাস কৰিলে।

প্ৰয়োজনীয় জাবেদা প্ৰৰিষ্টি দিয়ক আৰু অংশ বাতিলকৰণৰ পিছত কোম্পানীৰ উদ্বৃত্ত পত্ৰত অংশপত্ৰিক মূলধন কেনেকৈ দেখুওৱা হ'ব তাক দেখুৱাওক।

সমাধান ঃ

In the books of Glow Sign Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009				
Ap. 1	Equity Share Capital A/c Dr. (Rs. 100)		3,20,000	
	To Equity Share Capital A/c (Rs. 80)			3,20,000
	(Being the cancellation of uncalled amount of Rs 20 per share on 4,000 Equity shares as per General Meeting Resolution No..... dt.....			

Glow Sign Ltd.

Balance sheet as at - - - -

(Liability side only)

Authorised Capital	- - - -
Issued and Subscribed Capital	- - - -
Called up and Paid up	
4,000 Equity Shares of Rs 80 each fully paid	3,20,000

(২) অংশপত্রধাৰকসকললৈ অতিৰিক্ত মূলধন ফিৰৎ দিয়া বাবদ হোৱা হ্রাসকৰণৰ বাবে জাবেদা প্রৰিষ্টি (Journal entry for reduction by refund of excess capital to shareholders) ঃ

এই ক্ষেত্রত দুটা পৰিস্থিতিৰ উদ্ভৱ হয় ঃ

(১) যেতিয়া অংশপত্রৰ লিখিত মূল্য সলনি কৰা হয় অর্থাৎ অংশপত্রৰ লিখিত মূল্য সলনি কৰি অংশপত্রৰ মূল্য ফিৰৎ দিয়া বাবদ হোৱা হ্রাসকৰণ (when denomination of shares is changed i.e., Reduction by way of refund with change in the face value), আৰু

(২) যেতিয়া অংশপত্রৰ লিখিত মূল্য সলনি কৰা নহয় অর্থাৎ অংশপত্রৰ লিখিত মূল্য সলনি নকৰাকৈ কৰা মূলধন ফিৰৎৰ দ্বাৰা হোৱা হ্রাসকৰণ (when denomination of shares is not changed i.e. Reduction by way of refund without change in the face value) :

(১) যেতিয়া অংশপত্রৰ লিখিত মূল্য সলনি কৰা হয় অর্থাৎ অংশপত্রৰ লিখিত মূল্য সলনি কৰি অংশপত্রৰ মূল্য ফিৰৎ দিয়া বাবদ হোৱা হ্রাসকৰণ ঃ

(ক) পৰিবর্তন লিপিবদ্ধ কৰিবৰ বাবে (To record the change)

Share Capital A/c (Old denomination)	Dr. (old paid up capital)
To Share Capital A/c (New denomination)	(New paid up capital)
To Sundry shareholders	(with the amount of excess capital)
(Being the conversion of shares of Rs..... per share on..... shares to shares of Rs..... each and transfer of the reduced amount to the shareholders account)	

(খ) অংশপত্রধাৰকসকলক কৰা পৰিশোধ লিপিবদ্ধ কৰিবৰ বাবে (To record payment to shareholders) ঃ

Sundry Shareholders	Dr.
To Bank	
(Being the repayment of excess capital made to shareholders)	

(গ) সাধাৰণ সঞ্চিত পুঁজিলৈ স্থানান্তৰ কৰোঁতে (To transfer to General Reserve) ঃ

Profit & Loss A/c	Dr.
To General Reserve A/c	
(Being the transfer of the amount equal to the the amount of refund made from Profit & Loss Account to General Reserve Account.)	

(২) যেতিয়া অংশপত্ৰৰ লিখিত মূল্য সলনি কৰা নহয় অর্থাৎ অংশপত্ৰৰ লিখিত মূল্য সলনি নকৰাকৈ কৰা মূলধন ফিৰৎৰ দ্বাৰা হোৱা হ্ৰাসকৰণ ঃ

(ক) ফিৰৎ দিবলগীয়া পৰিমাণৰ স্থানান্তৰ লিপিবদ্ধ কৰোঁতে (To record the transfer of the refundable amount) ঃ

Share Capital A/c	Dr.	(Refundable Amount)
To Sundry shareholders		(Refundable Amount)
(Being the transfer of the refundable amount to the shareholders @ Rs..... per share on..... shares)		

(খ) অংশপত্ৰধাৰকসকলক পৰিশোধ কৰা ধন লিপিবদ্ধ কৰোঁতে (To record payment to shareholders) ঃ

Sundry Shareholders	Dr.
To Bank	
(Being the repayment of excess capital made to shareholders)	

(গ) সাধাৰণ সঞ্চিত পুঁজিলৈ স্থানান্তৰ কৰোঁতে (To transfer to General Reserve)

Profit & Loss A/c	Dr.
To General Reserve A/c	
(Being the transfer of the amount equal to the the amount of refund made from Profit & Loss Account to General Reserve Account.)	



উদাহৰণ ৬

Sontoshi Ltd ৰ মূলধন 2,00,000 টকা আৰু ই 10 টকীয়া সম্পূৰ্ণকৈ আদায়ী 20,000 সমাংশপত্ৰত বিভক্ত। 2009 চনৰ 1 এপ্ৰিল তাৰিখে কোম্পানীয়ে এই অংশপত্ৰসমূহ সম্পূৰ্ণকৈ আদায়ী 8 টকাৰ অংশপত্ৰলৈ ৰূপান্তৰ কৰিলে আৰু সমাংশপত্ৰ ধাৰকসকললৈ প্ৰতি অংশপত্ৰত 2 টকাকৈ ফিৰৎ দিলে।

কোম্পানীৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰৱিষ্টিসমূহ দিয়ক, ধৰি লোৱা হওক যে সকলোবোৰ আইনগত নিয়মাৱলী মানি চলা হৈছে।

সমাধান ঃ

In the books of Sontoshi Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009				
Ap. 1	Equity Share Capital A/c Dr. (Rs. 10)		2,00,000	
	To Equity Share Capital A/c (Rs. 8)			1,60,000
	To Equity Shareholders			40,000
	(Being the conversion of Rs 8 fully paid Equity shares and refund Rs. 2 per equity share on 20,000 equity shares as per shareholders meeting resolution No..... dt..... and sanctioned by the National Company Law Tribunal)			
Ap. 1	Equity shareholders Dr.		40,000	
	To Bank			40,000
	(Being the repayment of excess capital @ Rs 2 per share on 20,000 equity shares made to equity shareholders)			



উদাহৰণ ৭

Honda Ltd ৰ মূলধন 2,00,000 টকা আৰু ই 10 টকীয়া সম্পূৰ্ণকৈ আদায়ী 20,000 সমাংশপত্ৰত বিভক্ত। 1.4.2009 তাৰিখে কোম্পানীটোৱে অংশপত্ৰসমূহৰ প্ৰতি অংশপত্ৰ 2 টকাকৈ ফিৰৎ দি 8 টকালৈকে তলবী আৰু আদায়ীকৃত কৰিবলৈ সিদ্ধান্ত কৰিলে।

কোম্পানীৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰৰিষ্টিসমূহ দিয়ক, ধৰি লোৱা হওক যে আইনগত সকলো ব্যৱস্থাৱলী অনুসৰণ কৰা হৈছে।

সমাধান ঃ

এই প্ৰশ্নটোত 10 টকীয়া অংশপত্ৰ 8 টকীয়া সম্পূৰ্ণকৈ আদায়ী অংশপত্ৰলৈ ৰূপান্তৰ কৰা হোৱা নাই। ইয়াত 10 টকীয়া অংশপত্ৰ 8 টকালৈকে তলবী আৰু আদায়ীকৃত কৰা হৈছে। অংশপত্ৰৰ অভিহিত মূল্য 10 টকাতে ৰখা হৈছে।

In the books of Honda Ltd.

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009				
Ap. 1	Equity Share Capital A/c Dr.		40,000	
	To Equity Shareholders			40,000
	(Being the amount refundable @ Rs 2 per equity share on 20,000 equity shares as per shareholders meeting resolution No..... dt..... and sanctioned by the National Company Law Tribunal)			
Ap. 1	Equity Shareholders Dr.		40,000	
	To Bank			40,000
	(Being the refund of excess capital made to shareholders @ Rs 2 per share on 20,000 equity shares)			

৩। লুপ্ত হোৱা বা আদায়ীকৃত মূলধন কোনো বিদ্যমান সম্পত্তিৰ দ্বাৰা সমর্থিত নোহোৱা আদায়ীকৃত মূলধনৰ বাতিলকৰণৰ বাবে জাবেদা প্ৰৱিষ্টি (Journal entries for cancellation of any paid up capital which is lost or is unrepresented by any available assets i.e. Reduction of Capital) ঃ

বছৰ জুৰি হোৱা বিশাল পৰিমাণৰ লোকচানৰ ক্ষেত্ৰত কোম্পানীৰ মূলধনৰ ভিত্তি আৰু বিত্তীয় শক্তি দুৰ্বল হ'ব পাৰে। এনেক্ষেত্ৰত এই ধৰণৰ কোম্পানীয়ে কিছুমান বিত্তীয় পুনৰ গঠনৰ ব্যৱস্থা হাতত লোৱাটো প্ৰয়োজন হৈ পৰে। এনে বিত্তীয় পুনৰ গঠন ব্যৱস্থা মূলধন হ্ৰাসকৰণ আঁচনিৰ জৰিয়তে কার্যকৰী কৰা হয়। সাধাৰণতে, অংশপত্ৰ ধাৰকসকলে লোকচান বহন কৰিব লাগে। যদি লোকচানৰ পৰিমাণ সৰহীয়া হয় তেতিয়া পাওনাদাৰ আৰু ঋণপত্ৰধাৰকসকলেও এনে বিত্তীয় লোকচানৰ একাংশ বহন কৰিবলগীয়াত পৰে।

এইটো হৈছে তৃতীয় উপায় যাৰ যোগেদি কোম্পানীৰ আভ্যন্তৰীণ পুনৰগঠন সম্পাদন কৰা হয়। ইয়াৰ লগত জড়িত হিচাপ সম্পর্কীয় প্ৰৱিষ্টিসমূহ তলত দেখুওৱা হ'ল। ইয়াৰ বাবে 'মূলধন হ্ৰাসকৰণ হিচাপ (Capital Reduction Account)' যাক 'পুনৰগঠন হিচাপ (Reconstruction Account)' বা 'পুনৰ সংগঠন হিচাপ (Re-organisation Account)' বোলা হয়, খুলিব লাগে। পৰীক্ষাৰ প্ৰশ্নত কোনো নির্দিষ্ট নির্দেশনা দিয়া নাথাকিলে আপুনি 'মূলধন হ্ৰাসকৰণ হিচাপ' বা 'পুনৰ গঠন হিচাপ' বা 'পুনৰ সংগঠন হিচাপ' ইয়াৰ যিকোনো এটা পদ ব্যৱহাৰ কৰিব পাৰে।

মূলধন হ্ৰাসকৰণ আঁচনিত প্ৰভাৱিত কৰা জাবেদা প্ৰৱিষ্টিসমূহ (Journal Entries for giving effect to the Capital Reduction Scheme) ঃ

(১) যেতিয়া অংশপত্ৰৰ লিখিত মূল্য হ্ৰাস কৰা নহয়, কেৱল মাত্ৰ আদায়ীকৃত মূল্যহে কমোৱা হয় (When denomination of share is not reduced, only paid up value is reduced)ঃ

Share Capital A/c	Dr (With amount of reduction)	
To Capital Reduction A/c		

(২) যেতিয়া অংশপত্ৰৰ লিখিত মূল্য হ্ৰাস কৰা হয় (When denomination of share is reduced) ঃ

Share Capital A/c (Old Denomination)	Dr. (old capital)	
To Share Capital A/c (New Denomination	(New Capital)	
To Capital Reduction A/c	(With the amount of reduction)	

(৩) কোনো সঞ্চিত পুঁজিৰ উদ্বৃত্ত, যদি থাকে, মূলধন হ্রাসকৰণ হিচাপলৈ স্থানান্তৰ কৰোঁতে (If balance of any reserve (if any) transferred to Capital Reduction A/c) :

Capital Reserve A/c	Dr.
General Reserve A/c	Dr.
(Any other) Reserve A/c	Dr.
To Capital Reduction A/c	

(৪) ঋণপত্রধাৰকসকলে স্বীকাৰ কৰা ত্যাগৰ, যদি থাকে, বাবে (For sacrifce made by Debentureholders, if any)

Debentureholders	Dr.
To Capital Reduction A/c	

(৫) পাওনাদাৰসকলে স্বীকাৰ কৰা ত্যাগৰ, যদি থাকে, বাবে (For sacrifice made by creditors, if any)

Creditors	Dr.
To Capital Reduction A/c	

(৬) পুনৰ মূল্যায়নত সম্পত্তিৰ মূল্য বৃদ্ধি লিপিবদ্ধ কৰোঁতে (For recording any increase in the value of Assets on revaluation)

(Particular) Asset A/c	Dr. (Amount of increase)
To Capital Reduction A/c	

(৭) দেনাৰ পৰিমাণৰ হ্রাস লিপিবদ্ধ কৰোঁতে (For recording decrease in the value of liability)

(Particular) Liability A/c	Dr. (Amount of decrease)
To Capital Reduction A/c	

(৮) সম্ভাব্য দেনাৰ বাবে কোনো ভৰিষ্যত ব্যৱস্থা কৰোঁতে (For making any provision for contingent liability)

Capital Reduction A/c	Dr.
To Provision for Contingencies A/c	

(৯) বিভিন্ন ধৰণৰ পুঞ্জীভূত লোকচান কাল্পনিক সম্পত্তি আৰু সম্পত্তি আৰু দেনাৰ ওপৰত হোৱা লোকচানসমূহ অৱলোপন কৰাত মূলধন হ্ৰাসকৰণ হিচাপৰ উদ্বৃত্ত ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ জাবেদা প্ৰৰিষ্টি হ'ব (Capital Reduction Account is used for writing off various accumulated losses, fictitious assets and loss on assets and liabilities and the journal entry is.) ঃ

Capital Reduction A/c	Dr.
To Profit & Loss A/c	
To Preliminary Expenses A/c	
To Discount on Issue of Shares/Debentures A/c	
To Goodwill A/c	
To Patents A/c	
To Trade Mark A/c	
To Provision for Doubtful Debts (if created) A/c	
To (Respective) Asset A/c	
To Capital Reserve A/c	

জনা উচিত



অৱলোপন কৰিব বিচৰা পৰিমাণ মূলধন হ্ৰাসকৰণ হিচাপৰ (Capital Reduction Account) ক্ৰেডিট উদ্বৃত্তকৈ কেতিয়াও বেছি হ'ব নোৱাৰে। কিন্তু যদি উদ্বৃত্তপত্ৰৰ দেনাদিশত কোনো সঞ্চিত পুঁজি থাকে তেনেহ'লে তেনে পুঁজি পুঞ্জীভূত লোকচান, কাল্পনিক সম্পত্তি আদি অৱলোপন কৰাত ব্যৱহাৰ কৰিব পাৰি। বিভিন্ন সম্পত্তিসমূহ অৱলোপন কৰাৰ পিছত যদি মূলধন হ্ৰাসকৰণ হিচাপত কোনো উদ্বৃত্ত থাকি যায়, সেই উদ্বৃত্তখিনি মূলধনী সঞ্চিত পুঁজি (Capital Reserve) হিচাপলৈ স্থানান্তৰ কৰা হয়।

- ✓ যদি জাতীয় কোম্পানী আইন ন্যায়াধীকৰণে (NCLT) নিৰ্দেশ দিয়ে তেনেহ'লে কোম্পানীৰ নামৰ লগত 'And Reduced' শব্দকেইটা যোগ কৰি দিব লাগে।
- ✓ পুনৰ গঠন আঁচনিৰ অধীনত স্থায়ী সম্পত্তিৰ অৱলোপন কৰা পৰিমাণ হ্ৰাসকৰণ তাৰিখৰ পিছৰ পৰা পাঁচ বছৰলৈকে উদ্বৃত্ত পত্ৰত দেখুৱাব লাগিব।
- ✓ হিচাপসম্পৰ্কীয় প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পিছত Capital Reduction Account এ কোনো উদ্বৃত্ত নেদেখুৱায়।



উদাহৰণ ৮

Balance Sheet of Barpeta Ltd. as on 31st March 2009

Liabilities	Rs.	Assets	Rs
80,000 Equity Shares of Rs 10 each	8,00,000	Goodwill	2,00,000
5,000 8% Preference shares of Rs 100 each	5,00,000	Other Fixed Assets	9,00,000
4,000 9% Debentures of Rs 100 each	4,00,000	Current Assets Profit & Loss Account	7,00,000
Sundry Creditors	3,00,000		2,00,000
	20,00,000		20,00,000

নিম্নলিখিত পুনৰ গঠন আঁচনিখন গৃহীত হয় আৰু 1.4.2009 তাৰিখত আদালতৰ দ্বাৰা ইয়াৰ স্বীকৃত হয় ঃ

(১) সমাংশপত্রসমূহ সম্পূর্ণকৈ আদায়ী 6 টকীয়া অংশপত্রলৈ হ্রাস কৰিব লাগে, 8% অগ্রাধিকাৰযুক্ত অংশপত্র 80 টকীয়া সম্পূর্ণকৈ আদায়ীকৃত 10% অগ্রাধিকাৰযুক্ত অংশপত্রলৈ হ্রাস কৰিব লাগে। অংশপত্রৰ সংখ্যা সমান থাকিব।

(২) 9% ঋণপত্র 80 টকীয়া সম্পূর্ণকৈ আদায়ী 10% ঋণপত্রলৈ হ্রাস কৰিব লাগে।

(৩) এইদৰে লভ্য হোৱা পৰিমাণ প্রথমতে লোকচান আৰু সুনাম আৰু তাৰ পিছত যিমানখিনি সম্ভৰ স্থায়ী সম্পত্তি অৱলোপন কৰিব লাগে।

বৰপেটা লিমিটেডৰ বহীত প্রয়োজনীয় জাবেদা প্রবিষ্টিসমূহ দিয়ক আৰু উদ্বৃত্ত পত্রখনো প্রস্তুত কৰক।

সমাধান ঃ

Amount of sacrifice and utilization

Sacrifice :

1. Equity shares	80,000 x Rs 4.00	= 3,20,000
2. Preference shares	5,000 x Rs 20.00	= 1,00,000
3. Debentures	4,000 x Rs 20.00	= 80,000
		5,00,000

Utilization

1. Writing off of Loss	= 2,00,000
2. Writing off of Goodwill	= 2,00,000
3. Writing off of Fixed Assets	= 1,00,000
	5,00,000

Journal Entries

Date	Particulars	L.F.	Debit (Rs.)	Credit (Rs.)
2009 Ap. 1	Equity Share Capital A/c (Rs.10) Dr To Equity Share Capital A/c (Rs. 6) To Capital Reduction A/c (Being 80,000 equity shares of Rs 10 each fully paid reduced to equity shares of Rs 6 each fully paid and the balance transferred to Capital Reduction Account as per special resolution No... dt..... and confirmed by NCLT vide order No.....)		8,00,000	 4,80,000 3,20,000
Ap. 1	8% Preference Share Capital A/c (Rs 100) Dr To 10% Preference Share Capital A/c (Rs 80) To Capital Reduction A/c (Being 5,000 8% Preference shares of Rs 100 each fully paid reduced to 10% Preference shares of Rs 80 each fully paid and the balance transferred to Capital Reduction Account as per special resolution No..... dated .... and confirmed by NCLT vide order No.....)		5,00,000	 4,00,000 1,00,000
2009 Ap. 1	9% Debenture A/c (Rs.100) Dr To 10% Debenture A/c (Rs 80) To Capital Reduction A/c (Being 4,000 9% Debenture of Rs 100 each fully paid reduced		4,00,000	 3,20,000 80,000

	to 10% Debenture of Rs 80 each fully paid and the balance transferred to Capital Reduction Account as per special resolution No..... dt..... and confirmed by NCLT vide order No.....)			
Apr. 1	Capital Reduction A/c Dr. To Profit & Loss A/c To Goodwill A/c To Fixed Assets A/c (Being the amount of Capital Reduction Account used for writting off loss, Goodwill and Fixed Assets as per the scheme of reconstruction dated....)		5,00,000	 2,00,000 2,00,000 1,00,000

Balance Sheet of Barpeta Ltd. (And Reduced)
As on 1st April 2009

Liabilities	Rs.	Assets	Rs.
80,000 Equity Shares of Rs 6 each	4,80,000	Fixed Assets	8,00,000
5,000 8% Preference shares of Rs 80 each	4,00,000	Current Assets	7,00,000
4,000 9% Debentures of Rs 80 each	3,20,000		
Sundry Creditors	3,00,000		
	15,00,000		15,00,000



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো—

- এটা কোম্পানী ইয়াৰ গভীৰ বিত্তীয় সংকটৰ সময়ত পুনৰ গঠন কৰা হ'ব পাৰে।
- এটা কোম্পানী দুটা উপায়েৰে পুনৰ গঠন হ'ব পাৰে ঃ
  - ✓ বাহ্যিক পুনৰ গঠন য'ত এটা কোম্পানী অৱসান হৈ আন এটা নতুন কোম্পানী গঠন হয়।

- ✓ আভ্যন্তৰীণ পুনৰ গঠন, য'ত কোম্পানী অৱসান নোহোৱাকৈ কোম্পানীৰ মূলধন গাঁথনিত কিছুমান পৰিবৰ্তন অনা হয়।

- এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰ গঠন বিভিন্ন পৰিস্থিতিত যেনে— কোম্পানীৰ অংশপত্ৰৰ লিখিত মূল্য সলনি কৰিবৰ বাবে, পুঞ্জীভূত লোকচান অৱলোপন কৰা, আদিত প্ৰয়োজন হৈ পৰে।
- এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰ গঠন দুটা উপায়েৰে সম্পাদন কৰা হয়—
  - ✓ অংশপত্ৰিক মূলধনৰ পৰিবৰ্তন, আৰু
  - ✓ অংশপত্ৰিক মূলধনৰ হ্ৰাসকৰণ।
- অংশপত্ৰিক মূলধনৰ পৰিবৰ্তন আৰু অংশপত্ৰিক মূলধনত কৰা হ্ৰাসকৰণৰ হিচাপসম্পৰ্কীয় প্ৰৰিষ্টিসমূহ।



১২.৭ অধিক জানিবলৈ (FURTHER READING)

১। Advanced Accounting 2 Corporate Accounting; Dr A Sehgal and Dr D. Sehgal, Taxman.

২। Corporate Accounting; B. B. Dam and H.C. Gautam, Capital Publishing.

৩। Corporate Accounting; K. R. Das and others LBS Publication.



১২.৮ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰ ঃ 'বাহ্যিক পুনৰগঠন' পদটোৱে এটা বিদ্যমান কোম্পানী অৱসান হোৱা আৰু সেই কোম্পানীটোকে ইয়াৰ বিত্তীয় অৱস্থাক নতুনকৈ সজাই পৰাই পঞ্জীয়ন কৰাকে বুজায়। আনহাতে, 'আভ্যন্তৰীণ পুনৰ গঠন' বুলিলে চলি থকা কোম্পানী এটা অৱসান নোহোৱাকৈ ইয়াৰ মূলধন গাঁথনিৰ গতিত প্ৰয়োজনীয় পৰিবৰ্তন সাধন কৰাকে বুজায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰ গঠনৰ বাবে সাধাৰণতে নিম্নলিখিত তিনিটা পৰিস্থিতিয়েই দায়ী—

(১) যেতিয়া এটা কোম্পানীৰ মূলধন গাঁথনি জটিল হয় আৰু ইয়াক সৰল কৰিব বিচৰা হয়।

(২) যেতিয়া কোম্পানীৰ বৃহৎ পৰিমাণৰ পুঞ্জীভূত লোকচান থাকে আৰু কোম্পানীৰ অৱস্থা ভাল কৰি দেখুৱাবলৈ উক্ত লোকচানসমূহ অৱলোপন কৰিব বিচৰা হয়।

(৩) যেতিয়া মূলধনৰ একাংশ লভ্য দৃশ্যমান সম্পত্তিৰ দ্বাৰা সমৰ্থিত নহয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কোম্পানীৰ মূলধন হ্ৰাস কৰিবৰ বাবে ল'ব লগা ব্যৱস্থাৱলী হ'ল ঃ

(১) আদায় নোহোৱা অংশপত্ৰিক মূলধনৰ কোনো অংশপত্ৰৰ দেনা বিলুপ্ত বা হ্ৰাস কৰিব পাৰে।

(২) লুপ্ত হোৱা বা লভ্য সম্পত্তিসমূহৰ দ্বাৰা সমৰ্থিত নোহোৱা আদায়ীকৃত অংশপত্ৰিক মূলধনৰ অংশ বাতিল কৰিব পাৰে।

(৩) কোম্পানীৰ প্ৰয়োজনতকৈ বেছি হৈ থকা আদায়ীকৃত অংশপত্ৰিক মূলধন ফিৰৎ দিব পাৰে।



আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

১। নিম্নলিখিত বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) আভ্যন্তৰীণ পুনৰ গঠন হৈছে এটা কোম্পানীয়ে ইয়াৰ সম্পত্তিৰ গঠন প্ৰণালীৰ গতিত প্ৰয়োজনীয় পৰিবৰ্তন সাধন কৰা।

(খ) অংশপত্ৰিক মূলধনৰ হ্ৰাসকৰণত জাতীয় কোম্পানী আইন ন্যায়ধিকৰণৰ (NCLT) অনুমোদন লাগে।

(গ) মূলধন হ্ৰাসকৰণ হিচাপৰ উদ্বৃত্ত মূলধনী সঞ্চিত পুঁজি হিচাপলৈ স্থানান্তৰ কৰা হয়।

(ঘ) অনুমোদিত মূলধনৰ পৰিমাণ বৃদ্ধি কৰিবৰ বাবে কোনো জাবেদা প্ৰৰিষ্টিৰ প্ৰয়োজন নহয়।

২। উপযুক্ত শব্দ বহুৱাই খালি ঠাই পূৰণ কৰক ঃ

(ক) সাধাৰণতে ..... শব্দটো মূলধন হ্ৰাসকৰণ আঁচনিৰ অধীনত ভোগ কৰা কোম্পানীৰ নামৰ শেষত ব্যৱহাৰ কৰা হয়।

(খ) আভ্যন্তৰীণ পুনৰ গঠন নিম্নলিখিত বিভিন্ন প্ৰকাৰে সম্পাদন কৰা হয়। সেইবোৰ হ'ল ..... আৰু অংশপত্ৰিক মূলধনৰ পৰিবৰ্তন।

(গ) ..... এ অনুমোদন কৰাৰ পিছতহে এটা কোম্পানীয়ে মূলধন হ্ৰাস আঁচনিত অৱতীৰ্ণ হ'ব পাৰে।

(ঘ) অংশপত্ৰসমূহ একীকৰণৰ ক্ষেত্ৰত একোটা অংশপত্ৰৰ ..... মূল্যৰ হয়।

৩। নিম্নলিখিত বিবৃতিসমূহৰ শুদ্ধতা পৰীক্ষা কৰক ঃ

(ক) মূলধন হ্ৰাসকৰণ হিচাপ আৰু পুনৰ গঠন হিচাপ দুটা পৃথক উদ্দেশ্যত ব্যৱহাৰ কৰা হয়।

(খ) আভ্যন্তৰীণ পুনৰ গঠন হৈছে এটা কোম্পানীৰ মূলধন গাঁঠনিৰ প্ৰবাহৰ প্ৰয়োজনীয় পৰিবৰ্তন।

(গ) 'অংশপত্রিক মূলধনৰ পৰিবর্তন' আৰু 'অংশপত্রিক মূলধনৰ হ্রাস' এই পদ দুটা সমার্থক।

(ঘ) মূলধন হ্রাসকৰণৰ বাবে জাতীয় কোম্পানী আইন ন্যায়াধীকৰণৰ (NCLT) আগতীয়া অনুমোদন লোৱাটো প্রয়োজন।

৪। এটা কোম্পানীৰ প্রসঙ্গত আভ্যন্তৰীণ পুনৰ গঠন কি?

৫। এটা কোম্পানীৰ মূলধন গঠন পৰিবর্তন কৰিবৰ বাবে আভ্যন্তৰীণ পুনৰ গঠনৰ প্রবাহ লোৱাটো প্রয়োজন নেকি? আপোনাৰ উত্তৰৰ যুক্তিযুক্ততা সাব্যস্ত কৰক।

৬। আভ্যন্তৰীণ পুনৰগঠনৰ পদ্ধতিসমূহ উল্লেখ কৰক।

৭। আপুনি ভাবে নেকি যে অংশপত্রিক মূলধনৰ হ্রাসকৰণ এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰ গঠনৰ বাবে প্রয়োজন হয়? যুক্তি প্রদর্শন কৰক।

৮। কি পৰিস্থিতিত এটা কোম্পানীয়ে আভ্যন্তৰীণ পুনৰ গঠন কৰা প্রয়োজন?

৯। এটা কোম্পানীৰ আভ্যন্তৰীণ পুনৰগঠন প্রসঙ্গত 'অংশপত্র একীকৰণ' আৰু 'অংশপত্র উপবিভাজন' বুলিলে কি বুজে?

১০। অংশপত্রিক মূলধনৰ হ্রাসকৰণৰ যিকোনো তিনিটা পদ্ধতি উল্লেখ কৰক।

১১। 16.5.2009 তাৰিখে গুৱাহাটী লিমিটেড 10 টকীয়া 60,000 সম্পূর্ণকৈ আদায়ী সমাংশপত্র 100 টকীয়া 6,000 সম্পূর্ণকৈ আদায়ী সমাংশপত্রলৈ একীকৰণ কৰিবৰ বাবে প্রস্তাৱ গ্রহণ কৰিলে।

অংশপত্র একীকৰণৰ জাবেদা প্রৰিষ্টি দেখুওৱাক।

১২। B.H. Industries Ltd. ৰ 100 টকীয়া 10,000 সমাংশপত্রত বিভক্ত 10,00,000 টকাৰ অংশপত্রিক মূলধন আছে। 30.4.2009 তাৰিখে উক্ত অংশপত্রসমূহ ষ্টকলৈ ৰূপান্তৰ কৰিবৰ বাবে প্রস্তাৱ গ্রহণ কৰিলে। কোম্পানীৰ বহীত প্রয়োজনীয় জাবেদা প্রৰিষ্টি দেখুওৱাক।

১৩। Fairtrade Ltd এ 2009 চনৰ 30 এপ্রিল তাৰিখত বহা সাধাৰণ সভাত 10 টকীয়া 1,00,000 সম্পূর্ণকৈ আদায়ী সমাংশপত্র 10,00,000 টকাৰ সমাংশ ষ্টকলৈ ৰূপান্তৰ কৰিবলৈ প্রস্তাৱ গ্রহণ কৰিলে।

প্রয়োজনীয় জাবেদা প্রৰিষ্টি দিয়ক আৰু এই বিষয়সমূহ 2009 চনৰ 30 এপ্রিল তাৰিখত প্রস্তুত কৰা উদ্বৃত্ত পত্রত কেনেকৈ উপস্থাপন কৰা হ'ব তাক দেখুৱাওক।

১৪। Greenland Ltd এ 2009 চনৰ 30 এপ্রিল তাৰিখত বহা সাধাৰণ সভাত 10,00,000 টকাৰ সমাংশ ষ্টক 10 টকীয়া 1,00,000 সম্পূর্ণকৈ আদায়ী সমাংশপত্রলৈ ৰূপান্তৰ কৰিবলৈ প্রস্তাৱ গ্রহণ কৰিলে।

প্রয়োজনীয় জাবেদা প্রৰিষ্টি দিয়ক আৰু এই বিষয়সমূহ 2009 চনৰ 30 এপ্রিল তাৰিখত প্রস্তুত কৰা উদ্বৃত্ত পত্রত দেখুৱাওক।

*** ***** ***

অধ্যায় ১৩ ঃ নিয়ন্ত্রক কোম্পানীৰ হিচাপসমূহ (ACCOUNTS OF HOLDING COMPANIES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

১৩.১ উদ্দেশ্য (Learning Objectives)

১৩.২ পৰিচয় (Introduction)

১৩.৩ 'নিয়ন্ত্রক কোম্পানী আৰু অধীন কোম্পানী'ৰ অর্থ (Meaning of 'Holding Companies' and Subsidiary Companies'.)

১৩.৪ নিয়ন্ত্রক কোম্পানী আৰু অধীন কোম্পানীৰ প্রকাৰ (Types of Holding Companies and Subsidiary Companies)

১৩.৫ একত্রিত বিত্তীয় প্রতিবেদনসমূহৰ অর্থ (Meaning of Consolidated Financial Statements)

১৩.৬ একত্রিত বিত্তীয় প্রতিবেদনৰ সুবিধাসমূহ (Advantages of Consolidated Financial Statements)

১৩.৭ একত্রীকৰণত আইন সম্বন্ধীয় প্রয়োজনীয়তাসমূহ (Legal Requirements on Consolidation)

১৩.৮ সংখ্যালঘু অংশপত্রধাৰকৰ স্বার্থৰ অর্থ (Meaning of Minority Interest)

১৩.৯ সংখ্যালঘু অংশপত্রধাৰকৰ স্বার্থৰ পৰিমাণ গণনা (Calculation of Minority Interest)

১৩.১০ অধ্যায়টিৰ আমি কি শিকিলোঁ (Let Us Sum Up)

১৩.১১ অধিক জানিবলৈ (Further Readings)

১৩.১২ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

১৩.১৩ আৰ্হি প্রশ্ন (Model Questions)

১৩.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নিয়ন্ত্রক কোম্পানীৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- অধীন কোম্পানীৰ অর্থ ব্যাখ্যা কৰিব পৰিব
- নিয়ন্ত্রক কোম্পানীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- নিয়ন্ত্রক কোম্পানীৰ সুবিধা আৰু অসুবিধাসমূহ ব্যাখ্যা কৰিব পাৰিব
- সংখ্যালঘু অংশপত্রধাৰকসকলৰ স্বার্থৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সংখ্যালঘু অংশপত্রধাৰকসকলৰ স্বার্থৰ পৰিমাণ গণনা কৰিব পাৰিব

- একত্রিত বিত্তীয় প্রতিবেদনৰ অর্থ আৰু ইয়াৰ প্রয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- একত্রিকৰণত আইনগত প্রয়োজনীয়তাসমূহ বর্ণনা কৰিব পাৰিব।

১৩.২ পৰিচয় (INTRODUCTION)

আজিকালি কেঁচামাল, উপাদান আদি যোগানৰ ক্ষেত্রত কোনো কোম্পানীয়েই আত্মনির্ভৰশীল নহয়। এটা ব্যৱসায় প্রতিষ্ঠান আন ব্যৱসায়ী প্রতিষ্ঠানসমূহৰ ওপৰত নির্ভৰশীল হয়। ব্যৱসায়ৰ আকাৰ বৃদ্ধি, অভিৰত কেঁচামাল যোগানৰ নিশ্চয়তা আদিৰ বাবে এটা কোম্পানীৰ পৰিচালকসকলে কেঁচামাল আৰু অন্য উপাদানসমূহ যোগান ধৰা প্রতিষ্ঠানসমূহৰ ওপৰত আৰু উৎপাদিত পণ্যৰ বিক্রীৰ লগত জড়িত থকা প্রতিনিধিসকলৰ ওপৰত অধিকতৰ নিয়ন্ত্রণ কৰি ৰাখিবলৈ চেষ্টা কৰে।

একাদশ অধ্যায়ত আপুনি 'কোম্পানীসমূহৰ একত্রীকৰণ' (Amalgamation of Companies)' য'ত দুটা বা ততোধিক কোম্পানী একত্রিত হৈ এটা কোম্পানী গঠন হয় তাৰ বিষয়ে সবিশেষ জানিব পাৰিছে। একত্রীকৰণৰ কিছুমান উদ্দেশ্য হৈছে ব্যয়ৰ সংকোচন, বিত্তীয়ভাৱে লাভৱান হোৱা, সফলতাৰে কার্য সম্পাদন কৰা আৰু কাম-কাজসমূহ বহুমুখী কৰা। এই উদ্দেশ্যসমূহ একত্রীকৰণ নকৰাকৈ বা নতুন কোম্পানী প্রৱর্তন নকৰাকৈ সিদ্ধ কৰিব পাৰি। ব্যৱসায়ৰ কার্যকলাপ বিস্তাৰৰ উদ্দেশ্যে কেঁচামাল আৰু অন্যান্য উপাদান আদিৰ অবিৰত যোগানৰ ওপৰত সবল নিয়ন্ত্রণৰ বাবে তেনে যোগান ধৰা ব্যৱসায়িক প্রতিষ্ঠানৰ ওপৰত নিয়ন্ত্রণ ৰখা আৱশ্যক হৈ পৰিছে। আন এটা কোম্পানীৰ ওপৰত নিয়ন্ত্রণকাৰী স্বার্থ অর্জন কৰা কোম্পানীটোক নিয়ন্ত্রক কোম্পানী (Holding Company) আৰু যিটো কোম্পানীৰ ওপৰত নিয়ন্ত্রণকাৰী স্বার্থ অর্জন কৰা হয় সেই কোম্পানীটোক অধীন কোম্পানী (Subsidiary Company) বোলা হয়।

এই অধ্যায়টোত আমি নিয়ন্ত্রক কোম্পানী আৰু অধীন কোম্পানীৰ অর্থ, নিয়ন্ত্রক কোম্পানীৰ প্রকাৰ, নিয়ন্ত্রণক কোম্পানীৰ সুবিধা আৰু অসুবিধাসমূহ, সংখ্যালঘু অংশপত্রধাৰকসকলৰ স্বার্থৰ অর্থ আৰু ইয়াৰ গণনা, একত্রিত বিত্তীয় প্রতিবেদনৰ অর্থ আৰু ইয়াৰ প্রয়োজনীয়তাসমূহ আৰু একত্রীকৰণৰ আইনগত ব্যৱস্থাৱলী সামৰি ল'ম।

১৩.৩ 'নিয়ন্ত্রক কোম্পানী' আৰু 'অধীন কোম্পানী'ৰ অর্থ (MEANING OF 'HOLDING COMPANY' AND 'SUBSIDIARY COMPANY)

২০১৩ চনৰ কোম্পানী আইনত 'নিয়ন্ত্রক কোম্পানী' পদটোৰ কোনো সংজ্ঞা দাঙি ধৰা নাই। কোম্পানীসমূহৰ আইনৰ ২ (৪৬) ধাৰাত উল্লেখ কৰিছে যে - "holiday company" in relation to one or more other companies, means a company of which

such companies are subsidiary companies". ই এক প্ৰকাৰৰ কোম্পানী যাৰ এটা বা তাতকৈ অধিক অধীন কোম্পানী আছে আৰু তেনে কোম্পানীৰ ওপৰত নিয়ন্ত্ৰণ উপভোগ কৰে। আইনগতভাৱে এটা নিয়ন্ত্ৰক কোম্পানী আৰু তাৰ অধীন কোম্পানীৰ অস্তিত্ব পৃথক আৰু সুকীয়া।

২০১৩ চনৰ কোম্পানীসমূহৰ আইনৰ ২ (৮৭) ধাৰা অনুসৰি এটা কোম্পানী আন এটা কোম্পানীৰ অধীন কোম্পানী হ'ব যদিহে—

"(ক) আনটো কোম্পানীয়ে সঞ্চালক মণ্ডলীৰ গঠনত নিয়ন্ত্ৰণ আৰোপ কৰিব পাৰে; বা

(খ) নিজকে বা তাৰ এটা বা তাতকৈ অধিক কোম্পানীৰ লগত লগ লাগি মুঠ মূলধনৰ তাতোকৈ বেছি ভাগ অনুশীলন বা নিয়ন্ত্ৰণ কৰে।

(গ) কোম্পানীটো যিকোনো এটা কোম্পানীৰ অধীন কোম্পানী হয় যদিহে উক্ত কোম্পানীটো আন এটা কোম্পানীৰ অধীন কোম্পানী হয়।"

ইয়াক এইধৰণেৰে ব্যাখ্যা কৰিব পাৰি যে— 'এটা নিয়ন্ত্ৰক কোম্পানী হৈছে এটা কোম্পানী যি আন এটা কোম্পানীৰ, যাক অধীন কোম্পানী বোলা হয়, ভোটদান ক্ষমতা থকা অংশপত্ৰৰ গোটেইখিনি বা সৰহসংখ্যক অংশপত্ৰৰ অধিকাৰী হয় বা ইয়াৰ সঞ্চালকমণ্ডলীৰ ৰচনাত নিয়ন্ত্ৰণ আৰোপ কৰিব পাৰে (A holding company is a company which controls another company known as subsidiary company by owning all or majority of the shares carrying voting rights or controlling the composition of its board of directors)'।

উদাহৰণস্বৰূপে, Y কোম্পানী X কোম্পানীৰ অধীন কোম্পানী হ'লে আৰু Z কোম্পানী Y কোম্পানীৰ অধীন কোম্পানী হ'লে Z কোম্পানীও X কোম্পানীৰ অধীন কোম্পানী হ'ব। যদি AB কোম্পানী Z কোম্পানীৰ অধীন কোম্পানী হয়, তেনেহ'লে AB কোম্পানী Y কোম্পানীৰো অধীন কোম্পানী হ'ব আৰু ফলস্বৰূপে X কোম্পানীৰো অধীন কোম্পানী হ'ব।

ভাৰতীয় হিচাপবিদ্যাৰ মান (AS) 21 অনুসৰি একত্ৰিত বিত্তীয় প্ৰতিবেদনসমূহত এটা অধীন কোম্পানী হৈছে এটা প্ৰতিষ্ঠান যাক আন এটা নিয়ন্ত্ৰক কোম্পানী নামৰ প্ৰতিষ্ঠানে নিয়ন্ত্ৰণ কৰে আৰু নিয়ন্ত্ৰক কোম্পানী হৈছে এটা প্ৰতিষ্ঠান যাৰ এক বা একাধিক অধীন কোম্পানী থাকে।

যিটো কোম্পানীয়ে আন এটা কোম্পানীৰ নিয়ন্ত্ৰণকাৰী স্বাৰ্থ অধিগ্ৰহণ কৰে সেই কোম্পানীকে নিয়ন্ত্ৰক কোম্পানী বোলা হয় আৰু যিটো কোম্পানীৰ নিয়ন্ত্ৰণকাৰী স্বাৰ্থ অধিগ্ৰহণ কৰিছে সেই কোম্পানীটোক অধীন কোম্পানী বোলা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নিয়ন্ত্রক কোম্পানী আৰু অধীন কোম্পানীৰ সংজ্ঞা দিয়ক।

.....

.....

.....

.....

১৩.৪ নিয়ন্ত্রক কোম্পানী আৰু অধীন কোম্পানীৰ প্রকাৰ (TYPES OF HOLDING COMPANIES AND SUBSIDIARY COMPANIES)

এটা নিয়ন্ত্রক কোম্পানীয়ে অধীন কোম্পানীৰ সমাংশপত্রৰ পঞ্চাশ শতাংশতকৈ অধিক অংশপত্র অধিগ্রহণ কৰিব পাৰে বা অধীন কোম্পানীৰ সকলোখিনি অংশপত্র অধিগ্রহণ কৰি ল'ব পাৰে। এই দৃষ্টিকোণৰ পৰা নিয়ন্ত্রক কোম্পানী দুই ধৰণৰ হ'ব পাৰে। সেইবোৰ হৈছে—

(১) অধীন কোম্পানীৰ সকলোবোৰ সমাংশপত্র অধিগ্রহণ কৰা নিয়ন্ত্রক কোম্পানী; বা

(২) অধীন কোম্পানীৰ সৰহখিনি সমাংশপত্র অধিগ্রহণ কৰা নিয়ন্ত্রক কোম্পানী।

অধীন কোম্পানীৰ প্রকাৰসমূহ (Types of Subsidiary Companies)

ওপৰত উল্লেখ কৰা বিষয়ৰ পৰা এইটো স্পষ্ট হয় যে অধীন কোম্পানীসমূহো দুই প্রকাৰৰ—

(১) সম্পূর্ণকৈ অধিকৃত অধীন কোম্পানী; আৰু

(২) আংশিকভাৱে অধিকৃত অধীন কোম্পানী।

(১) **সম্পূর্ণকৈ অধিকৃত অধীন কোম্পানী (Wholly owned subsidiary company)ঃ** যেতিয়া নিয়ন্ত্রক কোম্পানীয়ে অধীন কোম্পানীৰ সকলোখিনি অংশপত্র ধাৰণ তথা ইয়াৰ অধিকাৰী হয় তেনে অধীন কোম্পানীক সম্পূর্ণকৈ অধিকৃত অধীন কোম্পানী আখ্যা দিয়া হয়। এই ক্ষেত্রত অধীন কোম্পানীৰ সকলোবোৰ অংশপত্র নিয়ন্ত্রক কোম্পানীয়ে কিনি লয়।

(২) **আংশিকভাৱে অধিকৃত অধীন কোম্পানী (Partly owned subsidiary company)ঃ** যেতিয়া নিয়ন্ত্রক কোম্পানীয়ে অধীন কোম্পানীৰ সৰহখিনি অংশপত্র ধাৰণ তথা ইয়াৰ অধিকাৰী হয়, তেনে অধীন কোম্পানীক আংশিকভাৱে অধিকৃত অধীন কোম্পানী বোলা হয়। এনে ক্ষেত্রত অধীন কোম্পানীৰ কিছুমান অংশপত্র নিয়ন্ত্রক কোম্পানীৰ বাহিৰে আন অংশপত্রধাৰক অধিকাৰী হয়। নিয়ন্ত্রক কোম্পানীৰ স্বার্থৰ বাহিৰে এনে অংশপত্রধাৰকৰ স্বার্থক 'সংখ্যালঘুৰ স্বার্থ (Minority Interest)' বোলা হয়।

ওপৰত উল্লেখ কৰা পার্থক্যসমূহ মনত ৰখাটো উচিত হ'ব, কিয়নো চূড়ান্ত হিচাপসমূহ একত্রিত

কৰা নীতিসমূহ সম্পূৰ্ণকৈ অধিকৃত বা আংশিকভাৱে অধিকৃত অধীন কোম্পানীৰ ভিত্তিত বেলেগ বেলেগ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ 'সম্পূৰ্ণকৈ অধিকৃত অধীন কোম্পানী' আৰু 'আংশিকভাৱে অধিকৃত অধীন কোম্পানী'ৰ সংজ্ঞা দিয়ক।

.....

.....

.....

.....

১৩.৫ একত্রিত বিত্তীয় প্রতিবেদনৰ অর্থ (MEANING OF CONSOLIDATED FINANCIAL STATEMENTS)

নিয়ন্ত্রক কোম্পানীৰ প্রসঙ্গত বিত্তীয় প্রতিবেদনসমূহ বুলিলে নিয়ন্ত্রক কোম্পানী আৰু ইয়াৰ অধীন কোম্পানী দুয়োটাৰে উদ্বৃত্তপত্রসমূহ আৰু লাভ-লোকচান হিচাপসমূহকে বুজায়। গতিকে, বিত্তীয় প্রতিবেদনৰ একত্রীকৰণ বুলিলে নিয়ন্ত্রক কোম্পানী আৰু ইয়াৰ অধীন দুয়োটাৰে উদ্বৃত্তপত্রসমূহ আৰু লাভ-লোকচান হিচাপসমূহৰ একত্রীকৰণকে বুজায়।

উদ্বৃত্তপত্রৰ একত্রীকৰণে নিয়ন্ত্রক কোম্পানী আৰু অধীন কোম্পানীৰ দুয়োটাৰে সংশ্লিষ্ট উদ্বৃত্তপত্রত থকা সম্পত্তি আৰু দেনাৰ পদসমূহ সংযুক্ত কৰি এখন একক উদ্বৃত্তপত্র প্রস্তুত কৰাকে বুজায়।

এই একত্রিত বিত্তীয় প্রতিবেদনসমূহ এটা আর্থিক গোট হিচাপে নিয়ন্ত্রক কোম্পানী আৰু অধীন কোম্পীয়ে নিয়ন্ত্রণ কৰা আর্থিক সম্পদসমূহ, দলটোৰ দায়বদ্ধতাসমূহ আৰু এই সম্পদসমূহৰ জৰিয়তে দলটোৰে আহৰণ কৰা ফলাফল আৰু বিত্তীয় তথ্যসমূহ দেখুৱাবৰ বাবেই প্রস্তুত কৰা হয়। নিয়ন্ত্রণ কোম্পানী আৰু ইয়াৰ অধীন কোম্পানীৰ লগত জড়িত বাহিৰৰ বিভিন্ন পক্ষসমূহো একত্রিত চূড়ান্ত হিচাপসমূহৰ বাবে আগ্রহান্বিত হ'ব পাৰে।

১৩.৬ একত্রিত বিত্তীয় প্রতিবেদনসমূহৰ সুবিধাসমূহ (ADVANTAGES OF CONSOLIDATED FINANCIAL STATEMENTS)

নিয়ন্ত্রক কোম্পানীৰ বিত্তীয় প্রতিবেদনসমূহ ব্যৱহাৰ কৰোঁতাসকলে সাধাৰণতে নিয়ন্ত্রক কোম্পানীৰে নহয়, গোটেই দলটোৰ মুঠ বিত্তীয় অৱস্থা আৰু পৰিচালন ফলাফলো পৰীক্ষা কৰি চায়। এই উদ্দেশ্যে নিয়ন্ত্রক কোম্পানীয়ে একত্রিত বিত্তীয় প্রতিবেদনসমূহ প্রস্তুত কৰি উপস্থাপন কৰে। নিম্নলিখিত সমূহেই হৈছে একত্রিত বিত্তীয় প্রতিবেদনসমূহৰ সুবিধা ঃ

১। একত্রিত বিত্তীয় প্রতিবেদনসমূহে নিয়ন্ত্রক আৰু অধীন কোম্পানীসমূহৰ এটা একক আর্থিক গোট হিচাপে বিত্তীয় তথ্যৰ যোগান ধৰে।

২। একত্রিত বিত্তীয় প্রতিবেদনসমূহে এই দলটোৰে নিয়ন্ত্রণ কৰা আর্থিক সম্পদসমূহ প্রদর্শন কৰে।

৩। একত্রিত বিত্তীয় প্রতিবেদনসমূহে এই দলটোৰ দায়বদ্ধতাখিনিও প্রদর্শন কৰে।

৪। একত্রিত বিত্তীয় প্রতিবেদনসমূহে এই দলটোৰে ইয়াৰ সম্পদসমূহৰ সহায়ত অর্জন কৰা ফলাফলসমূহ প্রদর্শন কৰে।

৫। একত্রিত বিত্তীয় প্রতিবেদনসমূহে বিনিয়োগকাৰীসকলক তেওঁলোকৰ বিনিয়োগ সম্বন্ধীয় সিদ্ধান্ত লওঁতে প্রয়োজন হোৱা তথ্যপাতিৰ যোগান ধৰে।

১৩.৭ একত্রীকৰণত আইনসম্বন্ধীয় প্রয়োজনীয়তাসমূহ (LEGAL REQUIREMENTS ON CONSOLIDATION)

এটা নিয়ন্ত্রক কোম্পানীয়ে ইয়াৰ প্রতিটো অধীন কোম্পানীৰ বিষয়ে ইয়াৰ উদ্বৃত্তপত্রৰ লগত নিম্নলিখিত দলিলসমূহ সংলগ্ন কৰি দিব লাগে —

(১) অধীন কোম্পানীৰ উদ্বৃত্তপত্রৰ এটা প্রতিলিপি;

(২) ইয়াৰ লাভ-লোকচান হিচাপৰ এটা প্রতিলিপি;

(৩) ইয়াৰ সঞ্চালকমণ্ডলীৰ প্রতিবেদনৰ এটা প্রতিলিপি;

(৪) ইয়াৰ হিচাপ পৰীক্ষকৰ প্রতিবেদনৰ এটা প্রতিলিপি;

(৫) নিম্নলিখিত তথ্য প্রদর্শন কৰা এখন প্রতিবেদন—

(ক) অধীন কোম্পানীৰ বিত্তীয় বছৰৰ শেষত নিয়ন্ত্রক কোম্পানীৰ অধীন কোম্পানীত থকা স্বার্থৰ বিস্তৃতি;

(খ) অধীন কোম্পানীৰ লোকচান বাদ দিয়াৰ পিছত বর্তমান বিত্তীয় বছৰ আৰু পূর্ববর্তী বিত্তীয় বছৰৰ লগত জড়িত নিয়ন্ত্রক কোম্পানীৰ লাভৰ পৃথক প্রতিবেদন আৰু নিয়ন্ত্রক কোম্পীনৰ হিচাপৰ বহীত ইতিমধ্যে ব্যৱস্থা কৰা লাভ আৰু ব্যৱস্থা নকৰা লাভৰ পৃথক প্রতিবেদন।

লাভ পদটোৰে ৰাজস্ব প্রকৃতিৰ লাভ আৰু নিয়ন্ত্রক কোম্পীনয়ে অধীন কোম্পানীৰ অংশপত্র অধিগ্রহণ কৰা পিছত উপার্জন কৰা লাভক বুজাইছে।

(৬) যেতিয়া অধীন কোম্পানীৰ বিত্তীয় বর্ষ নিয়ন্ত্রক কোম্পানীৰ বিত্তীয় বর্ষৰ লগত অমিল হয় তেতিয়া নিম্নলিখিত বিষয়সমূহ প্রদর্শন কৰা এখন প্রতিবেদন দিব লাগে—

(ক) অধীন কোম্পানীৰ বিত্তীয় বর্ষ অন্ত পৰাৰ পৰা নিয়ন্ত্রক কোম্পানীৰ অধীন কোম্পানীত থকা স্বার্থ পৰিবর্তন হৈছে নেকি আৰু যদি হৈছে তেনেহ'লে কিমান পৰিমাণৰ হৈছে;

(খ) অধীন কোম্পানীৰ বিত্তীয় বৰ্ষৰ সমাপ্তিৰ পৰা আৰু নিয়ন্ত্রক কোম্পানীৰ বিত্তীয় বৰ্ষৰ সমাপ্তিলৈকে এই সময়ছোৱাৰ ভিতৰত অধীন কোম্পানীৰ স্থায়ী সম্পত্তি, ইয়াৰ বিনিয়োগ, ই ধাৰলৈ দিয়া ধনৰ পৰিমাণ আৰু চলিত দেনা পৰিশোধৰ বাহিৰে আন উদ্দেশ্যৰ বাবে ই লোৱা ধাৰ আদিৰ ক্ষেত্রত হোৱা সামগ্রিক পৰিবর্তনৰ বিতং তথ্য।

১৩.৮ সংখ্যালঘূ অংশপত্রধাৰকৰ স্বার্থৰ অর্থ (MEANING OF MINORITY INTEREST)

সংখ্যালঘূৰ স্বার্থ হৈছে পৰিচালনাৰ ফলাফল আৰু নিয়ন্ত্রক কোম্পানীৰ দ্বাৰা প্রত্যক্ষ বা অধীন কোম্পানীৰ দ্বাৰা পৰোক্ষভাৱে অধিকাৰ নকৰা অধীন কোম্পানীৰ প্রকৃত সম্পত্তিৰ ওপৰত আৰোপ কৰিবলগীয়া স্বার্থৰ অংশ। সংখ্যালঘুৰ স্বার্থ গঠিত হয়—

(ক) অধীন কোম্পানীত বিনিয়োগ কৰা তাৰিখত সংখ্যালঘু অংশপত্রধাৰকসকলৰ বাবে আৰোপিত সমাংশৰ পৰিমাণ; আৰু

(খ) নিয়ন্ত্রক আৰু অধীন কোম্পানীৰ সম্বন্ধ আৰম্ভ হোৱাৰ পৰা সংখ্যালঘূ অংশপত্রধাৰকসকলৰ সমাংশৰ পৰিবর্তনৰ অংশ।

আন কথাত ক'বলৈ গ'লে, সংখ্যালঘুৰ স্বার্থ বুলিলে নিয়ন্ত্রক কোম্পানীৰ বাহিৰে আন অংশপত্রধাৰকৰ অধীন কোম্পানীৰ প্রকৃত সম্পত্তিত ধাৰণ কৰা স্বার্থৰ পৰিমাণক বুজায়। তেওঁলোকৰ স্বার্থই নিম্নলিখিত পৰিমাণসমূহ সামৰি লয়।

(ক) তেওঁলোকে ধাৰণ কৰা আদায়ীকৃত অংশপত্রিক মূলধনৰ পৰিমাণ;

(খ) মূলধনী লাভ বা লোকচানৰ তেওঁলোকৰ সমানুপাতিক অংশ; আৰু

(গ) ৰাজস্ব লাভৰ তেওঁলোকৰ সমানুপাতিক অংশ।

ওপৰৰ (ক) আৰু (খ)ৰ মুঠ পৰিমাণ হৈছে সংখ্যালঘূ অংশপত্রধাৰকসকলক নিয়ন্ত্রক কোম্পানীয়ে অধীন কোম্পানীত বিনিয়োগ কৰা তাৰিখত আৰোপ কৰিবলগীয়া সমাংশৰ পৰিমাণ।

একত্রিত উদ্বৃত্তপত্রত সংখ্যালঘূৰ স্বার্থৰ উপস্থাপন (Presentation of Minority Interest in the Consolidated Balance Sheet) ঃ

হিচাপবিদ্যাৰ মানত উল্লেখ আছে যে একত্রিত উদ্বৃত্ত পত্রত নিয়ন্ত্রক কোম্পানীৰ অংশপত্রধাৰকসকলৰ সমাংশ আৰু দেনাসমূহৰ পৰা সংখ্যালঘূৰ স্বার্থ পৃথকভাৱে উপস্থাপন কৰিব লাগে।

যিহেতু হিচাপবিদ্যাৰ মান ২১ ত সংখ্যালঘূৰ স্বার্থ কোনটো শিতানত দেখুৱাব লাগে তাৰ কোনো উল্লেখ কৰা নাই, সেয়ে সংখ্যালঘুৰ স্বার্থ একত্রিত উদ্বৃত্তপত্রৰ দেনাদিশৰ আদায়ীকৃত মূলধনৰ পিছতেই দেখুৱাব লাগে; কিয়নো সংখ্যালঘূৰ স্বার্থই অধীন কোম্পানীৰ সমাংশত সংখ্যালঘূ অংশপত্রধাৰকসকলৰ স্বার্থ প্রতিনিধিত্ব কৰে আৰু তেওঁলোক অধীন কোম্পানীৰ অংশপত্রধাৰক।

১৩.৯ সংখ্যালঘূ অংশপত্রধাৰকৰ স্বাৰ্থৰ পৰিমাণ গণনা (CALCULATION OF MONORITY INTEREST)

অধীন কোম্পানীত সংখ্যালঘূ অংশপত্রধাৰকসকলৰ দাবীৰ পৰিমাণকেই সংখ্যালঘূৰ স্বাৰ্থ বোলা হয়। অধীন কোম্পানীৰ সংখ্যালঘূ অংশপত্রধাৰকসকলৰ দাবীৰ পৰিমাণ একত্রিত উদ্বৃত্তপত্র প্রস্তুত কৰোতে নির্ধাৰণ কৰিব লাগে। সংখ্যালঘূৰ স্বাৰ্থৰ পৰিমাণ একত্রিত উদ্বৃত্তপত্রৰ দেনাদিশত দেখুওৱা হয়।

সংখ্যালঘূৰ স্বাৰ্থৰ ভিতৰত তেওঁলোকে ধাৰণ কৰা অংশপত্রৰ কেৱল মাত্র আদায়ীকৃত মূল্য অন্তর্ভুক্ত হৈ থাকে। কিন্তু এইটোও হ'ব পাৰে যে অধীন কোম্পীনৰ কিছুমান পুঞ্জীভূত লাভ আৰু সঞ্চিত পুঁজি বা পুঞ্জীভূত লোকচান থাকিব পাৰে। আকৌ, নিয়ন্ত্রক কোম্পানীয়ে অধীন কোম্পানীৰ অংশপত্র কিনা তাৰিখৰ পিছত অধীন কোম্পানীয়ে কিছুমান লাভ অর্জন কৰিব পাৰে। তদুপৰি, নিয়ন্ত্রক কোম্পানীয়ে অংশপত্র কিনা তাৰিখত অধীন কোম্পানীৰ সম্পত্তি পুনৰ মূল্যায়ন কৰোতে কিছু লাভ বা লোকচান হ'ব পাৰে। সংখ্যালঘূৰ স্বাৰ্থৰ পৰিমাণ গণনা কৰোতে এই সকলোবোৰ বিষয় হিচাপত ল'ব লাগে আৰু সংখ্যালঘূ অংশপত্রধাৰকসকলে ধাৰণ কৰা আদায়ীকৃত অংশপত্রিক মূলধনৰ পৰিমাণৰ লগত উক্ত লাভ আৰু সঞ্চিত পুঁজিৰ সমানুপাতিক পৰিমাণ যোগ কৰিব লাগে। আনহাতে, সংখ্যালঘূৰ স্বাৰ্থৰ প্রকৃত পৰিমাণ নির্ধাৰণ কৰিবৰ বাবে সকলোবোৰ লোকচানৰ সমানুপাতিক অংশ উক্ত নির্ধাৰিত পৰিমাণৰ পৰা বিয়োগ কৰিব লাগে।

সংখ্যালঘূৰ স্বাৰ্থৰ পৰিমাণ

=

সংখ্যালঘূ অংশপত্রধাৰকসকলে ধাৰণ কৰা অংশপত্রৰ আদায়ীকৃত মূল্য

+

কোম্পানীৰ লাভ আৰু সঞ্চিত পুঁজিৰ সমানুপাতিক পৰিমাণ

+

কোম্পানীৰ সম্পত্তি পুনৰ মূল্যায়নত হোৱা লাভৰ সমানুপাতিক পৰিমাণ

—

কোম্পানীৰ লোকচানৰ সমানুপাতিক লোকচান

—

কোম্পানীৰ সম্পত্তি পুনৰ মূল্যায়ন কৰোতে হোৱা লোকচানৰ সমানুপাতিক পৰিমাণ, যদি থাকে।



১৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো—

- এটা নিয়ন্ত্রক কোম্পানীয়ে আন এটা কোম্পানীৰ ভোটদান ক্ষমতা থকা অংশপত্রৰ গোটেইখিনি বা সৰহসংখ্যক অংশপত্রৰ গৰাকী হৈ নিয়ন্ত্রণ কৰে বা সঞ্চালকমণ্ডলীৰ গঠনত নিয়ন্ত্রণ কৰে।
- যিটো কোম্পানীৰ নিয়ন্ত্রণকাৰী স্বার্থ অধিগ্রহণ কৰে সেই কোম্পানীটোক অধীন কোম্পানী বোলা হয়।
- যেতিয়া নিয়ন্ত্রক কোম্পানীয়ে অধীন কোম্পানীৰ সকলোবোৰ অংশপত্র ধাৰণ কৰে তেনে অধীন কোম্পানীক সম্পূর্ণকৈ অধিকৃত কোম্পানী বোলা হয়।
- যেতিয়া নিয়ন্ত্রক কোম্পানীয়ে অধীন কোম্পানীৰ সৰহখিনি অংশপত্র ধাৰণ কৰে তেনে অধীন কোম্পানীক আংশিকভাৱে অধিকৃত অধীন কোম্পানী বোলা হয়।
- একত্রিত বিত্তীয় প্রতিবেদন বুলিলে নিয়ন্ত্রক কোম্পানী আৰু ইয়াৰ অধীন কোম্পানীৰ একত্রিত উদ্বৃত্তপত্র আৰু লাভ-লোকচান হিচাপকে বুজায়।
- সংখ্যালঘূৰ স্বার্থ হৈছে পৰিচালনৰ প্রকৃত ফলাফল আৰু নিয়ন্ত্রক কোম্পানীৰ দ্বাৰা প্রত্যক্ষ বা অধীন কোম্পানীৰ দ্বাৰা পৰোক্ষভাৱে অধিকাৰ নকৰা অধীন কোম্পানীৰ প্রকৃত সম্পত্তিৰ আৰোপ কৰিবলগীয়া অংশ।



১৩.১১ অধিক জানিবলৈ (FURTHER READING)

১। Advanced Accounting Corporate Accounting : Dr A. Sehgal and Dr D. Sehgal, Taxman.
২। Corporate Accounting : B. B. Dam and H.C. Gautam, Capital Publishing.
৩। Corporate Accounting : K. R. Das and others, LBS Publication.



১৩.১২অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰ ঃ যিটো কোম্পানীয়ে আন এটা কোম্পানীৰ নিয়ন্ত্রণকাৰী স্বার্থ অধিগ্রহণ কৰে সেই কোম্পানীটোক নিয়ন্ত্রক কোম্পানী আৰু যিটো কোম্পানীৰ নিয়ন্ত্রণকাৰী স্বার্থ অধিগ্রহণ কৰা হয় তাক অধীন কোম্পানী বোলা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া অধীন কোম্পানীৰ সকলোবোৰ অংশপত্র নিয়ন্ত্রক কোম্পানীয়ে ধাৰণ তথা অধিকাৰ কৰে তেনে অধীন কোম্পানীক সম্পূর্ণকৈ অধিকৃত অধীন কোম্পানী বোলা হয়।

যেতিয়া অধীন কোম্পানীৰ সৰহখিনি অংশপত্র নিয়ন্ত্রক কোম্পানীয়ে ধাৰণ তথা অধিকাৰ কৰে তেনে অধীন কোম্পানীক আংশিকভাৱে অধিকৃত অধীন কোম্পানী বোলা হয়।



১৩.১৩ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

১। নিম্নলিখিত বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ভাৰতবর্ষত একত্রিত উদ্বৃত্তপত্র প্রস্তুত কৰাটো কোম্পানী আইনৰ অধীনত বাধ্যতামূলক কৰা হৈছে।

(খ) হিচাপবিদ্যাৰ মান 21 অনুসৰি অধীন কোম্পানী হৈছে এটা প্রতিষ্ঠান যিটো আন প্রতিষ্ঠানে (নিয়ন্ত্রক হিচাপে জনা যায়) নিয়ন্ত্রণ কৰে।

(গ) এটা কোম্পানীক নিয়ন্ত্রক কোম্পানী বুলি তেতিয়াহে কোৱা হয় যেতিয়া ই আন এটা কোম্পানীৰ গোটেইখিনি অংশপত্রিক মূলধন অধিগ্রহণ কৰে।

২। এটা প্রতিষ্ঠান নিয়ন্ত্রক কোম্পানী হোৱাৰ তিনিটা পৰিস্থিতি উল্লেখ কৰক।

৩। বিভিন্ন প্রকাৰৰ নিয়ন্ত্রক কোম্পানীৰ ব্যাখ্যা কৰক।

৪। সংখ্যালঘূৰ স্বার্থ বুলিলে কি বুজে?

*** ***** ***

অধ্যায় ১৪ঃ কোম্পানীসমূহৰ অৱসায়ন (LIQUIDATION OF COMPANIES)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

১৪.১ উদ্দেশ্য (Learning Objectives)

১৪.২ পৰিচয় (Introduction)

১৪.৩ অৱসায়নৰ অর্থ (Meaning of Liquidation)

১৪.৪ এটা কোম্পানীৰ অৱসায়নৰ ধৰণ (Modes of Winding up of a Company)

১৪.৪.১ বাধ্যতামূলক অৱসায়ন (Compulsory Winding up)

১৪.৪.২ ইচ্ছাধীন অৱসায়ন (Voluntary Winding up)

১৪.৫ সাহায্যদায়কৰ অর্থ (Meaning of Contributories)

১৪.৬ অৱসায়কৰ অর্থ (Meaning of Liquidator)

১৪.৭ অগ্ৰাধিকাৰযুক্ত পৰিশোধসমূহ (Preferential Payments)

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

১৪.৯ অধিক জানিবলৈ (Further Readings)

১৪.১০ অগ্ৰগতিৰ খতিয়ান (Answers To Check Your Progress)

১৪.১১ আৰ্হি প্ৰশ্ন (Model Questions)

১৪.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অৱসায়নৰ অর্থৰ সংজ্ঞা দিব পাৰিব
- কোম্পানী অৱসায়নৰ বিভিন্ন ধৰণসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ইচ্ছাধীন আৰু বাধ্যতামূলক অৱসায়নৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সাহায্যদায়কৰ অর্থৰ সংজ্ঞা দিব পাৰিব
- অৱসায়কৰ অর্থৰ ব্যাখ্যা দিব পাৰিব
- অগ্ৰাধিকাৰযুক্ত পৰিশোধসমূহৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।

১৪.২ পৰিচয় (INTRODUCTION)

ব্যৱসায় সংগঠন জনসাধাৰণৰ দ্বাৰা গঠন কৰা হয়। এজনীয়া ব্যৱসায় সংগঠনসমূহ এজন ব্যক্তিৰ দ্বাৰা গঠন কৰা হয়, আনহাতে আন আৰ্হিৰ ব্যৱসায় সংগঠনসমূহ ব্যক্তিৰ সমষ্টিৰ দ্বাৰা গঠন কৰা হয়। এজনীয়া ব্যৱসায় আৰু অংশীদাৰী ব্যৱসায় সংগঠন কোম্পানী আৰ্হিৰ সংগঠনতকৈ আৰম্ভ কৰিবলৈ তুলনামূলকভাৱে সহজ হয়। কোম্পানীসমূহ, ২০১৩ চনৰ কোম্পানী আইনৰ অধীনত গঠন কৰা হয়। কোম্পানী গঠন কৰিবৰ বাবে কিছুমান বিধিবদ্ধ


ব্যৱস্থা আছে। সেই একেদৰে কোম্পানীৰ অৱসায়ন তথা পৰিসমাপ্তি ঘটাবৰ বাবেও আইনত নির্দিষ্ট ব্যৱস্থাৱলী আছে। এই অধ্যায়টোত আমি অৱসায়নৰ অর্থ, কোম্পানী অৱসায়নৰ ধৰণ, অৱসায়কৰ নিযুক্তি, সাহায্যদায়কৰ অর্থ আৰু অগ্রাধিকাৰযুক্ত পৰিশোধসমূহৰ বিষয়ে আলোচনা কৰিম।

১৪.৩ অৱসায়নৰ অর্থ (MEANING OF LIQUIDATION)

কোম্পানী হৈছে এক কৃত্রিম ব্যক্তি যি আইনৰ প্রক্রিয়াৰ জড়িয়তে আৰম্ভ কৰা হয়। গতিকে ইয়াৰ জীৱন কালৰ অন্ত তথা পৰিসমাপ্তিও আইনৰ প্রক্রিয়াৰ যোগেদি সম্পন্ন কৰা হয়। যিহেতু এটা কোম্পানীৰ ইয়াৰ সদস্যসকলৰ পৰা পৃথক সত্তা আছে সেয়ে ইয়াৰ জীৱনকাল ইয়াৰ সদস্যসকলৰ জীৱনকালৰ দ্বাৰা প্রভাৱিত নহয়। কোম্পানী এটাৰ অৱসান তথা পৰিসমাপ্তি ঘটোৱাৰ এটা উপায় হৈছে কোম্পানীৰ সামৰণি প্রক্রিয়া তথা অৱসায়নৰ আশ্রয় লোৱা। গতিকে যেতিয়া পৰিসমাপ্তিৰ প্রক্রিয়া আৰম্ভ হয় তেতিয়া কোম্পানীটো অৱসায়ন গৈছে বুলি কোৱা হয়। যেতিয়া সঞ্চালকসকলে বা সদস্যসকলে কোম্পানীটো অৱসায়ন কৰিবলৈ বিচাৰে তেতিয়া তেওঁলোকে কোম্পানী আইনত উল্লেখ কৰা কার্যপ্রণালী অনুসৰণ কৰিব লাগে।

এটা কোম্পানীৰ অৱসায়ন হৈছে এক প্রক্রিয়া যাৰ দ্বাৰা ইয়াৰ জীৱনকালৰ পৰিসমাপ্তি ঘটোৱা হয় আৰু ইয়াৰ সম্পত্তিসমূহ ইয়াৰ পাওনাদাৰ আৰু সদস্যসকলৰ সুবিধাৰ অর্থে পৰিচালনা কৰা হয়। অৱসায়ক নামৰ এজন পৰিচালকক নিযুক্তি দিয়া হয় আৰু তেওঁ কোম্পানীটো নিজৰ নিয়ন্ত্রণলৈ আনে; ইয়াৰ সম্পত্তিসমূহ বিক্রী কৰে, ইয়াৰ ধাৰসমূহ পৰিশোধ কৰে আৰু অৱশেষত ৰাহি হোৱা ধনখিনি সদস্যসকলৰ মাজত কোম্পানী আইনৰ ব্যৱস্থামতে তেওঁলোকৰ স্বত্ব অনুসৰি বিতৰণ কৰা হয়। 'অৱসায়ন' আৰু 'পৰিসমাপ্তি' এই পদ দুটা সমার্থক হিচাপে ব্যৱহাৰ কৰা হয়। ২০১৩ ৰ কোম্পানী আইনৰ ধাৰা ২(৯৪) ৰ অনুসৰি, "পৰিসমাপ্তিৰ" অর্থ হৈছে এই আইনৰ অন্তর্গত পৰিসমাপ্তি ঘটোৱা বা Insolvency and Bankruptcy Code, ২০১৬ ৰ অন্তর্গত অৱসায়ন ঘটোৱা। কোম্পানীৰ পৰিসমাপ্তি ঘটোৱা কার্যপ্রণালীসমূহ ২০১৩ ৰ কোম্পানী আইনৰ ২০ নং অধ্যায় আৰু Insolvency and Bankruptcy Code of India 2016 দিয়া হৈছে।

১৪.৪ এটা কোম্পানীৰ অৱসায়নৰ ধৰণসমূহ (MODES OF WINDING UP OF A COMPANY)



এটা কোম্পানীৰ পৰিসমাপ্তি নিম্নলিখিত দুটা উপায়ৰ পৰা যিকোনো এটা উপায়েৰে ঘটাব পাৰি ঃ

১৪.৪.১ এটা কোম্পানীৰ বাধ্যতামূলক অৱসায়ন (Compulsory Winding Up of a Company)

২০১৩ ৰ কোম্পানী আইনৰ ধাৰা ২৭০ ৰ মতে ২০১৩ ৰ কোম্পানী আইনৰ ২০নং অধ্যায়ৰ প্ৰথম ভাগ উপবন্ধসমূহ এই আইনৰ অন্তৰ্গত ট্ৰিবুনেলৰ যোগেদি কোম্পানীৰ পৰিসমাপ্তিৰ ঘটাবৰ বাবে প্ৰয়োগ ট্ৰিবুনেলৰ আদেশনুযায়ী এটা কোম্পানীৰ পৰিসমাপ্তি ঘটোৱাক বাধ্যতামূলক অৱসায়ন বুলি কোৱা হয়। ২০১৩ ৰ কোম্পানী আইনৰ ধাৰা ২৭১ ত দিয়া হৈছে যে ধাৰা ২৭২ ৰ অন্তৰ্গত এখন দৰ্খাস্তৰ দ্বাৰা এটা কোম্পানীৰ পৰিসমাপ্তি ঘটাব পাৰি। নিম্নলিখিত যিকোনো এজন ব্যক্তিৰ যোগেদি এটা কোম্পানীৰ বাধ্যতামূলক পৰিসমাপ্তি ঘটাবৰ বাবে ট্ৰিবুনেলত দৰখাস্ত দাখিল কৰিব পাৰে (ধাৰা ২৭২)।

(১) কোম্পানীৰ দ্বাৰা দৰ্খাস্ত ঃ কোম্পানীৰ সদস্যসকলে কোম্পানীৰ পৰিসমাপ্তি ঘটোৱা সম্পৰ্কে বিশেষ প্ৰস্তাৱ গ্ৰহণ ট্ৰিবুনেললৈ দৰ্খাস্ত দাখিল কৰি কোম্পানীৰ

পৰিসমাপ্তি ঘটাব পাৰে। কোম্পানীৰ মুখ্য পৰিচালক বা অন্য পৰিচালকে নিজকে তেনে দৰ্খাস্ত দাখিল কৰিব নোৱাৰে যদিহে তেওঁলোকে সেই কার্য্য কোম্পানীৰ হৈ কৰে আৰু সাধাৰণ সভাত সদস্যসকলৰ পৰা উপযুক্ত কর্তৃত্ব লাভ কৰি লয়।

(২) **সাহার্য্যদায়কসকলৰ দ্বাৰা দর্খাস্ত ঃ** এজন সাহার্য্যদায়কে কোম্পানীৰ পৰিসমাপ্তি ঘটোৱাৰ বাবে দর্খাস্ত দাখিল কৰিব পাৰে, সত্ত্বেও তেওঁ কোম্পানীৰ সম্পূর্ণভাৰে আদায়ীকৃত মূলধন ধাৰক হ'ব পাৰে বা কোম্পানীৰ কোনো সম্পত্তি নাথাকিবও পাৰে, বা ঋণসমূহ পৰিশোধ কৰাৰ পাছত ধাৰকসকলৰ মাজত বিতৰণ কৰিবৰ বাবে ৰাহি সম্পত্তি নাথাকিবও পাৰে। এজন সাহার্য্যদায়কে দর্খাস্ত দাখিল কৰিবৰ বাবে কোম্পানীৰ সম্পত্তিৰ ওপৰত স্পষ্ট স্বার্থ থকাৰ প্রয়োজন নাই।

(৩) **পঞ্জীয়কৰ দ্বৰা দর্খাস্ত ঃ** কোম্পানীৰ পৰিসমাপ্তিৰ বাবে পঞ্জীয়কে কেন্দ্রীয় চৰকাৰৰ পৰা পূর্বৰ মঞ্জুৰি লৈ অকল নিম্নলিখিত পৰিস্থিতিত ট্রিবুনেলক দর্খাস্ত দাখিল কৰিব পাৰিব ঃ

(ক) যদি কোম্পানীয়ে ইতিমধ্যে পাৰ হৈ যোৱা পাঁচটা বছৰৰ নিজৰ বিত্তীয় বৃবিতিসমূহ পঞ্জীয়কক দাখিল কৰাত বিফল হয়;

(খ) যদি কোম্পানীয়ে ভাৰতৰ সুৰক্ষা, সংহতি আৰু সার্বভৌমত্বৰ বিৰুদ্ধে কার্য্য কৰে আৰু যিয়ে বিদেশী ৰাজ্য, ৰাজহুৱা শৃংখলা, শিষ্টতা বা নৈতিকতাত প্রভাৱ পেলায়।

(গ) যদি পঞ্জীয়ক বা কেন্দ্রীয় চৰকাৰে প্রাধিকৃত কৰা অন্য কোনো ব্যক্তিয়ে দর্খাস্ত দাখিল কৰাৰ পাছত ট্রিবুনেলে বিবেচনা কৰে যে কোম্পানীৰ কার্য্যসমূহ প্রৱঞ্চনাকাৰী ধৰনেৰে কৰা হৈছে বা কোম্পানী প্রৱঞ্চনাকাৰী আৰু অবৈধ উদ্দেশ্যৰে গঠন কৰা হৈছিল বা কোম্পানীৰ গঠন বা কার্য্য পৰিচালনাৰ লগত জড়িত থকা ব্যক্তিসমূহ দোষী বা সৎ আছিল আৰু তেনে পৰিস্থিতিত কোম্পানী সমাপ্ত কৰা উচিত।

(৪) **কেন্দ্রীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ দ্বাৰা দর্খাস্ত ঃ** ভাৰতবর্ষৰ সুৰক্ষা, সংহতি আৰু সার্বভৌমত্বৰ বিৰুদ্ধে কোম্পানীয়ে যদি কোনো কার্য্য কৰে আৰু যিয়ে বিদেশী ৰাজ্য, ৰাজহুৱা শৃংখলা, শিষ্টতা বা নৈতিকতাত প্রভাৱ পেলায়, তেনে ক্ষেত্রত।

(৫) এই ক্ষেত্রত কেন্দ্রীয় চৰকাৰে ব্যক্তিক কর্তত্ব প্রদান কৰা হৈছে।

১৪.৪.২ এটা কোম্পানীৰ ইচ্ছাধীন পৰিসমাপ্তি (Voluntary Winding up of a Company:)

২০১৬ চনৰ Insolvency and Bankruptcy Code ৰ পঞ্চম অধ্যায়ে কোম্পানীৰ ইচ্ছাধীন পৰিসমাপ্তিৰ বিষয়ে লেনদেন কৰে। কোনো কোম্পানীয়ে যদি

নিজৰ ব্যৱসায়ৰ পৰিসমাপ্তিৰ পৰিকল্পনা কৰিছে তেন্তে ২০১৬ চনৰ Insolvency and Bankruptcy Code ৰ ধাৰা ৫৯ ৰ অন্তর্গত ইচ্ছাধীন পৰিসমাপ্তিৰ প্ৰচেষ্টা আৰম্ভ কৰিব পাৰিব।

(১) এটা কোম্পানী যিয়ে নিজৰ ব্যৱসায়ৰ ইচ্ছাধীন পৰিসমাপ্তি পৰিকল্পনা কৰে আৰু সেই কোম্পানীয়ে কোনো ধৰণৰ গাফিলতি কৰা নাই তেন্তে সেই কোম্পানীয়ে এই অধ্যায়ৰ অন্তর্গত কোম্পানীৰ পৰিসমাপ্তি ঘটাব পাৰে।

(২) উপ-ধাৰা ১ৰ অধীনত কোম্পানীৰ ইচ্ছাধীন পৰিসমাপ্তিৰ বাবে বৰ্ডে বিনির্দিষ্ট কৰা চৰ্তাৱলী আৰু প্ৰণালীসমূহ পূৰণ কৰিব লাগিব।

(৩) উপ-ধাৰা ২ক পক্ষাপাত নকৰাকৈ, এটা কোম্পানীয়ে ইচ্ছাধীন পৰিসমাপ্তিৰ ঘটোৱাৰ বাবে নিম্নলিখিত চৰ্তাৱলী পূৰণ কৰিব লাগিব, যেনে —

(ক) কোম্পানীৰ অধিকাংশ নির্দেশকসকলে প্ৰামাণিত শপতনামাৰ উল্লেখ কৰি ঘোষণা কৰিব লাগিব যে —

(১) তেওঁলোকে কোম্পানীৰ ব্যৱসায়িক লেনদেনৰ এটা মত গঢ়ি তোলে যে হয়তো কোম্পানীৰ একো ঋণ নাই বা সেই কোম্পানীয়ে নিজৰ ঋণবোৰ ইচ্ছাধীন পৰিসমাপ্তি ঘটোৱাৰ ফলত সম্পত্তিৰ বিক্ৰয়ৰ পৰা প্ৰাপ্ত ধনৰ যোগেদি পৰিশোধ কৰিব; আৰু

(২) কোনো ব্যক্তিক ঠগাবলৈ যাতে কোম্পানীৰ পৰিসমাপ্তি ঘটোৱা নাই।

(খ) উপ-ধাৰা (ক)ৰ অধীনত জাৰি কৰা ঘোষণাৰ সৈতে নিম্নলিখিত দস্তাৱেজৰ সৈতে গাঁথি দিব লাগিব, ক'বলৈ গ'লে —

(১) বিগত দুবছৰ বা গঠনৰ সময়ৰ পৰা কোম্পানীৰ পৰীক্ষিত বিত্তীয় বিবৃতি আৰু ব্যৱসায় কার্য্যকৰী কৰা সম্পর্কীয় নথিপত্ৰ যিটো পিছত আহে;

(২) পঞ্জীভুক্ত মূল্য নির্ধাৰণকর্তাৰ দ্বাৰা প্ৰস্তুত কোম্পানীৰ সম্পত্তিৰ মূল্যায়ণৰ প্ৰতিবেদন, যদি থাকে।

(গ) উপ-ধাৰা (ক)ৰ অধীনত জাৰি কৰা ঘোষণা পত্ৰৰ চাৰি সপ্তাহৰ ভিতৰতে সম্পন্ন হ'ব লাগিব —

(১) এটি সাধাৰণ সভাত কোম্পানীৰ সদস্যসকলে কোম্পানীৰ ইচ্ছাধীন পৰিসমাপ্তিৰ বাবে আৰু এজন দেউলীয়া বিশেষজ্ঞক অৱসায়ক হিচাপে নিযুক্তি দিয়াৰ বাবে বিশেষ প্ৰস্তাৱ ৰাখিব; বা

(২) এটি সাধাৰণ সভাত কোম্পানীৰ সদস্যসকলে কোম্পানীৰ ম্যাদ শেষ হৈ যোৱাৰ ফলত কোম্পানীৰ ইচ্ছাধীন পৰিসমাপ্তিৰ বাবে প্ৰস্তাৱ ৰাখিব।

(৪) প্ৰস্তাৱ গ্ৰহণ কৰা সাত দিনৰ ভিতৰত বা ঋণদাতাৰ পৰা পৰৱর্তী অনুমোদন পোৱাৰ পাছত এটা পৰিস্থিতিত কোম্পানীয়ে উপ-ধাৰা (৩)ৰ অধীনত কোম্পানীৰ অৱসায়ন সম্বন্ধে কোম্পানীৰ পঞ্জীয়ক আৰু বোর্ডক জাননী দিব লাগিব।

(৫) উপ-ধাৰা (৩)ৰ অধীনত ঋণদাতাৰ পৰা পোৱা অনুমোদন সাপেক্ষে, কোম্পানীৰ ইচ্ছাধীন পৰিসমাপ্তিৰ প্ৰক্ৰিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰা দিনটোৰ পৰা আৰম্ভ হোৱা বুলি ধৰি লোৱা হ'ব।

(৬) অধ্যায় ৩ আৰু অধ্যায় ৭ ৰ ধাৰা ৩৫ ৰ পৰা ৫৩ পৰ্যন্তৰ উপবন্ধবোৰ কোম্পানীৰ ইচ্ছাধীন পৰিসমাপ্তি ঘটোৱাৰ বাবে প্ৰয়োগ হয় আৱশ্যকীয় পৰিৱৰ্তন সাপেক্ষে।

(৭) য'ত কোম্পানীৰ লেনদেনসমূহ সম্পূৰ্ণৰূপে সামৰণি মৰা হ'য় আৰু সম্পত্তিসমূহ পূৰ্ণৰূপে বিক্ৰী কৰা হয়, তেনে কোম্পানীৰ ভংগকৰণৰ বাবে বিচাৰপূৰ্বক প্ৰাধিকাৰীৰ ওচৰত অৱসায়কে আবেদন দাখিল কৰিব।

(৮) উপ-ধাৰা (৭)ৰ অধীনত অৱসায়কে দাখিল কৰা আবেদনৰ ভিত্তিত বিচাৰপূৰ্বক প্ৰাধিকাৰীয়ে কোম্পানীক ভংগ কৰাৰ আদেশ দিয়া তাৰিখৰ পৰা কোম্পানী ভংগ হ'ব।

(৯) উপ-ধাৰা (৮)ৰ অধীনত আদেশ দিয়া আদেশপত্ৰৰ পৰিৱৰ্দ্ধপ চৈধ্য দিনৰ ভিতৰত কোম্পানীৰ পঞ্জীয়ণ কৰা প্ৰাধিকাৰীক প্ৰেৰণ কৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ এটা কোম্পানীৰ অৱসায়ন বুলিলে কি বুজে ?

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ন্যায়াধিকৰণৰ দ্বাৰা এটা কোম্পানীৰ পৰিসমাপ্তি ঘটোৱা তিনিটা পৰিস্থিতি উল্লেখ কৰক।

(১).....

(২).....

(৩).....

১৪.৫ সাহায্যদায়কৰ অৰ্থ (MEANING OF CONTRIBUTORIES)

কোম্পানীৰ অৱসায়ন সন্দৰ্ভত 'সাহায্যদায়ক (contributories)' পদটোৰ বিশেষ অৰ্থ আছে। ২০১৩ চনৰ কোম্পানীসমূহৰ আইনৰ ২(২৬) ধাৰা অনুসৰি এজন সাহায্যদায়ক বুলিলে কোম্পানীৰ অৱসায়নত কোম্পানীৰ সম্পত্তিলৈ বৰঙণি আগবঢ়াবলৈ বাধ্য থকা ব্যক্তিক বুজায় আৰু ই সম্পূৰ্ণকৈ আদায়ী অংশপত্ৰৰ ধাৰককো অন্তৰ্ভুক্ত কৰে।

কোম্পানীৰ অৱসায়ন হোৱাৰ লগে লগে সদস্যসকল সাহায্যদায়ক হৈ পৰে। আংশিকভাৱে আদায়ী অংশপত্ৰৰ ধাৰক সাহায্যদায়ক হয় কিয়নো, অংশপত্ৰৰ তলব কৰক বা

নকৰক তেওঁ অনাদায়ী পৰিমাণ দিবলৈ দায়ী হৈ থাকে। যদিও সম্পূৰ্ণকৈ আদায়ী অংশপত্ৰৰ ধাৰকসকলৰ দেনা নাই, তথাপি তেওঁলোককো সাহায্যদায়কৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয়, কিয়নো অৱসায়কে কেৱল মাত্ৰ দেয় হৈ থকা উদ্বৃত্ত ধন সংগ্ৰহৰ বাবেই নহয় তেওঁ অৱসানৰ পিছত বাহি হৈ থকা ধনসমূহ বিতৰণ কৰিবৰ বাবেও তালিকা প্ৰস্তুত কৰে। সম্পূৰ্ণকৈ আদায়ী অংশপত্ৰৰ ধাৰকে বাহি ধন পোৱাৰ অধিকাৰ আছে, সেয়ে তেওঁলোকক সাহায্যদায়কসকলৰ তালিকাৰ অন্তৰ্ভুক্ত কৰা হয়।

১৪.৬ অৱসায়কৰ অৰ্থ (MEANING OF LIQUIDATOR)

অৱসায়ক হৈছে এজন ব্যক্তি যাৰ ওপৰত কোম্পানীৰ অৱসায়নৰ কাৰ্য ন্যস্ত কৰা হয়। কোম্পানীক শাসন আৰু নিয়ন্ত্ৰণ কৰিবৰ বাবে তেওঁক নিযুক্তি দিয়া হয়। তেওঁ কোম্পানীৰ সম্পত্তিসমূহ বিক্ৰী কৰি মূল্য আদায় কৰে, দেনা তথা ধাৰসমূহ পৰিশোধ কৰে আৰু শেষত বাহি হৈ থকা ধনখিনি সদস্যসকলৰ মাজত কোম্পানী আইন মতে তেওঁলোকৰ অধিকাৰ অনুসৰি বিতৰণ কৰে। ২০১৩ৰ কোম্পানী আইনৰ ২৭৫(১) আৰু ২৭৫(২) ধাৰা অনুসৰি ট্ৰিবুনেলৰ যোগেদি এটা কোম্পানীৰ পৰিসমাপ্তি ঘটাবৰ বাবে ট্ৰিবুনেলে পৰিসমাপ্তিৰ আদেশ জাৰি কৰাৰ সময়তে এজন চৰকাৰী অৱসায়ক (Official Liquidator) বা Insolvency and Bankruptcy Code, 2016ৰ অন্তৰ্গত পঞ্জীভুক্ত থকা দেউলীয়া পৰিস্থিতিৰ বৃত্তিয়ালসকলৰ মাজৰ পৰা এজন অৱসায়কক নিযুক্তি দিব; যদি ট্ৰিবুনেলে এজন অস্থায়ী অৱসায়কক নিযুক্তি দিয়ে, তেনে ক্ষেত্ৰত ট্ৰিবুনেলে তেওঁৰ শক্তি তেওঁক নিযুক্তি দিয়া আদেশ বা পৰৱৰ্তী আদেশৰ যোগেদি সীমিত কৰি ৰাখিব পাৰে, নহ'লে তেওঁৰ শক্তি এজন অৱসায়কৰ সমানে থাকিব। এজন অস্থায়ী অৱসায়ক বা কোম্পানী অৱসায়কৰ নিযুক্তি সম্পৰ্কীয় চৰ্তাৱলী আৰু তেওঁক পৰিশোধ কৰিবলগীয়া মাচুল ট্ৰিবুনেলে অৱসায়কৰ কাম, অভিজ্ঞতা ইত্যাদিৰ ওপৰত ভিত্তি কৰি নিশ্চিত কৰিব। অস্থায়ী অৱসায়ক বা কোম্পানী অৱসায়ক হিচাপে নিযুক্তি পোৱাৰ পাছত তেনে অৱসায়কে নিযুক্তি পোৱা সাত দিনৰ ভিতৰতে বিহিত ফৰ্মত নিজৰ নিযুক্তিৰ ক্ষেত্ৰত উদয় হোৱা স্বাৰ্থ-সংঘৰ্ষ বা স্বতন্ত্ৰতাৰ অভাৱ যদি কিবা থাকে ঘোষণা পত্ৰৰ যোগেদি ট্ৰিবুনেলক জনাব লাগিব আৰু এই বাধ্যবাধকতা তেওঁৰ নিযুক্তিকালৰ অন্তলৈকে প্ৰযোজ্য থাকিব। এটা পৰিসমাপ্তিৰ আদেশ জাৰি কৰাৰ সময়ত ট্ৰিবুনেলে এজন অস্থায়ী অৱসায়কক ২৭৩(১) ধাৰাৰ অন্তৰ্গত কোম্পানী অৱসায়ক হিচাপে কোম্পানীৰ পৰিসমাপ্তি ঘটাবৰ বাবে নিযুক্তি দিব পাৰে।

১৪.৭ অগ্ৰাধিকাৰযুক্ত পৰিশোধসমূহ (PREFERENTIAL PAYMENTS)

এতিয়া আমি কোম্পানী এটাৰ অৱসায়নৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ ভিত্তিত পৰিশোধ কৰিবলগীয়া পৰিমাণৰ বিষয়ে শিকো আহক। কোম্পানী আইনৰ ৩২৭ ধাৰাত অগ্ৰাধিকাৰ ভিত্তিত পৰিশোধ কৰিবলগীয়া বিষয়ৰ এখন তালিকা দিছে। অগ্ৰাধিকাৰযুক্ত পৰিশোধসমূহ হৈছে সেইবোৰ পৰিশোধ যিবোৰ আইনৰ ব্যৱস্থাৱলী অনুসৰি আন ধাৰসমূহতকৈ আগতীয়াকৈ পৰিশোধ কৰিব লাগে। এই পৰিশোধসমূহ অগ্ৰাধিকাৰ ভিত্তিত তালিকা আকাৰত তলত দেখুওৱা হ'ল।

(১) কেন্দ্রীয় চৰকাৰ বা ৰাজ্য চৰকাৰ বা স্থানীয় প্ৰাধিকাৰীক দিবলগীয়া সকলোবোৰ ৰাজহ, কৰ, শুল্ক (cesses) আৰু অভিকৰ (rates) । এই পৰিমাণ কোম্পানী অৱসান হোৱাৰ আগৰ বাৰ মাহৰ ভিতৰত দেয় হ'ব লাগিব।

(২) কোম্পানীলৈ আগবঢ়োৱা সেৱাৰ বাবদ দেয় হৈ থকা প্ৰতিজন শ্ৰমিকৰ মজুৰি বা কৰ্মচাৰীৰ দৰমহা আৰু অৱসায়ন আদেশ হোৱাৰ আগৰ বাৰ মাহৰ ভিতৰত চাৰিমাহৰ বাবে হ'ব লাগিব।

(৩) সকলোবোৰ উপাৰ্জিত বন্ধ দিনৰ পাৰিশ্ৰমিক বা এজনৰ মৃত্যুৰ ক্ষেত্ৰত অধিকাৰ অনুসৰি অন্য ব্যক্তিক, অৱসায়নৰ প্ৰভাৱ আৰম্ভ হোৱাৰ আগতে তেওঁৰ নিযুক্তি শেষ হ'লে, আদি বাবদ কৰ্মচাৰীক দিবলগীয়া ধন।

(৪) 1948 চনৰ কৰ্মচাৰী ৰাজ্যিক বীমা আইনৰ বা আন আইনৰ অধীনত বাৰ মাহৰ ভিতৰত বৰঙণিৰ বাবদ দেয় ধন।

(৫) 1923 চনৰ শ্ৰমিকৰ ক্ষতিপূৰণ আইনৰ অধীনত কোম্পানীৰ কৰ্মচাৰীৰ মৃত্যু বা বিকলাংগ হোৱা বাবে দিবলগীয়া ক্ষতিপূৰণ বা ক্ষতিপূৰণৰ দেনা।

(৬) কোম্পানীয়ে সংৰক্ষণ কৰা ভৱিষ্যনিধি (provident fund), পেঞ্চন নিধি, পাৰিতোষিক নিধি (gratuity fund) বা আন কোনো কৰ্মচাৰীৰ কল্যাণ নিধিলৈ দিবলগীয়া সকলোবোৰ ধন।

(৭) কোম্পানী আইনৰ ২১৩ বা ২১৬ ধাৰা অনুসৰন কৰি অনুসন্ধান কৰা বাবদ হোৱা সকলোবোৰ খৰচ যিখিনি কোম্পানীটোৱে পৰিশোধ কৰিবলগীয়া হয়।

অৱসায়নৰ খৰচ আৰু ব্যয় পৰিশোধৰ বাবে প্ৰয়োজনীয় ধন সংৰক্ষণ কৰা পিছত উক্ত দেনাসমূহ সিহঁতক পৰিশোধ কৰিবৰ বাবে যথেষ্ট পৰিমাণৰ সম্পত্তি থাকিলে তাৰ পৰা নিষ্পত্তি কৰিব লাগে।



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত দিশসমূহ আলোচনা কৰিলো—

- অৱসায়ন বুলিলে কোম্পানীৰ জীৱনকাল অন্তপৰাকে বুজায়।
- অৱসায়ন হোৱা কোম্পানীৰ সম্পত্তিসমূহ ইয়াৰ সদস্য আৰু পাওনাদাৰসকলৰ সুবিধাৰ্থে পৰিচালনা কৰা হয়।
- জাতীয় কোম্পানী আইন ন্যায়াধিকৰণৰ দ্বাৰা এটা কোম্পানী বাধ্যতামূলকভাৱে অৱসান ঘটাব পাৰি।
- সদস্যসকলৰ ইচ্ছাধীন অৱসান আৰু পাওনাদাৰসকলৰ ইচ্ছাধীন অৱসানৰ কাৰ্যপ্ৰণালী।
- সাহায্যদায়ক হৈছে এজন ব্যক্তি যি কোম্পানীৰ অৱসানৰ সময়ত কোম্পানীৰ সম্পত্তিলৈ বৰঙণি আগবঢ়াবলৈ দায়বদ্ধ হৈ থাকে আৰু ই সম্পূৰ্ণকৈ আদায়ী অংশপত্ৰ ধাৰকসকলকো সামৰি লয়।

- অৱসায়ক হৈছে এজন ব্যক্তি যাক এটা কোম্পানীৰ অৱসায়ন প্ৰক্ৰিয়া প্ৰশাসন কৰিবৰ বাবে নিযুক্তি দিয়া হয়।।
- অগ্ৰাধিকাৰযুক্ত পৰিশোধ বুলিলে কোম্পানীসমূহৰ আইনৰ ব্যৱস্থাৱলী অনুসৰি সকলোবোৰ অন্যান্য দেনা সিহঁতৰ অগ্ৰাধিকাৰ ভিত্তিত পৰিশোধ কৰাকে বুজায়।



১৪.৯ অধিক জানিবলৈ (FURTHER READING)

1) S.N. Maheshwari & S.K. Maheshwari (2018). Corporate accounting. Noida, Vikas Publishing House Pvt. Ltd.

2) Singal R.S. (2014). Corporate accounting. New Delhi, V.K. (India) Enterprise.

3) Goyal V.K. & Goyal R. (2012). Corporate accounting. New Delhi, PHI Learning Pvt. Ltd.



১৪.১০ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰ ঃ কোম্পানীৰ অৱসায়ন হৈছে এক প্ৰক্ৰিয়া যাৰ সহায়ত ইয়াৰ জীৱনকালৰ অন্ত পেলোৱা হয় আৰু ইয়াৰ সম্পত্তিসমূহ পাওনাদাৰ আৰু সদস্যসকলৰ সুবিধাৰ অৰ্থে পৰিচালনা কৰা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ন্যায়াধিকৰণৰ দ্বাৰা অৱসান ঘটাব পৰা তিনিটা পৰিস্থিতি হৈছে ঃ

(১) বিধিবদ্ধ প্ৰতিবেদন প্ৰেৰণ কৰোতে/বিধিবদ্ধ সভা অনুষ্ঠান কৰোতে অবহেলা কৰিলে।

(২) ব্যৱসায় আৰম্ভ কৰোতে/ব্যৱসায় চলাই নিয়াত ব্যৰ্থ হ'লে।

(৩) ভাৰতবৰ্ষৰ সাৰ্বভৌমতা আৰু অখণ্ডতাৰ স্বাৰ্থৰ পৰিপন্থী হিচাপে কাম কৰিলে।



১৪.১১ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

১। এটা কোম্পানীৰ অৱসায়ন বুলিলে কি বুজে?

২। অৱসায়নৰ বিভিন্ন ধৰণসমূহ ব্যাখ্যা কৰক।

৩। এটা কোম্পানীৰ ইচ্ছাধীন অৱসায়নৰ পৰিস্থিতিসমূহৰ বিষয়ে চমুটোকা লিখক।

৪। কি পৰিস্থিতিৰ অধীনত ন্যায়াধিকৰণে এটা কোম্পানীৰ অৱসায়ন ঘটাব পাৰে?

*** ***** ***

অধ্যায় ১৫ ঃ যৌথ কাৰবাৰ কোম্পানীৰ চূড়ান্ত হিচাপসমূহ (FINAL ACCOUNTS OF JOINT STOCK COMPANIES)

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য (Learning Objectives)

১৫.২ পৰিচয় (Introduction)

১৫.৩ চূড়ান্ত হিচাপসমূহৰ অর্থ আৰু ইয়াৰ উপাদানসমূহ (Meaning and Components of Final Accounts)

১৫.৪ কোম্পানী আইনৰ প্রাসঙ্গিক ব্যৱস্থাৱলী (Relevant Provisions of Companies Act)

১৫.৫ চূড়ান্ত হিচাপৰ গঠন প্রণালী (Structure of Final Accounts)

১৫.৫.১ উদ্বৃত্তপত্র (Balance Sheet)

১৫.৫.২ লাভ-লোকচান হিচাপৰ বিবৃতি (Statement of Profit and loss Account)

১৫.৬ এটা কোম্পানীৰ চূড়ান্ত হিচাপসমূহ প্রস্তুত কৰোঁতে বিশেষভাৱে মনোযোগ দিবলগীয়া কিছুমান পদ (Some Items which Require Special Attention at the Time of Preparation of Final Accounts of a Company)

১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (Let Us Sum Up)

১৫.৮ অধিক জানিবলৈ (Further Readings)

১৫.৯ অগ্রগতিৰ খতিয়ান (Answers To Check Your Progress)

১৫.১০ আৰ্হি প্রশ্ন (Model Questions)

১৫.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- চূড়ান্ত হিচাপসমূহৰ অর্থ আৰু ইয়াৰ উপাদানসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- চূড়ান্ত হিচাপসমূহ প্রস্তুতকৰণৰ লগত জড়িত কোম্পানী আইনৰ প্রাসঙ্গিক ব্যৱস্থাৱলীৰ বিষয়ে জানিব পাৰিব
- চূড়ান্ত হিচাপসমূহৰ গঠন প্রণালীৰ বিষয়ে জানিব পাৰিব
- উদ্বৃত্তপত্র প্রস্তুত কৰা বিভিন্ন আৰ্হিৰ বিষয়ে অৱগত হ'ব পাৰিব
- চূড়ান্ত হিচাপসমূহ প্রস্তুত কৰোঁতে বিশেষভাৱে মনোযোগ দিবলগীয়া কিছুমান বিশেষ পদৰ ব্যৱহাৰৰ বিষয়ে জানিব পাৰিব
- চূড়ান্ত হিচাপসমূহ প্রস্তুত কৰিব পাৰিব।

১৫.২ পৰিচয় (INTRODUCTION)

আপুনি জানে যে প্ৰতিটো ব্যৱসায় সংগঠনেই এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ইয়াৰ কাম-কাজসমূহ সম্পাদন কৰাৰ ফলাফল আৰু হিচাপবৰ্ষৰ অন্তিম তাৰিখত ইয়াৰ বিত্তীয় অৱস্থাৰ বিষয়ে জানিবলৈ ইচ্ছা কৰে। এই তথ্যসমূহ চূড়ান্ত হিচাপসমূহ প্ৰস্তুতকৰণৰ জৰিয়তে অবগত হ'ব পাৰি। চূড়ান্ত হিচাপসমূহ পদটোৱে ক্ৰয়-বিক্ৰয় হিচাপ, লাভ-লোকচান হিচাপ আৰু উদ্বৃত্তপত্ৰক সামৰি লয়।

আজি কালি নগদ প্ৰৰাহ বিবৃতিক চূড়ান্ত হিচাপৰ গুৰুত্বপূৰ্ণ ভাগ হিচাপে গণ্য কৰা হয়।

এই অধ্যায়টোত আমি চূড়ান্ত হিচাপসমূহৰ অৰ্থ, চূড়ান্ত হিচাপসমূহৰ উপাদানসমূহ আৰু যৌথ কাৰবাৰ কোম্পানীৰ চূড়ান্ত হিচাপসমূহ কেনেকৈ প্ৰস্তুত কৰা হয় সেই বিষয়ে আলোচনা কৰিম।

১৫.৩ চূড়ান্ত হিচাপসমূহৰ অৰ্থ আৰু ইয়াৰ উপাদানসমূহ (MEANING AND COMPONENTS OF FINAL ACCOUNTS)

বিত্তীয় প্ৰতিবেদনসমূহ হৈছে হিচাপৰক্ষণ পদ্ধতিৰ অন্তিম ফল। সেয়ে ইহঁতক চূড়ান্ত হিচাপ বোলা হয়। চূড়ান্ত হিচাপসমূহে (১) ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ (Trading and Profit and Loss Account) আৰু (২) উদ্বৃত্তপত্ৰ (Balance Sheet) সামৰি লয়। ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ এটা নিৰ্দিষ্ট কালৰ লাভ বা লোকচান নিৰ্ধাৰণ কৰিবৰ বাবে প্ৰস্তুত কৰা হয়। ইহঁতক একেলগে আয়ৰ প্ৰতিবেদনো (Income Statement) বোলা হয়। এই প্ৰতিবেদন দুখন অৰ্থাৎ ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ আৰু উদ্বৃত্তপত্ৰ ব্যৱসায়ৰ চূড়ান্ত ফলাফল দেখুৱাবলৈ প্ৰস্তুত কৰা হয়; সেয়ে ইহঁতক একেলগে চূড়ান্ত হিচাপ (Final Accounts) বোলা হয়। চূড়ান্ত হিচাপসমূহ উদ্বৃত্ত মিলন পত্ৰত থকা ৰাশিসমূহ আৰু অতিৰিক্ত তথ্যৰ সহায়ত প্ৰস্তুত কৰা হয়।

চূড়ান্ত হিচাপসমূহৰ উপাদানসমূহ (Components of Final Accounts)

ব্যৱসায় প্ৰতিষ্ঠানৰ প্ৰকৃতিৰ ওপৰত চূড়ান্ত হিচাপসমূহৰ উপাদানসমূহ নিৰ্ভৰ কৰে। এইটো মনত ৰাখিব লাগে যে চূড়ান্ত হিচাপসমূহ উদ্বৃত্ত মিলন পত্ৰ প্ৰস্তুত কৰাৰ পিছতহে প্ৰস্তুত কৰা হয়। ব্যৱসায় প্ৰতিষ্ঠানৰ প্ৰকৃতি 'এজনীয়া ব্যৱসায়', 'অংশীদাৰী ব্যৱসায়,' 'যৌথ কাৰবাৰ কোম্পানী' আদি হ'ব পাৰে।

পণ্য কিনা-বেচা কৰা (trading activities) ব্যৱসায় সংগঠন এটাৰ নিম্নলিখিতসমূহেই হৈছে চূড়ান্ত হিচাপসমূহৰ উপাদানসমূহ ঃ

(১) আয়ৰ প্ৰতিবেদন (Income Statement) যাক দুটা ভাগত ভগোৱা হয় ঃ

(ক) ক্ৰয়-বিক্ৰয় হিচাপ (Trading Account) - যি মুঠ লাভ বা মুঠ লোকচান দেখুৱায়;

(খ) লাভ-লোকচান হিচাপ (Profit and Loss Account) - যি প্ৰকৃত লাভ বা প্ৰকৃত লোকচান দেখুৱায়; আৰু

(২) উদ্বৃত্তপত্ৰ (Balance Sheet)।

যদি ব্যৱসায় প্ৰতিষ্ঠানটোৱে পণ্যৰ উৎপাদন কার্য চলায়, তেন্তে ব্যৱসায় প্ৰতিষ্ঠানে ক্ৰয়-বিক্ৰয় হিচাপ প্ৰস্তুত কৰাৰ আগতে উৎপাদন ব্যয় হিচাপ (Manufacturing Account) প্ৰস্তুত কৰে।

১৫.৪ কোম্পানী আইনৰ প্ৰাসঙ্গিক ব্যৱস্থাৱলী (RELEVANT PROVISIONS OF COMPANIES ACT)

বর্তমান বিত্তীয় প্ৰতিবেদন হিচাপে জনাজাত চূড়ান্ত হিচাপসমূহক দুটা ভাগত ভগোৱা হয়।

(১) আয় বা ৰাজস্ব প্ৰতিবেদন (Income or Revenue Statement), আৰু

(২) আর্থিক অৱস্থাৰ প্ৰতিবেদন (Position Statement)।

আয়ৰ প্ৰতিবেদন পদটো পৌৰাণিকভাৱে 'লাভ-লোকচান হিচাপ' আৰু আর্থিক অৱস্থাৰ প্ৰতিবেদনক 'উদ্বৃত্তপত্ৰ' বুলি জনা যায়।

কোম্পানীসমূহৰ হিচাপৰ চূড়ান্তকৰণৰ কার্যপ্ৰণালী কিছুমান বিধিবদ্ধ প্ৰয়োজনীয়তা আৰু কোম্পানী আৰ্হিৰ ব্যৱসায়ৰ লগত জড়িত কিছুমান বিশেষ পদৰ বাহিৰে অনা নিগমকৃত ব্যৱসায় প্ৰতিষ্ঠানৰ (non-corporate business entities) পৰা বেছি পার্থক্য নহয়। ২০১৩ চনৰ ভাৰতীয় কোম্পানী আইনৰ ১২৯ ধাৰাৰ ব্যৱস্থা অনুসৰি কোম্পানীৰ বার্ষিক সাধাৰণ সভাত সঞ্চালক মণ্ডলীয়ে কোম্পানীৰ বিত্তীয় প্ৰতিবেদনসমূহ উপস্থাপন কৰিব লাগে।

২০১৩ চনৰ কোম্পানী আইনত ১২৮ ৰ পৰা ১৩৮ ধাৰালৈকে কোম্পানীসমূহৰ চূড়ান্ত হিচাপ প্ৰস্তুতকৰণ আৰু ইহঁতৰ উপস্থাপনৰ লগত জড়িত আইনৰ ব্যৱস্থাৱলীৰ বিষয়ে নির্দেশনা দিয়া আছে। ১২৮ ধাৰাত নির্দেশ দিয়া হৈছে যে উপার্জিত (accrual) ভিত্তি অনুসৰণ কৰি কোম্পানীয়ে উপযুক্ত হিচাপৰ বহীসমূহ সংৰক্ষণ কৰিব লাগে যাতে উক্ত হিচাপৰ বহীসমূহে কোম্পানীৰ অৱস্থাৰ শুদ্ধ আৰু স্পষ্ট অভিমত দাঙি ধৰিব পাৰে।

তৃতীয় সূচীত কোম্পানীসমূহে প্ৰস্তুত কৰিবলগীয়া চূড়ান্ত হিচাপসমূহৰ বিষয়ে উল্লেখ আছে। আনহাতে 211 ধাৰাত উদ্বৃত্তপত্ৰ আৰু লাভ-লোকচান হিচাপৰ আর্হি (form) আৰু বিষয়বস্তুৰ (content) বিষয়ে উল্লেখ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ২০১৩ চনৰ কোম্পানী আইনত চূড়ান্ত হিচাপসমূহ প্রস্তুত কৰণৰ কি কি প্রাসঙ্গিক ব্যৱস্থাৱলী আছে?

.....

.....

.....

হিচাপবিদ্যাৰ মানৰ আজ্ঞাপলন (Compliance with Accounting Standards) ঃ

31.10.1998 তাৰিখৰ পৰা বলবৎ হোৱা ২০১৩ চনৰ কোম্পানী আইনে ভাৰতবর্ষৰ চনদপ্রাপ্ত গাণনিক সংস্থাই অনুমোদন কৰা আৰু হিচাপবিদ্যাৰ মানৰ জাতীয় উপদেষ্টা সমিতিৰ (National Advisory Committee on Accounting Standard চমুকৈ NACAS) পৰামর্শ মর্মে কেন্দ্রীয় চৰকাৰে নির্দিষ্ট কৰি দিয়া প্রয়োগ কৰিবলগীয়া হিচাপবিদ্যাৰ মানসমূহ কোম্পানীসমূহে মানি চলাটো বাধ্যতামূলক কৰিছে। যিবোৰ ক্ষেত্রত ইহঁতক মানি লোৱা নহয়, মানি নোলোৱাৰ কাৰণ আৰু ইয়াৰ বাবে হোৱা বিত্তীয় প্রভাৱ প্রকাশ কৰিব লাগে।

চূড়ান্ত হিচাপসমূহৰ অনুমোদন আৰু বিশ্বাসযোগ্যতা (Approval and authentication of the Final Accounts) :

কোম্পানীসমূহৰ আইনৰ ১৩৪ ধাৰাত উল্লেখ কৰিছে যে প্রতিটো কোম্পানীৰ উদ্বৃত্তপত্র আৰু লাভ-লোকচান হিচাপ সঞ্চালক মণ্ডলীৰ দ্বাৰা অনুমোদন কৰিব লাগে। অনুমোদনৰ পিছত এই প্রতিবেদনসমূহ কোম্পানীৰ সমল ব্যক্তি (hairperson) বা অতি কমেও দুজন সঞ্চালকে, ইয়াৰে এজন পৰিচালন সঞ্চালক হ'ব লাগিব, স্বাক্ষৰ কৰিব লাগে। সঞ্চালক মণ্ডলীৰ দ্বাৰা অনুমোদন আৰু উপযুক্ত বিশ্বাসযোগ্যতা প্রমাণৰ পিছত চূড়ান্ত হিচাপসমূহ হিচাপ পৰীক্ষকৰ ওচৰত তেওঁলোকৰ তাৰ ওপৰত প্রতিবেদন দিবৰ বাবে দাখিল কৰা হয়।

১৫.৫ চূড়ান্ত হিচাপসমূহৰ গঠন প্রণালী (STRUCTURE OF FINAL ACCOUNTS)

চূড়ান্ত তৃতীয় সূচীত নির্দিষ্ট কৰি দিয়া হৈছে। প্রথম খণ্ডত কোম্পানীৰ অংশপত্রিক মূলধন, দেনাসমূহ আৰু সম্পত্তিসমূহৰ তথ্য প্রকাশ কৰিব লাগে।

সূচীৰ দ্বিতীয় খণ্ডটো কোম্পানীৰ লাভ-লোকচান হিচাপত প্রকাশ কৰিবলগীয়া তথ্যৰ লগত জড়িত।

এইখিনিতে উল্লেখ কৰিব পাৰি যে নিম্নলিখিত কোম্পানীসমূহে কোম্পানী আইনৰ ব্যৱস্থাৱলী অনুসৰি তেওঁলোকৰ চূড়ান্ত হিচাপসমূহ প্রস্তুত নকৰে—

(১) বীমা কোম্পানীসমূহে ;

(২) বেংক কোম্পানীসমূহে ; আৰু

(৩) বিদ্যুৎ কোম্পানীসমূহে।

এই কোম্পানীসমূহে তেওঁলোকৰ চূড়ান্ত হিচাপসমূহ উক্ত কোম্পানীসমূহৰ সংশ্লিষ্ট নিয়ন্ত্রণকাৰী আইনসমূহৰ ব্যৱস্থাৰ অধীনত প্রয়োজন অনুসৰি প্রস্তুত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ ২০১৩ চনৰ কোম্পানী আইনৰ তৃতীয়সূচীত নির্দিষ্ট কৰা চূড়ান্ত হিচাপসমূহৰ গঠন প্রণালী কেনেকুৱা?

.....

.....

.....

১৫.৫.১ উদ্বৃত্ত পত্র (BALANCE SHEET)

Name of the Company

Balance Sheet

as at.....

(s in.....)

Particulars	Note No.	Figures as at the End of Current Reporting Period	Figures as at the End of Previous Reporting Period
1. EQUITY AND LIABILITIES			
(1) Shareholders' Funds			
(a) Share Capital		....	...
(b) Reserves and Surplus		...	...
(c) Money Received Against Share Warrants		...	...
(2) Share Application Money Pending Allotment			
(3) Non-current Liabilities			
(a) Long-term Borrowings		...	...
(b) Deferred Tax Liabilities (Net)		...	...
(c) Other Long-term Liabilities		...	...
(d) Long-term Provisions		....	...
(4) Current Liabilities			
(a) Short-term Borrowings		...	...
(b) Trade Payables		...	...
(c) Other Current Liabilities		...	...
(d) Short-term Provisions		...	...
Total			

II. ASSETS			
(1) Non Current Assets			
(a) Fixed Assets			
(i) Tangible Assets		...	...
(ii) Intangible Assets		...	...
(iii) Capital Work-in-progress		...	...
(iv) Intangible Assets Under Development		...	...
(b) Non-current Investments		...	...
(c) Deferred Tax Assets (Net)		...	...
(d) Long-term Loans and Advances		...	...
(e) Other Non-current Assets		...	...
(2) Current Assets		...	...
		...	...
(a) Current Investments		...	...
(b) Inventories		...	...
(c) Trade Receivables			
(d) Cash and Cash Equivalents		...	...
(e) Short-term Lonas and Advances		...	...
(f) Other Current Assets		...	...
Total			



জানি থোৱা ভাল

এটা উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথা।

১। ১ এপ্ৰিল, ২০১১ ৰ পৰা বা তাৰ পাছৰ বিত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰিবলগীয়া ভাৰতীয়া কোম্পানীসমূহক এইটো প্ৰয়োগ হ'ব।

২। অন্য আইনৰ অন্তৰ্গত নিৰ্দিষ্ট কৰা উদ্বৃত্ত-পত্ৰ বা আয় প্ৰতিবেদন প্ৰয়োগ কৰা কোম্পানী বা বিমা বা বেংকিং কোম্পানীক ই প্ৰয়োগ নহয়।

৩। ২০১৩ ৰ কোম্পানী আইনৰ তৃতীয় সূচীৰ ওপৰত হিচাপৰক্ষণৰ মানদণ্ড প্ৰভাৱশালী থাকিব।

৪। বিত্তীয় প্ৰতিবেদনৰ সন্মুখত বা টোকাত প্ৰকাশকৰণ কৰা প্ৰয়োজনীয় আৰু বাধ্যতামূলক।

৫। সংশোধিত তৃতীয় সূচীত থকা শব্দসমূহে প্ৰযোজ্য হিচাপৰক্ষণৰ মাণদণ্ডই সংজ্ঞা দিয়া অৰ্থ বুজাব।

৬। বিত্তীয় প্ৰতিবেদন সম্পৰ্কীয় মাত্ৰাধিক তথ্য যিবোৰ ব্যৱহাৰকাৰীক প্ৰয়োজন নহয়, তেনে তথ্যৰ সন্তুলন অব্যাহত ৰখা প্ৰয়োজন।

৭। সম্পত্তি আৰু দেনাসমূহ চলিত আৰু অচলিত ভাগত দ্বিখণ্ডন কৰিব লাগিব।

৮। সংখ্যাবোৰ ৰাউণ্ড অফ কৰা বাধ্যতামূলক।

৯। বিত্তীয় প্ৰতিবেদনৰ প্ৰস্তুতি উলম্ব ৰূপত দেখোৱাব লাগিব।

১০। লাভ-লোকচান হিচাপৰ বিবৃতিত প্ৰকাশ কৰা লোকচানৰ পৰিমাণ ৰাহি (surplus) শীৰ্ষক তলত নেতিবাচক সংখ্যা হিচাপে প্ৰস্তুত কৰিব লাগিব।

১১। অংশপত্ৰ আবেদনৰ ঋণ যাৰ বিনিময়ত অংশ আৱন্টন কৰা হোৱা নাই তেনে ধৰণৰ প্ৰকাশ কৰা বাধ্যতামূলক।

১২। "Trade Receivables" আৰু "Trade Payables" শব্দবোৰক "Sundry Debtone" আৰু "Sundry Debtons" শব্দৰে সলনি কৰিব লাগিব।

১৫.৫.২ লাভ-লোকচান হিচাপ বিবৃতি (Statement of Profit and Loss)

এতিয়া আমি এটা কোম্পানীৰ লাভ-লোকচান হিচাপৰ বিবৃতিৰ বিষয়ে জানো আহক। ২০১৩ চনৰ কোম্পানী আইনত লাভ-লোকচান হিচাপৰ উপস্থাপনৰ বাবে কোনো আৰ্হি নিৰ্দিষ্ট কৰি দিয়া নাই। গতিকে এটা কোম্পানীৰ লাভ-লোকচান হিচাপ এনেদৰে প্ৰস্তুত কৰিব লাগে যাতে ই কোনো এটা নিৰ্দিষ্ট হিচাপবৰ্ষৰ খৰচ, আয়, লোকচান বা লাভ আদি বিষয়সমূহৰ তথ্য যিমানদূৰ সম্ভৱ বিতংভাৱে যোগান ধৰিব পাৰে।

২০১৩ চনৰ কোম্পানী আইন অনুসৰি এটা কোম্পানীয়ে লাভ-লোকচান হিচাপ আৰু উদ্বৃত্তপত্ৰ প্ৰস্তুত কৰিব লাগে।

তথাপি, কোম্পানী আইনৰ তৃতীয় সূচীৰ দ্বিতীয় অংশৰ অধীনত প্ৰয়োজন হোৱা লাভ-লোকচান হিচাপৰ প্ৰয়োজনীয়তাৰ ভিত্তিত আপোনাৰ সদ্য প্ৰসঙ্গৰ বাবে এখন লাভ-লোকচান হিচাপৰ বিবৃতিৰ আৰ্হি দিয়া হ'ল।

Proforma of Statement of Profit and Loss

Name of the Company .....

Statement of Profit and Loss

for the year ending .....

(s in.....)

Particulars	Note No.	Figures For the Current Reporting Period	Figures For the Previous Reporting Period
I. Revenue from Operations		....	...
II. Other Income		...	...
III. Total Revenue (I+II)		...	...
IV. Expenses			
Cost of Materials Consumed		...	...
Purchases of Stock-in-trade		...	...

Changes in Inventories of Finished Goods		....	...
Work-in-progress and Stock-in-trade		...	...
Employees Benefits Expenses		...	...
Finance Costs			
Depreciation and Amortisation Expenses		...	...
Other Expenses		...	...
Total Expenses		...	...
V. Profit before Exceptional and Extraordinay		...	...
Items and Tax (III-IV)		...	...
VI. Exceptional Items		...	...
VII. Profit before Extraordinary Items			
and Tax (V-VI)		...	...
VIII. Extraordinary Items			
IX. Profit before Tax (VII-VIII)		...	...
X. Tax Expenses			
(1) Current Tax		...	...
(2) Deferred Tax		...	...
XI. Profit (Loss) for the Period from			
Continuing Operations (VII-VIII)		...	...
XII. Profit (Loss) from Discontinuing		...	...
Operations		...	...
XIII. Tax Expense of Discontining		...	...
Operations		...	...
XIV. Profit (Lose) from Discontinuing		...	...
Operations (After tax) (XII-XIII)			
XV. Profit (Loss) for the Period (XI-XIV)		...	...
XVI. Earnings per Equity Share			
(1) Basic		...	...
(2) Diluted			
		...	...

১৫.৬ এটা কোম্পানীৰ চূড়ান্ত হিচাপসমূহ প্ৰস্তুত কৰোঁতে বিশেষভাৱে মনোযোগ দিবলগীয়া কিছুমান পদ (SOME ITEMS WHICH REQUIRE SPECIAL ATTENTION AT THE TIME OF PREPARATION OF FINAL ACCOUNTS OF A COMPANY)

এতিয়া আমি এটা কোম্পানীৰ চূড়ান্ত হিচাপসমূহ প্ৰস্তুত কৰোতে পোৱা কিছুমান বিশেষ পদৰ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিম।

(১) **প্ৰাৰম্ভিক খৰচসমূহ (Preliminary Expenses) ঃ** প্ৰাৰম্ভিক খৰচসমূহৰ যিটো অংশ এটা নিৰ্দিষ্ট বছৰত অৱলোপন কৰিব লাগে সেই অংশৰ পৰিমাণ লাভ-লোকচান হিচাপত ডেবিট কৰা হয় আৰু অৱলোপন নকৰাকৈ বাকী থকা পৰিমাণ উদ্বৃত্তপত্ৰৰ সম্পত্তি দিশত বিভিন্ন ব্যয় (Miscellaneous Expenditure) শিতানৰ অধীনত দেখুওৱা হয়।

(২) **ষ্টক বিনিময় বজাৰৰ তালিকাভুক্তকৰণ মাচুল (Stock Exchang Listing fee) ঃ** ই এটা পৌণঃপুনিক ব্যয় আৰু ই ৰাজস্ব প্ৰকৃতিৰ। সেয়ে ইয়াক লাভ-লোকচান হিচাপৰ ডেবিট দিশত দেখুওৱা হয়।

(৩) **কোম্পানীসমূহৰ পঞ্জীয়কৰ ওচৰত দাখিল কৰা মাচুল (Filing fee with the Registrar i.e. ROC) ঃ** ই পৌনঃপুনিক আৰু ৰাজস্ব প্ৰকৃতিৰ ব্যয়। গতিকে ইয়াক লাভ-লোকচান হিচাপৰ ডেবিট দিশত দেখুওৱা হয়।

(৪) **ঋণপত্ৰৰ বাট্টা/বিলি কৰা খৰচ/বিলি কৰোঁতে হোৱা লোকচান (Discount/cost of issue/loss on the issue of debentures) ঃ** কোনো নির্দিষ্ট বছৰত অৱলোপন কৰিবলগীয়া বাট্টা/লোকচানৰ পৰিমাণ সেই বছৰৰ লাভ-লোকচান হিচাপত ডেবিট কৰা হয় আৰু অৱলোপন নকৰাকৈ থকা উদ্বৃত্তৰ পৰিমাণ উদ্বৃত্তপত্ৰৰ সম্পত্তিৰ দিশত বিভিন্ন ব্যয় শিতানত দেখুওৱা হয়।

(৫) **সঞ্চালকৰ মাচুল (Directors fees) ঃ** সঞ্চালক মণ্ডলীৰ সভা বা যিকোনো সভাত উপস্থিত থকা বাবে সঞ্চালকসকলক পৰিশোধ কৰা যিকোনো মাচুল খৰচ হিচাপে গণ্য কৰা হয় আৰু ইহঁতক লাভ-লোকচান হিচাপৰ ডেবিট দিশত দেখুৱা হয়।

(৬) **পৰিচালনা সংক্ৰান্তীয় পাৰিশ্ৰমিক (Managerial Remuneration) ঃ** পৰিচালনা সংক্ৰান্তীয় পাৰিশ্ৰমিক ব্যৱসায়ৰ ব্যয় হিচাপে গণ্য কৰা হয় আৰু ইয়াক লাভ-লোকচান হিচাপত দেখুৱা হয়।

(৭) **ঋণপত্ৰৰ ওপৰত সুত (Interest on Debentures) ঃ** ঋণপত্ৰৰ ওপৰত সুত ব্যৱসায়ৰ খৰচ হিচাপে গণ্য কৰা হয় আৰু সেয়ে ইয়াক লাভৰ বিপৰীতে ধার্য কৰা হয়। সুত পৰিশোধ কৰা হৈছে নে নাই তাক বিবেচনা নকৰি হিচাপবর্ষৰ বাবে প্ৰযোজ্য হোৱা মুঠ সুতৰ পৰিমাণ লাভ-লোকচান হিচাপত ডেবিট কৰা হয়।

(৮) **ঋণপত্ৰৰ সুতৰ ওপৰত আয়কৰ (Income Tax on Interest on Debentures) ঃ** যদি কোম্পানীয়ে ঋণপত্ৰৰ সুতৰ ওপৰত আয়কৰ কর্তন কৰিছে আৰু বিত্তীয় বছৰৰ অন্তত তেনে আয়কৰ চৰকাৰক জমা দিয়া নাই, তেনেহ'লে তেনে আয়কৰৰ পৰিমাণ উদ্বৃত্ত মিলন পত্ৰৰ ক্ৰেডিট দিশত দৃষ্টিগোচৰ হয় আৰু এই পৰিমাণ উদ্বৃত্তপত্ৰৰ দেনাদিশৰ "চলিত দেনা আৰু ভৱিষ্যত ব্যৱস্থা" শিতানৰ "ভৱিষ্যত ব্যৱস্থা" উপশিতানৰ অধীনত দেখুৱা হয়।

(৯) **কৰাৰোপণৰ ভৱিষ্যত ব্যৱস্থা (Provision for Taxation) ঃ** কৰাৰোপণৰ ভৱিষ্যত ব্যৱস্থা লাভৰ বিপৰীতে ধার্য্য হিচাপে গণ্য কৰা হয়; সেয়ে ইয়াক লাভ-লোকচান হিচাপত দেখুৱা হয়। কৰাৰোপণৰ ভৱিষ্যত ব্যৱস্থাৰ পৰিমাণ পুনৰ উদ্বৃত্ত পত্ৰৰ দেনাদিশত 'চলিত দেনা আৰু ভৱিষ্যত ব্যৱস্থা' শিতানৰ 'ভৱিষ্যত ব্যৱস্থা' উপশিতানৰ অধীনত দেখুৱা হয়।

(১০) **অনাদায়ী তলবী ধন (Calls-in-Arrear)** ঃ কোম্পানীয়ে অংশধাৰকসকলৰ ওপৰত তলব কৰা আৰু তেওঁলোকে আদায় নিদিয়া তলবী ধনৰ পৰিমাণকেই অনাদায়ী তলবী ধন বোলা হয়। উদ্বৃত্তপত্ৰ প্ৰস্তুত কৰোতে অনাদায়ী তলবী ধনৰ ব্যৱস্থাৱলী নিম্নলিখিত ধৰণেৰে ব্যৱস্থা কৰা হয় ঃ

(ক) **যেতিয়া অনাদায়ী তলবী ধন উদ্বৃত্ত মিলন পত্ৰৰ এটা পদ হিচাপে প্ৰকাশ পায় (Where calls-in-arrear appears as an item in the Trial Balance)** ঃ যদি অনাদায়ী তলবী ধন উদ্বৃত্ত মিলন পত্ৰৰ ভিতৰত দৃষ্টিগোচৰ হয় তেতিয়া ইয়াক উদ্বৃত্ত পত্ৰৰ দেনাদিশৰ অংশপত্ৰিক মূলধনৰ মুখ্য শিতানৰ অধীনত তলবী মূলধনৰ পৰা বিয়োগ কৰি দেখুৱা হয়।

(খ) **যেতিয়া অনাদায়ী তলবী ধন সংযোজনৰ এটা পদ হিচাপে উপস্থাপন হয় (Where calls-in-arrear appears as an item of adjustment)** ঃ যদি এই পদটো এটা সংযোজন পদ হিচাপে দিয়া হয়, তেতিয়া ইয়াৰ অৰ্থ হয় যে উদ্বৃত্ত মিলন পত্ৰই তলবী মূলধনৰ সলনি আদায়ীকৃত মূলধন দেখুৱাইছে। এনে ক্ষেত্ৰত অনাদায়ী তলবী ধন প্ৰথমতে আদায়ীকৃত মূলধনৰ লগত যোগ কৰি তলবী মূলধনৰ পৰিমাণ নিৰ্ধাৰণ কৰিব লাগে আৰু পিছত তলবী মূলধনৰ পৰিমাণৰ পৰা ইয়াক বিয়োগ কৰি পুনৰ আদায়ীকৃত মূলধনৰ পৰিমাণ নিৰ্ধাৰণ কৰিব লাগে।

(১১) **লাভাংশ/সুত প্ৰাপ্তি (Dividend/Interest received)** ঃ এই পদসমূহ উদ্বৃত্ত মিলন পত্ৰৰ ক্ৰেডিট দিশত প্ৰতীয়মান হয় আৰু ইহঁতক লাভ-লোকচান হিচাপৰ ক্ৰেডিট দিশলৈ স্থানান্তৰ কৰা হয়।

(১২) **লাভাংশ (Dividend)** ঃ লাভাংশ হৈছে প্ৰতিজন সদস্যই ধাৰণ কৰা অংশৰ সংখ্যা আৰু তাৰ লগত সংলগ্ন হোৱা চর্ত অনুসৰি এটা কোম্পানীয়ে ইয়াৰ সদস্যসকলৰ মাজত বিতৰণ কৰা বিভাজনীয় লাভৰ এটা অংশ। অগ্ৰাধিকাৰ আৰু সমাংশ দুয়োবিধ অংশধাৰককে লাভাংশ পৰিশোধ কৰা হয়। কোম্পানীয়ে লাভাংশ কেৱল মাত্ৰ ইয়াৰ লাভৰ পৰা পৰিশোধ কৰিব পাৰে। লাভাংশ অংশৰ আদায়ীকৃত মূল্যৰ ভিত্তিত নে অভিহিত মূল্যৰ ভিত্তিত পৰিশোধ কৰিব সেইটো কোম্পানীটোৰ আভ্যন্তৰীণ নিয়মাৱলীত থকা ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে।

এটা কোম্পানীৰ দ্বাৰা লাভাংশ ঘোষণা আৰু পৰিশোধ কৰাৰ লগত জড়িত বিভিন্ন বিষয়সমূহ তলত আলোচনা কৰা হ'ল।

(ক) **মধ্যকালীন লাভাংশ (Interim Dividend)** ঃ মধ্যকালীন লাভাংশই চূড়ান্ত হিচাপসমূহ প্ৰস্তুত কৰাৰ আগতে বছৰটোৰ ভিতৰত কোম্পানীয়ে ঘোষণা আৰু পৰিশোধ কৰা লাভাংশৰ পৰিমাণক বুজায়। মধ্যকালীন লাভাংশ সঞ্চালক মণ্ডলীয়ে ঘোষণা আৰু পৰিশোধ কৰে আৰু এনে লাভাংশ পৰিশোধ অনুমোদন কৰিবৰ বাবে অংশধাৰকসকলৰ সভা আহ্বান কৰাৰ প্ৰয়োজন নহয়। 2000 চনৰ

কোম্পানী (সংশোধন) আইনত কোম্পানী আইনৰ 2 ধাৰাত এটা নতুন উপধাৰা (14A) সন্নিৱিষ্ট কৰি কৈছে যে মধ্যকালীন লাভাংশ, লাভাংশ সংজ্ঞাৰ ভিতৰত অন্তর্ভুক্ত হৈ আছে।

যেতিয়া মধ্যকালীন লাভাংশ পৰিশোধ কৰা হয় তেতিয়া এই পদটো উদ্বৃত্ত মিলন পত্রৰ ডেবিট দিশত দেখা যাব। ই লাভৰ উপযোজন পদ আৰু সেয়ে ইয়াক লাভ-লোকচান উপযোজন হিচাপত দেখুৱা হয়।

(খ) **চূড়ান্ত লাভাংশ (Final Dividend) ঃ** চূড়ান্ত লাভাংশ উদ্বৃত্ত মিলন পত্রৰ ভিতৰত প্রকাশিত হয় আৰু ইয়াক লাভ-লোকচান উপযোজন হিচাপত ডেবিট কৰা হয়।

(গ) **প্রস্তাৱিত লাভাংশ (Proposed Dividend) ঃ** কোম্পানী আইনৰ প্রথম সূচীৰ A তালিকাৰ 85 ধাৰাই ব্যৱস্থা কৰিছে যে কোম্পানীৰ সাধাৰণ সভাত লাভাংশ ঘোষণা কৰিব পাৰে, কিন্তু লাভাংশৰ পৰিমাণ সঞ্চালকমণ্ডলীয়ে অনুমোদন কৰা পৰিমাণতকৈ বেছি হ'ব নোৱাৰিব। যদিও সাধাৰণ সভাত অংশধাৰকসকলক লাভাংশ ঘোষণা কৰিবৰ বাবে ক্ষমতা দিছে, কিন্তু লাভাংশ ঘোষণা কৰিব নে নকৰিব এই ক্ষমতা সম্পূর্ণকৈ সঞ্চালকমণ্ডলীৰ ওপৰত ন্যস্ত কৰিছে। যদি সঞ্চালকসকলে তেওঁলোকৰ ক্ষমতা অনুসৰি ভাবে যে লাভাংশ ঘোষণা কৰিব নালাগে আৰু সেয়ে লাভাংশ ঘোষণা কৰিবৰ বাবে তেওঁলোকে অনুমোদন নকৰে তেনেহ'লে সাধাৰণ সভাত অংশধাৰকসকলে লাভাংশ ঘোষণা কৰিব নোৱাৰে। সেয়ে সঞ্চালকসকলে তেওঁলোকৰ ক্ষমতাত এটা নির্দিষ্ট হাৰত লাভাংশ ঘোষণা কৰিবৰ বাবে অনুমোদন কৰিব পাৰে আৰু সাধাৰণ সভাত অংশধাৰকসকলে অৱশ্যে সঞ্চালক মণ্ডলীয়ে অনুমোদন কৰা হাৰতকৈ কম হাৰত লাভাংশ ঘোষণা কৰিব পাৰে; কিন্তু কোনো ক্ষেত্রতে তেওঁলোকে লাভাংশৰ হাৰ বৃদ্ধি কৰিব নোৱাৰে।

প্রস্তাৱিত লাভাংশ পদটো সদায় সংযোজন হিচাপে প্রকাশিত হয়। যিহেতু ই সদায়ে সংযোজনৰ পদ হয়, দ্বৈত প্রভাৱ সম্পূর্ণ কৰিবৰ বাবে প্রথমতে লাভ-লোকচান উপযোজন হিচাপৰ ডেবিট দিশত দেখুৱা হয় আৰু পিছত উদ্বৃত্তপত্রৰ দেনা দিশত 'চলিত দেনা আৰু ভৱিষ্যত ব্যৱস্থা' শিতানৰ 'ব্যৱস্থাসমূহ' উপশিতানত দেখুৱা হয়।

টোকা (Note) ঃ

লাভাংশ ঘোষণা কৰা প্রস্তাৱত বেলেগ ধৰণে একো উল্লেখ নকৰিলে চূড়ান্ত লাভাংশ ঘোষণা কৰোতে মধ্যকালীন লাভাংশ সংযোজন কৰা নহয়। আন কথাত ক'বলৈ গ'লে চূড়ান্ত লাভাংশ ঘোষণা কৰা প্রস্তাৱত পৰিশোধ কৰা মধ্যকালীন লাভাংশ সংযোজন কৰা বিষয়ে স্পষ্টভাৱে একো উল্লেখ নকৰিলে চূড়ান্ত লাভাংশ/প্রস্তাৱিত লাভাংশক বছৰটোৰ ভিতৰত ইতিমধ্যে পৰিশোধ কৰা মধ্যকালীন লাভাংশৰ ওপৰঞ্চি হিচাপে গণ্য কৰা হ'ব। এইটো মনত ৰাখিব লাগে যে অগ্রিম তলবী ধনৰ ওপৰত

কোনো লাভাংশ দিয়া নহয়।

(ঘ) **অগ্ৰাধিকাৰযুক্ত অংশৰ ওপৰত লাভাংশ (Dividend on Preference Shares)ঃ** লাভাংশৰ ক্ষেত্ৰত অগ্ৰাধিকাৰযুক্ত অংশধাৰকসকল সমাংশ অংশ ধাৰকসকলতকৈ অগ্ৰাধিকাৰ স্বত্ব পায়। সাধাৰণতে, অগ্ৰাধিকাৰযুক্ত অংশৰ ওপৰত লাভাংশ সমাংশ অংশধাৰকসকলক লাভাংশ পৰিশোধ কৰাৰ আগতে এক স্থিৰ হাৰত পৰিশোধ কৰা হয়। কিন্তু তেওঁলোকে তেওঁলোকৰ অগ্ৰাধিকাৰযুক্ত স্বত্ব তেতিয়াহে প্ৰয়োগ কৰিব পাৰে যেতিয়া কোম্পানীৰ বিভাজনীয় লাভৰ পৰিমাণ থাকে আৰু তেনে লাভ বিতৰণ কৰিবৰ বাবে সঞ্চালকমণ্ডলীয়ে অনুমোদন কৰে। যদি অগ্ৰাধিকাৰযুক্ত অংশৰ ওপৰত কোনো লাভাংশ প্ৰস্তাৱ কৰা হয়, তেতিয়া ইয়াক সংযোজন হিচাপে দেখুৱা হয়। গতিকে, ইয়াক প্ৰথমতে লাভ-লোকচান উপযোজন হিচাপৰ ডেবিট দিশত আৰু পিছত উদ্বৃত্তপত্ৰৰ দেনা দিশৰ 'চলিত দেনা আৰু ভৱিষ্যত ব্যৱস্থাসমূহ' শিতানৰ 'ভৱিষ্যত ব্যৱস্থাসমূহ' উপশিতানত দেখুৱা হয়।

আকৌ যদি অগ্ৰাধিকাৰযুক্ত অংশসমূহ অংশগ্ৰহণকাৰী (participating) হয়, তেতিয়া অতিৰিক্ত লাভাংশ কোম্পানীৰ আভ্যন্তৰীণ নিয়মাৱলীৰ ব্যৱস্থা অনুসৰি অগ্ৰাধিকাৰযুক্ত অংশধাৰকসকলক পৰিশোধ কৰিব লাগিব।

(১৩) **সঞ্চিত পুঁজিলৈ স্থানান্তৰ (Transfer to Reserve) ঃ** 2013 চনৰ কোম্পানী আইনে সন্নিৱিষ্ট কৰি ব্যৱস্থা কৰিছে যে চলিত বছৰৰ লাভৰ পৰা লাভাংশ ঘোষণা আৰু পৰিশোধ কৰাৰ আগতে কোম্পানীটোৱে উক্ত লাভৰ পৰা এক নিৰ্দিষ্ট শতাংশ লাভ (দহ শতাংশতকৈ বেছি হ'ব নোৱাৰিব) সঞ্চিত পুঁজিলৈ স্থানান্তৰ কৰিব লাগে।

1975 চনৰ কোম্পানী (লাভ সঞ্চিত পুঁজিলৈ স্থানান্তৰ কৰা) নিয়মৰ 2 নং নিয়ম অনুসৰি কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট কৰি দিছে যে যিকোনো লাভাংশ পৰিশোধ কৰাৰ আগতে কোম্পানীটোৱে উক্ত বছৰটোৰ ইয়াৰ লাভৰ এক নিৰ্দিষ্ট শতাংশ সঞ্চিত পুঁজিলৈ স্থানান্তৰ কৰিব লাগে। এই হাৰসমূহ নিম্নলিখিত ধৰণৰ—

লাভাংশৰ হাৰ (Rate of Dividend)	**সঞ্চিত পুঁজিলৈ স্থানান্তৰ (Transfer to Reserve)**
10% তকৈ অধিক কিন্তু 12.5% কৈ অধিক নহয়	আয়কৰ বাদে লাভৰ $2^1/_2$%
12.5% তকৈ অধিক কিন্তু 15% কৈ অধিক নহয়	আয়কৰ বাদে লাভৰ 5%
15% তকৈ অধিক কিন্তু 20% কৈ অধিক নহয়	আয়কৰ বাদে লাভৰ $7^1/_2$%
20% তকৈ অধিক	আয়কৰ বাদে লাভৰ 10%

ওপৰৰ পৰা এইটো স্পষ্ট হয় যে যদি লাভাংশৰ হাৰ 10% তকৈ বেছি নহয় তেতিয়া সঞ্চিত পুঁজিলৈ লাভ স্থানান্তৰ কৰাটো বাধ্যতামূলক নহয়। তথাপি, কোম্পানীয়ে ওপৰত উল্লেখ কৰা পৰিমাণতকৈ উচ্চ শতাংশ লাভ সঞ্চিত পুঁজিলৈ স্থানান্তৰ কৰিব পাৰে।

গতিকে সঞ্চিত পুঁজিলৈ লাভ স্থানান্তৰ বিধিবদ্ধ বা ইচ্ছাধীন হ'ব পাৰে।

(১৪) **নিগমকৃত লাভাংশ কৰ (Corporate Dividend Tax) ঃ** 1997 চনৰ বিত্তীয় বিলত 1997 চনৰ 1 জুনৰ পৰা কোম্পানীৰ লাভাংশৰ ওপৰত এক কৰাৰোপণ ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়। এই কৰকেই নিগমকৃত লাভাংশ কৰ নামকৰণ কৰা হয়। যিকোনো ঘৰুৱা কোম্পানীয়েই লাভাংশ ঘোষণা, বিতৰণ আৰু পৰিশোধ কৰোতে সংশ্লিষ্ট বছৰৰ বাবে প্ৰযোজ্য হোৱা হাৰত এই কৰ পৰিশোধ কৰিব লাগে। এইখিনিতে উল্লেখ কৰিব পাৰি যে 2000 চনৰ বিত্তীয় বিলত নিগমকৃত লাভাংশ কৰ পৰিহাৰ কৰা হৈছিল যদিও 2003 চনৰ বিত্তীয় বিলত ইয়াক পুনৰ প্ৰৱৰ্তন কৰা হয় আৰু উক্ত বিলতে 1.4.2003 তাৰিখৰ পৰা নিগমকৃত লাভাংশ কৰ $12^{1}/_{2}\%$ হাৰত স্থিৰ কৰা হয়। মুঠ আয়ৰ ওপৰত ধাৰ্য কৰিবলগীয়া আয়কৰৰ উপৰিও কোম্পানীসমূহে নিগমকৃত লাভাংশ কৰ পৰিশোধ কৰিব লাগে।

নিগমকৃত লাভাংশ কৰ অগ্ৰাধিকাৰযুক্ত আৰু সমাংশ মূলধনৰ ওপৰত ঘোষণা কৰা মধ্যকালীন লাভাংশসহ ঘোষণা কৰা লাভাংশৰ ওপৰত গণনা কৰা হয়।

নিগমকৃত লাভাংশ কৰ হিচাপে পৰিশোধ কৰিবলগীয়া কৰ চলিত বছৰৰ লাভৰ পৰা বা পুঞ্জীকৃত লাভৰ পৰা পৰিশোধ কৰিব লাগে, আৰু সেয়ে নিগমকৃত লাভাংশ কৰক লাভ-লোকচান উপযোজন হিচাপৰ ডেবিট দিশত দেখুৱা হয় আৰু উদ্বৃত্ত পত্ৰৰ দেনা দিশত 'চলিত দেনা আৰু ভৱিষ্যত ব্যৱস্থাসমূহ' শিতানৰ 'ভৱিষ্যত ব্যৱস্থাসমূহ' উপশিতানৰ অধীনত কেন্দ্ৰীয় চৰকাৰক কৰ পৰিশোধ নকৰালৈকে দেখুৱাব লাগে।

কেতিয়াবা নিগমকৃত লাভাংশ কৰ উদ্বৃত্ত মিলন পত্ৰৰ ভিতৰত দেখুৱা হ'ব পাৰে। ই ইয়াকে বুজায় যে কোম্পানীয়ে মধ্যকালীন লাভাংশৰ ওপৰত নিগমকৃত লাভাংশ কৰ ইতিমধ্যে পৰিশোধ কৰিছে। এনে ক্ষেত্ৰত নিগমকৃত লাভাংশ কৰ কেৱল মাত্ৰ লাভ-লোকচান উপযোজন হিচাপৰ ডেবিট দিশতহে দেখুৱা হয়।

(১৫) **অনাদায়ী লাভাংশ (Unpaid Dividend) ঃ** যদি কোনো লাভাংশ পৰিশোধ নকৰাকৈ থাকে, ইয়াক উদ্বৃত্ত মিলন পত্ৰৰ ক্ৰেডিট দিশত দেখুৱা হয়। উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰোতে ইয়াক উদ্বৃত্ত পত্ৰৰ দেনাদিশৰ 'চলিত দেনা আৰু ভৱিষ্যত ব্যৱস্থাসমূহ' শিতানৰ 'চলিত দেনাসমূহ' উপ শিতানৰ অধীনত দেখুৱা হয়।

(১৬) **দাবী নকৰা লাভাংশ (Unclaimed Dividend) ঃ** যদি কোনো লাভাংশ দাবী নকৰাকৈ থাকে তেনেহ'লে তেনে লাভাংশ উদ্বৃত্ত মিলন পত্ৰৰ ক্ৰেডিট দিশত প্ৰকাশিত হয়। উদ্বৃত্ত পত্ৰ প্ৰস্তুত কৰোতে ইয়াক উদ্বৃত্ত পত্ৰৰ দেনা দিশৰ 'চলিত দেনা আৰু ভৱিষ্যত ব্যৱস্থাসমূহ' শিতানৰ 'চলিত দেনাসমূহ' উপশিতানৰ অধীনত দেখুৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ চূড়ান্ত হিচাপসমূহত অনাদায়ী লাভাংশ আৰু দাবী নকৰা লাভাংশ কেনেদৰে ব্যৱস্থা কৰা হয় তাক উল্লেখ কৰক।

.....

.....

.....



১৫.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো—

- বিত্তীয় প্রতিবেদনসমূহ তথা চূড়ান্ত হিচাপসমূহ প্রস্তুতকৰণ হৈছে হিচাপৰক্ষণ ব্যৱস্থাৰ শেষ কার্য।
- বিত্তীয় প্রতিবেদনসমূহৰ উপাদান হৈছে আয়ৰ প্রতিবেদন আৰু বিত্তীয় অৱস্থাৰ প্রতিবেদন।
- আয়ৰ প্রতিবেদনে ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ সামৰি লয় আৰু বিত্তীয় অৱস্থাৰ প্রতিবেদনক উদ্বৃত্তপত্র বোলা হয়।
- কোম্পানী আইনৰ প্রাসঙ্গিক ব্যৱস্থাসমূহ।
- কোম্পানী আইনৰ তৃতীয় সূচীত নির্দিষ্ট কৰি দিয়া চূড়ান্ত হিচাপৰ গাঁথনি চাৰিটা অংশত বিভক্ত কৰা হয়—
  - ➢ উদ্বৃত্ত পত্র
  - ➢ লাভ-লোকচান হিচাপ
  - ➢ পৰিভাষিক ভাষান্তৰ আৰু ব্যাখ্যা
  - ➢ সবিশেষ বর্ণনা
- কোম্পানীৰ চূড়ান্ত হিচাপসমূহ প্রস্তুত কৰোতে প্রয়োজন হোৱা কিছুমান পদৰ বিশেষ ব্যৱস্থাৱলী।



১৫.৮ অধিক জানিবলৈ (FURTHER READING)

1) Maheshwari, S. N. & Maheshwari, S. K (2018). Corporate accounting. New Delhi, Vikas Publishing House Pvt. Ltd.

2) Mukherjee A. & Hanif M (2017). Corporate accounting. New Delhi,Tata McGraw- Hill Publishing Company.



১৫.৯ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্রশ্নৰ উত্তৰঃ ২০১০ চনৰ কোম্পানী আইনৰ ১২৮ ৰ পৰা ১৩৮ ধাৰালৈকে কোম্পানীসমূহৰ চূড়ান্ত হিচাপ প্রস্তুতকৰণ আৰু উপস্থাপনৰ লগত জড়িত আইনৰ ব্যৱস্থাৱলীৰ বিষয়ে নির্দেশনা দিছে। ১২৮ ধাৰাত নির্দেশ দিয়া হৈছে যে উপার্জিত ভিত্তি অনুসৰণ কৰি উপযুক্ত হিচাপৰ বহীসমূহ সংৰক্ষণ কৰিব লাগে যাতে উক্ত হিচাপৰ বহীসমূহে কোম্পানীৰ অৱস্থাৰ শুদ্ধ আৰু স্পষ্ট অভিমত দাঙি ধৰিব পাৰে।

২ নং প্রশ্নৰ উত্তৰঃ ষষ্ঠ সূচীত ব্যৱহাৰৰ কাৰণে নির্দিষ্ট কৰি দিয়া চূড়ান্ত হিচাপসমূহৰ গঠন হৈছে। প্রথম খণ্ড কোম্পানীৰ উদ্বৃত্তপত্র নামে জনাজাত প্রতিবেদনখন অংশপত্রিক মূলখন, দেনাসমূহ আৰু আৰু সম্পত্তিসমূহৰ লগত জড়িত তথ্য প্রকাশৰ লগত জড়িত হয়। সূচীৰ দ্বিতীয় খণ্ডটো কোম্পানীৰ লাভ-লোকচান হিচাপত প্রকাশ কৰিবলগীয়া তথ্যৰ লগত জড়িত।

৩ নং প্রশ্নৰ উত্তৰঃ অনাদায়ী লাভাংশ (Unpaid Dividend) ঃ যদি কোনো লাভাংশ পৰিশোধ নকৰাকৈ থাকে, ই উদ্বৃত্ত মিলনপত্রৰ ক্রেডিট দিশত প্রকাশ পায়। উদ্বৃত্তপত্র প্রস্তুত কৰোতে ইয়াক উদ্বৃত্তপত্রৰ দেনা দিশৰ 'চলিত দেনা আৰু ভৱিষ্যত ব্যৱস্থাসমূহ' শিতানৰ 'চলিত দেনাসমূহ' উপশিতানৰ অধীনত দেখুৱা হয়।

দাবী নকৰা লাভাংশ (Unclaimed Dividend) ঃ যদি কোনো লাভাংশ দাবী নকৰাকৈ থাকে তেনেহ'লে তেনে লাভাংশ উদ্বৃত্ত মিলন পত্রৰ ক্রেডিট দিশত প্রকাশিত হয়। উদ্বৃত্তপত্র প্রস্তুত কৰোতে ইয়াক উদ্বৃত্ত পত্রৰ দেনাদিশৰ 'চলিত দেনা আৰু ভৱিষ্যত ব্যৱস্থাসমূহ' শিতানৰ 'চলিত দেনাসমূহ' উপশিতানৰ অধীনত দেখুৱা হয়।



১৫.১০ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ লাভ পুঁজিলৈ স্থানান্তৰ কৰাৰ লগত জড়িত বিধিবদ্ধ ব্যৱস্থাৱলী কি কি?

প্রশ্ন ১২ঃ কোম্পানীৰ চূড়ান্ত হিচাপসমূহ প্রস্তুত কৰোতে নিম্নলিখিত পদসমূহ আপুনি কেনেকৈ ব্যৱস্থা কৰিব?

(ক) সঞ্চালকসকলৰ মাচুল,

(খ) প্রাপ্ত লাভাংশ,

(গ) আয়কৰৰ ভৱিষ্যত ব্যৱস্থা,

(ঘ) সঞ্চিত পুঁজিলৈ স্থানান্তৰ,

(ঙ) অনাদায়ী লাভাংশ।

প্রশ্ন ৩ঃ নিম্নলিখিত উদ্বৃত্ত মিলন পত্রখন হৈছে ২০১৯ চনৰ ৩১ মার্চত প্রস্তুত কৰা Lotus Ltd ৰ উদ্বৃত্ত মিলন পত্র। ২০১৯ চনৰ ৩১ মার্চত অন্ত পৰা বছৰটোৰ বাবে ক্রয়-বিক্রয় আৰু লাভ-লোকচান হিচাপ আৰু উক্ত তাৰিখত কোম্পানীৰ উদ্বৃত্ত পত্রখন প্রস্তুত কৰকঃ

Debit	Amount(Rs.)	Credit	Amount(Rs.)
Opening inventory	50,000	Sales	7,00,000
Purchases	3,50,000	Discount	6,000
Wages	1,70,000	Profit & Loss A/c	12,000
Commission	9,000	Creditors	80,000
Management expenses	1,20,000	Reserve	41,000
Trade mark	38,000	Loan from IFCI	31,000
Bonus	20,000	Shares Capital	3,50,000
Debtors	31,000	(Share of Rs. 10 each)	
Investment in Mutual Fund	50,000	Income tax refund	15,000
Machinery	1,50,000	Outstanding salary	20,000
Furniture	30,000	Bad debt recovered	10,000
Bank	2,29,000		
Bad debts	18,000		
	12,65,000		12,65,000

সংযোজনসমূহ (Adjustments) ঃ

ক। সামৰণি মজুত পণ্য (Closing inventory) Rs. 2,20,000.

খ। 1,500 টকা Staff Provident Fund লৈ কোম্পানীৰ বৰঙণিৰ বাবে ব্যৱস্থা কৰিব লাগে।

গ। Management expenses ৰ ভিতৰত 6,000 টকা পৰিচালকৰ পাৰিশ্রমিক হিচাপে পৰিচালন সঞ্চালকক পৰিশোধ কৰা হয়।

ঘ। 10,000 টকা আয়কৰৰ বাবে ব্যৱস্থা কৰিব লাগে।

ঙ। Trade Mark ৰ পৰা 2,000 টকা অৱলোপন কৰিব লাগে।

[Ans : Gross Profit Rs. 3,50,000; Net Profit before tax Rs. 1,95,500; Balance Sheet total Rs. 7,46,000]

*** ***** ***



REFERENCES (For All Units of the Course)

1. Advanced Accounting 2 Corporate Accounting by Dr. A Sehgal and Dr. D Sehgal, Taxman.
2. Ahmed N. (2007). Corporate Accounting: For B. Com (Hons.) and other professional courses. New Delhi, Atlantic Publishers and Distributors (P) Ltd.
3. Corporate Accounting K R Das and others, LBS publication.
4. Grewal T. S. (2016). Introduction to accountancy. New Delhi, S. Chand & Company Ltd.
5. Goyal V.K. & Goyal R. (2018). Corporate accounting. New Delhi, PHI Learning Pvt. Ltd.
6. Maheshwari, S. N. & Maheshwari, S. K (2017). Corporate accounting. New Delhi, Vikas Publishing House Pvt. Ltd.
7. Mukherjee A. & Hanif M (2017). Corporate accounting. New Delhi,Tata McGraw- Hill Publishing Company.
8. Theory and Practice of Accountancy by B B Dam , Sarda and others, Capital Publishing.
9. Singal R.S. (2010). Corporate accounting. New Delhi, V.K. (India) Enterprise.

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড চৌহদ, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দৰ্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দৰ্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিকন সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেড পৰিসৰ, দিশপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? [ ][ ][ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দৰ্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব-শিকন সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিকন উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব-শিকন সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিকন সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে ?

---

২) স্ব-শিকন সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে ?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।